অন্য মজুর দিন

আনন্দ গোস্বামী

GOVERNMENT OF ASSAM.
Call No................
STATE LIBRARY.

শ্রীভূমি পাবলিশিং কোম্পানী

Anya Monur Din : *A novel in Assamese written by Ananda Goswami and published by : Arun Purkayastha, Sribhumi publishing Company, 79 Mahatma Gandhi Road, Calcutta-70009.*

প্ৰকাশক :
শ্ৰীভূমি পাবলিচিং কোম্পানী
৭৯ মহাত্মা গান্ধী ৰ'ড
কলিকতা-৭০০ ০০৯

বেটুপাত : মনোজ বিশ্বাস

প্ৰথম প্ৰকাশ : চেপ্টেম্বৰ, ১৯৭৯

বেচ : ১২·০০

ছপা :
জনেট প্ৰিন্টিং হাউচ্
১৯, গোৱাবাগান ষ্ট্ৰীট
কলিকতা-৭০০ ০০৬

অন্য মনুর দিন

“অস্ত মনুৰ দিন” সম্পৰ্কে

দুটা যুগ, দুটা পুৰুষৰ ব্যৱধান আৰু সংঘাত অসমীয়া উপন্যাসত আন কোনো কোনো লেখকে ৰূপায়িত নকৰাকৈ থকা নাই। উদাহৰণ স্বৰূপে হোমেন বৰগোহাঞিৰ “পিতা-পুত্ৰ”। কিন্তু বৰগোহাঞিৰ উপন্যাসত এহাতে পুৰণা পুৰুষৰ প্ৰতি প্ৰবল মোহ আনহাতে নতুন পুৰুষ সম্পৰ্কে স্পষ্ট ধাৰণাৰ অভাৱ আৰু লেকামহীন বৰ্ণনা লক্ষ্য কৰি উৎসাহী পাঠক বিভ্ৰান্ত নহৈ নোৱাৰে। সঁচা কথা কোৱা এনেয়ে বৰ টান কাম—অন্তৰত লগাকৈ সঁচা কথা ক'ব পৰাটো প্ৰায় দুঃসাধ্য। এই পৰীক্ষাত হোমেন বৰগোহাঞে সম্পূৰ্ণ কৃতকাৰ্যতা লাভ কৰিব নোৱাৰিলে। হয়তো পেটৰ দায়ত কৰিবলগীয়া হোৱা সাংবাদিকতাই তেওঁৰ চেতনাত এনে এক সূক্ষ্ম চামনি পেলাই থৈ গৈছে যি সমসাময়িক জীৱনৰ ৰূপদৰ্শন তেওঁৰ বাবে ধোঁৱা-কোঁৱা কৰি তুলিছে।

ভাগ্যৰ ফেৰত আধুনিক ভাৰতীয় সাংবাদিকৰ একমাত্ৰ সম্বল হ'ল ভাষা—হয় তাল-পাত যোৱা দিবলৈ, নহ'লে গীত খানি বাৰীচুকত পুতিবলৈ। নানা তৰহৰ চৰকাৰী-বেচৰকাৰী প্ৰলোভনে সাহিত্যিকক নিতান্ত সাংবাদিকলৈ অধঃপতিত কৰাৰ লক্ষণো বিৰল নহয়। সেয়ে বৰ্তমান সমাজব্যৱস্থা মানি লোৱা লেখক সকলে তেওঁলোকৰ কলা-কুশলতা সত্বেও সমাজৰ প্ৰকৃত ছবিখন আঁকিব পৰা নাই। এই পিনৰপৰা আনন্দ গোস্বামীৰ ‘অস্ত মনুৰ দিন’ প্ৰতিশ্ৰুতিপূৰ্ণ আছিল।

অতীত সম্পৰ্কে মোহান্ধ নহ'বলৈ গোস্বামী দৃঢ়প্ৰতিজ্ঞ। উচ্চ-নীচ, জাত-পাতৰ জালত বান্ধ খাই থকা, কুসংস্কাৰ, তন্ত্ৰ-মন্ত্ৰ, অন্ধবিশ্বাসত উশাহ লৈ বাচি থকা সামন্ততান্ত্ৰিক জীৱনৰ প্ৰতি লেখকৰ বিতৃষ্ণা চৰম। এটা বৈজ্ঞানিক, গতিশীল, গণতান্ত্ৰিক মনোবৃত্তিৰ প্ৰতি তেওঁৰ আকৰ্ষণো তীব্ৰ। সেয়ে উৰলি যোৱা (একালৰ চমক লগা) তাংমাৰ মুখাকেইটাৰ দৰে ইৰলি যোৱা সামন্ত-তান্ত্ৰিক জীৱন আৰু সংস্কৃতিৰ প্ৰতিনিধি পুৰোহিত ধৰ্ম শৰ্মাৰ জীৱন-কাহিনী ৰচনা কৰোঁতে তেওঁ এই নিৰ্মম মোহমুক্তিৰ সাক্ষী হৈছে।

পৰিবৰ্তনৰ ধুমাত শৰ্মাৰ আভিজাত্য আৰু মান-মৰ্যাদাৰ ৰবৰৰ জেউতি পৰ্যন্ত কঁপি উঠিছে। পুৰণি শালগুটাৰ দৰে তেওঁ স্থিৰ হৈ আছে হয়, কিন্তু ৰবৰ চাপ-লেৰ বাগৰি পৰাত তেওঁৰ অভিজাত্য অৰ্থহীন হৈ পৰিছে। তেওঁৰ পৰম্পৰাগত ধ্যান-ধাৰণাৰ সহায়েৰে এই পৰিৱৰ্তন বা অৱনতি তেওঁ বুজিব পৰা নাই।

সেয়ে তেওঁৰ অন্তৰত গুমৰি উঠিছে অসহায় আৰ্তনাদ কিংবা নিস্ফল, অবান্তৰ আক্ৰোশ। গোস্বামীৰ উপন্যাসত চৰিত্ৰৰ এই ৰূপ জাজ্বল্যমান হৈছে।

বৰগোহাঞিৰ শিৱনাথৰ প্ৰতি যি করুণা আৰু মমতা, গোস্বামীয়ে তেনে করুণাৰপৰা নিজকে সযত্নে দূৰত ৰাখিছে। তেওঁ করুণাৰ কুঁৱলি ফালি নিস্পৃহ সত্য প্ৰকাশ কৰিবলৈ উদ্যোগী হৈছে। ফলত এই ক্ষেত্ৰত তেওঁৰ ভাষা সততে বস্তুধৰ্মী—কেতিয়াবা তীব্ৰভাবে শ্লেষাত্মক।

ধৰ্ম শৰ্মাৰ পৃথিবীখন আনন্দ গোস্বামীয়ে ভালদৰেই চিনি পায়। সেয়ে ভুকাইচুকত শৰ্মাৰ পয়োভৰ আৰু প্ৰতিপত্তিৰ মুহূৰ্ত আৰু তেওঁৰ অবমাননা আৰু পতনৰ মুহূৰ্ত দুয়োটাকেই ভাওনাৰ ভাওৰ দৃশ্যৰ যোগেদি অতি মনোগ্ৰাহীকৈ তেওঁ দাঙি ধৰিছে। কিন্তু একাদিক্ৰমে আৰু প্ৰায় বৈচিত্ৰ্যহীনভাবে তেওঁ নানা নিগ্ৰহ আৰু বিড়ম্বনা সহিবলগীয়া হোৱাত কাহিনীৰ আকৰ্ষণ কমি আহিছে। জীৱন্ত চৰিত্ৰত আহি পৰিছে মনোগতবাদী (Subjective) চিন্তাৰ যান্ত্ৰিকতা। হয়তো লেখকৰ মনৰ এচুকত অজানিতে ধৰ্ম শৰ্মাৰ প্ৰতি অলপ কোমলতা আছে আৰু এই কোমলতাৰ বাবে তেওঁৰ মনত এক প্ৰকাৰৰ ত্ৰাসো নথকা নহয়। তাৰেই পৰিণতি এক অস্বাভাবিক কঠোৰতা।

ধৰ্ম শৰ্মাৰ লগতে গাঁৱৰ সামন্ততান্ত্ৰিক অৱশেষৰ বাতাবৰণ সৃষ্টিত লেখক অধিক মনোযোগী হোৱা উচিত আছিল। অন্যান্য সজীৱ চৰিত্ৰ সৃষ্টিৰ জৰীয়তে তেওঁ সেই দায়িত্ব পালন কৰিব পাৰিলেহেঁতেন। কিন্তু তেনে চৰিত্ৰ বিশেষ নাই, থকা কেটাকো বিৱৰণৰ যোগেদিহে দাঙি ধৰাত তাৰ প্ৰভাব কাহিনীত বিশেষ পৰা নাই। ফলত শৰ্মা এজন ব্যতিক্ৰম হিচাবেহে বা এজন অদ্ভুত মানুহ হিচাবেহে পৰিচিত হোৱাৰ আশংকা বৈ গৈছে। বিষয়বস্তু সম্পৰ্কেও অলপ ক'ব-লগীয়া আছে। গাওঁ অঞ্চলত সামন্তবাদী ৰীতি-নীতি বা ধ্যান-ধাৰণা প্ৰকৃততে কিমানদূৰ বিনাশপ্ৰাপ্ত হৈছে? সেইবোৰৰ শিপা সঁচাকৈ উঘালি পৰিছেনে? আমি জনাত সচৰাচৰ নতুন পুঁজিবাদী শক্তিৰ লগত প্ৰাচীন সামন্তত্ত্বৰ বন্ধ যেনেকৈ আছে তেনেকৈ আপোচো হৈছে। ফলত সামন্তবাদী মানসিকতাৰ জৌলুৰ কমি আহিলেও বল এ:কবাৰে টুটি যোৱা বুলিলে বোধহয় ভুল হ'ব। এই সত্যৰ স্বীকৃতি নথকাত ধৰ্ম শৰ্মাৰ চৰিত্ৰায়নত অলপ অতিৰঞ্জন বা অতি-নাটকীয়তাৰ ৰেঙে চুইছে। সামন্ততান্ত্ৰিক আচাৰ-নীতিৰ অমানুষিক ক্ৰূৰতা গোস্বামীৰ গাঁওখনত নাই। বৰং হোমেন বৰগোহাঞিৰ গাঁওখনতে তাৰ চাপ

অন্য মনুৰ দিন সম্পৰ্কে শিৰোনামাৰ সমালোচনামূলক প্ৰবন্ধটো লিখি দিয়াৰ কাৰণে শ্ৰদ্ধেয় ড° হীৰেন গোহাঁই, উপন্যাসখন প্ৰকাশ কৰাৰ বাবে শ্ৰীযুত অৰুণ পুৰকায়স্থ আৰু কিতাপখন প্ৰকাশৰ বিভিন্ন স্তৰত বন্ধুত্বপূৰ্ণ সাহায্য আৰু পৰামৰ্শৰ হাত আগবঢ়োৱাৰ কাৰণে শ্ৰীযুত কুল গগৈ, শ্ৰীমতী মনোৰমা শৰ্মা, সৰ্বশ্ৰী অপূৰ্ব বৰুৱা আৰু ভূপেন শৰ্মাৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

—লিখক

১।৯।৭৯

যজমানী ব্ৰাহ্মণ ধৰ্মকান্ত শৰ্মা নামঘৰৰ পানীপোতাতে খন্তেক থমকি ৰ'ল। টিমিক-টামাক জ্বলা ফটা চিমনিৰ লেমটো সোঁহাতৰপৰা বাঁওহাতলৈ ললে আৰু একো নভবাকৈয়ে তেওঁ নামঘৰৰ দুৱাৰডলিটোত এটা সোঁহতীয়া সেৱা জনালে।

কাতি মাহৰ দোকমোকালি। পূবৰ আকাশত দূৰৰ তেলখাদৰ জুইৰ দৰে সূৰ্যৰ অস্পষ্ট পোহৰ দেখা গৈছে। মণিকূটত নামঘৰীয়াই মঞ্জুৰা বজাই পুৱানাম ঘাটিছে।

কঁকালৰ ভাঁজটো পোন কৰি ধৰ্মকান্ত আকৌ খন্তেক থমকি ৰ'ল।

টিমিক-টামাক জ্বলা ফটা চিমনিৰ লেমটো বাঁওহাতৰপৰা তেওঁ আকৌ সোঁহাতলৈ ললে। শৰ্মা নামঘৰৰ টুপ সোমালে।

এইবাৰ তেওঁ লেমটো নিজৰ কাণৰ সমান্তৰাললৈ তুলি ধৰি, মৎস্য অৱতাৰৰ চ্ছো-মুখাটো একান্ত মনে লক্ষ্য কৰিলে।

মাজুজনা গোসাঁয়ে দশ অৱতাৰ ভাওনাৰ কাৰণে বাঁহৰ কাঠিৰে মুখাটো সজাইছিল। শৰ্মাৰ কলেজীয়া বৰপুতেক মনোৰঞ্জনে মাছটোৰ গাত মাৰিবলৈ শিৱসাগৰৰ কেএগ্ৰাদোকানৰপৰা মাছবাকলীয়া কাগজ আনি দিছিল। ডুপৰ নিশা চেক্ৰেটৰীৰ ঘৰৰ জাতিবাঁহ কাটি গোটেই ৰাতি উজাগৰে থাকি এই মুখাবোৰ সজা হৈছিল।

এজনে আনজনৰ লগত ফেৰ মাৰি কাম কৰিছিল।

কাঠি তুলাওঁতে ল'ৰাহঁতৰ লগত ফেৰ মাৰিবলৈ গৈ ধৰ্মকান্ত শৰ্মাৰ আঙুলি কাটিছিল। সেই কটা দাগটো বোধহয় এতিয়াও আছে।

শৰ্মাই তেওঁৰ বাঁওহাতৰ তৰ্জনী আঙুলিৰে দাগটো পৰীক্ষা কৰিলে।

হয়, আছে। এটা সামান্য দাগ……

বহুত তেজ গৈছিল সেইদিনা, চেমনীয়াহঁতৰ লগত ল'ৰাধেমালি কৰাৰ কাৰণে গোসাঁই ঈশ্বৰে শৰ্মাক বকিছিল। নিজৰ অসাৱধানতাৰ বাবে শৰ্মাৰো খং উঠিছিল নিজৰ ওপৰত। কিন্তু আজি? সেই কোনোবা কাহানিৰে এটা সামান্য ছিদ্ৰ—সিয়েই আজি এটা মানুহৰ, এটা যুগৰ প্ৰতীক হৈ ধৰা দিলে।

ধন-সম্পত্তি সঁচায়ে অবাস্তৱ, শৰ্মাই ভাবিলে। একো একোটা সূক্ষ্ম ছিদ্ৰ, একোটা ক্ষুদ্ৰ ক্ষত, একোটা তুচ্ছ ঘটনাই এটা মানুহৰ, এখন সমাজৰ, এটা যুগৰ একোটা স্মৃতিচিন হৈ ৰৈ যায়। তেনে ক্ষুদ্ৰাতিক্ষুদ্ৰ ক্ষত একোটাযে কালক্ৰমত মানুহৰ মনত সময়ৰ আঁচোৰ হৈ ধৰা দিয়ে। অদ্ভুত!

আঙুলিৰ দাগ লগা অংশটোৰে শৰ্মাই এবাৰ তেওঁৰ কপালত ঠোকৰ মাৰিলে। গৰ্বত তেওঁৰ বুকুখন ওফন্দি আহিল। শৰ্মাৰ এনে এটা ভাব—যেন এটা আঙুলি কিয়, গোটেই হাতখনেই সেইদিনা কটা যোৱা হলেও তেওঁ আজি আৰু উৎফুল্লিত হ'ব পাৰিলে-হেঁতেন। আজিৰ ব্যক্তিগত অৱমাননা, সামাজিক অপমানতকৈ সেই স্মৃতি শৰ্মাৰ বাবে আৰু প্ৰাণস্পৰ্শী হ'লহেঁতেন। কি দিন আছিল! গঞা-জ্ঞাতিৰে....

যাওক সেই কথা। অন্তৰাত্মাক দুখ দি আৰু লাভ নাই। ভগৱানে কি জানিবা এইবোৰ ভালৰ কাৰণেই কৰিছে।

আৰে, মাছটোৰ দেখোন চকু দুটা নাই? ইস্! এইটো নিশ্চয় নামঘৰীয়াৰ আপদীয়া ল'ৰাটোৰ কাম। মাছটোৰ 'জলজেন্ত' মাৰ্বলৰ চকু দুটা ইহঁতে নিশ্চয় গুটি খেলিবলৈ নিলে। আহাৰকণিৰ পানী পৰি মাছটোৰ তলপেটটো তেনেই তিতি আছে। এতিয়া আৰু ইয়াক মাছ নোবোলাই ভাল। ই এটা মাছৰ ৰঙা—ভাওনাৰ চং দিবলৈ বাঁহৰ কাঠিৰে সজা মাছ সদৃশ কাঠিকামিৰ এটা অৱশিষ্ট কেৱল।

তথাপি এদিন এই মুখাটো সাজিবলৈকে কি উৎসাহ, কি উদ্দীপনাই নাছিল জকাইচুকীয়া বাইজৰ! মানুহে অশুচি নকৰা

জেগাৰ পাতল গাঁঠিৰ জাতিবাঁহ বিচাৰি অনা হৈছিল। প্ৰত্যেকটো কাঠি ভক্তিভাৱে, ভৰিত নলগোৱাকৈ এটা এটাকৈ তুলোৱা হৈছিল। সমূলি জোৰা-তাপলি নলগোৱাকৈ একেটা ঘৰাতে ফিছাৰপৰা কোৱাৰিলৈকে ইয়াক বাঘমোৰত লগোৱা হৈছিল। মোৰটো জুৰিবৰ সময়ত উপস্থিত গঞাই জয়ধ্বনি কৰিছিল। একেৰাতিৰ ভিতৰতে ঘৰাটো সম্পূৰ্ণ কৰি, আটাগুড়িৰ আঠাৰে তাৰ ওপৰত অসমীয়া বাতৰি কাগজ এঠোওৱা হৈছিল। ঘণ্টাদিয়েক ৰ'দত শুকুৱাই বাতৰি কাকতৰ ওপৰত মাছবাকলীয়া সোণালী ৰূপালী জিলজিলীয়া কাগজ লগোৱা হৈছিল। তাৰপিছতেই মাৰ্বল গুটি দুটা তাৰ চকুৰ ফুটা দুটাত সুমুৱাই দি যেতিয়া গোসাঁই ঈশ্বৰে মুখাটোৰ অ'ত ত'ত হেঙুল-হাঁইতালেৰে আঁক-বাঁক কৰি দিলে, ঠিক সেই মুহূৰ্তেই বাঁহৰ কাঠিৰ ছোঁ-মুখাটো জীৱন্ত হৈ উঠিল।

মাছটোৱে প্ৰাণ পালে!

কৰ্মী সকলৰ মাজত বু-বু বা-বা লাগিল,—ভিতৰত মানুহ নোসোমালেও বোলে নিজে নিজেই মাছটো এতিয়া জপিয়াই উঠিব। বৰ আখৰাৰ দিনাই যেন মাছটোৱে নিজমূৰ্তি ধৰি প্ৰলয় জলত জপিয়াই পৰি বেদ উদ্ধাৰ কৰিব। এহেন অৱস্থা দেখি বৰডেকা বৰমেধিয়ে বিগলিত কণ্ঠে গোৱা কীৰ্তন ফাকি শৰ্মাৰ আজিও মনত আছে:

"সত্যব্ৰত ৰাজাক দেখাইলা নিজ মায়া।
নধৰিলে সমুদ্ৰে তোমাৰ মৎস্য কায়া।"

সেই মুহূৰ্তৰ অৱস্থাটো শৰ্মাৰো নিজৰে কিবা বুজিব নোৱৰা যেন লাগিছিল। তেওঁৰো ধাৰণা হৈছিল, পৌৰাণিক আখ্যানৰ দৰে মাছটো নিশ্চয় এতিয়া আয়তনত বৃহৎ হৈ যাব। প্ৰথমতে এই কোঠালিটোত নধৰা হ'ব, তাৰপিছত গোটেই নামঘৰটোত; আৰু ক্ৰমান্বয়ে এক অতিকায় ৰূপ ধাৰণ কৰি ইয়াৰ ওপৰৰ ফানছটাই চুবগৈ আকাশ!

ডিঙি লুটিয়াই ওপৰলৈ চাওঁতে শৰ্মাই হঠাৎ দেখিলে,—নামঘৰৰ টুপৰ টিনপাত এচলা নাই।

ইস্, সমূহ ৰাইজৰ ইমান ভয়ৰ কাৰণ সেই ভয়ঙ্কৰ মাছটো আজি বৰষুণত তিতিছে, ৰ'দত শুকাইছে। ৰাইজে ভবাৰ দৰে স'চাই ই ইমান জয়াৰ হোৱা হলে আজি ইয়াৰ এই দুৰৱস্থা নহ'লহেঁতেন। কিন্তু এনেওতো হ'ব পাৰে—কোনো বস্তু বা মানুহ একোটা বিশেষ মুহূর্ত-ত হে বিশেষভাৱে শক্তিশালী হৈ উঠে?

পাশাখেলৰ দুঃশাসনৰ দৰে?

ধৰা হওক, জয়দ্ৰথ যেনে হৈছিল?

অৰ্জুন ব্যতীত চাৰি পাণ্ডৱক সেইদিনা জয়দ্ৰথে জানো শুদাই ধৰিছে?

পাণ্ডৱপক্ষৰ প্ৰতি যোদ্ধাকেই প্ৰাণ লৈ পলাবৰ বাবে বাধ্য কৰাইছিল জয়দ্ৰথে। বলশালী বৃকোদৰে গদা-মুদগৰ দলিয়াই পেলাই জয়দ্ৰথৰ ভৰিত ধৰি কাকূতি ঘোষা গাইছিল। চক্ৰবেহুত আবদ্ধ অভিমন্যুৰ আৰ্ত্তচিৎকাৰত ভীমৰ কাণ ফাটিবৰ উপক্ৰম হৈছিল। শৰীৰৰ সমস্ত শক্তি পুঞ্জীভূত কৰি বৃকোদৰে বাৰ বাৰ জয়দ্ৰথৰ ওপৰত জপিয়াই পৰিছিল। কিন্তু?

শিৱৰ বৰত বলীয়ান জয়দ্ৰথৰ সেইদিনা নোম এডালো ঘাইল কৰিব পৰা নাছিল বৃকোদৰে। চক্ৰবেহুৰ ভিতৰত চিৎকাৰ কৰি কৰি অভিমন্যুৱে মৃত্যুবৰণ কৰিছিল। ভীমৰ কাৰণে কিন্তু সিমানতো প্ৰহৰী জয়দ্ৰথক পৰাজয় কাৰ বেহুৰ ভিতৰ সোমোৱা সম্ভৱ নহৈছিল। হৈছিল,—কৌৰবপক্ষৰ জয়ধ্বনিয়ে যেতিয়া কুৰুক্ষেত্ৰৰ আকাশ নিনাদিত কৰিছিল, জয়দ্ৰথ যেতিয়া নিজৰ কৰ্ত্তব্যত সফল হৈছে বুলি নিশ্চিত হৈছিল তেতিয়া,—অভিমন্যুৰ মৃত্যুৰ পিছত।

ঠিক তেনেদৰেই বৰ আথৰাৰ দিনৰপৰা নাট সামৰণিলৈকে হয়তো এই মাছটোৱেও এটা অতি প্ৰাকৃতিক শক্তি, এটা ঐশ্বৰিক সম্মোহনী লাভ কৰিছিল।

আৰু স'চাকৈয়ে, সি এক অপূৰ্ব অভিজ্ঞতা!

মৎস্য অৱতাৰৰ সূত্ৰধাৰে প্ৰস্থান কৰিছে। ছামগুৰিৰপৰা নতুনকৈ

ছোৱাই অনা বাৰটা কঁঠালকাঠৰ খোলত গোসাঁই প্ৰমুখ্যে বায়ন সকলে সিন্ধুৰা একতালৰ চাপৰ মাৰিছে। গেন্ধেলা বায়নকে ধৰি বাৰযোৰ তাল, বাৰটা খোল, তিনিটা ডবা, দুযোৰ নেগেৰাৰ শব্দত দশোদিশ গমগমাই উঠিছে। আঁৰকাপোৰ তৰি মৎস্যৰূপী ধৰ্মকান্ত শৰ্মাক মঞ্চৰ ওপৰলৈ আদৰি অনা হৈছে। ভগৱানৰ প্ৰথম অৱতাৰ শৰ্মাই আঁৰকাপোৰৰ তলৰপৰাই নামঘৰৰ সিংহাসনৰ ভগৱানক উদ্দেশ্য কৰি এটা সেৱা জনালে। মঞ্চৰপৰাই মাছৰ কোৱাৰিয়েদি ৰথা ফুটাৰে শৰ্মাই দেখিলে লোকে লোক্ৰাৰণ্য।

নামঘৰৰ টুপৰ শেষত এবুকু ওখ মঞ্চ। মঞ্চৰ ওপৰত উভয় হস্তকমলত বেদ ধাৰণ কৰি ধ্যানমগ্ন ব্ৰহ্মা।

নামঘৰৰপৰাই পোনে পোনে মাৰলি টানি নামঘৰৰ বিপৰীতে চৈ-তিৰপাল দি আৰু এটা নামঘৰ সজা হৈছে। মঞ্চৰপৰা পথালি বাঁহ দি মঞ্চৰ দুয়োকাষে চৈৰ ৰভা দিয়া হৈছে। ৰভাৰ মাজে মাজে পোলোঙা বাঁহ পুতি তাত নতুন গামোচা মেৰিয়াই ৰভাৰ খুটা কৰা হৈছে। ৰভাৰ শেষত আঠিয়াকলৰ খুটা পুতি তিনিফালে ৰভাতকৈ চাপৰ বাৰাণ্ডা দিয়া হৈছে। বাঁওফাললৈ মঞ্চৰ শেষত চোঁ-ঘৰ পতা হৈছে। ত্ৰিছ বত্ৰিছটা ভাৱৰীয়াই একেলগে কুৰুক্ষেত্ৰ ৰণ কৰিব পৰাকৈ, আহল-বহল-মজবুতকৈ মঞ্চ সজা হৈছে।

মঞ্চৰ মাজতে কল-কজা লগাই এটা ঘূৰণীয়া গাঁত ৰখা হৈছে। সেই গাঁতৰপৰা ৰখা হৈছে তলে তলে চোঁ-ঘৰলৈ যাবলৈ এটা প্ৰকাণ্ড ৰাস্তা।

মঞ্চৰ ফুটাৰ জোখত বনোৱা কাঠৰ ঘূৰণীয়া ভক্তাখন লগাই প্ৰয়োজনমতে মঞ্চৰ মাজৰ ফুটাটো বন্ধ কৰিব পৰাকৈ তলফালে চাৰিজন লোক ৰখা হৈছে।

আঁৰকাপোৰৰ মাজেদিয়ে শৰ্মাই দেখিলে মঞ্চৰ গাৰপৰা চকুৰে মনিব পৰালৈকে লোকে লোকাৰণ্য।

নামঘৰীয়াৰ বাৰীৰ আমগছজোপাতো মানুহ।

মণিকূট সাজিবলৈ পেলাই থোৱা সৰলকাঠৰ খুটাবোৰৰ ওপৰতো মানুহ।

মানুহ, মানুহ, কেৱল মানুহ। এনেতে......

এনেতে গীতৰ সামৰণি পৰিল।

বৰডবা, বৰকাঁহ, শঙ্খ, ভোৰতাল বাজি উঠিল। জয়ধ্বনি আৰম্ভ হ'ল। আৰু লগে লগে গুচাই দিয়া হ'ল শৰ্মাৰ সমুখৰ আঁৰ-কাপোৰখন। মুকলি মঞ্চৰ ওপৰত ধৰ্মকান্ত শৰ্মা এক বিশাল জন-সমুদ্ৰৰ মুখামুখি।

যোল-সোতৰ হেজাৰ দৰ্শকৰ তীক্ষ্ণ চকু মৎস্য অৱতাৰৰূপী ধৰ্ম-কান্তৰ শৰীৰত নিবদ্ধ। হঠাৎ........

হঠাৎ এক অদ্ভুত উপলব্ধিত ধৰ্মকান্ত শৰ্মাৰ সৰ্বশৰীৰ শিয়ৰি উঠিল। অশোকাষ্টমীৰ ৰাতিৰ উত্তেজনাত শৰ্মাৰ শৰীৰ সন্নিপাত ৰোগীৰ দৰে ঘামিবলৈ ধৰিলে। শৰ্মাই যেন এক অমূল্য সম্পদৰ সন্ধান পাইছে—অজস্ৰ দৰ্শকৰ চকুত শৰ্মাই নিজকে দেখা পাইছে; এক মুহূৰ্তৰ বাবে শৰ্মাই যেন জীয়াই থকাৰ মানে বিচাৰি পালে। সন্তুষ্টিত শৰ্মাৰ মন ভৰি পৰিল। মঞ্চৰ ওপৰত থৈ থকা ঠাইতে তেওঁ শান্তভাৱে এপাক ঘূৰিলে।

শৰ্মাই দেখিবলৈ পালে, মঞ্চৰ কাঠত মূৰ লগাই তেওঁক প্ৰণাম কৰিছে মঞ্চৰ কাষতে বহি থকা হাড়-ছাল-সৰ্বস্ব প্ৰায় ছকুৰি বছৰীয়া বুঢ়ী এগৰাকীয়ে·· ....

তাৰপিছত আৰু এগৰাকীয়ে.......

তাৰপিছত আৰু এগৰাকীয়ে ·....

হঠাৎ শৰ্মাৰ গাটো জিকাৰ খাই উঠিল। মনটোত ভয় ভয় লাগিল।

শৰ্মা বৈ গ'ল।

তেওঁৰ নিজকে অপৰাধী যেন বোধ হ'ল। এই যোল-সোতৰ হেজাৰ দৰ্শকৰ প্ৰণাম গ্ৰহণ কৰিবৰ বাবে শৰ্মা উপযুক্ত নে?

তেওঁৰ গাত কি এনে গুণ আছে যে, নিৰ্বিকাৰভাৱে এই হেজাৰ হেজাৰ লোকৰ নিৰন্তৰ শ্ৰদ্ধা তেওঁ নিৰ্বিবাদে গ্ৰহণ কৰিব পাৰে ?

শৰ্মা ভয়তে পেঁপুৱা লাগিল। মুখাৰ ভিতৰতে তেওঁৰ মাংসল বুকুখন কোঁচখাই আহিল। গাৰ নোমবোৰ ঠৰঙা হৈ পৰিল।

পিছমুহূৰ্ততে শৰ্মাই ভাবিলে, উপস্থিত ৰাইজে তেওঁক সেৱা কৰা নাই ; কৰিছে মৎস্যৰূপী ধৰ্মকান্তক। আচলতে দৰ্শকে মাছটোকহে প্ৰণাম কৰিছে। উপস্থিত দৰ্শকৰ দহভাগৰ এভাগেও হয়তো নাজানে যে ধৰ্মকান্ত শৰ্মা নামৰ ব্ৰাহ্মণ যুৱক এজন এই মাছটোৰ মাজত সোমাই আছে। আৰু ভাওনাৰ-গুৰিয়াল গোসাঁই ঈশ্বৰৰ দ্বাৰা পূৰ্বনিৰ্ধাৰিত নিৰ্দেশ মতে মুখাটোৰ মাজত সোমাই তেওঁ কেৱল ভাও দি গৈছে। ইয়াকে ভাবি শৰ্মা আশ্বস্ত হ'ল, আৰু গোসাঁই ঈশ্বৰৰ পূৰ্বনিৰ্দেশ অনুযায়ী মঞ্চৰ ফুটাটোৰ মাজৰপৰা ওপৰলৈ ওলাই অহা বাঁহৰ চিটিকাত নীলাকাগজ লগাই বনোৱা পদুমফুল এপাহৰ মাজত বহি থকা বেদহস্তে ধ্যানমগ্ন ব্ৰহ্মাৰ চাৰিওফালে এটা পাক ঘূৰিলে।

দৰ্শক আকৌ নিস্তব্ধ হৈ গ'ল......

যথাসময়ত অসুৰ আহিল।

নিদ্ৰিত ব্ৰহ্মাৰ হাতৰপৰা বেদ হৰণ কৰি অসুৰ পলাল।

লগে লগে পেট্ৰোমাক্স লাইটবোৰৰ ওপৰত ওলোমাই থোৱা ক'লা-ৰঙী কাগজৰ ঘৰাবোৰ নমাই দিয়া হ'ল। কৃত্ৰিম অন্ধকাৰে সভাগৃহ আবৰি ধৰিলে।

খোলত চাপৰ পৰিল।

মৎস্যৰূপী ধৰ্মকান্তই বায়নৰ খোলৰ ছেৱে ছেৱে সংহাৰমূৰ্তিৰ নৃত্য আৰম্ভ কৰিলে।

আৰু এসময়ত মঞ্চৰ মাজৰ অসুৰ পলোৱা সমুদ্ৰৰূপী ফুটাটোত মৎস্যৰূপী ধৰ্মকান্ত বেদ উদ্ধাৰৰ উদ্দেশ্যে জপিয়াই পৰিবলৈ উদ্যত হৈ উঠিল।

পেট্ৰোমাক্সৰ পোহৰবোৰ পলকতে ৰঙা হৈ গ'ল।

নাটৰ গুৰিত, মাইকৰ কাষতে বহি থকা কণল'ৰা মণ্ডলে আধাখিনি পানীৰে তেওঁৰ ওচৰতে সজাই থোৱা বাল্টিটোৰ ওপৰলৈ মাইক্ৰ'ফোন-টো তুলি বাল্টিটোৰ পানীত হাতেৰে থল্থলাই দিলে।

ঈশ্বৰৰ প্ৰথম অৱতাৰে অসুৰ বিচাৰি সমুদ্ৰ খলক লগালে। সহস্ৰ দৰ্শকৰ হাততালিত সভাগৃহ মুখৰ হৈ উঠিল। আৰু সেই হাততালিৰ ছন্দ, খোল-ডবাৰ চাপৰ আৰু দৰ্শকৰ হৰ্ষধ্বনিৰ মাজেৰে মৎস্যদেৱতা অসুৰ পলোৱা সমুদ্ৰত জপিয়াই পৰিল।

সেইটো আছিল হেঙুল-হাঁইতালেৰে চিকমিকাই থকা তেতিয়াৰ ছোঁ-মুখা। সহস্ৰ গঞা-ৰাইজৰ শ্ৰদ্ধা আৰু ভয়ৰ, ভক্তি আৰু গৌৰৱৰ ছোঁ-মুখা।

আৰু ধৰ্ম শৰ্মাৰ চকুৰ আগত ওলমি থকা এইটো চৰায়ে বাহ লোৱা, জৰাজীৰ্ণ এতিয়াৰ ছোঁ-মুখা।

এই ছোঁ-মুখাটো এতিয়া অভিমন্যু বধৰ পিছৰ, সন্ধিয়াৰ জয়দ্ৰথ। এই মুখাৰূপী জয়দ্ৰথে কেৱল মৰণৰূপী অৰ্জুনৰ বাবে অপেক্ষা কৰিছে।

সময়ৰ আছাৰকণিত মুখাটো ইমান দিনে ভাগি যোৱাই স্বাভাৱিক আছিল, যদিহে ইয়াক নামঘৰৰ টুপৰ চৌতিত বাঁহ বান্ধি ওলোমাই থোৱা নহ'লহেঁতেন। মুখাটোৰ মুখখনত এসময়ত ঘৰচিৰিকা চৰায়ে বাহ সাজিছিল। গুৰুজনৰ তিথিত নাম ডাকিবলৈ আহোঁতে কথাটো শৰ্মাৰ চকুত পৰিল। আৰু তেওঁ ততাতৈয়াকৈ দুটা ল'ৰা লগাই নড়াচাৰি কাটি মুখাটোৰ মুখখন বন্ধ কৰাই দিয়ালে।

সময়ৰ ঘঁহনিত ই জহি খহি গৈছে।

ইয়াৰ কাল প্ৰাপ্ত হৈ আহিছে।

এতিয়া আৰু ই ভগৱানৰ প্ৰথম অৱতাৰৰ পৌৰাণিক গাম্ভীৰ্যপূৰ্ণ ভাবমূৰ্তি নহয়। বেদ উদ্ধাৰ কৰিব পৰা প্ৰলয়ঙ্কৰী শক্তি ইয়াৰপৰা আজি আশা কৰা নিষ্ফল। ভাওনাৰ চং দিবৰ বাবে চুৱনিৰ বাঁহ কাটি সেই বাঁহৰ কাঠিৰে সজা ছোঁ-মুখাৰ ই এটা ভগ্নাংশ। ইয়াৰ দ্বাৰা বৰ্তমান পৃথিৱীৰ কোনো মহৎ কাৰ্য সম্পাদন সম্ভৱ নহ'ব। খুউব বেছি এটা

প্ৰতীক হিচাপে ইয়াক ৰাখি থব পৰা যায়। প্ৰতীক হলেও ৰুগ্ন, ৰুগ্ন প্ৰতীক!

যি ক্ষণত দুহাতে আজুৰি জীয়াই থাকিবৰ বাবে প্ৰয়োজনীয় ভাত এমুঠি আহৰণৰ ব্যৱস্থা অসম্ভৱ হৈ উঠিছে, সেই মুহূৰ্তত এনে এটা জধলা পদাৰ্থ সংৰক্ষণৰ চিন্তা শৰ্মাৰ বাবে বাতুলতা কেৱল।

ধৰ্মকান্ত শৰ্মাৰ মনটো আকৌ দেই পুৰি আহিল। আস্, কি যে এটা সময় আছিল! গঞা-জ্ঞাতিৰ বাপুদেউ সম্বোধনত অমৃত বৰষিছিল। বাপুদেউৰ ছাঁটো দেখিলেও আবাল-বৃদ্ধ-বণিতা সন্ত্ৰস্ত হৈ উঠিছিল। যজমানৰ সাষ্টাংগ প্ৰণামো অৱহেলা কৰি, সিহঁতৰ শিৰৰ ওপৰত চৰণ ৰাখি বাপু শিৰোমণি ধৰ্মকান্ত শৰ্মা বেদষিক কাৰ্যত ব্ৰতী থাকিব পাৰিছিল। বাপুৰনী আই ৰুক্মিণীৰ পৰামৰ্শ আৰু নিজৰ চিন্তাৰে ধৰ্মবাপু আগবাঢ়িছিল। আৰু আজি?

আজি পিছুৱাই যাবলৈও শৰ্মাৰ ঠাই নাই, আগুৱাবলৈ নাই শক্তি সামৰ্থ। স্মৃতিৰ পোৰণিত শৰ্মা অস্থিৰ হৈ পৰিল। তেওঁৰ ধাৰণা হ'ল, বাঁহৰ কাঠিৰ এই ভগা ছোঁ-মুখাটোৱে যেন তাৰ ছাল-বাকলি এৰোৱা দাম্ভিক হাড়বোৰেৰে ধৰ্মকান্তক সিঞাৰিছে, দাঁত নিকটাই হাঁহিছে। ই যেন ধৰ্মকান্তক উপলুঙা কৰিছে। ব্যঙ্গ কৰিছে ধৰ্মকান্তৰ বাৰ্দ্ধক্যক যৌৱনক, কৈশোৰক, তেওঁৰ বংশ মৰ্যাদাক। ফটা চিমনিৰ লেমৰ পোহৰত শৰ্মাই তেওঁৰ এসময়ৰ সুগোল বুকুখনলৈ চালে, চিৰলিফটা বনিয়নৰ মাজেদি কামিহাড়বোৰে ইতস্ততঃ ভুমুকি মাৰিছে। তেওঁৰ বুকৰ হাড়বোৰ ঠিক জহি যোৱা মাছৰ জঁকাটোৰ দৰেই, হাৰমনিয়মৰ ৰীডবোৰৰ দৰে শাৰীপতা। হঠাৎ খংটো শৰ্মাৰ টিকনিত লাগিলগৈ। গুড়ি কৰি ভাঙি পেলাব নোৱাৰিনে এই মুখাসোপা? কিন্তু……

কোনো লাভ নাই, পিছমুহূৰ্ত্তে শৰ্মাই সিদ্ধান্ত ললে। কাৰণ, তেওঁৰ জীৱনৰ এটা মাত্ৰ প্ৰতীক এই ছোঁ-মুখাটো ভাঙিলেই তেওঁ গ্লানিৰপৰা পৰিত্ৰাণ নাপায়।

ভঙা-গঢ়াৰ বিনিময়ত শক্তিৰ অপচয় হয়। জ্ঞানগৰ্ভ উপদেশৰ

পথেৰে অন্তৰ পৰিবৰ্তন কৰাৰ পক্ষপাতী ধৰ্মকান্ত শৰ্মা। কিন্তু শৰ্মাৰ দৰে মানুহৰ বাবে সেই পথো যে বন্ধ হৈ গৈছে! মানুহ সাংঘাতিক-ভাৱে নিষ্ঠুৰ হৈছে, পাশৱিকভাৱে হৈছে নিৰ্মম, নিৰ্দয়। জ্ঞান-শ্ৰদ্ধা, স্নেহ-ভালপোৱা আদি মানৱীয় গুণবোৰৰ পৰিৱৰ্তে মানুহে শিকিছে অসূয়া-অপ্ৰীতি, হিংসা-দ্বেষ-সমালোচনা। সমাজত শিক্ষাৰ দাম নাই, বয়সীয়াৰ বাবে নাই বিজ্ঞজনৰ সন্মান। ধৰ্ম-কৰ্মৰ প্ৰতি ইহঁতৰ ধাউতি নাই, ভগৱানৰ প্ৰতি নাই কোনো ভয়-সংশয়-আস্থা। ঐতিহ্যৰ প্ৰতি সিহঁতৰ কোনো খেদ নাই, পৰপাৰৰ প্ৰতি নাই কোনো আকৰ্ষণ। ধৰ্মৰ গ্লানিয়ে সমাজক ছাটি ধৰিছে। ই হৈ উঠিছে মানৱীয় মৰ্যাদাৰ বধ্যভূমি। এই বধ্যভূমিত প্ৰাণপাত কৰাতকৈ কোনোবা অচিন দেশলৈ শৰ্মা গুচি যাব।

সেয়ে পিতৃভূমি জকাইচুক এৰি, পৈতৃক বৃত্তি যজমানী এৰি, ঐতিহ্য পৰম্পৰাকো ত্যাগ কৰি নিৰ্বিকাৰভাৱে অচিন দেশলৈ পাৰি দিছে ধৰ্মকান্ত শৰ্মাই। নতুন দেশৰ নতুন সংসাৰত দশাৱতাৰ ভাওনা, পৈতৃক ভেটি, কৌটিকলীয়া যজমান তেওঁৰ বাবে, তেওঁৰ পৰিয়ালৰ বাবে সুখ-স্মৃতি হৈ থাকিব। এই ছোঁ-মুখাৰ জংকাটোকে লৈ হয়তো এদিন পূৰ্ণিমাৰ নিশা তুলসীতলত বহি শৰ্মাই নাতি-নাতিনীৰ আগত গল্প কৰিব। তেতিয়া তেওঁৰ কাৰণে জকাইচুক হৈ যাব এটা সাধুকথা। দশাৱতাৰ ভাওনাৰ দিনটো হৈ উঠিব এটা পৱিত্ৰ দিৱস। নামঘৰ মণিকূট হ'ব স্মৃতিৰ মণিকোঠা। আৰু সেই জংয়াৰ ছোঁ-মুখাটো হ'ব বিগত ঐতিহ্যৰ অৰ্থপূৰ্ণ স্বাক্ষৰ। মৎস্য অৱতাৰৰ ছোঁ-মুখাৰ অন্তৰ্নিহিত চালিকাশক্তি হৈ উঠিব কিছুমান নতুন মুখৰ প্ৰতিনিধি। শৰ্মাৰ আঙুলি নিৰ্দেশত চলিব ন-ৰাইজ। ধৰ্মকান্ত শৰ্মাই হ'ব সেই মানুহবোৰৰ চালিকা শক্তি। নতুন ঠাইৰ নতুন সমাজত ধৰ্মকান্তই প্ৰতিষ্ঠা কৰিব নতুন ৰীতি-নীতি। অতীত আৰু ভৱিষ্যত মিলি সৃষ্টি হ'ব নতুন ঐতিহ্যৰ।

পুৰণি পৰম্পৰাৰ ভগ্নাৱশেষ এই ছোঁ-মুখাটো। সময়ৰ জোকাৰণিত ক্ষত-বিক্ষত হলেও ই ধৰ্মকান্ত শৰ্মাৰ সুস্থ অতীত জীৱনৰ প্ৰতীক,

যৌৱনৰ প্ৰতীক। আশা-আকাঙ্ক্ষা সম্ভাৱনাৰ সোঁৱৰণী। ধৰ্মকান্তৰ জকাইচুকীয়া ঐতিহ্যৰ ই অংশবিশেষ। ইয়াক ৰক্ষা কৰাটো তেওঁৰ পৱিত্ৰ কৰ্ত্তব্য। ছোঁ-মুখাটোৰ বাস্তৱ ৰূপ হয়তো এদিন লয় পাব। কিন্তু ধৰ্মকান্তৰ মনোৰাজ্যত ইয়াৰ ভাবমূৰ্তি সহজে লয় পাবলগীয়াকৈ ই ঠুনুকা নহয়। ধৰ্মকান্ত শৰ্মাই শেষবাৰৰ বাবে ছোঁ-মুখাটোলৈ চাই ৰ'ল।

প্ৰকৃততে কেৱল ধৰ্মকান্তৰ বাবেই নহয়—সমূহ জকাইচুকীয়া ৰাইজৰ এটা সোণালী যুগৰ গৰিমাৰ ই এক জ্বলন্ত স্বাক্ষৰ। এক জীৰ্ণ-শীৰ্ণ-কগ্ন প্ৰতীক। এসময়ৰ ভাতে-ভঁৰালে, খোলে-বৰকাঁহে দপদপাই থকা ভৰুণ জকাইচুকীয়া গৌৰৱ জাকজমক দশাৱতাৰ ভাওনাৰ ই মৰা-শ। জকাইচুকীয়া ৰাইজৰ সম্পত্তি-সম্ভোগ, সংস্কৃতি-বিলাসৰ স্মৃতিৰ লাওখোলা। মৎস্য অৱতাৰৰ এই ভগ্ন ছোঁ-মুখাটোৱেই একালৰ লুইতপৰীয়া শঙ্কৰী সংস্কৃতিৰ নিৰ্জীৱ কঙ্কাল। এক নিৰৱচ্ছিন্ন যুগৰ, এখন মৃত সমাজৰ পূতিগন্ধযুক্ত মমী, অথবা এটা জাতিৰ ঐতিহ্য-উজ্জ্বল সংস্কৃতি-চেতনাৰ অৱক্ষয়-প্ৰাপ্ত ইতিহাসৰ ভগা আয়না।

শৰ্মাৰ চকু দুটা সেমেকি আহিল।

কান্ধৰ ফটা গামোচাখনেৰে তেওঁ চকুহাল মোহাৰি ললে। আৰু দুখোজ আগুৱাই গৈ তেওঁ কূৰ্মঅৱতাৰী ছোঁ-মুখাটোৰ তলতে খন্তেক ৰ'ল।

কাছটোৰ ডিঙিটো নাই, শূন্যত ওলমি থাকি থাকি সি কোনোবা দিনা সৰি পৰিছে।

পোৰামাটি ৰঙৰ ছলংখনত ঘুণপোক লাগি চেলেকা-চুবুৰীয়াকৈ কুটিছে। তাৰ গাৰ পূৰ্বৰ মিহি মাটিৰ ৰঙৰ পৰিবৰ্তে এতিয়া সি ক'লা-বগাৰ সানমিহলি এক পথৰা ৰূপ লাভ কৰিছে। অথচ এই মুখাটোৰো এক অপূৰ্ব ইতিহাস আছিল......

শৰ্মা আৰু দুখোজ আগবাঢ়িল আৰু নৃসিংহৰ মুখাটোত চকু ফুৰালে। নৃসিংহৰো তদ্ৰূপ অৱস্থা। মুখাটোৰ কাণদুখন গৰুৱে ভঙা বাঁহগাজৰ দৰে ওলমি আছে। কেশৰবোৰ এৰাই গৈ শিংহটোক এটা

লাউমূৰা বুঢ়া গৰুৰ দৰে দেখাইছে। তামোলৰ চকুৱাত চূণ সানি লগোৱা তাৰ প্ৰায়বোৰ দাঁতেই সৰিল। ধৰ্মকান্তৰ দৰে সিংহৰ ছোঁ-মুখাটোও বুঢ়া হৈ গ'ল। এদিন এই মুখা পিন্ধিযেই ধৰ্মকান্তই কি গৰ্জন কৰিছিল! স্ফটিকৰ স্তম্ভ ভেদ কৰি আহি হিৰণ্যকশিপুৰ বক্ষত বাঘনখ বহুৱাইছিল—ঠিক যেনেকৈ শিৱাজীয়ে বহুৱাইছিল আফজল খাঁৰ মধ্যপ্ৰদেশত। সিংহৰ আজি আৰু সেই চালে চকু ৰোৱা কেশৰ নাই। শিশুৱে দেখিলে মাকৰ আঁচলৰ আঁৰ লবলগীয়া ভয়ঙ্কৰ দাঁতো নাই। আৰু নাই তাৰ অৱয়বত হেঙুল-হাঁইতালৰ ৰঙীন জৌলুষ। ধৰ্মকান্তৰ জীৱনৰ ই সঁচা প্ৰতিফলন। নৃসিংহ অৱতাৰৰ সিংহ অংশটো উৰঁলি গৈছে।

আৰু উৰলি গৈছে নৃসিংহৰেই নিম্ন অংশ—নৰৰূপী নিম্নভাগ—ধৰ্মকান্ত শৰ্মা স্বয়ং। সময়ৰূপী কাকৈৰ আঁচোৰত শৰ্মাৰ তালুত মুখ চাব পৰা হ'ল, ডালিমগুটীয়া দাঁতবোৰ কাল-নিগনিয়ে নিলে। অৱশিষ্ট শৰীৰটোও যেন প্ৰকৃত ধৰ্মকান্ত নহয়—ধৰ্মকান্তৰ এটা বিকৃত ছোঁ-মুখা মাত্ৰ।

জলচৰ মৎস্য, উভচৰ কূৰ্ম আৰু মানৱ আৰু পশুৰ সমাহাৰ নৃসিংহ অৱতাৰৰ তিনিওটা মুখালৈ শৰ্মাই উভতি চালে। বৰাহৰ ভগা মুখাটোত চকু ফুৰাওঁতে শৰ্মাৰ মন মানুহৰ পাশৱিকতাই আচ্ছন্ন কৰি ৰাখিছিল। এই মুখাবোৰ শৰ্মাৰ বিগত জীৱনৰ ক্ৰমোন্নতিৰ একো একোটা চাপ। শৰ্মাই মুখৰ ভিতৰতে আওঁৰালে,

"মৎস্য কূৰ্ম নৃসিংহঞ্চ বাৰাহ অথ বামন।
ৰাম ৰামশ্চ ৰামশ্চ বুদ্ধ কল্কি সতে দশ॥"

অৱতাৰী ভগৱানৰে কল্পৰূপ এই ছোঁ-মুখাবোৰ, শৰ্মাই ভাবিলে। ভগৱানৰ কি অদ্ভুত ইচ্ছা! প্ৰথমতে পানীত, তাৰপিছত পানী আৰু মাটিত, তাৰপিছত আধা মানুহ আৰু আধা পশু হিচাপে, তাৰপিছত কেৱল পশু হিচাপে তেওঁ অৱতাৰ ধাৰণ কৰি ধৰণীৰ ভাৰ হৰণ কৰিছে। বামনৰপৰা বুদ্ধলৈকে মানৱ অৱতাৰ। তাৰ পিছৰখিনি

মানুহৰেই বিভিন্ন ৰূপ। মানুহ লাহে লাহে আকৌ পশু হৈ আহিছে। ধৰ্মৰ গ্লানি হৈছে, অধৰ্মৰ উত্থান। এতিয়া ঘোৰ কলি। কলিৰ শেষত অৱতাৰী ভগৱানে কল্কিৰ ৰূপ ল'ব। কাল্কয়ে সংহাৰমূৰ্তি ধৰি তাণ্ডৱ সৃষ্টি কৰিব। অধৰ্ম আৰু অধৰ্মীৰ বিনাশ ঘটিব। ধৰ্ম-কৰ্মহীন, জ্ঞান-শ্ৰদ্ধাহীন অসংস্কৃত প্ৰজাই নিজকে চিনি পাব। প্ৰতিষ্ঠিত হ'ব সনাতন সত্যযুগ।—একান্ত মনে কথাবোৰ ভাবি শৰ্মা মণিকূটৰ ফালে আগবাঢ়িল।

ফটা চিমনিৰ ঢিমিক-ঢামাক জ্বলা লেমটো ওচৰতে থৈ আঁঠুকাঢ়ি, কান্ধৰ গামোচাখন মাটিতে দীঘলীযাকৈ পাৰি শৰ্মাই মণিকূটৰ ভিতৰৰ সিংহাসনখনলৈ চালে। ইতিমধ্যে বাপুৰনী আই ৰুক্মিনী, শৰ্মাৰ কনিষ্ঠ সন্তান দুটি—প্ৰাণ আৰু অহল্যায়ো শৰ্মাৰ কাষতে আঁঠু ললেহি। প্ৰাণৰ বাহিৰে বাকী কেইজনে সিংহাসনলৈ মূৰ দোঁৱাই সেৱা কৰিলে। প্ৰাণ আঁঠু কাঢ়িয়েই থাকিল। ভগৱানৰ ওপৰত সি বিতুষ্ট। বাৰবছৰীয়া ল'ৰা প্ৰাণৰ বহু প্ৰাৰ্থনাই ঈশ্বৰে গ্ৰাহ্য কৰা নাই। গতিকে প্ৰাৰ্থনা কৰি ফল নোপোৱা ভগৱানক সি সেৱা নকৰে। বাপু-বাপুৰনীয়ে কথাটো লক্ষ্য কৰা নাছিল। ভনীয়েক অহল্যাই কেৰাহিকৈ চাই সি সেৱা নকৰা দেখি প্ৰাণৰ গাত লাহেকৈ এটা চিকোট মাৰি দিছিল।

বাপুৰনীয়ে সশব্দে উচুপিলে।

শৰ্মাই গামোচাখন মাটিৰপৰা তুলি সেমেকা চকু দুটা মোহাৰি ললে। হাঁহিবই লাগে নে কান্দিবই লাগে ঠিক বুজিব নোৱাৰি হাতৰ টোপোলাটো লৈ অহল্যা থিয় হ'ল। ফটা চিমনিৰ লেমটো হাতত লৈ শৰ্মা নামঘৰৰ বাহিৰ ওলাল।

'প্ৰাণ হৰি গৈলা এৰি' কীৰ্তনৰ সুৰে পৰিৱেশটো আৰু নিষ্ঠুৰ কৰি তুলিছিল। নামঘৰৰ বাহিৰলৈ খোজ লওঁতে শৰ্মাই শুনিলে, নামঘৰীয়াৰ কণ্ঠ সপ্তমত উঠিছে। মল্লিবাৰ প্ৰতিটো তালত পদৰ অন্তৰ্নিহিত আকুলতা আন্তৰিকভাৱে ফুটি উঠিছে।

ওঁঠ ফালি ক'ব নোৱৰা এক চেপা বেদনাত শৰ্মাৰ বুকুখন হমহমাবলৈ ধৰিলে।

এই নামঘৰ, এই মণিকূট, দশ অৱতাৰৰ ছোঁ-মুখা—প্ৰত্যেকটো বস্তুৱেই যেন শৰ্মাক পিছলৈ টানিছে। দূৰণিৰ ডাউকৰ মাত, চাৰিওফালৰ নল-খাগৰিৰ হাবি—এই সকলোবোৰ যে শৰ্মাৰ আজন্মৰ চিনাকি, প্ৰাণতকৈও আপোন! নামঘৰৰপৰা তেওঁ যিমানে আঁতৰি আহিছে, পুৱানামৰ ধ্বনিও সিমানে প্ৰবল হৈ তেওঁৰ কাণত বাৰ বাৰ আঘাত কৰিছে। করুণৰপৰা করুণতৰ হৈ আহিছে তাৰ সুৰ।

শৰ্মা হঠাৎ থমকি ৰ'ল।

লেমটো মাটিতে থৈ তেওঁ নিজৰ কাণ দুখন দুহাতৰ তলুৱাৰে সোপা মাৰি ধৰিলে। বুঢ়া মৌলবীয়ে আজান দিবলৈ কাণ ঢাকি লোৱা প্ৰাণে দেখিছে। বাপেকেও তেনে কৰা দেখি সি বৈ গ'ল। দুখোজ আগবাঢ়ি বাপেকৰ মুখামুখি হৈ শৰ্মাৰ চকুলৈ চালে। প্ৰাণৰ কোমল মুখ অথচ খঙাল চকুত শৰ্মাৰ চকু পৰিল। তেওঁ প্ৰাণৰ ক্ৰুদ্ধ চকু দুটালৈ একেথিৰে চাই থাকিব নোৱাৰি নিজৰ চকু নমাই আনিলে। এইবাৰ ফটা চিমনিটোত শৰ্মাৰ চকু পৰিল। কাণৰপৰা হাত নমাই শৰ্মাই লেমটো হাতত তুলি ললে।

জকাইচুকৰ লগত শৰ্মাই আপোচ নকৰে। অধৰ্মীৰ অত্যাচাৰ সহ্য কৰি থকাতকৈ অচিন দেশত গৈ নাম-গোত্ৰহীন-অপৰিচিত-মানুহ হিচাপে ৰাজপথত তেওঁ মৃত্যু বৰণ কৰিব।

পৰিচিত জগতখনৰ প্ৰতি শৰ্মাৰ বিতৃষ্ণাৰ জুইকুৰা দুগুণে জ্বলি উঠিল। তেওঁ মনত নতুন বল পালে।

শৰ্মা আগবাঢ়িল।

কোনো শব্দ নকৰাকৈ প্ৰাণে তেওঁৰ পিছে পিছে খোজ দিলে। বিহাৰ আঁচলেৰে চকুপানী মচি কৰিণী, আক নতুন ঠাই দেখাৰ উল্লাসত অহল্যাই তেওঁলোকক অনুসৰণ কৰিলে।

আগতে যতনাই থোৱা মাটি-কলহ'টোৰ পানীখিনি ভেটি এৰি যাবলৈ ওলোৱা বাপুৰনীয়ে তুলসীজোপাৰ গুৰিত ঢালি দিলে।

খালী কলহটো হাতত লৈ প্ৰাণে মিচিকিয়াই হাঁহিলে আৰু কিবা ভাবি সশব্দে ঠেকেচা মাৰি তুলসী ভেটিৰ ওপৰতে কলহটো ভাঙি থৈ গ'ল।

পদূলিৰ আগৰ বেলগছজোপালৈ চাই ৰুক্মিণীয়ে এটা প্ৰণাম কৰিলে। শিৱদলৰ পূজাৰীয়ে বেলপুলিটো ধৰ্মবাপুক উপহাৰ দিছিল। পুলিটো যেতিয়া গছ হ'ল, তাৰ গাত কাঁইট ওলাল। তথাপি এসময়ত ৰঘুমলা গজি তাৰ পাত নেদেখাকৈ গছজোপা ছাটি ধৰিছিল। চিত্তই ৰঘুমলাজোপা কাটি গছজোপা মুকলি কৰিছিল অলপতে। বেলৰ কাঁইটে নিবিদ্ধাকৈ খুপি খুপি যাওঁতে ৰুক্মিণীয়ে দেখিলে, বেলজোপাত লাগি থকা ৰঘুমলাৰ অৱশিষ্ট ঠাল-পাতবোৰো তাৰ গুৰিটো কাটি দিলতে শুকাই গৈছে।

অদূৰৰ গৰুগাড়ীত মাল বোজাই দি তেওঁলোকৰ বাবে ৰৈ থকা চিত্তই মাক ৰুক্মিণী আৰু ভনীয়েক অহল্যাক গাড়ীত উঠিবলৈ সহায় কৰি দিলে।

ফটা চিমনিৰ লেমটো লৈ শৰ্মা আগবাঢ়িল ; মাজতে গৰুগাড়ীখন, আৰু গাড়ীৰ পিছত খোজকাঢ়ি প্ৰাণ আৰু চিত্ত।

গৰুগাড়ীৰ চৈৰ ফাঁকেদি চিত্তই দেখিলে, পূবৰ ৰঙাবেলিৰ তেজ চাৰিওফালে বিয়পি পৰিছে।

ভদীয়া বানে কৃপণালি নকৰাকৈ বালি পেলাই যোৱা অকাইচুক। বাট-পথ কাত্তিমহীয়া নিয়মেৰে সেমেকা যদিও সকলোতে এটা শুকান শুকান ভাব। গৰু-ম'হে তকালি খোৱা নল-খাগৰিৰ জোপা। তাৰ মাজৰ লুংলুঙীয়া বাটেৰে লুইতলৈ বুলি দলটো আগবাঢ়িল।

ঘাটত নাও সাজু।

খহনীয়া লগা লুইতৰ বুকুত সদায় গা ধুই থকা চিনাকি ঘাটটোকে শৰ্মাৰ অচিনাকি যেন লাগিল। লুইতখন শুকাই গৈছে। সকলোতে

এটা অনাটনৰ ভাব। হাত বাউল দি মতা পাৰৰ কঁহুৱা কুল নাই, বাঘে পোৱালি দিয়া নলনিও নাই। মেচাকি চাপৰিটো খহনীয়াই নিলে। খেৰ-ইকৰা নৈৰ বুকুত জাহ গ'ল। বনৰীয়া চাপৰিৰ বহাত হেজাৰে হেজাৰে গৰু-ম'হ ৰাখি গাখীৰ আমদানী কৰাৰ দিন আৰু নাই।

বালিগড়াইদি তললৈ নামি যাওঁতে শৰ্মাৰ কঁকাল খোঁচ মাৰি ধৰিছে। বিশাল নৈখনত কেইচলুমান পানীহে যেন অৱশিষ্ট ৰৈছেগৈ। অথচ এই নৈখনেই সিদিনা ভাদমহীয়া কালান্তক ৰূপ ধৰি ৰাইজৰ দুৰ্গতিয়েই নকৰিলে।

শৰ্মাৰ অজানিতেই তেওঁৰ হাতৰ লেমটো কোনোবা এটা সময়ত নুমাই গৈছিল।

নুমাই যোৱা ফটা চিমনিৰ লেমটো শৰ্মাই নাৱৰ ভিতৰ সুমুৱাই থলে। পানী যুৰলিতে বৈ তেওঁ সিপাৰলৈ চালে—অসংখ্য বালিৰ পাহাৰ, অ'ত ত'ত ডোঙা ডোঙা পানীৰ সুঁতি একোটা জিৰ্ জিৰ্ বৈ গৈছে। কিন্তু সি বালিৰ পাহাৰবোৰৰ তুলনাত নিস্তেজ, নিষ্প্ৰভ।

ছেৰা সুঁতিৰ ধাৰেদি মন্থৰ গতিত উটি যোৱা আধা শুকান মেটেকা এজোপাত ধৰ্ম শৰ্মাৰ চকু পৰিল। কোনোবা জাঁজত লাগি থকা মেটেকা—পানীৰ পৰশ নাপাই লাগি থকাতে শুকাইছিল। গড়া খহনীয়াত বা জালোৱা-নাৱৰীয়াৰ হাতে-নাৱে লাগি সি আকৌ পানীৰ জীপ পালে। ভাহি উঠিল। আৰু সোঁতৰ আকৰ্ষণত লাভ কৰিলে গতি। সৰু-বৰ পকনীয়াত ঘূৰি, ঢৌত ঠেকা খাই সোঁতৰ আছাৰত বাগৰ সলাই লুইতৰ ধাৰ পালেহি। মেটেকাজোপা এতিয়া ভটিয়াইছে।

ভটিয়াইছে ধৰ্মকান্ত শৰ্মাও। ধৰ্মবিলাসী কোনো স্বৰ্গদেউৰ আকৰ্ষণত কোনোবা নৱদ্বীপৰ পৰা উজাই আহি মধ্যযুগীয় মাজুলী পাইছিলহি ধৰ্মবাপুৰ উপৰিপুৰুষো—জীৱিকাৰ পথ সচল হ'ব ভাবি। সেই পুৰুষক মাটি-ভেটি দি ৰজাই থাপিছিল, নিয়োগ কৰিছিল যাজকীয় ৰাজনীতিত। যাজকীয় পোষণত আৰ্থিক স্বচ্ছলতা অৰ্জন

কৰাৰ লগে লগে ধৰ্মৰ পূৰ্বপুৰুষে ঠেঙুলি মেলিছিল। সামন্ততান্ত্ৰিক ভূমি আছিল উৰ্বৰ, সাৰ দিছিল ৰাজকোষে—পানীযোগানৰ ব্যৱস্থা কৰিছিল ৰাজদণ্ডই স্বয়ং। শ্ৰমবিহীন পেচাৰ ফলত লাভ হৈছিল অফুৰন্ত সময়—ৰাহি সময়। সময়ে সুবিধা দিছিল আৰু ধৰ্মৰ প্ৰপিতামহে সেই সুবিধা গ্ৰহণ কৰিছিল। নতুনকৈ ব্যাখ্যা হৈছিল সাধুকথা-উপকথাবোৰৰ। বৰ্ণ-বিভাজন, শ্ৰম-বিভাজন, কৰ্মফল আদি কুসংস্কাৰ সমূহকে বিধায়ক হিচাপে লৈ, শ্ৰুতি-স্মৃতি-সংহিতাৰ আলমত কূটনৈতিক বিচক্ষণতাৰে ৰায়তৰ আধ্যাত্মিক হিত সাধনৰ নামত এই ব্যাখ্যাবোৰ সামাজিক ৰীতিত চামিল কৰা হৈছিল। এইবোৰ কাৰ্যকৰী কৰিবৰ কাৰণে অধিক সংখ্যক এজেণ্ট আমদানি কৰা হৈছিল। মাজুলীলৈ বহিৰাগত ধৰ্মীয় এজেণ্টৰ সোঁত বৈছিল। ধৰ্মকান্ত শৰ্মাৰ পূৰ্বপুৰুষ সকলে অসংগঠিত প্ৰজাৰ ঘৰঘৰত সিন্ধিদি ঐশ্বৰ্য-প্ৰতিষ্ঠাৰ ভৰা সুঁতিয়েদি উজাই বাট বুলিছিল আৰু দান-দক্ষিণাৰ বিনিময়ত বিক্ৰী কৰিছিল পৰপাৰৰ পাৰপত্ৰ! এই ব্যৱস্থাৰ বিৰুদ্ধেও বিদ্ৰোহ হৈছিল, হৈছিল কাঁড়ী-ৰায়তৰ সংঘৰ্ষ। নৃপতিয়ে জয়লাভ কৰিছিল। সমান্তৰালপ্ৰায় শক্তিশালী হৈ উঠিছিল ৰাজনীতি আৰু ধৰ্ম। ধৰ্মধৰ সকলে সাম্প্ৰদায়িক বান্ধোন কটকটীয়া কৰি লৈছিল, ৰাজহাড় পোনাব নোৱৰাকৈ নিঃকিন ৰায়তৰ পিঠিত জাপি দিয়া হৈছিল ধৰ্মীয় দোহাই। ধৰ্মবাপুৰ উপৰিপুৰুষ হৈ উঠিছিল সমাজৰ মধ্যমণি—শস্যৰ পথাৰ ৰঘুমলাই ছাটি ধৰিছিল—অবাৰিতভাৱে চলিছিল সিপাৰৰ শিক্ষা-দীক্ষা।

এইপাৰত কিন্তু ক্ৰমাগত ভাঙন ধৰি আহিছিল।

অগা-পিছাকৈ মুখামুখি হোৱা বহুতো ডকা-চাকনৈয়াৰ কবলত পৰিছিল শৰ্মা সম্প্ৰদায়।

ৰাজনীতিয়ে ধৰ্মৰ পোলা কাটিলে। মতান্তৰ আহিল, আহিল বিভাজন। বৈষ্ণৱ-শাক্ত-মহাপুৰুষীয়া-মোৱামৰীয়া-ৰাত্তিখোৱা আদি সম্প্ৰদায় সমূহৰ মাজত লাগিল খোৱা-কামোৰা। গোত্ৰবিবাদে কাঠামো ভাঙিলে। মানৰ আক্ৰমণে নোহোৱা কৰিলে থান-থিত।

ছত্ৰভঙ্গৰ লগে লগে হেৰাল পৃষ্ঠপোষকতা। ধৰ্মক আঁকোৱালি ধৰি থকা সামন্তপ্ৰভুৰ শ্ৰেণীটোও ক্ৰমাগত হৈ আহিল ঢোঁৰাসাপ। ধৰ্মচক্ৰৰ পৰিবৰ্তন দ্ৰুত হৈ উঠিল। বগা বঙাল আহিল, লৈ আহিল ত্ৰাস আৰু অনিশ্চয়তা; ভাষা-কায়দাই ঐতিহ্যমণ্ডিত সংস্কাৰৰ পিঠিত মাধমাৰ হানিলে। প্ৰব্ৰজন আৰম্ভ হ'ল বৈদিক যৱন-ম্লেছৰো। সময়ৰ কাষ্কুলি বাগৰত ক্ৰমাগত শুকাই আহিল ধৰ্মাচাৰীৰ পৰম্পৰাগত বৃত্তিৰ সুঁতি। বৃত্তিৰ প্ৰাধান্যও সলনি হ'ল, চিত্তও। শ্ৰম আৰু শ্ৰমিকক ঘৃণা কৰা হিন্দুৰ তথাকথিত শ্ৰেষ্ঠবৰ্ণ-ভূস্বামীয়ে উৎপাদনৰ ভগীয়া-ভগি কাৰবাৰত মনোনিবেশ কৰিলে। কোনো কোনোৱে কৰিলে সুদ-বেজালিৰ ব্যৱসায়। ধৰ্মবংশৰ দুই-চাৰিয়ে ইমান দিনে হোম-যজ্ঞ এৰি বগা-চাহাবৰ চাকোলা-বাবু-নিৰ্মাণ যজ্ঞত আত্মদান কৰিলে। তেনেদৰেও পাৰ হ'ল বহুতো বাৰিষা; অৱশেষত খবালি আহিল— সাক্ষাৎ ধৰ্মৰাজৰ বেশত— দ্বিতীয় বিশ্বযুদ্ধ ৰূপে। প্ৰতিষ্ঠিত মূল্যবোধৰ দ্ৰুততম স্খলন ঘটিল। নৈয়ে সুঁতি সলালে। 'চৰণ ছত্ৰৰ ছায়াই' দয়া নকৰা হ'ল। সংসাৰ সাগৰ পাৰ হবলৈ বিত্ত-ৰামৰ নিশ্চিতি হৈ উঠিল অপৰিহাৰ্য। চাহাব খেদোৱা আন্দোলনে জনগণক অধিকতৰ ৰাজনীতিমুখী কৰি তুলিলে। স্মৃতি সংহিতাক ভৰিৰে ঠেলি ৰান্ধনী ৰাজবাট পালেহি; পুৰুষৰ লগত কদম মিলাই জাতীয় জাগৰণত আগ ভাগ ললে। বাট নেদেখা বহুতো বোৱাৰীৰ ওৰণি খোপালৈ নামিল। সামাজিক প্ৰতিষ্ঠাৰ ক্ষেত্ৰত জন্মৰ সূত্ৰতকৈ আৰ্থিক স্বাচ্ছন্দ্য লাহে লাহে বলবান হৈ আহিল। সামন্ততান্ত্ৰিক প্ৰভাৱ ধীৰে ধীৰে কমি আহিল— পুঁজিবাদী অৰ্থনীতিৰ গা উঠিল। উন্মেষ ঘটিল নতুন চেতনাৰো। এদিন জাতীয়তাবাদী শক্তিৰ কাষত নতি স্বীকাৰ কৰি ঔপনিৱেশিক শক্তিয়ে পাৰি দিলে।

বগা চাহাব গ'ল, আহিল মুগা চাহাব।

ইতিমধ্যে বিস্তৃতি লাভ কৰা নগৰকেন্দ্ৰিক সভ্যতাৰ ৰূপ বিশেষভাৱে প্ৰতিফলিত হ'ল ধৰ্মীয় সম্প্ৰদায়ৰ ওপৰতো। আনৰ পাকাম

স্পর্শ নকৰা ধৰ্মধ্বজীৰ পুত্ৰ-পৰিজনে চেউনি আলিৰ হোটেলত পৰম তৃপ্তিৰে মুৰ্গি-গাহৰি খাবলৈ ল'লে। সংস্কৃত টোলৰ পৰিবৰ্তে কলা-বিজ্ঞান-কাৰিকৰী শিক্ষানুষ্ঠান, পুৰুষানুক্ৰমিক পেচাতকৈ ঘোচ খাব পৰা চাকৰি বা ৰাতিটোৰ ভিতৰতে হাতীটো কিনিব পৰা লেনদেনৰ মোহ হৈ উঠিল অধিক জোৰদাৰ। জাতি-প্ৰথাৰ মূৰত থিয় গোৰ মাৰি ধৰ্ম-বৰ্ণ নিৰ্বিশেষে স্থাপন কৰিলে শাৰীৰিক সম্পৰ্ক। লোভ-কাম আদি সনাতন আসক্তিৰ বলিশালত ক্ৰমাগত মুণ্ডছেদন হ'ল গোৰামিৰ। লোকচক্ষুত বিশদভাৱে প্ৰস্ফুটিত হ'ল—ধৰ্মধ্বজৰ বংশধৰ সকলো তেজ মঙহৰে মানুহ; কৰ্ম-লীলা, বৰ্ণ-বিভাজন সুবিধাবাদ কেৱল। মাৰ্ক্সবাদী দৰ্শনৰ প্ৰসাৰৰ ফলত বুদ্ধিজীৱী মহলত ঈশ্বৰৰ অস্তিত্ব ক্ৰমে বিপন্ন হৈ আহিল। ব্যক্তিগত শিল্পানুষ্ঠান, জাতীয় উদ্যোগৰ সংখ্যা বৃদ্ধিৰ লগে লগে শ্ৰমিক শ্ৰেণীৰ সংখ্যা বাঢ়ি আহিল। বহিৰাগতৰ প্ৰব্ৰজন হ'ল, আৰু বৃদ্ধি হ'ল স্থানীয় জনসংখ্যাও। প্ৰাকৃতিক দুৰ্যোগ, আৰ্থিক অনাটনৰ ফলত জনসাধাৰণ অধিক পৰিমাণে জুৰুলা হৈ আহিল। ভূমি সমস্যা হৈ আহিল তীব্ৰতৰ। ভূ-সম্পত্তিয়ে হাত সলালে। পুৰণি ভূস্বামীৰ তুলনাত ন-ধনী শ্ৰেণীটোৰ সামাজিক প্ৰতিপত্তি ক্ৰমাগত বৃদ্ধি পালে—ক্ষমতা দখল হৈ উঠিল একমাত্ৰ অভিষ্ট। বিজুলীবাতিয়ে নগৰবোৰত হোম-যজ্ঞৰ প্ৰভাৱ কমাই আনিলে। নগৰৰ ধ্যান-ধাৰণা গাঁওবোৰতো ক্ৰমে বিয়পি পৰিল। অন্ততঃ শিক্ষিত শ্ৰেণীটোৰ একাংশৰ মাজত এই বিশ্বাস ঘনীভূত হ'ল যে, ধৰ্মপাল সকলক জনগণৰ উদ্ধাৰৰ উদ্দেশ্য মৰতত কেৱে ধৰ্মৰ গাঁওবুঢ়া পতা নাই—শ্ৰমহীন জীৱিকা নিৰ্বাহৰ পথ হিচাপেহে এই ৰঘুমলা-বৃত্তি তেওঁলোকৰে একপাক্ষিক উদ্ভাৱন।

জাতীয় প্ৰতিনিধিৰ হাতলৈ ক্ষমতা হস্তান্তৰৰ ফলত পতাকাত একাধিক ৰঙৰ সমাবেশ ঘটিল। ঔপনিবেশিকৰ আহিতে ৰচিত হ'ল নতুন শ্ৰুতিও। চাহাৰী আন্দোলনত ঢুকোৱা সকলক তেত্ৰিছ কোটি দেৱতাৰ শাৰীলৈ তুলি দিয়া হ'ল। জীৱিত সকললৈ 'মুক্তি যুঁজাৰু'ৰ খ্যাতি আগবঢ়াই দিয়া হ'ল স্বাধীনতাৰ ব'নাচ। একশ্ৰেণীৰ ব্যক্তিক

বিবিধ শ্ৰীৰে ভূষিত কৰি 'গণতান্ত্ৰিক প্ৰজাতন্ত্ৰ'ৰ আনুষ্ঠানিক পৰম্পৰা বাহাল ৰাখিবলৈ চেষ্টা চলিল। আৰম্ভ হ'ল ব্যক্তিপূজা। আদৰ্শৰ নামত ভণ্ডামি, শিক্ষা-দীক্ষাৰ নামত বেশ্যামি চলিল। পুঁজিবাদ তথা সমাজবাদৰপৰা সমদূৰত্বত অৱস্থানৰ এক জহৰা নীতি গহৰা গজোৱাৰ ফলত সামন্ততন্ত্ৰ আৰু ধনতন্ত্ৰৰ বিৰল সমাহাৰ ঘটিল। জাতীয় উন্নয়নৰ নামত কোটি কোটি টকা খৰচ কৰা হ'ল। শক্তিশালী মহলে সোঁৱে-বাঁৱে সেই টকা আত্মসাৎ কৰিলে। সমাজৰ সৰ্বস্তৰতে দুৰ্নীতিয়ে খোপনি পুতিলে। সামাজিক ৰীতি-নীতি নিজৰ গতিত সলনি হ'ল। ধৰ্মীয় ৰীতিবোৰৰো নতুন ব্যাখ্যা ওলাল। কানি-ভাঙৰ বিঘিনি নঘটোৱাকৈ 'ভাৰতীয় সমাজবাদ' ক্ষিপ্ৰগতিত আগবাঢ়িল!

জন্ম হ'ল একশ্ৰেণীৰ গণতন্ত্ৰী-সামন্তপ্ৰভুৰ। প্ৰভু সকলৰ লগত প্ৰশাসনে হাত মিলালে। ফিলিষ্টিনৰ উদ্বেলিত জনজীৱন বিধ্বস্ত হৈ আছিল। পুলিচ থানা, বিচাৰালয়, ভোটযুদ্ধ আনকি গণতন্ত্ৰৰ নাম শুনিলেও খেতিয়ক-শ্ৰমিকৰ ভয়তে হাত-ভৰি লুকায়। মাৰ্ক্সবাদৰ ধ্বজাধাৰী সকলে কোনো বিকল্প দাঙি ধৰিব নোৱাৰিলে—বৰঞ্চ আদৰ্শৰ অজুহাতত নিজৰ ভিতৰতে খোৱা-কামোৰা কৰি কৃষক-শ্ৰমিকৰ মাজত বিভ্ৰান্তিহে সৃষ্টি কৰিলে। মাৰ্ক্সীয় দৰ্শনৰ কেইবাডজনো ব্যাখ্যা ওলাল। আৰু এসময়ত এনে দলৰ সংখ্যা সাংখ্যতত্ত্ববিদৰ গৱেষণাৰ বিষয়বস্তু হৈ পৰিল!! কিন্তু প্ৰায় বিলাক দলৰ ক্ষেত্ৰতে দেখা গ'ল—ধৰ্ম সম্পৰ্কত তেওঁলোকে শকুনিমামাৰ ভূমিকা ললে। ফলস্বৰূপে, 'গণতান্ত্ৰিক-সমাজতন্ত্ৰ' প্ৰতিষ্ঠাৰ কেইবাটাদশকৰ পিছতো জম্বুদ্বীপত কোনো সাংস্কৃতিক আন্দোলনে গঢ় নল'লে। পাৰ্ট-টাইম বুদ্ধিজীৱী গোষ্টিয়ে সামাজিক প্ৰতিষ্ঠা আৰু ব্যক্তিগত বিলাসৰ লোভত বিবেক-দায়িত্ব বিসৰ্জন দি নিৰ্লজ্জভাৱে চকু মুদা কুলিৰ চং দিলে—বা জয়ঢোল বজালে কলাকৈবল্যবাদৰ। যি সকল শ্ৰদ্ধেয় ব্যক্তি বিবেক দংশনত আক্ৰান্ত হৈ মেহনতী জনতাৰ কাষ চাপিল তেওঁলোকৰ ওপৰত অত্যাচাৰ চলিল পৰোক্ষ বা প্ৰত্যক্ষভাৱে। একমাত্ৰ আশাৰ বেঙণি,

সামাজিক দায়িত্ববোধেৰে উদ্বুদ্ধ হৈ আহিছে চেমনীয়া-ডেকা সকল। দেখা গৈছে, কলা-সংস্কৃতিৰ প্ৰত্যেক ক্ষেত্ৰতে তেওঁলোকে খোপনি পুতি বহিবলৈ চেষ্টা চলাইছে। অভাৱ-অনাটনৰ তাড়নাত জনসাধাৰণে সামন্তযুগীয় আনুষ্ঠানিকতা প্ৰায় বাদ দিছে সঁচা, কিন্তু সৰহ সংখ্যকৰে মন কম-বেছি পৰিমাণে কুসংস্কাৰেৰে আচ্ছন্ন হৈয়েই থাকিল।

ধৰ্মকান্ত শৰ্মা সম্প্ৰদায়ৰ যি সকলে ইমান দিনেও মধ্যযুগীয় নিহালিখন দলিয়াই পেলাই কোনো নতুন বৃত্তিত গজগজীয়া হৈ বহিব নোৱাৰিলে, তেওঁলোকৰ নৈয়ে একেবাৰে ধাৰ সলালে। চাপৰি বোৰতী সুঁতি হ'ল, বোৰতী সুঁতি হ'ল ছেৰাসুঁতি। সোঁত হ'ল মন্দা, গতি স্তব্ধপ্ৰায়। ইতস্ততঃ চৰ পৰিল। সোঁত হেৰাল। ছেৰাসুঁতি মৰাসুঁতি হৈ আহিল।

ছেৰাসুঁতিৰ ধাৰেদি ভটিয়াই গৈ থকা মেটেকাজোপাৰ ওপৰত চকু ৰাখিয়েই ধৰ্মকান্ত চিন্তিত হৈ পৰিল। উজনিলৈ চকুৰে মণিব পৰালৈকে শুকান। ধৰ্মকান্ত শৰ্মণৰ কাৰণে এতিয়া কেৱল ভাটিলৈ এচেৰেঙা আশা দেখা গৈছে। লেৰেলা মেটেকাজোপাৰ দৰে তেৰোঁ আকৌ আনকি খৰালৰ ছেৰাসুঁতিৰো পৰশ পাবনে নাপায়, ধৰ্মকান্তই নাজানে। তথাপি বাপু বদ্ধপৰিকৰ। তেওঁ ভটিয়াবই।

একাঠু পানীলৈকে নামি শৰ্মাই মুখখন ধুলে। পানীৰপৰা নাৱলৈ উঠি আহোঁতে আহোঁতেই তেওঁ ভাবিলে, ইও ভগৱানৰে লীলা।

অদূৰত লুইতৰ বালিগড়া খহিছে। চপৰাবোৰ পানীত আছাৰ খাই পৰিছে। পানীত ঢৌ উঠিছে। সেই ঢৌৱে শৰ্মাৰ নাওখনকো কোবাইছে। শৰ্মাৰ নাও কঁপি উঠিছে।

ব্ৰহ্মপুত্ৰ মহাবাহুৰ শ্লোক মাতি শৰ্মাই নাৱৰ আগটিঙলৈ পানী ছটিয়ালে। জকাইচুকৰপৰা নাৱেৰে নিমাতী, নিমাতীৰপৰা বাছেৰে মৰিয়নী। ভাৰপিছত ?

মৰিয়নী ষ্টেশ্যন।

আহিনৰ আবেলি।

গুৱাহাটীলৈ যোৱা ৰেলৰ বাবে সপৰিয়ালে ধৰ্মকান্ত শৰ্মাই অপেক্ষা কৰিছে।

ধৰ্মকান্ত শৰ্মা আজি তৃতীয়বাৰ ৰেলত উঠিব।

শকুনিৰ প্ৰতিশোধ ভাওনা কৰিবলৈ এবাৰ জকাইচুকৰ ভাওনাৰ দলটোক চাহবাগানলৈ মাতি নিয়া হৈছিল। শৰ্মা তেতিয়া চেমনীয়া। ডুমডুমা বাগানৰ কালীপূজাত সেই শকুনিৰ প্ৰতিশোধ ভাওনাত ক'লীয়া কৃষ্ণৰ ভাও দিবলৈ যাওঁতে শৰ্মা প্ৰথমবাৰ ৰেলত উঠিছিল। আমগুৰিৰ-পৰা তিনিচুকীয়ালৈ।

ৰূপাই কলিতাৰ মাজুটো পুতেক, ঠিকাদাৰ ভোগেশ্বৰৰ বিয়া কৰাবলৈ পুৰোহিত ধৰ্মবাপু বৰপথাৰলৈ ৰেলেৰে গৈছিল—আমগুৰিৰ-পৰা বৰপথাৰলৈ।

এয়া তৃতীয়বাৰ।

ডুমডুমালৈ যাওঁতে আৰ্থিক লাভতকৈও শৰ্মাৰ দেশ দেখাৰ ইচ্ছাই প্ৰবল আছিল। ঘূৰি আহোঁতে তেওঁ ডিব্ৰুগড় হৈ বাছেৰে আহিছিল।

বৰপথাৰৰপৰা ঘূৰোঁতেও তেওঁ দৰা-কন্যাৰ লগত দক্ষিণহেঙেৰা হৈ টেঙ্গিত আহিছিল। সেই যাত্ৰাত দানে-দক্ষিণাই শৰ্মাৰ তিনি-কুৰিবো ওপৰ লাভ হৈছিল।

এইবাৰ মৰিয়নীৰপৰা গুৱাহাটী। শৰ্মাৰ হয়তো এয়ে শেষ যাত্ৰা। তেওঁৰ জকাইচুকলৈ ঘূৰি যোৱাৰ অভিপ্ৰায় আৰু নাই।

বিয়লিৰ মৰিয়নী ষ্টেশ্যন।

যাত্ৰীৰ ভিৰ, কুলি-মুটিয়াৰ দৌৰ-জাপ। সকলো ব্যস্ত। উজনিৰপৰা অহা যাত্ৰীৰ গন্তব্য স্থানলৈ যাবৰ কাৰণে ব্যস্ততা। বৈ থকাখিনিৰ ৰেলত উঠিবৰ কাৰণে ব্যস্ততা। বন্ধু-বান্ধৱ বা লগা-ভগা যি সকলে যাত্ৰী থবলৈ বা নিবলৈ আহিছে তেওঁলোকো ব্যস্ত।

অহল্যাও ব্যস্ত। তাই আজি প্ৰথম ৰেল দেখিছে। মেঘৰঙী ধোঁৱা উৰুৱাই ৰেলৰ ইঞ্জিনবোৰ অহা-যোৱা কৰিছে। বিভিন্ন পোছাক-পৰিচ্ছদ পিন্ধা অসংখ্য ব্যস্তলোক একেলগে দেখাটোও অহল্যাৰ বাবে এটা অভিজ্ঞতা।

টিকেট কাউণ্টাৰৰ কেৰেণী, গে'টৰ চে'কাৰ, চিগনেল হাউচৰ অ'পাৰেটৰক দেখি অহল্যাই ভাবিলে, তাইৰ ককায়েক মনোৰঞ্জনেও গুৱাহাটীত নিশ্চয় এনে চাকৰিয়েই কৰে। চৰকাৰী চাকৰি কৰা মানুহ তাই আগতেও দেখিছে। কিন্তু সেইবোৰে কেনেকৈ ক'ত চাকৰি কৰে সেইটো আজি তাই প্ৰথম দেখিলে।

অ'পাৰেটৰে কেইবাটাও চিগনেল উঠোৱা নমোৱা কৰিলে। মানুহটো খুউব ব্যস্ত। অহল্যাই খবৰ কাগজত পঢ়িছিল, ভুল চিগনেল দিয়াৰ বাবে এবাৰ ডিমাপুৰত ৰেল দুৰ্ঘটনা হৈছিল। হঠাৎ কিয় জানো অহল্যাই ভাবিলে, এই অ'পাৰেটৰে ভুল চিগনেল নিদিয়ে। অকণো তাঁৰ নলগাকৈ তেওঁ এটাৰ পিছত এটা চিগনেল উঠাইছে আৰু নমাইছে। মানুহজনে নিশ্চয় ভালকৈ কাম কৰিব জানে।

এখন ৰেলত বাৰু কিমান মানুহ আহে? সাতশ? আঠশ! এহেজাৰ!

ইমানবোৰ মানুহ অহা প্ৰকাণ্ড ৰেলখন সেই মানুহজনৰ চিগনেল মতেই চলে? অথচ মানুহজনে চিগনেল দিওঁতে এবাৰ ভুল কৰিলেই ৰেলখনৰ দুৰ্ঘটনা হয়? মানুহজনৰ প্ৰতি অহল্যাৰ শ্ৰদ্ধা উপজিল।

তেওঁ বাৰু কিমান দৰ্মহা পায় ? ককায়েক চিন্তই কৈছিল, চাকৰি কৰা মানুহক দৰ্মহাৰ কথা সুধিব নাপায়। দৰ্মহা যিমানেই নাপাওক, মানুহজনে কিন্তু কাম কৰিব জানে।

মৰিয়নী ষ্টেশ্যনেদি বাৰু এদিনত কেইখন ৰেল অহা-যোৱা কৰে ?

এই মানুহজনৰ ভুল চিগনেলত বাৰু গাড়ীৰ দুৰ্ঘটনা হৈছেনে ? অ'পাৰেটৰজনক মাতি তাইৰ মনত ভুমুকি মৰা হেজাৰটা প্ৰশ্নৰ উত্তৰ জানিবলৈ অহল্যাই উচপিচ কৰিলে। ইমান কাম কৰে এওঁলোকে !

তাইৰ ককায়েক মনোৰঞ্জনেও নিশ্চয় ভাল কাম জানে। সেই কাৰণেই ওপৰৱালাই তাক ছুটী নিদিয়ে। আৰু ছুটী নোপোৱাৰ কাৰণেই সি ঘৰলৈ আহিব নোৱাৰে।

চকীদাৰে ঘন্টি বজাই দিলে। মানুহবোৰৰ মাজত হুলস্থুল লাগিল।

প্ৰকাণ্ড ৰেলখন আহি নিঃশব্দে ৰৈ গ'ল।

ধৰ্মকান্ত শৰ্মা সপৰিয়ালে উঠিল।

পশ্চিমৰ খিৰিকীত, হাতৰ তলুৱাৰে থুঁতৰিত ভেজা দি শৰ্মা বহিল

আকৌ ঘন্টি বাজি উঠিল।

গাৰ্ডে সেউজীয়া পতাকা দেখুৱালে।

ৰেলে জোকাৰ মাৰিলে।

অৱসন্ন বৃদ্ধ-ব্ৰাহ্মণৰ ৰেলে দুকাষৰ গছ-গছনি, বাৰী-ঘৰ পিছ পেলাই নতুন ষ্টেশ্যনৰ সন্ধানত গতি কৰিলে। সপৰিয়ালে ধৰ্ম শৰ্মাও আগবাঢ়িল জীৱনৰ নতুন ষ্টেশ্যন বিচাৰি।

চকুৰে জকাইচুক এৰি আহিলেও ধৰ্মকান্তৰ মনে জকাইচুক ত্যাগ কৰিব পৰা নাছিল। তথাপি, ৰেলে এৰি যোৱা দুকাষৰ দৃশ্য চাই যাবলৈ শৰ্মাই চেষ্টা কৰিলে। ৰেলৰ হেন্দোলনিত গোটেই শৰীৰ জোকাৰ খোৱা ধৰ্মকান্তৰ মনটোকো এৰি অহা দিনবোৰৰ স্মৃতিয়ে অসংলগ্নভাৱে জোকাৰ দি যাবলৈ ধৰিলে। খণ্ড খণ্ড ঘটনাৰ শিকলিয়ে শৰ্মাৰ অখণ্ড অতীত জীৱনৰ সামগ্ৰিক ৰূপ সোঁৱৰাই দিলে।

ইষ্টদেৱতাক উদ্দেশ্য কৰি শৰ্মাই কৰযোৰে এটা প্ৰণাম কৰিলে। সোঁৱৰণিৰ অগনিয়ে দেই-পুৰি শৰ্মাৰ অন্তৰ ছাৰখাৰ কৰিছে। অনাগত জীৱনৰ মুখামুখি হ'ব পৰা মনোবল থাকিলেও অনিশ্চিত ভৱিষ্যতৰ প্ৰতি ত্ৰাস আৰু সংশয়ৰ ৰূপত তেওঁৰ চকুৰেদি দুধাৰি চকুপানী বৈ আছিল। তেওঁ চকুৰে অস্পষ্ট দেখিলে। ইষ্টদেৱতাক প্ৰণাম কৰিবলৈ হাত তুলি তেওঁ হঠাৎ দেখা পালে—সেই পুৰণি দিনৰ হেৰোৱা ভগৱানক। তেওঁৰ চকুৰ আগত জিলিকি উঠিল তেওঁৰ সাতাম-পুৰুষীয়া লাহুৰা গোপালৰ সাকাৰ ৰূপ - পুৰুষানুক্ৰমে পূজা কৰি অহা ইষ্টদেৱতাৰ পিতলৰ মূৰ্তিটো।

ধৰ্মকান্ত তেতিয়া ডেকা। পাঁচোটা ল'ৰা-ছোৱালীৰে ধৰ্ম ৰুক্মিণীৰ কেপ্ৰকাৰ সুখৰ সংসাৰ। ৰুক্মিণী আই সহজ-সৰল গাঁৱৰ বোৱাৰী। ধৰ্মকান্ত কৰ্মঠ। তেতিয়াও তেওঁৰ পৰিয়ালটোৱে বছৰ জোৰাই খাব পৰাকৈ খেতি-বাতি নহৈছিল। ৰজাদিনীয়া বৰআলি বহু বছৰ আগতেই লুইতে ভাঙিলেও সময়ে ধৰ্মৰ প্ৰতি তেওঁৰ যজমানৰ শ্ৰদ্ধাৰ বৰআলি ভাঙিব পৰা নাছিল। লুইতৰ বানে ধৰ্মৰ পথাৰ সেইকালতো বুৰাইছিল। হলেও উত্তৰাধিকাৰৰ সূত্ৰে পোৱা অসংখ্য যজমানৰ শ্ৰদ্ধা-ভক্তি, দান-দক্ষিণাৰে ৰুক্মিণীৰ হাত খালী নহৈছিল কোনোদিনে। শৰ্মা জকাইচুকৰ অন্যতম মুখিয়াল মানুহ আছিল। ধৰ্মকান্ত শৰ্মাৰ নাম শ্ৰদ্ধাৰে উচ্চাৰণ কৰিছিল জকাইচুকীয়া ৰাইজে। ইতৰ পশুৰ দৰে কেৱল পেটৰ চিন্তাত সিকালৰ গঞাই প্ৰাণপাত কৰিবলগীয়া নহৈছিল। হাঁহি-খেলি ধুমুঠিৰ যোগাৰ হৈছিল শৰ্মাবাপুৰো। তেনেতে এদিন...

কাতিমাহৰ দোকমোকালি।

শৰ্মাৰ বাহিৰে তেওঁৰ পৰিয়ালৰ কোনেও তেতিয়াও বিছনা এৰা নাই।

প্ৰথম কুকুৰা ডাকতে ঢাৰি-পাটী এৰা শৰ্মাৰ আজন্মৰ অভ্যাস।

গা-মূৰ ভালে থাকিলে বা শৰ্মাৰ দূৰণিবটীয়া কাম থাকিলে ৰুক্মিণীও বাপুৰ লগতেই উঠে। আগদিনা গধূলিৰ পৰা ৰুক্মিণীৰ অলপীয়াকৈ মূৰৰ বিষ উঠি আছিল, আৰু পুৱাতে ওলাই যাব লগীয়াকৈ শৰ্মাৰ শৰাধ-বিধি নথকাৰ বাবে বাপুৰনী আয়ে পুৱাৰ টোপনিৰ আমেজ লৈছিল।

যথাৰীতি শৌচাচাৰ কৰি, ধৰ্মকান্ত শৰ্মা নৈমিত্তিক পূজাৰ কাৰণে মন্দিৰ সোমাল।

থাপনাৰ আগত ধ্যানমগ্ন ধৰ্ম শৰ্মা।

ঘৰুৱা থাপনা। চাপৰ। বুঢ়াকালত পুত্ৰসন্তান লাভ হোৱাৰ বাবে সিদ্ধেশ্বৰ মিস্ত্ৰীয়ে শৰ্মাৰ দেউতাকক থাপনাখন দান কৰিছিল। পূৰ্বতে চ'তৰ সংক্ৰান্তিৰ দিনা পুৱা তুলসী-ভেটিৰ ওচৰলৈ থাপনাখন উলিয়াই নি শৰ্মাই প্ৰতিবছৰে গংগাজল মিহলোৱা ব্ৰহ্মপুত্ৰৰ ঘোলা পানীৰে ইয়াক পৰিষ্কাৰ কৰি ধুইছিল আৰু ৰং-বৰণ সানি তাক চিক্‌চিকীয়া কৰি ৰাখিছিল। পিছলৈ, বৰ আলি খহোওৱাৰ পিছত, বাৰিষাৰ কেইমাহত বাৰদিয়েক থাপনাখন পৰিষ্কাৰ কৰাৰ দায়িত্ব বাবা ব্ৰহ্মপুত্ৰই নিজেই গ্ৰহণ কৰিছিল। সেয়ে শৰ্মাই পূৰ্বৰ চতীয়া সংক্ৰান্তিৰ পৰিৱৰ্তে আজিকালি আহিনীয়া পূজাতে তাৰ বোকা-পলস এৰুউৱাৰ কামত ব্ৰতী হৈছিল।

কেইদিনমানৰ আগতে শৰ্মাই থাপনাখন পৰিষ্কাৰ কৰি ৰাখিছে।

নিৰাকাৰ ভগৱানৰ গোটাদিয়েক সাকাৰ ৰূপৰ মন্ত্ৰ মাতি, চকু মুদি থকা অৱস্থাতেই পূজাৰীয়ে তিনিবাৰ ঘণ্টাটো বজালে। সৰু-মইনা মহাজনৰ হাতীজনীয়ে পোৱালি এটা দিয়াৰ কৃতজ্ঞতাত মহাজনে শৰ্মাৰ থাপনালৈ আগবঢ়োৱা তামৰ থালখনতে তেওঁ ঘণ্টাটো থলে, আৰু চকুমুদি মন্ত্ৰপাঠ কৰি থকা অৱস্থাতেই কৰণিলৈ হাত মেলিলে। কৰণিৰ ভিতৰত হাত দিয়েই শৰ্মা চমকি উঠিল। ডাঙৰকৈ চকু দুটা মেলি বাপুৰে দুয়োখন হাত থাপনাৰ ভিতৰলৈ সুমুৱাই দিলে। তেওঁ

উত্তেজিত হৈ পৰিল। কাষতে সোঁফালে জলাই থোৱা চিয়াহী দোৱাতৰ কেৰাচিন চাকিটো হাতত লৈ, আঁঠুকাঢ়ি শৰ্মাই পৰীক্ষা কৰিলে। বহুদিন দৰা নোপোৱা আবিয়ৈ ছোৱালী কাঞ্চনমতীয়ে নোদোকা দৰা পাবৰ বাবে তেওঁৰ থাপনালৈ দিয়া গোসাঁই-কাপোৰখন শৰ্মাই উদঙাই চালে। তেওঁৰ শৰীৰৰ তেজ চলাচল বন্ধ হ'বৰ উপক্ৰম হ'ল। চাকিটো হাতত লৈ ডিঙিটো দীঘলীয়াকৈ মেলি, আঁঠুকাঢ়ি শৰ্মাই থাপনাৰ ভিতৰখন তন্ন তন্নকৈ পৰীক্ষা কৰিলে। সিমানতো যেতিয়া তেওঁ বিচৰা বস্তুটোৰ কোনো উৱাদিহ নাপালে, আঁঠুকাঢ়ি থকাতে ধৰ্ম শৰ্মা কুকুৰ-বহুনা দি বহি পৰিল। বাপুদেউৰ অজানিতেই তেওঁৰ মুখেদি এটা অস্ফুট শব্দ বাহিৰ হ'ল। শৰীৰ সম্পূৰ্ণভাৱে অৱশ হৈ পৰিল। চাকিটো ওচৰতে থৈ তেওঁ হাত দুখনেৰে মাটিত ভেঞ্জা দি ৰ'ল।

পিছমুহূৰ্ততে শৰীৰৰ সমস্ত শক্তি সংগ্ৰহ কৰি থিয় হ'ব খুজি শৰ্মাই চাকিটোৰফালে হাত আগবঢ়ালে। চাকিটো হাতত লৈ বহাৰপৰা উঠিব খোজোঁতেই তেওঁ সোঁহাতলৈ—ঠিক তেওঁৰ সোঁফালৰ চুকলৈ—বেৰতাৰ তলত এটা গাঁত দেখা পালে।

গাঁতটোৰেদি ভিতৰলৈ পোহৰ সোমাইছে।

গাঁতটোৰফাললৈ শৰ্মাই এটা ভেকুলী-জাঁপ মাৰিলে। এইবাৰ ঘটনাটো বাপুৱে স্পষ্টভাৱে বুজি পালে– তেওঁৰ পিতলৰ গোসাঁইত চোৰৰ হাত লাগিছে।

একো নভবাকৈয়ে শৰ্মাই গাঁতটোৰ কাষতে চাকিটো থলে আৰু একান্ত মনে গাঁতটো জুমি চোৱাত লাগিল।

ঠিক এই মুহূৰ্তত কি কৰা উচিত একো বুজিব নোৱাৰি, কেঁচুৱা ল'বাৰ দৰে ধৰ্মকান্তই এটা অৰ্থহীন হাঁহি হাঁহিলে। পিছমুহূৰ্ততে তেওঁ আতুৰ কণ্ঠে চিৎকাৰ কৰি উঠিল, 'খালেঔ বোপাই!'

বতাহে কঁপোৱা কলপাতৰ দৰে শৰ্মা কঁপিবলৈ ধৰিলে।

গাঁতটোৰ মুখতে তেওঁ আঁঠু কাঢ়িলে।

অদূৰত বাঁহৰ দুৱাৰ খোলাৰ এটা কেৰ্ কেৰ্ শব্দ হ'ল।

শৰ্মাই পিছলৈ ঘূৰি চালে।

টোপনিৰ আমেজ লাগি থকা চকুত বিস্ময় সানি ৰুক্মিণী থিয় হৈছেহি।

শৰ্মাই অবুজন কেঁচুৱা ল'বাৰ হাঁহিটো মাৰিলে। অঁকৰা মানুহৰ দৰে তেওঁ ৰুক্মিণীক ইংগিতেৰে গাঁতটো আঙুলিয়াই দেখুৱালে।

গাঁতটো দেখি ৰুক্মিণী অবাক হ'ল। ভয়ত চকু দুটা ডাঙৰকৈ মেলি ৰুক্মিণীয়ে তেওঁৰ হাতৰ তলুৱাৰে মুখ ঢাকিলে।

শৰ্মা সামান্যভাৱে প্ৰকৃতিস্থ হ'ল।

গাঁতৰ মুখৰপৰাই তেওঁ ৰুক্মিণীক ক'লে, 'ভিতৰফালে চোৱাচোন।' অবাক বিস্ময়ত অধৈৰ্য্য হৈ ৰুক্মিণী দৌৰি শোৱনী ঘৰলৈ গ'ল।

দহা-কাজত পোৱা গামোচা-চুৰিয়া, দানে দক্ষিণাই পোৱা সোণ-ৰূপ আৰু ৰুক্মিণীৰ আ-অলঙ্কাৰ আদি এটা ক'লা ট্ৰাঙ্কত ভৰোৱা আছিল। ৰুক্মিণীয়ে বিয়াত অনা বাচন-বৰ্তন আৰু শৰ্মাৰ ঘটনৰ ঘটি-বানবাটি আদি ৰখা হৈছিল ৰুক্মিণীয়ে যৌতুকত অনা এটা কাঠৰ পেৰাত। বাপুৱনীৰ বিছনাৰ মূৰশিতানৰ ফালে কাঠৰ খুটাৰে ওখকৈ সজা বাঁহৰ চাঙত চচালি দি এই বাকচ দুটা ৰখা হয়। বাৰিষা পানী বাঢ়িলে ভগা টিনপাত দি সজা চৌতিৰ ওপৰৰ বৰচাঙলৈ বাকচ দুটা তুলি থোৱা হয়। খৰালি আকৌ এইবোৰ নমাই ৰাখে মূৰশিতানৰ বাঁহৰ চাংখনত। যোৱাবছৰ ঘৰৰ ভেটি তলযোৱাকৈ বৰপানী হোৱা নাছিল বাবে গোটেইবছৰ বাকচ দুটা বাঁহৰ চাঙতেই থাকিল।

বাপুৱনী দৌৰি শোৱনীঘৰৰ সেই চাংখনৰ ওচৰ পালেগৈ। ট্ৰাঙ্কটোৰ ওপৰত পাৰি থোৱা, ফটা চাদৰত ফুলবাছি কৰা ঢাকনিখন উদঙাই তেওঁ তলাটো পৰীক্ষা কৰিলে। অলঙ্কাৰ-পাতি থকা ট্ৰাঙ্কটো তেওঁ দুহাতে গবা মাৰি ধৰিলে। তাৰপিছত কাঠৰ বাকচটোও তেনেদৰে পৰীক্ষা কৰি চাই তেওঁ সদায় ব্যৱহাৰ কৰা কাঁহী-বাটিখিনিত চকু ফুৰালে।

সকলো ঠিকেই আছে।

ৰুক্মিণীৰ মনত তথাপি সন্দেহ হ'ল।

তেওঁ আকৌ শোৱনীঘৰলৈ আহিল। মূধৰ খুটাৰ গজালত ওলোমাই থোৱা চাবিকোছা লৈ ট্ৰাঙ্কটো খুলি তেওঁৰ অলঙ্কাৰ ভৰাই থোৱা মটনৰ টিনটো বাহিৰ কৰিলে। ছুতোলা সোণৰ নেকলেচডাল হাতলৈ লৈ লিৰিকি-বিদাৰি চালে। মাক বাপেক ঢুকোৱাৰ পিছত বাপুৰনী আজিকালি মাকৰ ঘৰলৈ নাযায়। ল'ৰাই-ছোৱালীয়ে ককায়েকহঁতৰ অৱস্থাও নেজে গোবৰে। ওচৰৰ বিয়া-সবাহলৈও তেওঁ আজিকালি যাবলৈ এৰি দিছে। গতিকে বহুদিন ধৰি নেকলেচডাল ডিঙিত সুমুওৱাই হোৱা নাই। পুৰণি হ'লেও সময়ে দাগ লগাব নোৱৰা সোণৰ ৰং দেখি ৰুক্মিণীৰ মুখত হাঁহি বিৰিঙি উঠিল।

মটনৰ টিনটোত নেকলেচডাল ভৰাই তলা নমৰাকৈয়ে ট্ৰাঙ্কটো এৰি তেওঁ আগফালৰ কোঠালৈ আহিল। ড্ৰইংৰুম নামৰ এই কোঠাটোত থকা বস্তুবোৰ—বেৰত ওলোমাই থোৱা FORGET ME NOT, TRUST IN GOD, পতি পৰম গুৰু আদি হস্তশিল্পৰ নমুনাবোৰ, খুৰা ক্ষয় যোৱা কাঠৰ চকীচুখন, ছটা চুকৰ অভঙ্গা টি-টেবুলখন, গান্ধীজীয়েই নে নেতাজীয়েই চিনিব নোৱৰা পানীৰ ভাপ লাগি নষ্ট হোৱা জৱাহৰলালৰ ফটোখন—ঠিক নিজৰ নিজৰ ঠাইতেই আছে।

চোৰ সোমাইছিল যদিও একো নিব নোৱাৰিলে, ৰুক্মিণী সিদ্ধান্তলৈ আহিল। এক অনাহুত বিপদৰ পৰা মুক্তিৰ আনন্দত তেওঁৰ মনটো ফৰকাল লাগিল।

ৰুক্মিণীয়ে ধৰ্মকান্তৰ ওচৰলৈ দৌৰ মাৰিলে।

ধৰ্ম শৰ্মাই গাঁতটোৰ একেবাৰে ওচৰলৈ মূৰটো দোঁৱাই নিলে। তেওঁ ভাবিলে, তেওঁৰ ওখ ভেটিৰ গোসাঁইঘৰৰ সিন্ধিটো খান্দোতে চোৰৰ বিশেষ পৰিশ্ৰম হোৱা নাই। পিৰালিৰ ঘণ্টাকৰ্ণ ফুল কেইজোপা কাটি চোৰে বেৰভাৰ তলৰ মাটি খহায়েই গাঁতটো খান্দিলে। চোৰ-

টোনো কেনেদৰে সোমাই কিভাৱে ওলাই গ'ল, নিজৰে এবাৰ চেষ্টা কৰি চাবলৈ তেওঁৰ ইচ্ছা হ'ল।

প্ৰথমতে ভৰি দুটা শৰ্মাই গাঁতটোত সুমুৱালে। তাৰ পিছত সহজতে এটা মানুহ সৰকি যাব নোৱৰা ফুটাটোৱেদি অনেক কষ্ট কৰি তেওঁ নিজকে সিন্ধিটোত সুমুৱাই দিলে। তেওঁৰ খালী গাৰ ছাল চিড়ি শৰ্মা বাহিৰ ওলালহি।

সিন্ধিৰ ফুটাটোৰ কাষতে বৈ তেওঁ বাহিৰৰ ঠাইখন এবাৰ পৰীক্ষা কৰিলে। পিছমুহূৰ্ততে তেওঁ ফুটাটোত মূৰটো সুমুৱাই দিলে। বহুত কচৰৎ কৰি যেতিয়া সিন্ধিটোৱেদি সোমাই আহি কাছ এটাৰ দৰে তেওঁ মূৰটো গোসাঁইঘৰৰ ভিতৰলৈ উলিয়াইছিল, ঠিক সেই সময়তে উধাতু খাই ৰুক্মিণী দৌৰি আহি তেওঁক সম্বাদ দিলে যে, ভিতৰৰ একো নিয়া নাই।

শৰ্মাই সিন্ধিৰ পৰা মূৰ উলিয়াই থকা অৱস্থাতেই কেঁচুৱা ল'ৰাৰ হাঁহিটো আকৌ হাঁহিলে।

সিন্ধিৰ ফুটাইদি বাহিৰলৈ ওলাওঁতে যিমান কষ্ট হৈছিল, তাৰ দুগুণ কষ্ট কৰি বাপু ভিতৰলৈ সোমাল। গাঁতটোৰপৰা ওলাই তেওঁ তেওঁৰ গাত লাগি থকা ধূলি-মাটিবোৰ দুহাতে জোকাৰি ৰুক্মিণীৰ মুখলৈ চালে।

শৰ্মাই এটা অসহায়ৰ হাঁহি হাঁহিলে।

মুখেৰে শব্দ নকৰাকৈ তেওঁ ৰুক্মিণীক থাপনাখনলৈ আঙুলিয়াই লাৰুৱা গোপালৰ মূৰ্তিটো চুৰি হোৱাৰ কথা বুজাই দিলে।

ঘটনাটো বুজিব পাৰি ৰুক্মিণী দুখোজ পিছুহুঁহকি গ'ল।

ৰুক্মিণীৰ চকু দুটা আকৌ ডাঙৰকৈ মেল খালে। তেওঁ কৈ উঠিল, 'গোসাঁই চুৰি হোৱা পাপ!'

গাঁতটোৰ ওচৰতে হঠাৎ শৰ্মা বহি পৰিল। আৰু হাতবাউল দি ৰুক্মিণীক তেওঁৰ ওচৰলৈ মাতিলে।

একো বুজিব নোৱাৰি ৰুক্মিণী তেওঁৰ কাষ চাপি আহিল।

শৰ্মাই ফুচফুচাই ৰুক্মিণীক ক'লে, 'ইষ্টদেৱতা অসন্তুষ্ট হৈছে।'

গাঁতটোৰ চাৰিওফালে সিঁচৰিত হৈ থকা মাটিবোৰ হাতেৰে গাঁতলৈ ঠেলি দি শৰ্মাই আৰু ক'লে, 'কথাটো গোপনে ৰাখিবা।'

'বেৰৰো কাণ আছে। আমাৰ ল'ৰাহঁতকো ক'ব নালাগে।' বিশ্বাসৰ চাৱনিৰে শৰ্মাই ৰুক্মিণীৰ মুখলৈ চালে।

সৰলা ৰুক্মিণীয়েও ভাবিলে, গোসাঁই চুৰি হোৱাৰ দৰে আপদীয়া কথা এটা গঞা-জ্ঞাতিৰ আগত প্ৰকাশ নকৰাই মঙ্গল।

ল'ৰাহঁত উঠাৰ আগতেই শৰ্মাই সিন্ধিৰ গাঁতটো পুতি পেলালে। ওচৰ-ঘৰীয়াই সন্দেহ কৰিব পাৰে বুলি তেওঁ গাঁতটোৰ ওচৰে-পাজৰে থকা ফুলগছবোৰ কাটি পিৰালিটো কোৰেৰে মিহি কৰি তাত ধনিয়া গুটি সিঁচি দিলে।

ধূলি-মাটি গুচাই গা ধুই ভগৱানৰ নতুন মূৰ্তি এটা কিনিবৰ বাবে শিৱসাগৰলৈ বুলি শৰ্মাই খোজ দিলে।

বাপুৱনীয়ে গোবৰ-মাটিৰে গোসাঁইঘৰ মচিলে। বাপুদেৱে কোৰৰ নালেৰে খুন্দিয়াই চিনমাৰি দিয়া ফুটাটোত ডাঠকৈ গোবৰ-মাটি দি সিন্ধিটো তেওঁ নিশ্চিহ্ন কৰি মচি পেলালে।

ধৰ্মকান্ত শৰ্মাৰ থাপনাৰ মূৰ্তি চুৰি ঘটনাৰ ঘূণাক্ষৰেও উৱাদিহ নাপালে তেওঁৰ যজমান ওচৰ-চুবুৰীয়াই। বাপুদেউৰ ওপৰত তেওঁৰ ইষ্টদেৱতা অসন্তুষ্ট ভাবি এই মূৰ্তিহৰণৰ কাহিনী বাপু-বাপুৱনীয়ে চিৰকাল গোপনে ৰাখিলে।

ব্যক্তিবিশেষৰ গোপনীয়তাই কোনো সমস্যাকেই ঢাকি ৰাখিব নোৱাৰে। যজমানী ব্ৰাহ্মণ ধৰ্মকান্তই এই কথা সেইদিনা উপলব্ধি কৰিব পৰা নাছিল যে, তেওঁৰ অজানিতেই লুইতপৰীয়া জনজীৱনলৈ পৰিৱৰ্তনৰ ধল নামি আহিছে। বৰলুইতত লাগিছে প্ৰচণ্ড খহনীয়া।

খহনীয়া লাগিছে গাঁৱলীয়া অৰ্থনীতিত। ঘুণপোক লাগিছে গোটেই কাঠামোটোতে। অৰ্থনৈতিক কাঠামোত ঘুণে ধৰাৰ লগে লগে কঁপি উঠিছে কৌটিকলীয়া বিশ্বাসৰ ভেটি। আঘাত লাগিছে প্ৰচলিত

মূল্যবোধত। পৰপাৰৰ চিন্তাৰ তুলনাত মানুহৰ পেটৰ ভোক হৈ উঠিছে অধিক মূল্যবান। ঐতিহ্য-পৰম্পৰা হৈ উঠিছে বিলাসৰ চেলু, উপাৰ্জনৰ পাথেয়। ধৰ্ম আৰু ধৰ্মীয় অনুষ্ঠানক গণ্য কৰা হৈছে এক-শ্ৰেণীৰ ধুৰন্ধৰ মানুহৰ জীৱিকা নিৰ্বাহৰ ব্যৱসায় হিচাপে। ভক্তিৰ তুলনাত আত্মতুষ্টিৰ প্ৰলোভন হৈ উঠিছে অধিক জোৰদাৰ। ব্যক্তিগত সম্পত্তি কিয়, সমজুৱা সম্পত্তিৰ মালিকীস্বত্ব কৰায়ত্ব কৰিবলৈও তৎপৰ হৈ উঠিছে ব্যক্তিবিশেষ। দোষ, পাপ আদি প্ৰচলিত শব্দবোৰে মানুহৰ মনত বা কাণত নিৰ্ধাৰিত অৰ্থ প্ৰকাশ কৰিবলৈ অক্ষম হৈ উঠিছে। উপাস্য ভগৱানৰ মূৰ্তি ধাতুৰ দোকানত ওজনত বিক্ৰী কৰা হৈছে।

অৰ্থনৈতিক অৱক্ষয়ৰ এই প্ৰত্যক্ষ প্ৰমাণক ব্যক্তিগত ইষ্টদেৱতাৰ অসন্তুষ্টিৰ ফলশ্ৰুতি বুলি শৰ্মাই গোপনে ৰাখিলে। আপোনাৰ্লৈ নতুন মূৰ্তি কিনি আনি শৰ্মা পুনৰ পূজা-সেৱাত ব্ৰতী হ'ল।

শৰ্মাই নঙনাকৈয়ে তেওঁৰ বিশ্বাসৰ বালিগড়া চপৰা-চপৰে খহি পৰিবলৈ ধৰিলে।

অন্য এদিন।

শৰ্মাৰ আগচোতাল।

আঘোণৰ আবেলি।

ওচৰ-ঘৰীয়া যজমানত এটি কাজৰ কাম শেষ কৰি আহি শৰ্মাই কান্ধত খোলটো লৈ তেওঁৰ মাজুটো ল'ৰা চিত্তক কৃষ্ণনাচৰ আখৰা কৰাইছে।

ৰুক্মিণীয়ে পিৰালিৰপৰাই ল'ৰা-বুঢ়া দুয়োজনৰে নাচ উপভোগ কৰিছে।

হাল নোবোৱা ব্ৰাহ্মণ শৰ্মাই তেওঁৰ মাটি আধিলৈ দিছিল। জোনাই বৰমেধিৰ ল'ৰাহঁতেই শৰ্মাৰ মনত পৰা দিনৰেপৰা তেওঁৰ মাটিত আধি কৰি আহিছে। যেতিয়া যেতিয়া কৰ্মঠ আছিল তেতিয়া খেতি-খোলাৰ খবৰ লোৱা দূৰৰে কথা, শৰ্মাই নিজৰ মাটিৰ চাৰিসীমাও

চকুৰে দেখা নাছিল। তেতিয়া খেতিৰ অগ্ৰভাগ শৰ্মাৰ ভঁৰালত সুমাইছে অৱশিষ্ট ধান মেধিয়ে তেওঁৰ ঘৰলৈ নিছিল। আনকি বাপুদেউৰ ভঁৰাল মেৰামতিৰ কামো আগতীয়াকৈ কৰিছে মেধিয়ে নিজৰ ভঁৰালত হাত দিছিলগৈ। বাপু-বাপুৰনীৰ খবৰ লবলৈ আহোঁতে মাহেকে-পষেকে তেওঁ কোনোবা এজন নিঃকিন ভকতৰ কান্ধত দি বাপুৰ ঘৰলৈ সিধা একোটিও লৈহে আহিছিল।

এসময়ত বৰমেধি গ্ৰহণীত পৰিল।

বছৰেকমান লেলাই-খেনাই থাকি তেওঁ গ'ল।

বৰমেধিৰ পুতেকহঁতে শৰ্মাৰ মাটিত আওঁচ জুৰিলে।

এনেদৰেও গ'ল কেইবাবছৰো।

এবাৰ স্কুলত পাঢ় থকা শৰ্মাৰ বৰপুতেক মনোৰঞ্জনে নিজৰ ধান চাবলৈ ইচ্ছা কৰিলে। পুহৰ দহদিন যোৱালৈকে এটা ভাওৰিও শৰ্মাৰ ভঁৰালত সোমোৱা নাছিল। সেয়ে শৰ্মাই পুতেকক লৈ বৰমেধিৰ ঘৰ ওলালগৈ। বাপুৱে দেখিলে, বৰমেধিৰ পুতেকহঁতে ভাওৰিয়ে ভাওঁৰিয়ে ধান সিহঁতৰ ভঁৰালত তুলিছে। পথাৰলৈ গৈ দেখে, তেওঁৰ মাটিৰ ধান আধাতকৈও বেছি দোৱা হ'ল। ছবিঘামানৰ নতুন নৰাও গৰুৱে খাই শেষ কৰিলে। মাটি চাই ঘূৰি আহোঁতে বিশ্বাসী যজমান কণটলৌৱে শৰ্মাক ক'লে, ভাওৰি বন্ধাৰ সময়ত বাপু আগত নাথাকিলে বাকী থকা কেইডৰাবো হিচাপত নাপাব। গাখীৰতী গৰু এৰাল দি থোৱা আন ছবিঘা মাটিৰ ধানো বোলে বৰমেধিৰ ল'ৰাই তাৰ ভঁৰালত সুমুৱালেগৈ।

তেতিয়াৰপৰা শৰ্মাৰ ধাননিত চকীদাৰী কৰাৰ পাল পৰিল।

এনেকৈও চলিছিল বহুকাল। পাছত মাটিৰ মালিক আৰু আধিয়াৰৰ মাজত সঘনে খোতা-মোজা লাগি থকা হ'ল।

এসময়ত কঠীয়াৰ আধা শৰ্মাই দিবলগীয়া হ'ল।

এদিন মেধিৰ বৰ ল'ৰাই হালৰ গৰু 'কিনিবলৈ শৰ্মাৰ পৰা আধা পইচা বিচাৰিলে।

আধিভাগেৰে কৰা আধি খেতি বৰনৈৰ পানীয়ে আধা-আধি কৰিলে।

শৰ্মাৰ গৰুটো বৰপানীত উটি গ'ল।

পিছত শৰ্মা আৰু বৰমেধিৰ ল'ৰাহঁত এটা সিদ্ধান্তলৈ আহিল—গৰু কঠীয়াৰ এভাগ, হালোৱা আৰু ৰোৱনীৰ এভাগ, আৰু মাটিৰ এভাগ।

ভদীয়া তিথিলৈকে মাটিত একঁৰলুৱা পানী থাকেই। এনে অৱস্থাত তিনি আধিকৈ ৰোৱা বামুণীয়া খেতিয়ে বাপুদেউক ছমাহৰ ভাতো যোগাব নোৱৰা হ'ল।

শৰ্মাবাপুক যজমানে সিধা-উছৰ্গা আৰু বছৰেকত ঘৰ মূৰি এপুৰাকৈ ধান দিয়াৰ জাত আছিল। খেতিয়ে জোৰা নমৰিলেও শৰাধে-বিধিয়ে পোৱা জহাচাউল-মাটিমাহ খাই তেওঁৰ ল'ৰা-ছোৱালী ডাঙৰ হৈছিল।

ভৰিৰ খৰমেৰে তাল দি হাতেৰে মুদ্ৰা দেখুৱাই বাপুদেৱে চিত্তক কৃষ্ণনাচ শিকাই আছিল। তেনেতে বৰমেধিৰ ডাঙৰটো ল'ৰা বংশীধৰে গৰুগাড়ী এখনতে কুটুলা ধানৰ ডাঙৰি পাঁচোটা লৈ শৰ্মাৰ চোতাল পালেহি।

বাপুৱনীয়ে তভাতৈয়াকৈ ভিতৰৰ পৰা চাবিটো আনি খালী ভঁৰালত লগাই থোৱা তলাটো খুলি দিলে।

বংশীধৰৰ আও-ভাও দেখি শৰ্মাই সুধিলে, 'ডাঙৰি বন্ধালৈ নামাতিলা দেখোন?'

গাড়ীৰ পৰা ভঁৰালৈ ডাঙৰিকেইটা ক'ঢ়িয়াই থকাৰ মাজতে বাপুদেউৰ চকুলৈ নোচোৱাকৈ বংশীয়ে ক'লে, 'যোৱাৰাতি মুঠিধান চৰ তোলাভি নিলে। চোৰে এৰি যোৱা যি কে'ডাল আছিল তাৰে এভাগ আপোনালৈ আনিছোঁ।'

শৰ্মা আচৰিত হ'ল, 'পথাৰৰপৰাই ধান চোৰে নিছে? অদ্ভুত!'

তাৰপিছত:বাপুদেউ আৰু বংশীধৰৰ মাজত আৰম্ভ হ'ল থৈয়া নথৈয়া তৰ্ক।

শৰ্মাৰ অভিযোগ, বৰমেধিৰ ঘৰৰ দৰে প্ৰতিপত্তি থকা লোকৰ

পথাৰৰ ধান চুৰি কৰিবলৈ এই মুলুকত কাৰো সাহস নাই। চুৰি কৰিলেও বংশীধৰৰ পাঁচোটা ককাই-ভায়ে চোৰ ধৰা পেলাব লাগিছিল। শৰ্মাৰ শেষ কথা হ'ল, চোৰৰ বদনাম দি বংশীধৰহঁতে নিজেই ধান সিহঁতৰ ভঁৰালত সুমুৱাইছেগৈ। বংশীধৰে বিশ্বাসঘাতকতা কৰিছে। গতিকে অহা বছৰ শৰ্মাই মাটি আনক দিব।

বংশীধৰো এলা-পেচা মানুহ নহয়।

শৰ্মাৰ কথাত সিও জাঙুৰ খাই উঠিল।

গণ্ডগোল শুনি হালোৱা-পথৰুৱা মানুহে শৰ্মাৰ চোতালত ভিৰ কৰিলেহি।

হাতত হোলোঙা এডাল লৈ বংশীধৰৰ সৰুটো ভায়েক ভুধৰো উপস্থিত। সি তিনিবছৰমান একেলেথাৰিয়ে মেট্ৰিক পৰীক্ষাত বহিছিল। পিছে সি পঢ়ি যোৱাবোৰ কোনোবছৰেই প্ৰশ্নকাকতত নাহে। শেষৰবাৰ পৰীক্ষালৈ যোৱাৰ আগতে সি ষ্টেশ্যন ৰ'ডৰপৰা ডেগাৰ এখন আৰু ব'ৰ্ডিং ৰ'ডৰপৰা চক্ৰবৰ্ত্তী আৰু দত্তৰ নোট্‌চ্‌ এখন কিনি আনিলে। শেষৰবাৰ এই দুয়োখন পৰীক্ষাৰ টেবুলত মেলি কোনোমতে কম্‌প্লিমেণ্টেৰীৰ নেজ এডাল লগাই সি উত্তীৰ্ণ হ'ল। তাৰপিছত এবছৰমান বাটে-ঘাটে চেলেউ হুঁপি, হিন্দী গান গাই, স্কুলীয়া-পথৰুৱা ছোৱালী জোকাই আছিল। দুবছৰমানৰ আগতে জিলাত টেক্‌নিকেল পঢ়ি, দুনিয়াত চাকৰি নাপাই হাতত হাতঘড়ী পিন্ধি কেঁকোৰা নাঙলত ধৰিলেহি। তিনি আলিৰ চাহৰ দোকানত বহি আড্ডা মৰা আৰু মদ-ভাং খোৱাই তাৰ আজিকালিৰ দৈনিক কাম। গাঁৱৰ স্কুলীয়া ল'ৰা দুটামানেও ভুধৰৰপৰাই চুলাই মদ খোৱাৰ শিক্ষা পালে। এজাক ল'ৰা চাহৰ দোকানত বহি থাকে আৰু বাটেদি যোৱা মানুহক ফিচিঙালি কৰে।

এদিন ধৰ্ম শৰ্মা ৰবচোমনীত শৰাধ কৰি ঘূৰিছিল। তেওঁৰ হাতত মাহ-চাউলৰ টোপোলা এটা আৰু কোমলচাউল-দৈ গাখীৰ-কল ভৰাই অনা গাখীৰৰ ঘট এটা। বাপুদেউক দেখিয়েই ভুধৰকে আদি

কৰি ল'ৰাজাকে 'বাপুদেৱে আজি মাহ-চাউল খুৱাবই লাগিব' বুলি শৰ্মাক বেৰি ধৰিলে। কোনোবা এটাই বাপুৰ হাতৰপৰা মাহ-প্ৰসাদৰ টোপোলাটো টান মাৰি নিলে, ভূধৰে নিলে গাখীৰৰ ঘটটো। গোটেইজাকে ৰাজবাটতে থিয়ৈ থিয়ৈ মাহ-প্ৰসাদ আৰু জলপানসোপা পাগুলি পাগুলি খালে। খাই শৰাধত পাই বাপুৱে প্ৰসাদ বান্ধি অনা গামোচাখনতে মুখ-হাত মচি, সেইখন খালী টেকেলিটোতে ভৰাই শৰ্মাক ঘূৰাই দিলে। এটাই বাপুৰপৰা দানৰ পিছৰ দক্ষিণা— প্ৰসাদ-জলপানৰ পিছৰ চিগাৰেট— মুখশুদ্ধিৰ বাবে খুচুৰা পইচাও বিচাৰিছিলহে। শৰ্মা দুখোজ আহোঁতে নাহোঁতেই পিছৰপৰা ভূধৰে তেওঁক আশীৰ্বাদ দিয়া শুনিলে, 'টিলিঙাবাপু দীৰ্ঘজীৱী হওক। এইদৰে আগলৈকে... ।'

ধৰ্মবাপুৱে ভূধৰৰ চব কথাই শুনিছে। জুইশালত বাপুৰনীৰ লগত এইবিষয়ে তেওঁ আলোচনাও কৰিছে। সেয়ে ভূধৰৰ নাম শুনিলেই বাপু জ্বলি-পকি উঠে। আজিও হাতত হোলোঙা এডাল লৈ অহা ভূধৰক দেখি শৰ্মাৰ বামুণীয়া খংটো তেওঁৰ চুলি নথকা তালুত লাগিলগৈ।

ভূধৰে শৰ্মাৰ চোতালতে তাৰ হাতৰ হোলোঙাডাল গোজ মাৰি, গাড়ীখন ওভোতাই থলে। তাৰপিছত শৰ্মালৈ ফেপেৰি পাতি আহিল। শৰ্মাই কথা বিসঙ্গতি দেখি, সহিলে সম্পদে পায় ভাবি ক্ৰোধ সম্বৰণ কৰিলে।

বাপুৰনীকে ধৰি ইমানবোৰ মানুহৰ আগতে আঙুলি জোকাৰি ভূধৰে শৰ্মাক কৈ গ'ল বোলে সিইত যদি বৰমেখিৰ বেটা হয়, বাপুৱে আনক খেতি কৰিবলৈ মাটি দিয়াটো নহ'ব।

ওচৰ-চুবুৰীয়া মাতি শৰ্মাই বংশীধৰ-ভূধৰৰ ওপৰত মেল চপালে। নামঘৰতে ৰাইজ বহিল। ডেকাচামে বংশীধৰৰ পক্ষ ল'লে। মুক্তী পাচনীৰ কলেজত পঢ়া, পাৰজামা-পানজাবী পিন্ধা ল'ৰাটোৱে ৰায় দিলে বোলে নাঙল যাৰ মাটি তাৰ।

বুঢ়াখিনিৰ বেছিভাগেই বাপুদেউক সমৰ্থন কৰিলে। মঙলা বেজে হুইতালি মাৰিলে। 'বাপুদেউ আভাৰী মানুহ। আমাৰ গৰহ্-গতি চাই, পুহকৰ খেদায়েই তেখেতে জীৱন পাত কৰিছে। তেনেখলত তেখেতৰ খেতি দুপাহ চপাই দিয়াটো আমাৰে কৰ্তব্য। তবু দেশদস্তুৰো বদলিছে, উত্তৰপাৰৰফালে বোলে আধিৰপ্ৰথা উঠিয়েই গৈছে। হালোৱাই মাটিৰ মালিক হৈছে। তাকে চাই ৰাইজে যি ভাল দেখে কৰক।'

শেষত ৰাইজে ভাল দেখি যিটো কৰিলে, সেইটো শৰ্মাৰ মনঃপূত নহ'ল। তথাপি ৰৰমেধিৰ ল'ৰাহঁতৰ পাঁচখন মেচীদাৰ আগত কেৱল শৰাধ কৰা ঘণ্টাটোৰে বাপুৱে একো কৰিবৰ্গে নোৱাৰিব ভাবি, অনিশ্চা-সত্ত্বেও ৰাইজৰ সিদ্ধান্তত ৰাজী হ'ল।

বিঘাত দুশকৈ এপুৰা মাটি বংশীধৰক কিনি লবলৈ দিয়া হ'ল। ব'হাগ বিহুৰ দিন পৰ্যন্ত বাপুক টকা দিয়াৰ ম্যাদ ৰাইজে ঠিক কৰি দিলে। বাকী তিনিপুৰাৰ এপুৰা মাটি তিনি-আধিৰ নিৰিখত দুবছৰৰ কাৰণে বংশীধৰক খেতি কৰিবলৈ দিলে। অৱশিষ্ট দুপুৰা শৰ্মাই নিজে খেতি কৰিব লাগিব চৰ্তত তেওঁক ঘূৰাই দিয়া হ'ল।

চুক্তিমতে দুবছৰৰ মূৰত আধিৰ মাটিপুৰা বংশীধৰৰপৰা শৰ্মাই ঘূৰাই পালে। পিছে তিনিটা ব'হাগ বিহু পাৰ হোৱাৰ পিছতো বাপুদেৱে বিঘাত দুশকৈ পাবলগীয়া তেওঁৰ এপুৰা মাটিৰ দামটো বংশীধৰৰপৰা সমূলে আদায় কৰিব নোৱাৰিলে।

বংশীধৰৰপৰা তাগাদা দি মাটিৰ দাম হিচাপে মাহেকে-পষেকে কুৰি-পঁচিছ টকা শৰ্মাই আদায় কৰিছিল। তাৰে এক বৃহৎ অংশ তেওঁ ল'ৰা-ছোৱালীৰ কাপোৰকানি কিনাত খৰচ কৰিছিল। ঘৰিণীৰ অঙহী-বঙহী আহিলেও পায়স-পাৰচনাই আদি তাৰেই যোগাৰ হৈছিল।

সেই টকাৰ এক ভগ্নাংশ শৰ্মাৰ বৰপুত্ৰেক মনোৰঞ্জনৰ পঢ়াৰ কাৰণেও খৰচ হৈছিল। মনোৱে সেই বছৰ মেট্ৰিক পাছ কৰিছিল।

শৰ্মাৰ ইচ্ছা আছিল ল'ৰাক ৰ'জীৰ সংস্কৃত টোলত পঢ়ুৱাব। পঢ়ি-শুনি সি বাপেকক শ্ৰাধ-বিধিৰ কামত সহায় কৰিব। ইচ্ছা কৰিলে লগতে সি ওচৰৰে স্কুল এখনত সংস্কৃত পণ্ডিতৰ চাকৰিও কৰিব পাৰিব।

পিছে শৰ্মাৰ ইচ্ছাৰ বিৰুদ্ধে সি শিৱসাগৰত কলেজৰ কলা বিভাগত নাম লিখালেগৈ। যজমানী ব্ৰাহ্মণৰ ল'ৰাই আহৰি সময়ত পূজা-পাৰ্বণৰ পাঠ ল'ব লাগে। তাৰ পৰিৱৰ্তে মনোৰঞ্জনে সস্তীয়া উপন্যাস পঢ়িবলৈ ল'লে। বাপেকৰ দহমহাৰ ধুতীৰ পৰিৱৰ্তে সি পিন্ধিবলৈ ল'লে কুৰিটকীয়া পটলুং, আৰু জপ-গায়ত্ৰীৰ পৰিৱৰ্তে শৰ্মাৰ ঘৰত সি বে'ড-টিৰ প্ৰচলন কৰিলে। মনোৰঞ্জনকে দেখি শৰ্মাৰ গোটেইজাক ল'ৰা-ছোৱালীয়ে এদিন বিছনাতে ব্ৰেকফাষ্ট্ কৰা আৰম্ভ কৰি দিলে।

প্ৰথমতে শৰ্মাই এই নতুন নিয়মৰ ঘোৰ আপত্তি কৰিছিল। পিছলৈ ৰুক্মিণীয়েও যেতিয়া বাহীমুখতে গাখীৰ নিদিয়া চাহ এটোপা খাবলৈ অভ্যাস কৰিলে, তেতিয়া ধৰ্মকান্তই একো ক'ব নোৱৰা হ'ল।

কাউৰী-কুকুৰে মুখলৈ একো নিনিওতেই জুইশালত কাপ-প্লেটৰ ঠুং-ঠাং শুনিলে আদিতে পুৰোহিত বাপুৰ গাটো জ্বলি পুৰি আহিছিল। কালক্ৰমত নতুন নিয়মটো পুৰণি হৈ আহিল, আৰু এইটো ধৰিবলগীয়া কথা নহয় বুলি শৰ্মাই গা নলগোৱা হ'ল।

পথকৰা বোকা নগছকা বাপু কান্ধত কোৰ লৈ খেতিত লাগিল। মনোৰঞ্জন খেতিলৈ নোলায় যদিও, কোৰখন দাঙিব পৰা হোৱাৰ দিন ধৰি চিন্তুই আলিৰ পাহ কাটিবলৈ ল'লে।

এসময়ত শৰ্মাই বংশীধৰক বাকী থকা টকাৰ তাগাদা দিবলৈ এৰি দি সি খেতি কৰা আধিৰ মাটিপূৰাকে চম্ভজি লোৱা বুধিয়কৰ কাম বুলি ভাবিলে।

শৰ্মাক বুঢ়া আঙুলি দেখুৱাই মালিক হোৱা এপূৰা মাটিৰ গোট ভাঙৰি কঢ়িয়াই বংশীধৰে তাৰ উঁৱাল ভৰালে। আৰু ধৰ্মকান্তৰ বুকুত বাগীকুঠাৰ মাৰি দাম নিদিয়া মাটিৰ আমগছ সি শৰ্মাক নোসোধাকৈয়ে ঘপিয়াই বগৰাই দিলে।

—আৰু এদিন।

ব'হাগ বিহুৰ পুৱা।

জ্যোতিষী বাপু ধৰ্মকান্ত শৰ্মাৰ চ'ৰাঘৰ।

চ'ৰাঘৰৰ মজিয়া গোবৰ-মাটিৰে মোচা।

শৰ্মাই নাহৰপাতত বৃষ্টিহৰণৰ শ্লোক লিখিছে।

হাতত বেজী-সূতা লৈ বৰজীয়ৰী গীতাই ঘৰৰ চালে-বেৰে বাপেকে লিখি দিয়া নাহৰপাতবোৰ গুজি-বান্ধি ফুৰিছে।

নতুন পঞ্জিকা মেলি প্ৰথমতে জ্যোতিষীয়ে নিজৰ পৰিয়ালৰ ৰাশিফল চাইছে।

দূৰ্বা, তুলসী আৰু ফুলেৰে সজাই থোৱা হৈছে শৰ্মাৰ সমুখৰ তামৰ থালখন।

কন্মিণীয়ে শৰ্মাক চাহ দি গৈছে।

শৰ্মাই একান্তমনে পঞ্জিকাৰ পাত লুটিয়াইছে।

মাজে মাজে তেওঁ ফুল-নিৰ্মালিৰ ওচৰতে থোৱা খালী বটাটোত চকু ফুৰাইছে।

সময় পাৰ হৈছে, কিন্তু বৰ্ষচক্ৰ গণনাৰ বাবে শৰ্মাৰ ঘৰত কাৰো পদধূলি পৰা নাই।

তিথিৰ মুৰত পানী এচলু দিয়া শ্ৰাদ্ধ-বিধিৰ কথা নধৰিলে, বছৰটোৰ এই সময়ছোৱাত বাপুদেউৰ উপাৰ্জন হয় আটাইতকৈ বেছি।

সেয়ে ফাগুন সোমোৱাৰ পৰাই বজাৰত পঞ্জিকা ওলাইছেনে নাই বা কেতিয়া ওলাব, বা দুলেৰে খবৰ লৈ থাকে। চ'তৰ পোহৰ-ছুৱিদিন

তেওঁ জ্যোতিষ পঞ্জিকা লৈ বহে। ৰাশি অনুসাৰে আয়-ব্যয়ৰ হিচাপ তেওঁৰ মুখস্থ হয়। গ্ৰহগণৰ নতুন অৱস্থানকালীন কাৰকতাত বৰ্ষচক্ৰৰ ফল নিৰ্ণয় কৰি বাপু সাজু হৈ থাকে। আনকি ব'হাগ বিহুৰ এসপ্তাহ আগৰেপৰা উৎসাহী ৰাইজে নতুন বছৰত দেৱতা সকলৰ কোন ক'ত ৰজা-মন্ত্ৰী হ'ল এশ এবুৰি প্ৰশ্ন কৰি শৰ্মাক ব্যতিব্যস্ত কৰি তোলে। এবাৰ নোৱৰাজনক শৰ্মাই উপকৰাকৈ শনি মন্ত্ৰী বুধ ৰজা বা ৰবি ৰজা মঙ্গল মন্ত্ৰী বুলি থাওকতে উত্তৰ দি থয়। চ'তৰ ভিতৰতে পঞ্জিকা মেলিব নাপায় বুলি শৰ্মাই বিশ্বাস কৰে। গতিকে তেওঁ প্ৰশ্নকৰ্তাক বিহুত শৰ্মাৰ ঘৰলৈ আহিবলৈ খোলাখুলিভাৱেই কৈ দিয়ে।

বিহুত শৰ্মাৰ ঘৰলৈ বৰ্ষচক্ৰ চোৱাবলৈ অহা মানেই শৰ্মাৰ উপাৰ্জন। ৰাইজ ভকত কোনো সুদা হাতে নাহে। থকাই গাখীৰৰ ঘট-হাঁহকণী, নথকাই আবৈ চাউল এমুঠি হ'লেও আনেই। তাৰ বাহিৰেও মাননি সহকাৰে তামোল-পাণৰ টোপালাটোতো আছেই।

বিহুৰ কেইদিন শৰ্মাৰ খাব-শুবলৈ সময় নাথাকে। সেয়ে তেওঁ আগৰপৰাই ৰাইজৰ সম্ভাব্য প্ৰশ্নৰ উত্তৰ তৈয়াৰী কৰি ৰাখে। অৱশ্যে বছৰটোৰ চক্ৰফল গণনা কৰোঁতে শৰ্মাৰ অসুবিধা নহয়। চক্ৰফলৰ সংস্কৃত শ্লোকটো তেওঁৰ মুখস্থ আছে। প্ৰশ্নকৰোঁতাৰ পৰা তেওঁৰ জন্ম নক্ষত্ৰৰ নম্বৰটো সুধি পঞ্জিকাত থকা চক্ৰফলৰ ঘৰপতা তালিকাখন চালেই উত্তৰটো ওলাই পৰে। অসুবিধা হয় সোঁৱৰণী নথকা বা নিজৰ ৰাশিৰ নাম-নক্ষত্ৰ নজনা একোজনক লৈ। তেনে পৰিস্থিতিতো শৰ্মাই মানুহজনৰ গতিগোত্ৰ আৰু তেওঁৰ পাৰিবাৰিক অৱস্থাৰ কথা মনত ৰাখি তেওঁক এটা নম্বৰ দি দিয়ে। তেনে ক্ষেত্ৰত জ্যোতিষীৰ গণনা বিশুদ্ধ হয়। কাৰণ ফলাফল জানিব খোজাজনৰ ঘৰত দুমাহ আগতে যদি কোনোবা ঢুকাইছে, তেতিয়া শৰ্মাই তেওঁৰ ভগা চশমাৰ ফাঁকেদি চিন্তিতভাৱে মানুহজনৰ মুখলৈ চাই ক'ব—কলহং মৰণং। তাৰ পিছতেই দান-দক্ষিণাৰ কথাটোও আহিল। এনে ক্ষেত্ৰত অৱশ্যে কম্বিণী আইৰ যি যি বস্তুৰ প্ৰয়োজন তেনে বিধৰ বস্তুহে দান দিবলৈ শৰ্মাই সমিধান দিয়ে।

স্বৰ্ণদান, যাগ-যজ্ঞ, তিলহোমৰপৰা শুকৰ হৈ পাৰস খুউৱালৈকে শৰ্মাৰ সমাধানৰ তালিকাত থাকে। দানৰ ক্ষেত্ৰত বাপুৱে বেছি জোৰ দিয়ে। কাৰণ দানৰ উপযুক্ত দক্ষিণা নিদিলে দানৰ ফল লাভ নোহোৱা কথাটো শৰ্মাৰ যজমানে ভালদৰেই জানে।

বিহুৰ পিছতেই মনোৰঞ্জনৰ বি. এ. পৰীক্ষা।

বিহুৰ উপাৰ্জনৰ কথা মনত ৰাখিয়েই শৰ্মাই পেটুৱা মহাজনৰপৰা কাপ ছকুৰি ধাৰ কৰি মনোৰ পৰীক্ষাৰ ফিজ আদি দিছিল। সি মেছত থকা-খোৱাৰ বাবদ দিবলগীয়া কিছু পইচা এতিয়াও বাকী আছে। সাতে সোতৰই শৰ্মাৰ তিনিশমান টকাৰ খুউব প্ৰয়োজন।

খৰালি জকাইচুকত বামখেতিও ভাল নহ'ল। আৱতৰীয়া বৰষুণত বাইজে মাহ-সৰিয়হ সিঁচিবই নোৱাৰিলে। বতাহ-বৰষুণ আওকাণ কৰি যিবা দুই-একে মাটিত গুটি পেলাইছিল, গুৰিত পানী জমা হৈ সিও গজালি নেমেলিলে। ফলত শৰ্মাই কেঞা-দোকানৰপৰা সৰিয়হ কিনি আনিহে বাপুৰনীক খাৰলি-কাঁহুদি কৰিবলৈ দিছে। আনবছৰ বাইজে দিয়া সিধাৰ মাটিমাহ-মগুমাহ ব'হাগে-জেঠে খায়ো বাৰিষালৈ থাকে। এইবছৰ সেৰ দৰত মচুৰমাহ কিনোতেই বাপুদেউ হায়ৰাণ।

পঞ্জিকাৰ পাত লুটিয়াই থকাৰপৰাই শৰ্মাই একোবাৰ পঢ়িলৈ আৰু একোবাৰ তেওঁৰ সমুখৰ খালী বটাটোলৈ চাই থাকিবলৈ ধৰিলে। নাই, কণামাকৰি এটাও দেখিবলৈ নাই।

গ্ৰহ-গতি চোওৱাৰ উপৰিও বাৰিষাৰ আগপৰ ব'হাগ-জেঠত বিয়া-বাৰুৰ হিৰিক উঠে। যোৰা-সম্প্ৰদা' চাওঁতেও বাপুৰ ভাল লাভ হয়। নিজৰ প্ৰয়োজন অনুসৰি যোৰা চাওঁতে মাজে সময়ে খুঁটো ওলায় আৰু যোটনত খুঁট ওলালেই দান-দক্ষিণাৰো ব্যৱস্থা হয়। আজিকালি বিয়া-বাৰুৰ সংখ্যা কমি গৈছে। চুলি নপকালৈকে ল'ৰাবোৰে বিয়াৰ নামকে শুনিব নোখোজে। কোনোবাই মাহ-হালধি এলেপ ঘঁহিব খুজিলেও গাহি-খোৱাৰ প্ৰতি সিহঁতৰ শ্ৰদ্ধা নাই। কথা কওঁতাৰ মনৰ মিল হ'লেই

সিহঁতে ৰাজযোটক বুলি ভাবে। হোমখোলা পোৰোঁতায়ো দিনে ৰাতিয়ে খটুৱাই দক্ষিণা দিয়ে পাঁচমহা!

চোতালত কিবা এটাই খিৰিক কৰা শুনি শৰ্মাই পঞ্জিকাৰপৰা মূৰ তুলিলে।

দুখীৰাম আহিছে।

আঁঠুৰ মূৰতে পুৰণি তিয়নি চুৰিয়া আৰু গাত ফটা বনিয়ণ এটা পিন্ধি দুখীৰাম কেঁওট সোঁশৰীৰে উপস্থিত। কান্ধৰ ফটা গামোচাখনৰ আগটো মাটিতে পাৰি দুখীৰামে শৰ্মাক বিহুসেৱা কৰিলে। বাপুৱে মুখৰ ভিতৰতে আশীৰ্বাদৰ মন্ত্ৰ এফাকি মাতি দুখীৰামৰ হাতত তুলসী-পাত এটা পেলাই দিলে।

ভাল-বেয়া, ওঁ-আঁ কৰাৰ পিছত দুখীৰাম ভিতৰলৈ, রুক্মিণী আইৰ ওচৰলৈ গ'ল। সি হয়তো ৰঙাচাহ এটোপাও মুখত নিদিয়াকৈ বাপুৰ ঘৰ ওলাইছেহি।

অথচ এই মানুহটোৱেই বছৰদিয়েকৰ আগতে এই ব'হাগ বিহুতে নগদ দহমহা দি শৰ্মাক বিহুসেৱা কৰিছিল। ৰাহুগ্ৰহৰ অত্যাচাৰৰপৰা মোচন পাবলৈ বাওচাউল-মাটিমাহেৰে সমজুৱাক বৰভোজ দিয়াৰ উপৰিও শৰ্মাক এযোৰ চুৰিযা-চোলা আৰু পাঁচোটা চিকা টকাৰ মাননি দিছিল। সেই দুখীৰামৰ আজি পুৱা খালে গধূলি খাবলৈ নাই।

এসময়ত তাৰ মাটিত আধি কৰা ৰূপাই কলিতাৰ ঘৰত এতিয়া দুখীৰামে দিন হাজিৰা কৰে।

সেইকালত ব্ৰহ্মপুত্ৰত হাঁহ চিকাৰ কৰিবলৈ শিৱসাগৰৰ পৰশুৰাম ঠিকাদাৰ মাজে সময়ে জকাইচুকলৈ আহিছিল। বন্দুকটো মানুহক দেখুৱাই পৰশুৰাম ঠিকাদাৰে তলে তলে কানি বেপাৰ কৰিছিল। পৰশু চিকাৰীৰ বন্দুক দেখি ৰূপাই কলিতাৰ চেঙেলীয়া পুতেক ভোগেশ্বৰ তধা লাগিছিল। আৰু পৰশু ঠিকাদাৰেও ভোগেশ্বৰক নাৱৰীয়া লৈ কাৰৈমাৰীৰ মনিয়ৰী, বনৰীয়াৰ শৰালি আৰু শগুণপৰাৰ চাকৈচকোৱা মাৰি ফুৰিছিল। এসময়ত লগুৱা ভোগেশ্বৰৰ মাৰফৎ পৰশুৰামৰ জকাই-

চুকীয়া কানি বেপাৰ চলিবলৈ ধৰিলে। ভোগেশ্বৰ বৰুৱাই এদিন পৰশু ঠিকাদাৰৰ মহৰীৰ বাব পালে, আৰু এদিন সেই পৰশুৰাম দত্ত চিকাৰীৰ লগুৱা ভোগেশ্বৰ কলিতায়ে দুখীৰামৰ দৰে চিকাৰ বধ কৰিব পৰা হ'ল।

ৰূপাই কলিতাৰ ল'ৰা ভোগেশ্বৰে বন্দুক ল'লে। সি ঠিকাদাৰ হ'ল। মুঠিয়ে মুঠিয়ে টকা ঘটি দুখীৰামহঁতক সুদলৈ মেলিলে। চক্ৰবৃদ্ধি হাৰত সুদৰ টকা বাঢ়িবলৈ লাগিল। আৰু এদিন দুখীৰামৰ মাটি কেইডৰা ৰূপাই কলিতাই নিজৰ নামত লিখাই ল'লে। আগৰ মাটিৰ মালিক দুখীৰামহঁতেই ৰূপাইৰ হালোৱা হ'ল।

এইবোৰ শৰ্মাৰ দেখা-শুনা কথা।

গ'লবেলি বাৰিষা মিটঙৰ মথাউৰিটো ভোগেশ্বৰ ঠিকাদাৰেই ৰাতি মানুহ লগাই কটাই দিয়ালে। ৰাতিপুৱালৈ সাতখন গাঁও তল গ'ল। খবালি সেই ছিগাটো বন্ধাৰ কাম পালে আকৌ ভোগেশ্বৰেই। সি হাতেকামে নকৰিলেও ইমান প্ৰবন্ধ কৰি বিহাৰৰ পৰা মুনীয়া আনি ফাগুনমহীয়া ছিগাটো মেৰামত কৰিলে শাওণমহীয়া সিয়েই মানুহ লগাই মথাউৰিটো কটাই দিয়ালে। ডেকা-ডঙুৰা মানুবোৰৰ মতি-গতি শৰ্মাই বুজিবই নোৱাৰে। ধনৰ গৰ্বত সিহে নালাগে তাৰ বাপেক ৰূপাই কলিতায়ে বুকু ফিন্দাই ফুৰে।

এসময়ত ৰূপাই বুঢ়াই লাজ ঢাকিবলৈ বাপুৰ ঘৰৰপৰা গামোচা খুজি নিছিল। বাপুৰ বাৰীৰ ভগা জেওৰা টাপলি মাৰি তাৰ টিকা ঢাকিবলৈ তিয়নি চুৰিয়া নিছিল। কাতিমহীয়া বাপুৰ খবৰ লবলৈ বুলি আহি সি ৰাতি দুপৰ নিশালৈকে শৰ্মাৰ ঘৰত পেট পেলাই পৰি থাকে। বাপুৰ ল'ৰা-ছোৱালীয়ে টোপনিত লালকাল দিয়ে। তেতিয়ালৈকে ৰূপাই উঠি নাযায়। ৰূপাই উঠি যোৱাৰ কোনো লক্ষণ নেদেখি বাপুৰনীয়ে তাক ভাত খাবলৈ কয়। কক্মিণীৰ কথা পেলাব নোৱাৰিহে ৰাজী হোৱা যেন দেখুৱাই ভাতগাল খাই সি ভতুৱা কুকুৰটোৰ দৰে সুৰ-সুৰকৈ বাজ্জা ধৰে। শৰ্মা চিধা মানুহ। তেওঁ এইবোৰ সহজভাৱে ল'ব নোৱাৰে। ভাত খোৱাৰ মতলব থাকিলে সি মুখ ফুটাই ক'ব

পাৰে। কিন্তু নকয়। আৰু ক'লেগুনো গোটেই জকাইচুকখনকে শৰ্মাই সদায় কেনেকৈ খুৱায় ?

তথাপি শৰ্মাই খুৱাইছিল। নিজে নিপিন্ধি পিন্ধাইছিল। আজি কেঁচা ধনৰ মুখ দেখি সি বাপুলৈ পিঠি দিলে। বিহুৱে-সংক্ৰান্তিয়েও সি শৰ্মাৰ ঘৰলৈ নাহে। বাটত পালে কয় বোলে বাপুদেউ, 'আমাৰ ফালে যাবচোন। বোৱাৰীজনীৰ গাত লেঠা, আশীৰ্বাদ এফাকি দি আহিবগৈ।' সাতগঞা আশীৰ্বাদ লবলৈ বাপুৰ ঘৰলৈ আহে। ৰূপাই কলিতাৰ ধন আছে দেখি তাৰ ঘৰত গৈ বাপুৱে আশীৰ্বাদ দি আহিবগৈ লাগে! কি কাল পৰিল !!

পিছে বাপু একেবাৰে নোযোৱাও নহয়, দুই-এবাৰ গৈছে। গ'লে অৰণ্যে বাপুদেউক সোধ-পোচ নকৰাকৈও নাথাকে। পিছে সেই ৰূপাই বুঢ়াইহে যি, ল'ৰা-দামুৰি বাকীসোপা পটলুং-ছিটকানি পিন্ধা ধতুৰা। গুৰু-ব্ৰাহ্মণৰ প্ৰতি কাৰো স্নেহ-শ্ৰদ্ধা নাই। মূৰটো ছিগি পৰিব ভাবি কোনেও বাপুদেউক প্ৰণাম এটাও নকৰে। ৰূপাই বুঢ়াৰো প্ৰকৃতি লৰিছে। গ'লেই টকা-পইচাৰ কথা, পো-বোৱাৰীৰ যত। তথাপি ওচৰ-ঘৰীয়া ডাঙৰ মানুহ বুলিবলৈ ৰূপাই বুঢ়ায়ে আছে, তেওঁ সিফলীয়া হ'লে তাৰো মুদা মৰিব। শৰ্মাই মনত পেলাবলৈ চেষ্টা কৰিলে, এই বছৰ দেখোন ৰূপাই কলিতাই নামাতিলে? কামৰ মানুহ, পাহৰণ সোঁৱৰণো হ'ব পাৰে। মংগলবাৰমানলৈ নিজেই দেখা এটা দি আহিবগৈ লাগিব বুলি শৰ্মাই পঞ্জিকাখন আকৌ খুলি ল'লে।

দুখীৰামে আজিকালি বৰ্ষফলৰ কথা নোসোধে। সুদাহাতে পঞ্জিকা মোকোলোৱাব নাপায়, সি জানে। দুখীৰামক মাতি তাৰ ৰাশিটো পঢ়ি শুনাবৰ ইচ্ছা হ'ল বাপুদেউৰ। তেওঁ আকৌ ভাবিলে, নালাগে থাওক। ৰাতিপুৱাতে উকাহাতে পঞ্জিকা খুলিলে দিনটোলৈকে অমংগল।

দুখীৰামোতো বৰ মংগলীয়া মানুহ নহয়, শৰ্মাই ভাবিলে। বাইজ-ভকত নাই নাই, সিনো বাৰু বছৰেকৰ বিহুৰ দিনা উপজি পুৱাতে তাৰ ৰাঢ়ি নকটা সুদা মুখখন দেখুৱাবহি লাগেনে?

শৰ্মাই পত্নলিলৈ চালে। নাই, কোনো নাই।

কিন্তু এনে এটা দিন আছিল, যেতিয়া ব'হাগ বিহুৰ পুৱা জ্যোতিষ-পঞ্জিকাৰ পৰা মূৰ তুলি পত্নলিলৈ চাবলৈ তেওঁৰ সময় নহৈছিল। তেওঁৰ সমুখৰ বটাটোত টকা-পইচা-তামোল-পাণৰ টোপোলা ৰাখিবলৈ ঠাই নহৈছিল। শৰ্মাক কেন্দ্ৰ কৰি চাৰিওফালে বহিছিল জকাইচুকৰ মুখিয়াল কেইজন। সেইকালত ৰূপাইৰ দৰে মানুহে বাৰান্দাৰ পৰাই টিকা ওভোতাই সেৱা এটা কৰি বিদায় লৈছিল। মুখিয়াল কেইজনৰ ভিতৰতো কোনজনে প্ৰথমতে আহি পঞ্জিকা খোলাব এই লৈ লাগিছিল হেতা-ওপৰা। কোনে কিমান মাননি দিব পাৰে বুলি কেৰীয়া-কেৰি কৰি বৰমেৰ্ধি আৰু সাতোলাই শৰ্মাৰ শৰাইত আঁজলিয়ে আঁজলিয়ে চিকা টকা ঢালিছিল। বিহুৰ সাতদিন শৰ্মাৰ ঘৰ হৈছিল বিহুতলি। আই সকলে আহি ৰুক্মিণীৰ লগত ৰং-তামাছা কৰিছিল। শইকীয়ানী বুঢ়ীৰ ফুচুৰী কথাত আই সকলৰ মাজত হাঁহিৰ জাউৰি উঠিছিল। ফুকননী বাইৰ সূৰ্পনখাৰ চং, পাঠকনী পেহীৰ তিলোত্তমাৰ ভাওত গিৰ্জনি মাৰি হাঁহি আই সকলে বাপুদেউৰ ঘৰ উৰাই নিও উৰাই নিও কৰিছিল। আই সকলৰফালে চেঁচা পৰিলে সাতোলাবুঢ়াই বহি থকাৰপৰাই বিয়ানাম একাকি ধৰি সাতোলানীক জোকাইছিল। তেতিয়া সাতোলানীয়ে মূৰত মথুৰাপাগ মাৰি 'ফৰিং ফৰিং তাক ধৰি আন খাওঁ' বুলি সমজুৱাৰ আগতে সাতোলাৰ সূত্ৰ-নাচৰ চং দিছিল। দিনে-ৰাতিয়ে শৰ্মাৰ চৌকাৰ জুই গুমুমাইছিল। বাপুৱনীয়ে ৰাইজক চাহ-তামোল খুৱাই নিজে খাবলৈ সময় নাপাইছিল। গীতাই দেও দি দি পিঠা, ভিলৰ লাক বিলাই ফুৰিছিল। কোনে আনিলে কোনে খালে হিচাপ নাছিল। ৰাইজেই আনে ৰাইজেই খায়। তথাপি পিছৰ ছমাহ খাবলৈ শৰ্মাৰ ঘৰত জহাবড়া-আলুজাতি দ'ম হৈ থাকে। শৰ্মাৰ ল'ৰাই সেইকালত গাখীৰ মুখত নিদিছিল। হাঁহকণীৰ পোচ পালে মিঠৈতৰ বৰি আহিব খুঁজিছিল।

আৰু আজি? শৰ্মাৰ ল'ৰাই ভোকত পিত্‌পানী বমি কৰিলেও গাখীৰ অকণ খুৱাবলৈ নাপায়!

বেলি মূবৰ ওপৰত উঠিল।

পচুলিলৈ চাই চাই শৰ্মাৰ চকু বিষালে।

বাপুৰনীয়ে দিয়া নিমখীয়া পানী-পিঠা এটা আৰু ৰঙাচাহ এবাটি খাই তৃপ্তীৰামে শৰ্মাক আকৌ সেৱা এটা কৰি বিদায় ল'লে।

ৰুক্মিণীয়ে শৰ্মাক বিহু জলপান খাবলৈ ভিতৰলৈ মাতিলে।

ল'ৰা-ছোৱালী আৰু বিশ্বাসী ওচৰ-ঘৰীয়া দুজনৰ লগত দেখা-শুনাকৈ বিহুৰ জলপানটো খোৱা ধৰ্মকান্তৰ পূৰ্বাপৰৰ নিয়ম। আজিকালি ওচৰ-ঘৰীয়া নাহেই। আহিলেও তেওঁলোকক বিহু জলপান একোটা খুৱাব পৰা সামৰ্থ বাপুৰ নাই। শৰ্মাৰ অৱস্থা দিনক দিনে বেয়া হৈছে সঁচা, পিছে মানুহক উগাৰ অহাকৈ খুৱাই আনন্দ পোৱা তেওঁৰ উদাৰ মনটো এতিয়াও তেনেদৰেই আছে।

পঞ্জিকাখন মেলি শৰ্মাই নিজৰ চক্ৰফলটো চালে—স্বৰ্গে—ছুঁঃ, সুখাসুখ! জ্যোতিষী সকলেও শৰ্মাৰ লগত ল'ৰা-ধেমালি কৰিবলৈ লৈছে। শৰ্মাই পঞ্জিকাখন জপাই থলে। তেওঁ আকৌ ভাবিলে, কি জানিবা সুখৰ দিন আহিছেই!

শৰ্মাই পচুলিলৈ চালে। নাই, কেও নাই।

বাপুৰনীয়ে কেইবাবাৰো মতাৰ পিছত শৰ্মা মজিয়াত বহিলগৈ।

মনোৰঞ্জন আৰু বাপুক জলপান সজাই দিছে বাপুৰনীয়ে। গীতাই ওচৰতে থাকি ইটো সিটো যতনাই দিছে। এইবাৰৰ বিহুত শৰ্মাৰ ঘৰত তিলদিয়া পিঠা নাই। বৰগুৱালক তিয়নি চুৰিয়া এখন দি ছপোৱা খোৱা গাখীৰৰ ঘট এটা শৰ্মাই আনিছিল। তিলৰ দৰেই চেনিবো জোৰা নমৰিল। গুৰৰ ঘিলাপিঠা আৰু নিমখৰ পানী-পিঠা ভাজিছিল বাপুৰনীয়ে। বাপুৱে মৌজাটোত বিচাৰি চিৰা খুন্দিবলৈ মালভোগ ধান নাপালে। পেচৌধানৰ বেজীমুৱা চিৰা এমুঠি খুন্দিছিল। মহলদাৰীক এবাটি গাখীৰৰ কথা কৈছিল, পিছে বাস্তি নৌপুৱাওঁতেই আহি ভোগেশ্বৰ ঠিকাদাৰৰ মহৰীয়ে দুগুণ দাম দি কেটলেৰ কিনি নিলে। গতিকে বাপুৰনীয়ে ৰঙাচাহ বাকিৰৰ যো-জা কৰিছে।

শৰ্মাই আমন-জিমনকৈ ঘিলাপিঠা এটা খালে। দৈৰ বাটিটোতে চিৰা এমুঠি সানি লৈ এটেপা খাইছিল। বাকীখিনি তেওঁৰ মুখলৈ ৰ লাগি চাই থকা ক'লা মেকুৰীটোক দি দিলে। বাপুৰনীয়ে দিবলৈ মানা কৰিছিল যদিও শৰ্মাই নুশুনিলে।

ক'লা মেকুৰীটোৱে শৰ্মাৰ ভাগৰ বিহু জলপানটো খাই, আকৌ বাপুৰনীৰ ভাগৰ খাবলৈ মজিয়াতে খাপপাতি ৰ'ল।

আন এদিনৰ ঘটনা।

আহাৰ মাহৰ ৰাতি।

মেঘবোৰ গছৰ আগলৈ নামি আহিছিল।

গীতাৰ জ্বৰ।

ধৰ্মকান্ত শৰ্মা জুইশালৰ ওচৰতে জুপুকা মাৰি বহি আছিল। গীতাৰ কাৰণে পানী গৰম কৰিবলৈ তেওঁ কেঁচা খৰিত ফু দিছিল।

পুৱাৰেপৰা পথাৰত কাম কৰি চিত্তৰ ভাগৰ লাগিছিল। সি টোপনিত লালকাল।

প্ৰাণ আৰু অহল্যাবো টোপনি। সিহঁত খাই বৈ শুইছে।

আবেলিৰপৰাই ডাৱৰে বেলি ঢাকি ৰাখিছিল। বতৰ গোমা। বৰষুণ হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা, কিন্তু গছৰ পাত এটাও লৰা নাই।

গীতাৰ জ্বৰ, আজি ছদিন। চিন্তাত শৰ্মাৰ মুখ শুকাই আছে।

মনোৰঞ্জন বি. এ. পাছ কৰি গুৱাহাটীলৈ চাকৰি বিচাৰি যোৱা প্ৰায় চাৰি মাহেই হ'ল। সি গুৱাহাটী পায়েই চিঠি দুই-এখন দিছিল। তাৰপিছত তাৰ কোনো খবৰ নাই। মনোৰ খবৰ এটা নাপাই শৰ্মাৰ ঘৰখনেই দুঃচিন্তাত আছে।

কেটলীৰ পানী তপত হৈ আহিছিল।

ৰুক্মিণী ৰান্ধনিশালত।

দুপৰীয়া ভাত খাবলৈ আহোঁতেই চিত্তই নলনিৰপৰা ভাতকেৰেলা বিচাৰি আনিছিল। আগদিনা সি অনা ঢেকীয়া আৰু ভাতকেৰেলাৰ

আজ্ঞা। বাপুৱে শৰাধত পোৱা আছু চাউল আৰু মহাদেউৰ দোকানৰ নিমখ।

ৰুক্মিণী-গীতাৰ বাদে সকলোৱেই খালে। অসুখীয়াক আছু চাউল খুৱাব নোৱাৰি কাৰণে ৰুক্মিণীয়ে গীতালৈ লাহি চাউল এমুঠি সিজাইছে।

কেট্‌লীটোৰ পানী উতলিছে।

শৰ্মাই একান্তমনে খৰিবোৰ বঢ়াই দি গৈছে।

মনোৰঞ্জন গুৱাহাটীলৈ যাবৰ সময়ত ভোগেশ্বৰ ঠিকাদাৰৰপৰা শৰ্মাই ৰূপ এশ ধাৰলৈ আনিছিল। ভোগেশ্বৰৰ লগত শৰ্মাৰ পোনপটীয়া কথা-বাৰ্তা নাই। শৰ্মা গৈছিল ভোগেশ্বৰৰ বাপেক ৰূপাই বুঢ়াৰ ওচৰলৈ। ৰূপাই বুঢ়াক ধৰি, পুতেকৰ উজ্জ্বল ভৱিষ্যতৰ বৰ্ণনা দি বাপুৱে টকাকেইটা আনিছিল। আৰু ৰূপাইক কথা দিছিল, চ'তৰ ভিতৰতে তেওঁ পইচা ঘূৰাই দিবই। শৰ্মাৰ ধাৰণা আছিল, মনোৰঞ্জনৰ দৰে চালাক-চতুৰ, দেখনিয়াৰ ল'ৰা এটাই গুৱাহাটী হেন চহৰত খুউব সহজতে চাকৰি এটা পাব। তাতে সি বি. এ. পাছ। বৃটিছ ৰজাৰ দিনত বাগানৰ চাহাবক ইয়েচ-ন' বুলিব পাৰিলেই মাইকী মহৰীৰ কাম ততালিকে পাইছিল। এতিয়া দেশী ৰজাৰ দিনতনো বি. এ. পাছ কৰিও সি চাকৰি এটা নাপাবনে? আৰু চাকৰি পায়ে সি ৰূপাই বুঢ়াৰ পইচা এশ মণিঅৰ্ডাৰ কৰি পঠাবই।

শৰ্মাৰ পৰিচিত জগতখনত বি. এ. পাছৰ সংখ্যা আঙুলি মূৰত গণিব পাৰি।

প্ৰয়োজন হ'লে সি এমেলে-মন্ত্ৰীক লগ ধৰি জকাইচুকৰ দুখ-দুৰ্গতি, শৰ্মাৰ দুৰৱস্থাৰ কথা বিবৰি ক'ব। তেওঁলোক ডাঙৰ মানুহ, অন্তৰ থকা মানুহ। গতিকে মনোৱে চাকৰি পাবই—কেৱল তাক গুৱাহাটীলৈ পঠাব পাৰিলেই হয়।

ইমান সম্ভাৱনা থকা ল'ৰা এটাক চাকৰি পাবলৈ এশ টকা ধাৰে দিয়াটো ৰূপাইৰ একান্ত কৰ্তব্য। আমহাতে মনো ডাঙৰ মানুহ হ'লে

ৰূপাই-ভোগেশ্বৰকো যে সি ভৱিষ্যতলৈ সহায় কৰিব, বাপুৱে সেই সম্ভাৱনাৰ কথাও কলিতাক নোকোৱাকৈ নাথাকিল।

মনোৰঞ্জনৰ ভৱিষ্যত যিমানেই উজ্জ্বল নহওক, ৰূপাই কলিতাই তেওঁৰ নিজৰ উজ্জ্বল ভৱিষ্যতৰ সম্ভাৱনা দেখিহে শৰ্মাক এশ টকা ধাৰলৈ দিলে।

এসময়ত পেটুৱা মহাজনৰপৰা শৰ্মাই ছকুৰি টকা ধাৰলৈ আনিছিল। শেষত টকা দিব নোৱাৰি তেওঁ তেওঁৰ মাটি দুবিঘাকে পেটুৱাক বন্ধকত দিয়াৰ কথাটো ৰূপায়ে জানে।

টকা দিবৰ সময়ত কলিতাই শৰ্মাক ইয়াকো ক'বলৈ নাপাহৰিলে যে, চ'তৰ ভিতৰতে তেওঁ দুপূৰা মাটি বন্ধকত লবই। গতিকে চ'তৰ আগপৰতে ৰূপাইক পইচা লাগিবই।

সেইদিনা ৰাতিপুৱাতে ৰূপাই বুঢ়া শৰ্মাৰ ঘৰ ওলাইছিলহি। তেওঁৰ লগে লগে ভেকো।

শৰ্মাই ভাবিছিল, তেওঁৰ ঘোৱালীজনীৰ অসুখৰ খবৰ লবলৈহে ৰূপাই কলিতা আহিছে।

অলপ পিছতেই ধৰ্মবাপুৰ ভুল ভাগিল।

বাপুৱে টকা লবৰ সময়ত ভেকো ৰূপাইৰ ঘৰতে বহি আছিল। গতিকে সাক্ষী ভেকোক লৈ ৰূপাই আহিছিল ধনৰ তাগাদা দিবলৈ।

শৰ্মাৰ দুৰাতি টোপনি নাই। মন-মেজাজ অতি বেয়া। উপজি পুৱাতে মৌজাদাৰৰ টেকেলাৰ দৰে ৰূপাই-ভেকোৰ আবিৰ্ভাৱত সেয়ে ধৰ্ম শৰ্মা অগ্নিশৰ্মা হৈ উঠিল। বামুণেই-মৰক বা লগুণেই-ছিগক প্ৰতিজ্ঞা কৰি এইসপ্তাহৰ ভিতৰতে টকা শোধ কৰিব বুলি শৰ্মাই ৰূপাইক কৈ দিলে। হাতত কুটা কড়ি এটাও নাই, অথচ সেই কথাটো বাপুৱে পুনৰ এবাৰলৈও ভাবি নাচালে।

ৰূপাই কলিতাৰ কথাকে ভাবি ধৰ্মবাপু জুইশালৰ ওচৰতে জুমুকা মাৰি বহি আছিল। কালিলৈ পুৱাতে পেটুৱা মহাজনৰ ওচৰলৈকে যাব নেকি ধৰ্ম শৰ্মা?

পেটুৱা ভৰালী ওৰফে পেটুৱা মহাজন সম্পত্তিশালী লোক। পুৰণি ধনী। এসময়ত লাগ বুলিলে দুশ-বাৰকুৰি টকা ৰূপ উলিয়াই দিব পৰা মানুহ আছিল জকাইচুকত দুজন —নিতাই পাঠক আৰু পেটুৱা মহাজন। পাঠক আৰু মহাজন দুয়োজনেই নাতি-নাতিনীৰে ভৰপুৰ দুটা পৰিয়ালৰ মূল মানুহ আছিল। কিন্তু এই দুটা মানুহৰ মাজতো গুণগত পাৰ্থক্য আছিল। গুৰু-ব্ৰাহ্মণ-পিণ্ড-পৰকাল আছিল নিতাই পাঠকৰ উশাহ-নিশাহ। ধৰ্ম-পুণ্যৰ নামত মানুহটোৱে পেৰা-পেতাৰী উদং কৰি দিছিল। নিজৰ ল'ৰা-ছোৱালীয়েহে নালাগে ওচৰ-চুবুৰীয়াই অন্যায়-অধৰ্ম কৰিলেও তেওঁ সহিব নোৱাৰিছিল। সাংসাৰিক সুখ-ভোগলৈ পিঠি দিব পৰা, স্থাৱৰ-অস্থাৱৰ সম্পত্তি-সম্পদক অনিত্য বস্তু বুলি ভাবিব জনা মানুহ আছিল নিতাই পাঠক। পেটুৱা ভৰালী আছিল নিতাই পাঠকৰ একেবাৰে ওলোটা। মানুহটো নিধক সংসাৰী। বাপেকৰ দিনৰ তিনি কোঠালিৰ গুটিধানৰ ভঁৰালটো সি সাতকুঠলীয়া কৰিলে। জাতিবাঁহৰ পুৰণি চঁছালি গুচাই সাজিলে শলখতজ্ঞাৰ আগহতীয়া চাং। সেই ভঁৰাল চাঙৰ তলতে বাঢ়িল গৰু-ম'হৰ সংখ্যা। সাত বাৰিষা মিৰি-মিচিমিৰ আ-অলংকাৰ বন্ধকত লোৱাৰপৰা ভাদ-আহিনত এগুণ দি আঘোণৰ পথাৰত দুগুণকৈ চম্‌জি লোৱা কাৰবাৰত লাগিল। নিতাই পাঠক ঢুকাল; তেওঁৰ লগতে তেওঁৰ ঘৰখনো থান-বান হ'ল। পিছে পেটুৱা ভৰালী এতিয়াও কৰ্মঠ হৈয়েই আছে। পেটুৱা মহাজনৰ এতিয়াৰ প্ৰতিদ্বন্দ্বী ৰূপাই কলিতা। অসুখ-নৰিয়া আকাল-বিপদত পৰিলে গঞা-জ্ঞাতিয়ে দুপইচা বিচাৰি পেটুৱা বা ৰূপাইৰ ওচৰলৈ লৰ ধৰে। গাঁওখনতে এনে মানুহ দুটা আছে বুলিহে ৰাইজে লাগ বুলিলেই কুৰি-ডেৰকুৰি আনিব পাৰে। মাটি দুডৰা বন্ধকত লৈয়েই হওক বা সুদলৈকে হওক, পেটুৱা মহাজনে পৰাপক্ষত কাকো বিমুখ নকৰে। ৰূপাই তিমক, সি পুঙা চাইহে চিপ মাৰে। ন-ধনী ৰূপাই কলিতা আৰু পুৰণি মাটিগিৰি পেটুৱা মহাজনৰ মাজত আৰু এটা পাৰ্থক্য আছে—মহাজন এক কথাৰ মানুহ, ৰূপাইৰ দৰে তৰ-চেঙেলী

তেওঁ নহয ; আৰু পুৰণি আঢ্যৱন্ত বুলিয়েই পেটুৱা মহাজনে এতিয়াও ধৰ্মবাপুক শ্ৰদ্ধাৰ চকুৰে চায়। আনকি বাপুৱে আগৰবাৰ তেওঁৰ ৰূপ ছকুৰি ঘূৰাই দিম বোলাৰ দুই-তিনিটা তাৰিখ পাৰ হৈ যোৱাৰ পিছতো, মহাজনে ওচৰ-ঘৰীয়াৰ আগত এই বিষয়ে ঘৃণাক্ষৰেও মুখলওৱাকৈ নিজে নাহি তেওঁৰ বৰপিতেকক পঠিয়াই গুপুতেহে কথাটো শৰ্মাৰ কাণ চুৱাইছিল।

ৰুক্মিণীয়ে নিজে এমুঠি খাই কাঁহি-বাটি ধুবলৈ গ'ল।

কেট্‌লীটোৰ পানীবোৰ উতলি আছে, সেইফালে শৰ্মাৰ লক্ষ্য নাই।

জুইশালৰ বাঁওফাললৈ বেৰত জেঠী এটাই পোক এটা ধৰিবলৈ জোপ্ লৈ আছে। শৰ্মাই জেঠী আৰু পোকটোৰ ওপৰতে চকু দুটা ৰাখি একান্ত মনে ভাবি গৈছে।

গীতাৰ জ্বৰ হোৱা কালিলৈ সাতদিন হ'ব। গাঁৱলীয়া দৰব-ঔষধে কোনো কাম দিয়া নাই। ঘৰুৱা থাপনাৰ আগত পুৱা-গধূলি বন্তি জ্বলোৱা হৈছে। গোসাঁইৰ নামঘৰলৈ শৰাই এখনো আগবঢ়োৱা হৈছে। আগবঢ়াই থোৱাতকৈ ভকত দুজন মাতি কামটো লেঠা মাৰিব পৰা হ'লেই ভাল আছিল। কামফেৰাত নাই নাই বুলিও পাঁচ টকা খৰচ হ'ব। বামুণৰ ঘৰৰ শৰাই বুলিলে ওচৰ-চুবুৰীয়াজাকেই উবুৰি খাই পৰে। আজি ছদিনে স্নুকয নেদেখাকৈ পৰি থকা অসুখীয়া ছোৱালী-জনীৰ খবৰ এটা লবলৈ হ'লে কাৰো জ্ঞান হোৱা নাই। যি বা ৰূপাই বুঢ়াই আহিছিল......

ৰূপাই বুঢ়াৰ মূৰ্তিটো শৰ্মাৰ চকুৰ আগত জিলিকি উঠিল। ভকতীয়া চুলি, ম'হগুৱালৰ দৰে খোপকটা থুট। আগদাঁত দুটা নায়েই, গোটা তামোল গোটে গোটে গিলে। আঁঠুৰ মূৰতে ভিয়নি এডোখৰ, গাত ফটা বনিয়ণ এটা। এখন কান্ধত ভাঁজ কৰা পাঞ্জাবী এটা আৰু আনখন কান্ধত ফুলাম গামোচা এখন পেলাই থয়। কথা প্ৰসঙ্গত পাকে-প্ৰকাৰে গামোচাখনৰ কথা ক'ব, ফুলটো লেখুৱাব, বোৱাৰীয়েকে দিছে—নলৈও নোৱাৰে। পাঞ্জাবীটো চিকুৰ, পুতেকে দিয়া—বন

নলগোৰা দমৰা গৰু এটাৰ দাম। পো-বোৱাৰীৰ ঘটনৰ বস্তু। নিজে নোৱাৰিলেই, গুৰু-ভকতৰ আশীৰ্বাদত এতিয়া হৈছে—পিন্ধিবলৈ সত নাযায়, চোলা নিপিন্ধা পুৰণি অভ্যাসটো এৰিব পৰা নাই। মাজে মাজে এনেয়ে উগাৰ একোটা মাৰে, জয়ঢোল হেন পেটটোত হাত মোহাৰে। বাপুক দেখিলেই তিনিবাৰ সেৱা কৰে। ভিজা মেকুৰীটোৰ দৰে বিনয়ী। মুখৰ পৰা যেন কথা নসৰিবই। আৰু সেই সোলা হাঁহিটো।

ৰূপাইক দেখিলেই তাহানিৰ চকলাটিং বাগানৰ ক'লা চাহাবলৈ শৰ্মাৰ মনত পৰে। ক'লা চাহাব মেনেজাৰ আছিল। শৰ্মাই নিজ চকুৰে দেখিছে, মেনেজাৰে ডাবা খেলিছিল। গুটিবোৰ বোলে হাতীদাঁতৰ। মেনেজাৰেনো আৰু মিছা কথা ক'বনে? তথাপি এদিন মেনেজাৰ সৰুপানী চুবলৈ যাওঁতেই শৰ্মাই গুটিবোৰ পিটিকি মোহাৰি চালে। পিছে শৰ্মাৰ হ'লে সেইবোৰ হাতীদাঁতৰ যেন নালাগিল। লোহাৰ দৰে কঠুৱা, ম'হৰ গাখীৰৰ দৰে বং। ওপৰৱালা দেখিলে সেই ক'লা চাহাবো ৰূপাই বুঢ়াৰ দৰে মৰা মুগা হৈ পৰে। তেওঁ ডাবা-খেলাত ওস্তাদ আছিল। এদিন বাগানৰ মালিক বগা চাহাবক তেওঁ এটা এটাকৈ ক্ৰমান্বয়ে তিনিটা ডাবাখেলত হৰুৱাইছিল। বগা চাহাব সন্তুষ্ট হৈ ক'লা চাহাবক তেওঁৰ বিলাতী বন্দুকটো উপহাৰ দিছিল। কিছুদিনৰ পিছত কুলি আৰু মালিকৰ মাজত গণ্ডগোল লাগিল। গণ্ডগোল যিমানে বাঢ়িবলৈ ল'লে, আমাৰ ক'লা চাহাব সিমানে মালিকৰ বিশ্বাসী হৈ আছিল। বাগানৰ টকা-কড়ি, মেমচাহাবৰ সোণৰ অলঙ্কাৰৰ পৰা চাহাবে চিকাৰ কৰালৈকে সকলোতে ক'লা চাহাব নহ'লে নোহোৱাত পৰিল। পিছত এদিন বাগানৰ মজুৰে ধনু-কাঁড় লৈ অফিচতে চাহাবক ঘেৰাও কৰিলে। আমাৰ ক'লা চাহাবে সিঁহতক বুজাই-বঢ়াই সেই যাত্ৰাত চাহাবক ৰক্ষা কৰিলে যদিও সেই ৰাতিয়েই মালিকক কোনোবাই তেওঁৰ বঙলাতে গুলিয়াই মাৰিলে। বগা চাহাবৰ বেজাৰতে ক'লা চাহাবে বাগানৰ চাকৰি এৰি দি ভিগবৈৰকালে নতুন

বাগান খুলিবলৈ গ'লগৈ। বিচাৰৰ কালত কুলি-মজুৰৰ হাৰাশাস্তি হ'লেও প্ৰমাণৰ অভাৱত সকলোৱেই খালাচ পালে। পিছে বাগানৰ বৰমহৰীৰ মুখে শুনা মতে মালিক-মজুৰৰ গণ্ডগোলখন বোলে আমাৰ ক'লা চাহাবেই লগাইছিল। আৰু সেই খাটি চাহাবে দিয়া বন্দুকেৰেই আমাৰ নকলী চাহাবে তেওঁক নিজহাতে চিকাৰ কৰিছিল।

সেই ক'লা চাহাবৰ চেহেৰাটো ৰূপাই বুঢ়াৰ লগত মিলে। পাৰ্থক্য ইমানেই—আমাৰ ৰূপাই কলিতাৰ আগদাঁত দুটা নাই আৰু পুতেক বোৱাৰীয়েকে দিলেও তেওঁ উপভোগ কৰিব নোৱাৰে। ক'লা চাহাবৰ দাঁত বুলিবলৈ নাছিলেই যদিও খাটি মেমচাহাবৰ উপহাৰ বত্ৰিছটা সোণৰ দাঁত তেওঁৰ মুখত সকলো সময়তে জিকমিকাই আছিল; আৰু তেওঁ নিজৰ গাঁঠিৰ নাভাঙিলেও চাহাবৰ ঘটনবে ভাঙি চাহাবকে সেৱা কৰি মেমচাহাবকে আদি কৰি সকলো প্ৰকাৰৰ পাৰ্থিব সুখ উপভোগ কৰি জীৱন কটাইছিল।

শৰ্মাক দেখিলে ক'লা চাহাবো লেভু-সেভু হৈ পৰিছিল। পিছে মানুহটোৰ এটা ডাঙৰ গুণ আছিল—শৰ্মৰ প্ৰতি অগাধ ভক্তি আৰু বাপুদেউৰ প্ৰতি নিভাঁজ শ্ৰদ্ধা। শৰ্মা গ'লেই ক'লা চাহাবে সদায় কমপক্ষেও দহটকীয়া নোট এখন আৰু এমোনা চিটি' চাহপাত দি তেওঁৰ দেশী মেমচা'বকে ধৰি চাকৰণীলৈকে সকলোকে মাতি সাষ্টাংগে প্ৰণাম কৰিছিল। এই মাননিৰ বাহিৰেও মেনেজাৰে বাপুক অহা-যোৱাৰ গাড়ীভাড়া বেলেগে দিছিল। এবাৰ তেওঁ সত্যনাৰায়ণ সেৱা পাতিছিল। তালৈ খাটি চাহাব-চাহাবনীকো মাতিছিল। পুৰুমহীয়া বাতি মুখত গামোচা বান্ধি খালী গাবে বাপুৱে যোল সনা দেখি শৰ্মাৰ বিষয়ে হেনো খাটি চাহাবে মেনেজাৰক বহুত কথা সুধিছিল। পিছত বাপুদেৱে বনোৱা ঘোলৰ তাৰিফ কৰি চাহাব মেমচা'ৰ সুযোগনেই দহটকাকৈ দি শৰ্মাক নমস্কাৰ কৰিছিল। সেই বগা চাহাব বা ক'লা চাহাব আজি থকা হ'লে মনোৱে গুৱাহাটীত চাকৰি বিচাৰি যাব নালাগিলহেঁতেন। আৰু ৰূপাই বুঢ়াৰ ঘৰে অথৰ্বী এটাৰ ওপৰত

ধৰ্মকান্ত শৰ্মাই নিজৰ মান-সন্মান লৈ হেতালি খেলিবলগীয়াও নহ'লহেঁতেন।

ৰূপাই বুঢ়াও এটা জকাইচুকীয়া ঠাঁচৰ ক'লা চাহাবেই, বাপুৱে ভাবিলে। উপাৰ্জন যিমানে বেছি হয়, ধৰ্ম-কৰ্মৰ প্ৰতি মানুহৰ শ্ৰদ্ধা সিমানে বাঢ়ে। ৰূপাইৰ কিন্তু সেইটো নহয়। পাছিয়ে-খৰাহিয়ে ধন থবলৈ ঠাই নোহোৱা হৈছে আৰু তাৰ ধৰ্মৰ প্ৰতি শ্ৰদ্ধা দিনে দিনে কমি আহিছে। সি নো বাৰু ৰাতিপুৱাতে আহি ভেকোৰ আগতে মাত্ৰ এশ টকাৰ কাৰণে ৰাপুদেউক কম ককৰ্থনাখন কৰিলেনে ?

জেঠীটোৱে পোকটো ধৰিবলৈ খাপ পাতি বৈ আছে।

কেট্লীটোৰ পানী বক্ বক্কৈ উতলিছে আৰু ঢাকনিখনে এক উত্তাল ছন্দত নাচিছে।

শৰ্মাই খৰি এডাল জুইলৈ বঢ়াই দিলে।

'ভগৱান, ভাল ৰং চাইছা !' বাপুদেৱে মুখৰ ভিতৰতে ক'লে।

গীতাই আজি তিনিদিনে কুটা এগছো মুখত দিয়া নাই। সকলো সময়তে গাত জ্বৰ থাকেই। বেলিটো উঠি অহাৰ লগে লগে জ্বৰৰ মাত্ৰা বাঢ়ে। দুপৰীয়া সময়টোত বাপু-বাপুৱনী দুটা মানুহে ছোৱালীজনী ধৰি ৰখাব নোৱাৰে। মূৰত জ্বৰ উঠে। ভুল বকে। কেঁকায়। বেলি লহিউৱাৰ লগে লগে জ্বৰটো কমিলেও তাইৰ গাটো নাঘামে। কালি ৰাতিও এবাৰ জ্বৰ মূৰত উঠিছিল। তাইৰ মূৰত জলপটী দি, গৰম ফুটছাইৰে ভুকু বনাই সেকি থাকোঁতেই গোটেই ৰাতি গ'ল। গ'ল ৰাতি চিত্তইঁতো শোৱা নাছিল।

আজি শনিবাৰ। পৰহিয়েই চিত্তই গোৰীসাগৰ হাস্পতালৰ পৰা ঔষধ আনিছিল। বেমাৰৰ লক্ষণ শুনি, গোন্ধতেলৰ বটল এটাতে ডাক্তৰে দৰৱ ছুপালি দিছিল। গুড়ি ঔষধো দিছিল কেইখোৱাকমান। লম্বা ফৰ্দি এখন লিখি দিছিল ঔষধ কিনি আনিবলৈ। চামোচেৰে দাগ কাটি পনীয়া ঔষধ তিনিভাগমান খুওঁৱা হ'ল। গুড়িবোৰো ছুপালি মান খালে। পিছে জ্বৰৰ গড়-গতি নলৰিল। লিখি দিয়া

দৰবৰবোৰ আনি খুৱাবলৈ কোনো উপায় নাই। ডাক্তৰক দিবলগীয়া দুঅনা পইচাৰ কাৰণে বুধবাৰে যাবলৈ ওলোৱা চিত্ত বৃহস্পতিবাৰেহে গৈছে। জীয়েকৰ নোৱাই-তোলনী বিয়া চোৱাবলৈ বকৰানী বুঢ়ী নহা হ'লে সেই দুঅনা পইচাও শৰ্মাই উলিয়াই দিব নোৱাৰিলেহেঁতেন। গাঁও-হাটলৈ যোৱা বন্ধ। ইফালে পানী, সিফালে বোকা। ওপৰে বৰষুণ। শৰ্মাৰ কঁকালৰ বিষ। শৰাধত পোৱা আহুচাউলে আৰু এদিন যাব হয়তো। তাৰ পিছত কি হ'ব শৰ্মাই ভাবিবই পৰা নাই।

গান্ধীবেজক এবাৰ দেখুৱাব পৰা হ'লে জ্বৰে ইমান বৰাই কৰিব নোৱাৰিলেহেঁতেন। সেই এটা মানুহ, পৃথিৱীখনত জ্বৰ-জাতি চাই ফুৰে। পিছে শৰ্মাৰে দুৰ্দশা, সা'দিনমান হ'ল তেওঁৰ ল'ৰা এটা এনেকুৱা জ্বৰতে সিফলীয়া হ'ল। মেমেৰা বেজক মাতি দেখুওৱা হৈছে। তেওঁ তিনিবাৰ বিহলঙণীৰে জাৰিও তাইৰ জ্বৰটো খেদাব নোৱাৰিলে। মেমেৰা বেজে ক'লে, আইটিৰ বোলে দেৱতাৰ দোষ। ডটীয়া মৌলবীৰ পৰা তাবিজ এটাও আনি পিন্ধোৱা হৈছে। ঘৰত চাৰিপ্ৰসংগ কীৰ্তন-চণ্ডীপাঠ হৈয়েই আছে। সিমানতো যদি দেৱতাই দোষ ধৰে শৰ্মাৰ আৰু একো কৰিবলগীয়া নাই।

কেটলীটোৰ ঢাকনিখন উদঙাই, বক্ বক্কৈ উতলি থকা পানীবোৰ হঠাৎ জুইত পৰি গ'ল। জুইকুৰা নুমাই থাকিল।

জেঠীটোৱে জঁাপমাৰি পোকটো মুখত সুমালে।

শোৱনীঘৰত এটা বিকট চিৎকাৰ হ'ল।

গীতাৰ মূৰত জ্বৰ উঠিছে।

ধৰ্মকান্ত শৰ্মাৰ ঘৰত পলকতে হুৱা-দুৱা লাগিল।

চিত্ত-প্ৰাণ-অহল্যা টোপনিৰ পৰা জঁপিয়াই উঠিল।

চেঁচাপানী, গৰম ফুটছাই আদি লৈ বাপু-বাপুজনীয়ে তেওঁলোকৰ সাধ্যমতে গীতাৰ চিকিৎসাত লাগিল। জলপটীয়ে কোনো ফল নিদিয়া দেখি ধৰ্ম শৰ্মাই গীতাৰ মূৰত এবাল্টি চেঁচাপানী ঢালি দিলে। বেমাৰী এইবাৰ কিছু পৰিমাণে শান্ত হ'ল। দাঁত কামোৰণিৰ মাজে মাজে

একোটা দীঘলীয়া কেঁকনি দি গীতা অজ্ঞান হৈ পৰিল। বাপু-বাপুৰনীয়ে ভাবিলে, তাই শুইছে। প্ৰাণ-অহল্যাক শুবলৈ কৈ বাপুৱে ফুটছাইৰে গীতাৰ ভৰিতলুৱাত সেক দিবলৈ ধৰিলে। ৰুক্মিণীয়ে গামোচা এখনেৰে গীতাৰ মুখখন মচি দিলে। পানীৰ চৰিয়াটো তলত পাতি তাইৰ চুলিখিনি বিচনাৰ পৰা ওলোমাই দিলে। প্ৰাণ শুবলৈ গ'ল। কিছুসময় অবাক হৈ চাই থাকি অহল্যাও গৈ বিচনাত উঠিল। সাৰ পালেই গীতাই খাবলৈ বিচাৰিব ভাবি, তাইৰ বাবে ভাতৰ মাৰ আনিবলৈ ৰুক্মিণীও পাগঘৰ সোমাল।

গীতাৰ যেতিয়া জ্ঞান আহিল, ৰুক্মিণীয়ে ভাতৰ মাৰ লৈ তাইৰ ভৰিবিচানতে বহি আছিল। গীতাই পানী খাবলৈ বিচাৰিলে। শৰ্মাই তাইৰ মুখত চাহ চামোচেৰে তিনি চামোচ পানী ঢালি দিলে। দাঁত কৰচি, কেঁকাই কেঁকাই গীতাই আকৌ চকু মুদিলে।

অলপ পিছত খাটৰ বাৰতে ভেজা লৈ ৰুক্মিণীৰ টোপনি আহিল।

শৰ্মা কলমটিয়াই বহি আছিল।

বেৰৰ জেঠীয়ে জিভা কামুৰি সময় পাৰ কৰিছে।

হঠাৎ শৰ্মা সচেতন হৈ উঠিল।

কাণ থিয় কৰাত তেওঁ শুনিবলৈ পালে, দূৰৰ পৰা ভাহি অহা এজাক মানুহৰ হৈ চৈ চিৎকাৰ—ৰাম পৰাজয় ভাওনাত ৰাম মৰিবৰ সময়ত দৰ্শকে যেনে দৰে চিৎকাৰ কৰি উঠে, ঠিক তেনে ধৰণৰ। কোলাহলটো লাহে লাহে শৰ্মাৰ ওচৰ চাপি অহা যেন লাগিল। চিৎকাৰ নহয়, কোলাহল নহয়, যেন একেলগে অজস্ৰ মানুহে ৰাউচি জুৰি কান্দিছে। কিন্তু এই দুপৰ নিশা এইবোৰ কিহৰ শব্দ হ'ব পাৰে? শব্দটো ক্ৰমান্বয়ে ডাঙৰ হৈ আহিল।

টিমিক-টামাককৈ জ্বলি থকা ফটা চিমনিৰ লেমটোৰ ফিতাডাল শৰ্মাই বঢ়াই দিলে। লেমটো গীতাৰ মুখৰ ওচৰলৈ আনি তেওঁ বহলকৈ চকু দুটা মেলি গীতাৰ মুখলৈ চালে। তাইৰ কপালত হাত দি চালে। গীতাৰ ভৰিতলুৱা চুই চালে। বিশৃংখল চিঞৰ-বাখৰৰ শব্দ আৰু

ডাঙৰ হৈ তেওঁৰ কাণত বাজি উঠিল। শৰ্মাই ৰুক্মিণীৰ গাত ধৰি তেওঁক জোকাৰি দিলে।

ৰুক্মিণীয়ে চকু মেলিয়েই গীতাৰ ভৰি দুটাত খামুচি ধৰিলে। হৈ-চৈৰ শব্দ শুনি ৰুক্মিণীও কাণ উনাই ৰ'ল।

লেমটো হাতত লৈ শৰ্মা থিয় হ'ল। তেওঁ আকৌ এবাৰ গীতাৰ মুখলৈ চালে।

বাহিৰ ওলাই শৰ্মাই দেখিলে, তেওঁৰ পদুলিমুখৰ আমগছজোপাত কাউৰীয়ে ৰমলিয়াইছে। নলনিত এহেজাৰমান ফেউৰাই একেলগে ফেউ ফেউ কৰিছে। ইঁয়কলি চৰাইবোৰে আৰাও কৰিছে। এইবাৰ তেওঁ নিশ্চিত হ'ল, কোলাহলৰ শব্দটো নৈৰ পাৰৰপৰাই আহিছে।

হো-হোৱাই এজাক বতাহ আহিল। বতাহৰ শব্দত চৰাইৰ মাত আৰু নৈৰ পাৰৰ কোলাহল একো শুনিবলৈ নোপোৱা হ'ল। শৰ্মাৰ তালুত এটোপাল বৰষুণ পৰিল। লেমটো হাতত লৈ তেওঁ দৌৰি ঘৰৰ ভিতৰ সোমাল।

বতাহৰ গতি বাঢ়ি আহিল। এসময়ত শৰ্মাৰ ঘৰটো যোৱাই যোৱাই মেট্‌মেটাবলৈ ধৰিলে।

বৰষুণ আহিল। শৰ্মাৰ চালৰ ফুটাৰে তেওঁৰ ঘৰৰ ভিতৰত টোপ টোপ বৰষুণ পৰিবলৈ ধৰিলে। গীতাৰ বিচনাখনতো বৰষুণ পৰিল। ৰুক্মিণীয়ে লাম-লাকটু যি এপদ আছে সামৰি থুবিবলৈ ধৰিলে। বৰষুণ পৰা ঠায়ে ঠায়ে তেওঁ চৰিয়া, বাল্টি, বাটি পাতি গ'ল।

গছৰ আগলৈ নামি অহা মেঘবোৰ বৰষুণ হৈ শৰ্মাৰ ঘৰৰ ভিতৰত পৰিবলৈ ধৰিলে।

ৰুক্মিণীয়ে তিতি-বুৰি যিমান দূৰ সম্ভৱ চেষ্টা কৰিলে। এখন বিচনাৰ কাপোৰ আনখনলৈ নিলে। অহল্যাইতক জগাই দিলে। চিঙক মাতি, বাপুৰে স'তে ধৰি ভেতিয়ালৈকে পানী নপৰা বিচনাখনলৈ গীতাক দাঙি নিলে। অলপ সময়ৰ পিছতে পানী নপৰা বিচনাখনো তিতি আহিল।

গীতাই গাটো জিকাৰি উঠিল।

মেলি থোৱা ভৰি দুটা তাই কোঁচাই আনিলে।

চকু দুটা টেলেকাকৈ মেলি দাঁত কৰচিলে আৰু হাত-মূৰ আছাৰিবলৈ ধৰিলে।

শৰ্মাই ৰাম নাম ল'লে। কঁপি কঁপি ৰুক্মিণীয়ে ফেঁকুৰিলে। গীতাৰ আছাৰি থকা ভৰি দুটাত চিত্তই গৰা মাৰি ধৰিলে। ভয়তে মাকক সাবটি ধৰিলে অহল্যাই। শৰ্মাই গীতাৰ কপালত হাত দি গায়ত্ৰী মন্ত্ৰ উচ্চাৰণ কৰিলে। প্ৰাণে জুইশালত নাপাই ভাতৰ চৌকাৰ পৰা গৰম ফুটছাই আনি গীতাৰ ভৰিত সেক দিলে। ৰুক্মিণীয়ে গীতাৰ মূৰত পানী এঘটি ঢালি দিলে।

গীতা ক্ৰমে শান্ত হৈ আহিল।

বতাহ কমি গ'ল।

মুষল ধাৰে বৰষুণ পৰি থাকিল।

চামোচেৰে মুখ ফালি ফালি শৰ্মাই গীতাক ভাতৰ মাৰ এচামোচ খুৱাই দিলে।

চিত্তই ফটা ছাতিটো বিচাৰি আনিলে।

গীতাৰ মূৰটো কোলাত লৈ, ভৰি ওলোমাই শৰ্মা বিচনাতে বহিল। চিত্তই ছাতিটো মেলি বাপেকৰ কান্ধত তুলি দিলে।

ৰুক্মিণীয়েও বিচনালৈ উঠি গীতাৰ ভৰি সেকিবলৈ ধৰিলে। বিচনাৰ চুকতে কুচি-মুচি অহল্যাও বহিল।

হাতভৰ্গা চকীখনত ভৰি তুলি বহিলতে প্ৰাণৰ টোপনি আহিল। বাকচ তুলি থোৱা বাঁহৰ চাংখনলৈ জঁাপমাৰি উঠি চিত্তই টোপনিয়াবলৈ ধৰিলে।

বিজুলী, ঢেৰেকণি আৰু বৰষুণ।

ঢেৰেকণিৰ শব্দত সময় আগবাঢ়িছে।

হঠাৎ শৰ্মা চমকি উঠিল। ভেওঁৰ ভৰি দুটা তলফালৰ পৰা চেঁচা লাগি আহিছিল। মজিয়ালৈ চকু নমাই তেওঁ দেখিলে, ঘৰৰ ভিতৰত

পানী। পানী বেৰতাৰ ওপৰ উঠিল। শৰ্মাই ভগৱানৰ নাম ল'লে। চিত্তক মাতিলে। প্ৰাণক জগাই দিলে।

ধৰ্মকান্ত শৰ্মা অসহায় হৈ পৰিল। আতুৰভাৱে তেওঁ ইষ্ট দেৱতাৰ নাম আওৰালে।

বিজুলী আৰু বৰষুণ চলি থাকিল।

বিজুলীৰ গতিত সময় আগবাঢ়িছে।

প্ৰথম কুকুৰা ডাকলৈ শৰ্মাৰ ঘৰত হুৱা-হুৱা লাগিল।

শৰ্মাই নিঃশব্দে উচুপিলে। ৰুক্মিণীয়ে বাউচি জুৰিলে। অহল্যাই গীতাৰ নাম ধৰি কান্দিলে। অনৰ্গল চকুপানী বৈ আছিলেও চিত্ত ধৈৰ্য ধৰি থাকিল। নাকান্দিলে কেৱল প্ৰাণে।

চিঞৰ-বাখৰ শুনি নাৱেৰে যোৱা ৰূপাই কলিতাই শৰ্মাৰ চোতালতে নাও বান্ধিলে। তেওঁ বাপুৰ ভিতৰ সোমাই আহিল। ৰূপাইৰ পিছে পিছে ভেকো আৰু দুখীৰাম।

ৰূপাই কলিতা ধৰ্মকান্ত শৰ্মাৰ মুখামুখি হ'ল।

শৰ্মাই ৰূপাইৰ ডিঙিত গৰা মাৰি ধৰিলে।

ধৰ্ম শৰ্মাই ইমান সময়ে চেপি ৰখা কান্দোনটো আৰু ধৰি ৰাখিব নোৱাৰিলে।

শৰ্মাক সাৱটি ধৰি ৰূপাই কলিতাই এটা বেঁকা হাঁহি হাঁহিলে।

ৰূপাইৰ হাঁহিটো আন কোনেও নেদেখিলেও, চিত্তই সম্পূৰ্ণভাৱে লক্ষ্য কৰিলে। আৰু হাঁহিটোৰ অৰ্থ সি হাড়ে হাড়ে বুজি পালে।

শৰ্মাৰ জীৱনৰ অন্য এটা ঘটনা।

ব'হাগৰ সন্ধিয়া।

ৰাজহুৱা নামঘৰ।

টিমিক-টামাক জ্বলা ফটা চিমনিৰ লেমটো হাতত লৈ ধৰ্ম শৰ্মা নামঘৰলৈ আহোঁতে মাজবাটৰপৰাই শুনিলে, কোনোবা এটাই নামঘৰত বিৰূপ ৰাগৰ গীত ঘাটিছে।

জকাইচুকীয়া ৰাইজৰ অৱস্থা পৰি আহিছে। আগৰ দিনত দুজনা গুৰুৰ তিথিত ভাদমহীয়া দুটা শুক অংকীয়া ভাওনা পতা হৈছিল। ভদীয়া সংক্ৰান্তিত হৈছিল নাম সামৰা ভাওনা-সবাহ। ব'হাগ মাহত ৰাইজৰ বছৰেকীয়া উৎসৱতো একোখনকৈ নাট সামৰা হৈছিল।

ইয়াৰ উপৰিও দুজন বুঢ়া বা চাৰিটা ডেকা মিলি যদি কেতিয়াবা ঠিক কৰে যে উৎসৱ এটা পতা দৰকাৰ, তেনেহলেতো কথাই নাই। উৎসৱ মানেই ভাওনা। সাতোলাই যদি বৰমেধিক কয় বোলে বৃহস্পতি-বাৰলৈ নৈ-পানী সত্ৰৰ বৰজনা গুৰুৰ তিথি, তেতিয়া বৰমেধিয়ে কয়— খটাসুৰ বধ। এই ৰূপাই বুঢ়াটো ডেকাকালত ৰাজহুৱা কামত বৰ আগৰণুৱা আছিল। সমনীয়া ডেকা চাৰিটাৰ লগ লাগি সি বৰমেধি বা সাতোলাক এনেয়ে ক'বগৈ, 'বাপুদেৱে সক্ৰাতিত নাট এখন মেলাৰ কথা কৈছে।' বৰমেধি বা সাতোলাই লগে লগে সুধিব, 'বাপুদেউৰ গুচৰত জানো নতুন নাট আছে?' ল'ৰাইত বাপুদেউৰ গুচৰ পাৰহি।

ক'ব, 'বৰমেধি বৰদেউতাই আমাক সক্ৰাতিত ভাওনা এখন পাতিবলৈ কৈছে—নতুন নাট এখন লাগে।' বাচ্, ধৰ্মকান্ত শৰ্মা পুৰাণ-ভাৰত ঘাটিবলৈ লাগি গ'ল।

কাহিনী ঠিক হ'ল। গাঁৱত ঘৰে ঘৰে সেই কাহিনী প্ৰচাৰ হ'ল। বাপুৰ খাৱন-শোৱন নাই। এসপ্তাহতে নাট প্ৰস্তুত! বচন অনুযায়ী শৰ্মাই ভাৱৰীয়াৰ নামৰ লিষ্টি বনালে। নামঘৰ বা বাপুদেউৰ ঘৰতে বাইজ গোট খালে। সমজুৱাৰ আগত শৰ্মাই ভাও আৰু ভাৱৰীয়াৰ নামৰ লিষ্টি পঢ়ি শুনালে। বৰমেধি-সাতোলাই ক'লে, উত্তম। পিছদিনালৈ নাট মেলা হ'ল। তাৰ পিছদিনাৰ পৰা আখৰা।

আজিকালিৰ দৰে সেইদিনত বচন লিখি দিয়াৰ নিয়ম নাছিল। গৰু-গাই গোহালি সুমুওৱাৰ পিছত নামঘৰত আখৰা হৈছিল। নাট পৰিচালনা কৰাৰ উপৰিও শৰ্মাই ভাৱৰীয়াক ভাও-ভঙ্গিতা দেখুৱাই দিছিল। শৰ্মাৰ ওচৰতে থাকি বৰমেধিয়ে হাতত সৌকা এডাল লৈ আখৰাৰ তদাৰকী কৰিছিল। প্ৰত্যেকটো ভাৱৰীয়াকে বাপুদেৱে বেলেগে বচন কৈ দিছিল, ভংগি দেখুৱাই দিছিল। এবাৰ, দুবাৰ, খুব বেছি তিনিবাৰ। সিমানতো কোনোবাই ভুল কৰিলে বৰমেধিৰ সৌকা চলিছিল। বৰমেধিৰ সৌকাই ডেকা-বুঢ়া নগণিছিল। যি কোনো ভাৱৰীয়াৰে পিঠিত সৌকাৰ একোব পৰিলেই বচন মুখস্থ হৈছিল, ভাও-ভংগি শুদ্ধ হৈছিল। আখৰা হৈছিল দুপৰ নিশালৈকে। সেইদিনত জকাইচুকত কোনোবাই এঘুমটি শুই বাহিৰ ফুৰিবলৈ উঠিলেও ভাৱৰীয়াৰ বচন বা মৃদঙ্গৰ বাজনা শুনিবলৈ পাইছিল।

নামঘৰৰ খুলীয়াই বিষমৰ বাজনা এৰি হঠাৎ গুৰুঘাটত ধৰিলে।

শৰ্মা আচৰিত হ'ল, নিশ্চয় কোনোবা চেঙেলীয়া ল'ৰাৰ কাম!

সিংহাসনৰ সমুখত বহি এগছি নলগোৱাকৈ সেই কালত গুৰুঘাট বজোৱা নিষিদ্ধ আছিল। শুচি-সংযম্ হৈ, ঈশ্বৰৰ অৰ্চনা কৰিহে বয়সস্থজনে গুৰুঘাটৰ চাপৰ মাৰিব পাৰিছিল। সিও কোনো উৎসৱৰ সামৰণিতহে। গুৰুঘাট পবিত্ৰ বাজনা। যি কোনো সময়তে, যি কোনো

মানুহে গুৰুঘাট মাৰিলে খোলবজোৱা জনৰ আয়ু-চুলি নষ্ট হয়। নামঘৰত বুঢ়া সকল নাই বোধহয়। নহ'লে খোলত চাপৰ মাৰিব পাৰিলে বুলিয়েই ধিন্ বোলোঁতেই থাপনাৰ ওচৰ পোৱা কণল'ৰা সূত্ৰ-ধাৰৰ দৰে নাট নৌ মেলোঁতেই ইহঁতে গুৰুঘাটৰ চাপৰ নামাৰিলেহেঁতেন।

নামঘৰৰ পচুলিৰ পৰাই শৰ্মাই দেখিলে, লাইখুটাত আঁউজি কোনোবা এজন বহি আছে। মাজুলীৰ পৰা কোনোবা অধিকাৰ আহিছেনে কি? সত্ৰাধিকাৰ আহিলেও শৰ্মাই আগতীয়া খবৰ পাব লাগিছিল।

মাজে সময়ে মাজুলীৰপৰা সত্ৰাধিকাৰ আহে। নামঘৰৰ বাৰান্দাতে চৈৰে বেৰা দি গোসাঁইৰ বাহৰ সজা হয়। শৰ্মাৰ ঘৰৰপৰা চৌ-বটলহী অনা হয়। অনা হয় পুৰাণ-ভাগৱত। নামঘৰলৈ গোসাঁই অহা মানেই ৰাইজৰ খদমদম, বাপুৰ উৎসাহ আৰু সকলোৰে উৎসৱ। বিশেষতে এৰাৰগুৰি সত্ৰৰ মাজুজনা গোসাঁই হৰিকান্ত ডেকা অধিকাৰ প্ৰভু আহিলেতো কথাই নাই। তেৰাৰ লগত ধৰ্মবাপুৰ বিশেষ বন্ধুত্ব। তেখেত আহিলে বাপুৱে পানীশৰাধলৈ যাবলৈও সময় নাপায়। কীৰ্তন দশমৰ আলোচনা হয়। নামঘৰত নিতৌ একোটা বৰভোজ। গোসাঁয়ে ৰান্ধে-বাঢ়ে, বাপুৱে বিলায়, সমজুৱাই তকালি পাৰি খায়।

হৰিকান্ত গোসাঁই আছিল সাত্বিক পুৰুষ। গীতা-ভাগৱত, খোল-তাল লৈয়েই থাকে। তেৰাই ভাল নাট কাটিব পাৰিছিল। গোসাঁই-বাপু দুয়োজনে নামঘৰতে বহি উজাগৰে নাট লিখে, ছো-মুখা সাজে। দুয়োজনৰ ভিতৰত নাট্যশাস্ত্ৰৰ বিষয়ত তাত্বিক আলোচনাও হয়। ৰাম পৰাজয়ত লব-কুশৰ হাতত পৰাজিত হৈ ৰামচন্দ্ৰ সভাস্থলতে পৰিব নে মূৰ্চ্ছা যোৱাৰ ভাও দেখুৱাই ছো-ঘৰলৈ সোমাই যাব—এই লৈ এৰাতি তৰ্ক হৈছিল। শেষত গোসাঁই-বাপু দুয়োজনে দুয়োজনৰ কথা মানি লৈছিল। ভগৱান শ্ৰীৰামচন্দ্ৰ সভাস্থলতে জড় হৈ নপৰি, চেতন অৱস্থাবেই লোক-চকুৰ আঁৰলৈ গুচি যাব। কিন্তু গীতত কোৱা হ'ব যে পুত্ৰদ্বয়ৰ হাতত শ্ৰীৰামচন্দ্ৰৰ মৃত্যু ঘটিছে। সেয়ে হ'লে—

গোসাঁইৰ যুক্তিত শ্ৰীৰাম ভগৱানৰ মৰণ দেখুৱাই তেওঁক সৰু কৰাও নহ'ল আৰু বাপুদেউৰ যুক্তিত গীতৰ পদত কৈ দিয়াৰ বাবে ৰাইজেও বুজি পালে যে ইও ভগৱানৰে লীলা !

সেইজনা গোসাঁয়ে মহাদেউৰ প্ৰসাদ লৈছিল। ভোলোঙা দেউৰীয়ে ওৰে ৰাতি চাহ বনাইছিল। বৰমেধিয়ে নিজে তৈয়াৰী কৰিছিল মণিপুৰী মচলাৰ চিলিম। সেইকালত জকাইচুকীয়া ৰাইজে ৰাতিক দিন কৰিছিল। তিনি প্ৰসংগত ডবা-বৰকাঁহৰ শবদত বৰলুইত নিশবদে বৈছিল। হৰিকান্ত গোসাঁই ঢুকাই দেৱতা হ'ল। সেইজনা গোসাঁয়ে লিখা ভাওনাৰ গীত-পয়াৰ আজিও বুঢ়া সকলৰ মুখত মাজে সময়ে শুনিবলৈ পোৱা যায়। সেইজনা ঈশ্বৰে নিপুণ হাতেৰে সজা বাঁহৰ কাঠিৰ ছো-মুখা আজিও বৰ নামঘৰৰ চৌতিত ওলোমাই থোৱা আছে।

কিন্তু কোন গোসাঁই হ'ব পাৰে এইজনা ? শৰ্মা থমকি ৰ'ল।

লাইখুটাত আঁউজি থকা মানুহজনক সমজুৱাই চাৰিওফালে বেঢ়ি আছে। মণিকূটৰ ফাললৈ থিয় হৈ ল'ৰা এটাই খোল বজাইছে। নতুন শিকাৰু। ৰগৰ ফুটা নাই। তথাপি বজাইছে, আঙুলিৰ কায়দা আছে। বয়সত পাৰিবগৈ।

শৰ্মা আগুৱাই আহিল।

নামঘৰৰ দুৱাৰডলি পায়েই তেওঁ লেমটো ফু মাৰি নুমাই দিলে।

মণিকূটলৈ সেৱা কৰি মূৰ দাঙোতেই শৰ্মাই দেখিলে লাইখুটাত হেলান দি সেইজন ৰূপাই কলিতা ! মুখত চেলেউ এটা অলাই তেওঁ নাটৰ পাত লুটিয়াইছে। খোল বজোৱাটো ভোগেশ্বৰৰ পুতেক পল্লৱ, ৰূপাই বুঢ়াৰ নাতি। সি এটা পটলুং পিন্ধি আছে। শৰ্মাৰ মূৰটো গৰম হৈ আহিল।

আৰু আগনাবাঢ়ি পিছহোঁহকা দি তেওঁ নামঘৰৰ বাহিৰলৈ ওলাই আহিব খুজিছিল। তেনেতে কোনোবা এজনে নাটৰ গুৰিৰপৰাই শৰ্মাক দেখি বাপুদেউ আহিছে বুলি এটা শব্দ কৰিলে।

পিছ মুহূৰ্তকি শৰ্মা আগবাঢ়িল।

পোনে পোনে সোমাই আহি নাটৰ ওচৰতে বাপুদেউ থিয় দি ৰ'ল।

পৰিস্থিতিটো সহজভাৱে ল'বলৈ চেষ্টা কৰি, লেমটো ওচৰতে থৈ তেওঁ মণিকূটলৈ আৰু এটা সেৱা কৰিলে।

বাপুৱে অনুভৱ কৰিলে, ধৰ্মকান্ত শৰ্মা যে উপস্থিত হৈছেহি কাৰো খবৰেই নাই। খন্তেকমান থিয় দি থকাৰ পিছত শৰ্মা আৰু ৰূপাই বুঢ়াৰ চকুৱে চকুৱে পৰিল। ৰূপাই বুঢ়া ততালিকেই জঁপিয়াই উঠি তেওঁ বহি থকা ঢাৰিখন জাৰি-জোকাৰি শৰ্মালৈ আগবঢ়াই দিলে। ইমানতে কোনোবা এজনে নাটৰ ওচৰতে আন এখন ঢাৰি পাৰি দিলত শৰ্মা সেইখনতে বহিল। ৰূপাই বুঢ়ায়ো মুখৰ চেলেউটো দলিয়াই দি হাত মোহাৰি মোহাৰি তেওঁৰ ঢাৰিখন লাইখুটাৰ ওচৰৰপৰা অলপ নিলগাই নি বহি পৰিল। শৰ্মাই দেখিলে, ৰূপাই বুঢ়াৰ কান্ধৰ গামোচাখনৰ ৰঙা ফুলটো চকুত লগাকৈ জিলিকিছে।

লাইখুটা সন্মান আৰু শ্ৰদ্ধাৰ প্ৰতীক। কেৱল গোসাঁই বা ব্ৰাহ্মণহে সেই খুটাৰ ওচৰত বহাৰ অধিকাৰী। লাইখুটাত নামঘৰৰ বুঢ়াভাঙৰীয়া থাকে, শূদ্ৰই তাৰ ওচৰ চাপিবলৈ ভয় কৰে। ৰূপাই বুঢ়াৰ মৰসাহ দেখি ধৰ্ম শৰ্মা আচৰিত হ'ল।

তামুলী পীৰাৰ ওপৰত সজাই থোৱা, অলপ আগতে ৰূপায়ে পাত লুটিয়াই থকা নাটখন শৰ্মাই টান মাৰি ওচৰ চপাই আনিলে। মান্ধাতাৰ ধৰ্ম পৰীক্ষা—শৰ্মায়ে লিখা নাট। এই নাটৰ এটা বচন লিখিবলৈ শৰ্মাই বহুত সময় চিন্তা কৰিবলগীয়া হৈছিল। বহুত ৰাতি টোপনি খতি কৰিছিল নাটখন লিখিবলৈ। জকাইচুকৰ নামঘৰত কিমানবাৰ এই নাটৰ ভাওনা হৈছে শৰ্মাৰ মনত নাই, কিন্তু এই নাটৰ প্ৰত্যেকটো দৃশ্য, প্ৰত্যেকটো গীত, প্ৰত্যেক ফাকি বচন শৰ্মাৰ মুখস্থ আছে। শৰ্মাই দেখিলে তেওঁৰ বাঁওকাললৈ বহি ৰুকুলীয়া ল'ৰা এটাই বিড়ি হুঁপিছে। তাৰ পিন্ধনত এটা হাত দীঘল-ডিঙিৰ বনিয়ন আৰু এখন লুঙি।

আঁক-বাক লুঙিখন দেখি শৰ্মাৰ গাটো বিজবিজাই আহিল। তেওঁ

চকু ঘোপা কৰি ল'ৰাটোৰ মুখলৈ চালে, সেইটো সাতোলা মেধিৰ নাতিনিয়েক।

সাতোলা মেধিয়ে এসাঁজ ভাত খাইছিল। দোকমোকালিতে উঠি গোসাঁই-সেৱা কৰি তেওঁ পকা জলপান এটা খাই লৈছিল। গোটেই দিন ঘৰুৱা-ৰাজহুৱা কাম কৰি সন্ধিয়া ঘৰলৈ ঘূৰি স্নান-সেৱা কৰি তেওঁ ৰাতিৰ সাঁজ খাইছিল। তাৰপিছত আকৌ ৰাইজৰ কাম। নামঘৰলৈ অতিথি গোসাঁই আহিলে নামঘৰত বা বাপুৰ ঘৰত চাহপানী এটোপা খোৱাৰ বাহিৰে মানুহটোৱে গোটেই দিনটো হাতেৰে অন্ন চুছুইছিল। ৰাজহুৱা নামঘৰ, গুৰুৰ গৃহ আৰু বিচাৰ গৃহৰ বাহিৰে সেইকালত অন্য স্থানসমূহ অপৱিত্ৰ বুলি ধৰা হৈছিল। লুঙ্গি কিম্বা, পটলু পিন্ধা চহৰীয়া মানুহ দেখিলেও সাতোলাই লেই লেই চেই চেই কৰিছিল। সাতোলাৰ পুতেকৰ বিয়াৰ সময়ত, মানে এই লুঙ্গি পিন্ধা ল'ৰাটোৰ বাপেকৰ বিয়াৰ আগে আগে গৰু এহাল কিনিবলৈ খনামুখৰ কৌঁৱৰ বেপাৰী আৰু স'ৰাগুৰিৰ কলিমুদ্দি' খলিফা আহিছিল। কৌঁৱৰ আছিল আহোম ৰজাৰ বংশৰ ল'ৰা। কৌঁৱৰৰ ঘৰুৱা অৱস্থা ভাল নাছিল। মাৰোৱাৰীৰপৰা ধাৰ লৈ তেওঁ গৰুৰ বেপাৰ কৰিছিল। গাঁৱৰ পৰা গৰু কিনি নি তেওঁ ৰাজমাই বা মেলেং বজাৰত বেচি যি দুপইচা লাভ হয় তাৰে এক অংশ মহাজনক দিছিল আৰু বাকী পইচাৰে নিজৰ সংসাৰ চলাইছিল। কৌঁৱৰ মানুহটো বৰ চিধা আছিল কাৰণে ব্যৱসায়ত তেওঁ খলিফাৰ ওচৰত সদায় মাৰ খাইছিল। খলিফাই গৰুৰ দাম দিছিল কৌঁৱৰৰ দুগুণ।

গৰু বেচিবলৈ আছে শুনি খলিফাৰ দালালী সাতোলাৰ ঘৰ ওলালহি। কৌঁৱৰো আহিল। কৌঁৱৰৰ দুগুণ দামত খলিফাৰ দালালীয়ে গৰুহাল কিনিবলৈ ঠিক কৰিলে। পিছদিনা পুৱাতে কলিমুদ্দি'য়ে নিজে আহি টকা দি গৰু চম্‌জি লোৱাৰ কথা। সাতোলা পথাৰত আছিল। কোনোবা এটাই তেওঁক খবৰ দিলে বোলে খলিফা আহিল। হালধৰ পুতেকক ধৰিবলৈ দি ঘৰলৈ আহি সাতোলাই

দেখে, তেওঁৰ চ'ৰাঘৰৰ তামুলীপীৰাখনতে ঠেঙৰ ওপৰত ঠেং তুলি আঁক-বাঁক লুঙ্গি এখন পিন্ধি কলিমুদ্দি' বেপাৰী বহি আছে। কলিমুদ্দি' বহি থকা তামুলীপীৰাৰ ওচৰতে পুতেকৰ বিয়ালৈ বহাই থোৱা দহ পূৰা হেৰাপোৱা ধান। খলিফাক দেখিয়েই সাতোলাৰ মূৰত বজ্ৰাঘাত পৰিল। তেওঁ খঙত জ্বলি-পকি উঠিল। তলপোন্ধ নমৰা মানুহ বুলি গালি-গালাজ পাৰি কলিমুদ্দি'ক খেদাই পঠালে। বহাই থোৱা কোমল ধানসোপা মগনীয়া মাতি বিলাই দিলে। কলিমুদ্দি' বহা তামুলীপীৰাখন কুঠাৰ মাৰি ফাল ফাল কৰিলে। আৰু আবেলিলৈ কোঁৱৰ বেপাৰীক মাতি, কলিমুদ্দি'য়ে দিয়াৰ আধা দামত গৰুহাল বেচি দিলে। সেইদিন ধৰি কোনো লুঙ্গি পিন্ধা মানুহৰ লগত ভেটাভেটি হ'লেই সাতোলাই তিনিটা জোবোৰা মাৰি ব্ৰহ্মপুত্ৰত স্নান কৰি আহিছিলগৈ।

সেই সাতোলা মেধিৰ ল'ৰাই আজি আঁক-বাঁক লুঙ্গি পিন্ধি ৰাজহুৱা নামঘৰৰ টুপত বহি বিড়ি হুঁপিছে!

শৰ্মাই এনেয়ে নাটখনৰ পাত লুটিয়াই গ'ল। তেওঁ ভাবিলে, উপস্থিত মানুহখিনিয়ে তেওঁৰ লগত কথা পাতিবলৈ সাহ কৰা নাই। এইবাৰ তেওঁ অলপ শান্ত হ'ল আৰু গম্ভীৰ হোৱাৰ চেষ্টা কৰিলে। গলহেকাৰি এটা মাৰি শৰ্মাই মান্ধাতাৰ ৰাজ্য যোৱাৰ দৃশ্যটো মনে মনে পঢ়িলে।

লাইখুটাৰ সিঁদাতিলৈ ঠেং মেলি বহি থকা ল'ৰাটোৰ খোলৰ চাপৰত শৰ্মাই নাটৰ পৰা মূৰ তুলিলে। কথা নাই বতৰা নাই ল'ৰাটোৱে খৰ্মাণৰ গীত ঘাটিছে!

খোল বজোৱা ল'ৰাটো বাপুৰে ভালকৈ লক্ষ্য কৰিলে। চেপামৰা পটলুং আৰু মটৰগাড়ীৰ চকাৰ চেন্দেল এযোৰ সি পিন্ধি আছে। বুটামবোৰ খুলি থোৱা তাৰ বুকু ফলা চোলাটোৰ তলত এবুকু ক'লা নোম। ল'ৰাটো গমধৰ উকিলৰ পুতেক, শনিবুঢ়াৰ নাতি।

শনিবুঢ়া বৰ এলাইবাহু মানুহ আছিল। তেওঁৰ দহোটা ল'ৰাৰ মুমলীয়াটো, গমধৰেই কেৱল বাচি থাকিল। সিও মৰি থাকিব বুলি

বাপেকে সৰুতেই তাক জ্ঁাজীমুখৰ মোমায়েকৰ ঘৰলৈ পঠিয়াই দিছিল। মোমায়েকৰ ঘৰতে সি হাল-কোৰ বাই আছিল। এদিন সিও জ্ঁাজী-মুখৰে কোনোবা অসমীয়া খৃষ্টান চাহাব এজনৰ লগত ভাটীলৈ পলাই গ'ল। শনিবুঢ়াই কান্দি-কাটি শৰ্মাক ক'লেহি বোলে বাপু ঈশ্বৰ, দহ নম্বৰটিও গ'ল। বাকীকে'টাৰ কাঠ সৎকাৰ কৰিবলৈকে পাইছিলোঁ, এইটোৰ হাড় এডালো চিন নাথাকিল। গ'ল কথা গুচিল। আঠ বছৰ মানৰ পিছত এদিন শনিবুঢ়ায়ে বাপুক আকৌ ক'লেহি বোলে বাপু ঈশ্বৰ, গমধৰ ওলালহি। দেশী চাহাব এজনৰ লগত সি গুৱাহাটী মুলুকত আছিল। কলেজত পঢ়িছে, কথাই কথাই ইংৰাজী কয়। আপোনাসবৰ আশীৰ্বাদে তাৰ চেহেৰা-পাতিয়েইনো কি নাচাব! যেই হওক, শনিবুঢ়াই বাপুৰ হতুৱা' গমধৰক পৰাচিত কৰালে। হেজাৰ হওক চাহাবৰ চৰুত খোৱা মানুহ। আকৌ এদিন ভুকং কৰে সি গুচি গ'ল। এবছৰ মানৰ মূৰত আকৌ ওলালহি। আকৌ বাপুৱে কলপটুৱা কাটি. দূবৰি তামৰ পইচা বিচাৰি তাক পৰাচিত কৰিলে। দিনদিয়েক থাকি সি আকৌ চম্পট। তিনিবছৰ মানৰ মূৰত বেচেৰা আকৌ ওলালহি। এইবাৰ বোলে সি উকিল হৈ আহিল; নাযায় আৰু থাকিব। শিৱসাগৰ কাছাৰীত ওকালতি কৰিব। কৰিলেও। ঘটিলে ধন। ল'লে গাড়ী। মাটি-বাৰীও কিনিলে গাঁৱে-নগৰে। সাজিলে ঘৰ ৰংপুৰত—যেন এটা অট্টালিকাহে। তাৰ বিয়াত ধৰ্ম বাপুৱেই পুৰোহিত আছিল। পিছে হ'লে কি হ'ব? শনিবুঢ়াই সদায় আহি বাপুক ভিতৰুৱাকৈ কয়, 'বাপু ঈশ্বৰ, আপোনালোকৰ আশীৰ্বাদে ল'ৰাই ঘটিছে—দুইহাতে ঘটিছে। নাতি পোৱালি এটিও হৈছে। পিছে গমধৰৰ কামটোহে মোৰ মনোমত নহ'ল। সি সঁচাক মিছা কৰে, মিছাক সঁচা বুলি কৈ মোকৰ্দমা জিকে। ছাল ছিগা মানুহ—গুচৰীয়া পদকীয়াবোৰৰপৰা শয়ে শয়ে টকা লয়। দুয়োপক্ষৰ লগতে গুপুতে গুপুতে মেল কৰি আচামী খালাচ কৰি দিয়ে। টকা লয়, কেঁচা টকা। নিজৰ ল'ৰা হ'লেও অন্যায় কৰিলে ক'বই লাগিব এৰা!'

গাড়ীচকাৰ চেন্দেল পিন্ধি থৰ্মাণ বজোৱা ল'ৰাটোলৈ চাই শৰ্মাই ভাবিলে, তাৰ বাপেকেই চাহাবৰ চকুত খাইছিল। পিতৃঘাতী আচামীকো কে'ছত জিকাই দিছিল। পঞ্চতীৰ্থ প্ৰাগজ্যোতিষত পঢ়া-শুনা কৰিও দীন-দৰিদ্ৰৰ ছাল বখলিয়াই টকা ঘটাৰ বিদ্যাটোহে শিকি আহিছিল। সেই উকিলৰ ল'ৰা কুমুদ। তাৰ বাপেকে যি কৰিছে তাৰ তুলনাত জোতা-পটলুং পিন্ধি নামঘৰলৈ আহি নাট নেমেলোঁতেই থৰ্মাণৰ বাজনা বজোৱাটো পুতেকৰ কাৰণে অপৰাধৰ কথা হোৱা নাই।

ধৰ্ম ৰক্ষা কৰিবলৈ মান্ধাতাই নিজৰ পুতেকক বলিদান দিছে। ৰাজ্য, পুত্ৰ সকলো হেৰুৱাই বনে বনে বলিয়াৰ দৰে ঘূৰি ফুৰিছে। এসময়ৰ ৰজা এসময়ত পথৰ ভিখাৰী হৈছে। শৰ্মাই ভাবিলে, মান্ধাতাৰ উপাখ্যানৰ লগত তেওঁৰ জীৱনৰো কোনোবাখিনিত হয়তো মিল আছে। হয়তো নহয়, হয়েই।

এসময়ত নামঘৰত নাট মেলিবলৈ বুঢ়া সকলে গৈ শৰ্মাক আগবঢ়াই আনিছিল। তামুলীপীৰাত ফুলাম গামোচা পাৰি বাপুক বহুৱাইছিল। ধৰ্মবাপু নামঘৰ সোমালে উপস্থিত ৰাইজ সন্ত্ৰস্ত হৈ উঠিছিল। সমজুৱাই শৰ্মাক সেৱা কৰিছিল এশৰাই তামোল-পাণ দি। ভোলোঙা দেউৰীয়ে মাহপ্ৰসাদৰ শৰাই সজাই দিছিল। সিংহাসনৰ আগত জ্বলাই দিছিল ঘানীত পেৰা খাঁটি সৰিয়হ তেলৰ বন্তি। শৰ্মাই নতুন নাট কাটি আনিছিল। ল'ৰা-দামুৰিয়ে তেতিয়া কথা ক'ব নাজানিছিল। বৰ-মেধিয়ে বাপুদেউক নতুন নাটৰ তত্ত্ব সুধিছিল। বাপুৱে কাহিনীটো বুজাই কৈছিল, ব্যাখ্যা কৰি দিছিল নাটৰ উপদেশটো। সাতোলা, পাটিমেধিয়ে নুবুজা কথাটো শৰ্মাক সুধি লৈছিল। শৰ্মাই পঢ়ি শুনাইছিল ঘৰতে লিখি অনা ভাৱৰীয়াৰ লিষ্টি। বাপুৱে উপযুক্ত লোকক উপযুক্ত ভাও দিছিল। বাপুৰ সেই গুণৰ তাৰিফ কৰিছিল বৰমেধি-সাতোলাই। সেইদিনত বাপুৱে দহ বুলিলে দহ, পাঁচি বুলিলে পাঁচি। জকাইচুক মানেই সবাহ-ভাওনা, সবাহ-ভাওনা মানেই ধৰ্মকান্ত বাপু আৰু ধৰ্মকান্ত বাপু মানেই জকাইচুক আছিল। নামঘৰৰ চৌহদত

কোনেও বিড়ি-চেলেউ হুঁপিব নোৱাৰিছিল। কোনোবাই লুকাই চুৰকৈ এহোঁপা মাৰিলেও মণিকূটৰ পিছফাললৈ গৈহে হুঁপিছিল। পটলুঙৰ কথাই নাই, কোনোবাটোৱে হুমূৰী মাৰি চুৰিয়া পিন্ধিলেও বৰমেধিয়ে বেত চলাইছিল। সীতা হৰণত শূৰ্পনখা হোৱাজনক শৰ্মাই দ্ৰোণপৰ্বত শিখণ্ডী সজাইছিল। বালীবধত সুগ্ৰীব হোৱাজনক অভিমন্যু বধত সজাইছিল জয়দ্ৰথ। ভাল বচনৰ প্ৰতি শৰ্মাৰ নিজৰ মোহ নাছিল। অৱতাৰী ভাওনাবোৰত ভগৱানৰ ভাওটো সদায় শৰ্মাৰ ভাগত পৰিছিল। বুঢ়া সকলে শূদিৰৰ ল'ৰাক গোসাঁইৰ ভাও লবলৈ নিদিছিল। শূদিৰৰ ল'ৰায়ো ৰাম-কৃষ্ণৰ ভাও ল'বলৈ কোনোকালেই সাহ নকৰিছিল। বয়সীয়া চাৰিজন কলথকৰাৰ কঠত বহিছিল। বাকীবোৰ বহিছিল ধানখেৰ বা শুকান কলপাতত। নামঘৰত আসন পাৰি বহিবলৈ ল'ৰাহঁতে ভয় পাইছিল। জোতা চেন্দেলৰ কথাই নাই, কাঠৰ ফান্দতি এযোৰ পিন্ধিও কেৱে নামঘৰৰ ভিতৰ নোসোমাইছিল। সেইকালত শৰ্মা কিবা কাৰণত উপস্থিত থাকিব নোৱাৰিলে নামঘৰৰ কাম স্থগিত ৰখা হৈছিল। তেতিয়া শৰ্মাৰ ইমান প্ৰতিপত্তি আছিল যে তেওঁ জকাইচুকীয়া ৰাইজৰ নাড়ী-নক্ষত্ৰ পৰিচালনা কৰিছিল। ধৰ্মকান্ত বাপুৱে নিজৰ হাতৰ মুঠিত সময় ধৰি ৰাখিব পাৰিছিল। জকাইচুক কিয়, এই গোটেই অঞ্চলটোতে শৰ্মা আছিল একাধাৰে ব্ৰাহ্মণ, শাস্ত্ৰজ্ঞ, জ্যোতিষী, বিচাৰক, নাট্যকাৰ, পৰিচালক, সংগঠক, বায়ন, সূত্ৰধাৰ, গায়ন, নামতী আৰু ভাল ভাৱৰীয়া। এই অঞ্চলৰ সাতখন গাঁৱক শৰ্মাই একেটা পাগতে চলা কৰি ৰাখিছিল। খেল-কৈদৰ বাদ-বিবাদ, ককাই-ভাইৰ কাজিয়া, পঞ্চায়তৰ গোচৰ আদিৰ কাৰণে সকলোৱেই শৰ্মাৰ কাষ চাপিছিল। আৰু ধৰ্ম শৰ্মাৰ ৰায় আছিল শেষ বিচাৰ। ধৰ্মবাপুৱে মত দিলে গো-বধ-পাতকীও মোচন হৈছিল। শৰ্মা বাপুৱে যদি শ্ৰুতি চাই কৈছিল বোলে বৰ ককায়েকৰ গাত হাত তোলাৰ অপৰাধত সলিয়াক মুণ্ড কৰিব লাগে, সমজুৱাই ততালিকে সলিয়াৰ মূৰ খুৰাই তাৰ মূৰত গোবৰৰ ঘোল ঢালি দিছিল।

সেই ধৰ্মকান্ত শৰ্মাই আজি ফটা চিমনীৰ লেম এটা হাতত লৈ অকলে অকলে নাট-মেলালৈ আহিছে। ডেকাবোৰৰ কথা বাদ দিলেও, শৰ্মাৰ সমবয়সী এজন বুঢ়ায়ো গৈ শৰ্মাক নামঘৰলৈ আগবঢ়াই অনাৰ প্ৰয়োজন বোধ কৰা নাই। সেই শৰ্মায়ে আজি উপস্থিত দহোটা ল'ৰাৰ আগত মুখ খুলিবলৈ কথা বিচাৰি পোৱা নাই। শৰ্মাই আকৌ ভাবিলে, ল'ৰাহঁতে হয়তো তেওঁৰ লগত কথা পাতিবলৈ সাহ কৰা নাই!

কল্যাণ খৰ্মাণৰ গীতলৈকে পঢ়ি শৰ্মাই নাটখন জপাই থ'লে। বহি বহি আমনি লাগিলত তেওঁ ৰূপাই বুঢ়াক সুধিলে, ৰাইজ-ভকত আৰু আহিবনে?'

হাত মোহাৰি মোহাৰি ৰূপাই বুঢ়াই ক'লে, 'আহিব আৰু দুই-এজন'।

'কাম আৰম্ভ কৰাই ভাল,' সমজুৱাৰ ফালে চাই শৰ্মাই ক'লে।

কুমুদৰ প্ৰশ্নত শৰ্মাই ঘূৰি চালে, 'ভোগেশ্বৰ দাইটি এতিয়াও অহাই নাই দেখোন! বচন কোনে বিলাব?'

মান্ধাতাৰ ধৰ্ম পৰীক্ষা নাটৰ ভাৱৰীয়াৰ তালিকা এখন বনাই আজিও শৰ্মাই তেওঁৰ ফটা পাঞ্জাবীটোৰ বুকুৰ জেপতে ভৰাই লৈ আহিছিল। কুমুদৰ কথাত শৰ্মা চমকি উঠিল। সুধিলে, 'ভোগেশ্বৰে ভাও ল'ব নেকি?'

ৰূপাই বুঢ়াই বেঁকা হাঁহিটো মাৰি হাত মোহাৰিলে আৰু ক'লে, '... নহয়...মানে...ভোগেশ্বৰে বচন নলয়। টকা-পইচাৰ অভাৱত ৰাইজে এইবাৰ ভাওনা বাদেই দিছিল। পিছে আমাৰ ভোগেশ্বৰেহে বোলে দুশ টকা নহয় ময়েই দিম, ল'ৰাহঁতে মান্ধাতাৰ পৰীক্ষা নাটখনকে পাতক। সেয়ে...'

'অ', ওঁ।'—ৰূপাই বুঢ়াক শেষ কৰিবলৈ নিদি তেওঁৰ কথাৰ মাজতে শৰ্মাই শলাগি থ'লে।

ৰাজহুৱা ভাওনা পাতিবলৈ ভোগেশ্বৰে টকা দিয়াৰ কথাটো শৰ্মাৰ

কাৰণে বিশেষ গুৰুত্ব দিবলগীয়া কথা নহয়। কোনো সামৰ্থ থকা লোকে আগৰ দিনতো উপযাচি ৰাজহুৱা সবাহ-ভাওনা একোটাৰ খৰচ বহন কৰিছিল। বা ৰাইজে আশীৰ্বাদ দিও সময়ত বহুজনৰপৰা ৰাজহুৱা কামৰ বাবে অৰিহণা আদায় কৰিছিল। কুমুদ জন্ম হোৱাৰ পিছত গমধৰ উকিলৰ বাপেক শনিবুঢ়াকে আশীৰ্বাদ দি ধৰ্ম শৰ্মায়ে তেওঁৰ-পৰা সম্পূৰ্ণ মহাভাৰত ভাওনা আৰু বৰসবাহ এটাৰ খৰচ আদায় কৰিছিল। সেইকালত দানৰ কোনো চৰ্ত নাছিল। সম্পূৰ্ণ মহাভাৰত ভাওনাৰ খৰচ বহনকাৰী গমধৰ উকিল ভাওনা-সবাহৰ গধূলিহে কেৱল আশীৰ্বাদ ল'বলৈ আহিছিল। খৰচ কৰিব পৰা অৱস্থা থাকিলে ৰাজহুৱা কামত ধন ভাঙি সেইকালত মানুহে আনন্দ পাইছিল। সেয়ে ভোগেশ্বৰ ঠিকাদাৰে মান্ধাতাৰ ধৰ্ম পৰীক্ষা ভাওনাৰ কাৰণে দুশ টকা দিলে বুলিয়েই যে এখন ৰাইজ তাৰ কাৰণে দুপৰ নিশালৈকে মুকলি নামঘৰত বোন্দা মহৰ কামোৰ খাই বহি থাকিব লাগিব, তাৰ কোনো যুক্তি নাই। আজিৰ ঘটনাটোৰ যি অংশ ধৰ্মবাপুৱে বুজিব পৰা নাই সেয়া হ'ল— ভাওনাৰ খৰচ বহন কৰিলে বুলিয়েই ভোগেশ্বৰৰ কাৰণে তেওঁলোক বৈ থাকিব লাগে কিয়?

শৰ্মাই নামঘৰৰ সিংহাসনৰ ফালে চালে, মণিকূট অন্ধকাৰ। আসনৰ আগত বন্তি এগছিও জ্বলোৱা হোৱা নাই। তেওঁ মণিকূটলৈ চাই চায়েই ভাবিলে, ভোগেশ্বৰ আহি হয়তো শৰ্মাৰ লগত সবাহ-ভাওনা, নাট-নটুৱা সম্পৰ্কে আলোচনা কৰিব। ৰূপাই বুঢ়াৰ বাহিৰে নামঘৰত বুঢ়া সকলৰ কোনো নায়েই যেতিয়া বাপুৰ লগত আলোচনাই বা কৰিব কোনে? ভোগেশ্বৰৰ পঢ়া-শুনা বিশেষ নাই যদিও মানুহটো বুধিয়ক। আৰু বিষয়-বুদ্ধি নাথাকিলেনো সি হেজাৰ লেবাৰ খটুৱাই ৰাজআলি একোটা বান্ধিব কেনেকৈ?

নিজৰ মনতে শৰ্মাই ভোগেশ্বৰৰ বিষয়-বুদ্ধিৰ তাৰিফ কৰি আকৌ নাটখনৰ পাত লুটিওৱাত লাগিল। শৰ্মাৰ বদ্ধমূল ধাৰণা, ল'ৰাহঁতে তেওঁৰ লগত ভাওনাৰ বিষয়ে আলোচনা কৰিবলৈ সাহ কৰা নাই।

কুমুদ, পল্লৱ আৰু ভূধৰকে আদি কৰি সাতোটামান ল'ৰাই এটা জটলা বান্ধিছে দেখি শৰ্মাই সিহঁতৰ ফাললৈ চালে। কাক কি ভাও দিলে ভাল হয় সিহঁতে আলোচনা কৰিছে। ল'ৰাকেইটাৰ আলোচনাটো লাহে লাহে তৰ্কত পৰিণত হ'ল। মাজতে কোনোবা এটাই অবাইচ মাত এষাৰ মতাও শৰ্মাই শুনিলে। হঠাৎ শৰ্মাৰ ধাৰণা হ'ল, শ্ৰদ্ধাত নহয় তেওঁৰ প্ৰতি অৱজ্ঞাতহে ল'ৰাবোৰে তেওঁৰ নগত বথা এষাৰো পত্তা নাই। শৰ্মাই আৰু ভাবিলে, ফুকলীয়া ল'ৰাসোপাই তেওঁক হেয় কৰিছে। যিহে দিন-কাল পৰিছে, নিজৰ সন্মান নিজেই বচাই ৰখা উচিত ভাবি শৰ্মা যাবলৈ সাজু হ'ল।

ঠিক তেনেতে ল'ৰাবোৰে গিৰ্জনি মাৰি উঠিল। এটাই খোলত ৰুক্মবীৰৰ প্ৰৱেশৰ বাজনা বজালে, কোনোবা এটাই বজালে শিশুপালৰ। শৰ্মাই দেখিলে, ভোগেশ্বৰ ঠিকাদাৰ আৰু গমধৰ উকিলৰ স'তে দুজনী গাভৰু ছোৱালী নামঘৰৰ টুপত প্ৰৱেশ কৰিছে। গমধৰে চাহাবৰ পোছাক পিন্ধি আহিছে। তাৰ হাতত এটা ক'লা কোট। ভোগেশ্বৰো একপ্ৰকাৰ চাহাবেই। ছোৱালী দুজনীৰ গাত ৰিহা নাই, চাদৰৰ নিচিনা ভমকা ফুলীয়া এচটীয়া থান কাপোৰ পিন্ধি আহিছে। বাউসীৰ এডোখৰলৈকে উলিয়াই সিহঁতে পেটকটা চোলা পিন্ধিছে আৰু হাতত পিন্ধিছে হাতঘড়ি।

ৰূপাই বুঢ়াই হাঁহি এটা মাৰি তেওঁলোকক বহুৱালে। বৰমইনাই চাবি পাৰি দিলে, ছোৱালী দুজনীও বহিল। ল'ৰাবোৰে বনোৱা ভাৱৰীয়াৰ তালিকাখন কোনোবা এটাই ভোগেশ্বৰলৈ আগবঢ়াই দিলে। সেইখনত চকু নিদিয়াকৈয়ে, জেপৰপৰা আন এখন কাগজ উলিয়াই ভোগেশ্বৰে ভাৱৰীয়া আৰু ভাৱৰ নামবোৰ পঢ়ি গ'ল। মান্ধাতাৰ ধৰ্ম-পৰীক্ষা নহয়, ভাওনা হ'ব ৰুক্মিণী হৰণ। গমধৰ উকিল হ'ব ৰুক্মবীৰ, ভোগেশ্বৰ হ'ব শিশুপাল....ইত্যাদি। শৰ্মাই ভাবিলে তেওঁলোকৰ দিনত ভাও আগত, ভাৱৰীয়াৰ নাম পিছত। ভোগেশ্বৰৰ লিষ্টিত ভাৱৰীয়াৰ নাম আগত, ভাও পিছত। নিয়মৰ খুটি লৰিল। ৰাতি দুপৰনিশা জীয়ৰী

ছোৱালী নামঘৰত ঢাৰি পাৰি বহিলহি। ভোগেশ্বৰৰ দিনত ভাওনা যিয়েই নহওক গৈ লাগিলে, বাজহুৱা নামঘৰত নাট মেলিবলৈ আবিয়ৈ ছোৱালীবো আবিৰ্ভাৱ হ'লহি। তথাপি শৰ্মাই ইয়াকে ভাবি সন্তুষ্ট হ'ল যে, লিষ্টিখন পঢ়াৰ পিছত ভোগেশ্বৰে নিশ্চয় তেওঁৰ মতামত বিচাৰিব।

ৰুক্মিণী হৰণ ভাওনা পাতিলে শৰ্মাৰ নিজৰে বৰ ফুৰ্তি হয়। ভাওনাখন সম্পূৰ্ণৰূপে পৰিচালনা কৰাৰ উপৰিও গোসাঁইৰ ভাওটো তেওঁৰ গাত পৰে। শুক্ৰ অংকীয়া নাটৰ গীত, পৌৰাণিক তালৰ নাচ-- কম কথা নহয়! তাৰোপৰি ব্ৰজাৱলী বচন উচ্চাৰণতো অদ্ভুত সাধনাৰ কথা। সোমেশ্বৰ বায়ন যোৱাৰ পিছত জকাইচুকত ৰুক্মিণী হৰণ ভাওনা হোৱাই নাই। ডাঙৰ ছোৱালীজনী ঢুকোৱাৰ পিছত শৰ্মায়ো খোলত হাত দিবলৈ এৰিলে। শৰ্মাৰ খোলটো মুচিয়াৰৰ ঘৰত চোৱাবলৈ পেলাই থোৱা কেইবাবছৰো হ'ল। তথাপি ৰাইজে যদি ইচ্ছা কৰে শৰ্মাৰ নো কি? খোলটো চোৱাই অনাব লাগিব। আবেলিৰপৰা পাল পাতি ভাৱৰীয়া মাতিব লাগিব। নাচ শিকাবলৈ আগতে সোমেশ্বৰ বায়ন আছিল, তেওঁ ৰুক্মবীৰক শিকালে শৰ্মাই ৰুক্মিণীক শিকাইছিল। বাপুৱে নিজেই কৃষ্ণৰ ভাও লোৱাৰ কাৰণে ৰুক্মিণী হৰণ ভাওনাৰ আধা খাটনি নকৰাকৈয়ে হৈছিল। এতিয়া সোমেশ্বৰ বায়নো গ'ল, ভোগেশ্বৰ-ইঁতৰো চখ হ'ল ৰুক্মিণী হৰণ ভাওনা পাতিবলৈ। বাজহুৱা কাম পিছ হুঁহকিলেতো নহ'ব, নিজৰ ভাবি যেন তেন প্ৰকাৰেণ কৰিবই লাগিব।

ভোগেশ্বৰে পঢ়ি যোৱা ভাৱৰীয়াৰ তালিকাৰ শেষৰ নাম দুটা শুনি শৰ্মাৰ চিন্তাত ছেদ পৰিল। শৰ্মাই ভুল শুনিছে নেকি? ইতিমধ্যে ল'ৰাবোৰে পদ্মৰক কান্ধত তুলি কিৰিলিয়াবলৈ আৰম্ভ কৰি দিছে। নাই, শৰ্মাই ভুল শুনা নাই। তেন্তে কৃষ্ণৰ ভাওটো এইবাৰ পদ্মৰে কৰিব? ৰুক্মিণীৰ ভাও ল'ব এজনী জীয়ৰী ছোৱালীয়ে? জকাইচকুৰ বাজহুৱা নামঘৰত শুকুঅংকীয়া ৰুক্মিণী হৰণ ভাওনাত এজনী আবিয়ৈ ছোৱালীয়ে ৰুক্মিণীৰ ভাও ল'ব? ছিঃ ছিঃ, কৃষ্ণগোসাঁইৰ ভাও ল'ব

এটা শূদিৰৰ ল'ৰাই ? আৰু ধৰ্মকান্ত শৰ্মাই মলুৱা উঠা তকলা খোল পিটি হাতৰ ছাল-বাকলি এৰুৱাই সিহঁতক শংকৰী-নৃত্য শিকাব? অসম্ভৱ! শৰ্মা এই বৰ্ণসংকৰ ভাওনাত কেতিয়াও ৰাজী নহয়। ডেকাল'ৰাজাকে বাৰু নীতি-নিয়ম নাজানে, এই ৰূপাই বুঢ়ায়ো পাহৰিলে নেকি যে মাইকীমানুহ অপৱিত্ৰ, নাৰীয়েই নৰক? ইহঁতে নাজানে শূদিৰৰ ল'ৰাক গোসাঁইৰ ভাও দিব নাপায়? স্বয়ং ধৰ্মকান্ত শৰ্মা থাকোঁতে শৰ্মাৰ ঘৰত চিত্তৰ দৰে কৃষ্ণৰ ভাও ল'বপৰা ডেকাল'ৰা থাকোঁতে,'জকাইচুকত শূদ্ৰৰ ল'ৰাই কৃষ্ণগোসাঁইৰ ভাও ল'লে বৰছোমনি খাটোৱালৰ যজমানক শৰ্মাই কি কৈফিয়ত দিব? অসম্ভৱ, পল্লৱে কৃষ্ণৰ ভাও ল'লে সেই ভাওনাত ধৰ্ম শৰ্মাই যোগ নিদিয়ে। ধৰ্ম শৰ্মাৰ বয়স হৈছে। টকা পইচাৰ অভাৱত শৰ্মাই এসঁজীয়া খাই আছে, কিন্তু ধৰ্মকান্ত শৰ্মা ৰূপাই বুঢ়াৰ দৰে অৰীতীয়া হোৱা নাই। কোনোকালে নহয়। ধৰ্মকান্ত শৰ্মায়ো চাই ল'ব—উঠন ছোৱালীক ৰুক্মিণী সজাই, শূদ্ৰৰ ল'ৰা এটাক কৃষ্ণগোসাঁইৰ ভাও দি ভোগেশ্বৰে জকাইচুকত গুৰু অংকৰ ৰুক্মিণী হৰণ ভাওনা পাতে কেনেকৈ ?

ইতিমধ্যে ৰূপাই কলিতা শৰ্মাৰফালে পিঠি দি বহিল।

এই মুহূৰ্তত ল'ৰাবোৰে পল্লৱক এৰি ভোগেশ্বৰ আৰু গমধৰক বেঢ়ি ধৰিলে।

ধৰ্ম শৰ্মাই দেখিলে, তেওঁ এমূৰীয়াকৈ অকলশৰে বহি আছে। শৰ্মাই তেওঁৰ ফটা চিমনীৰ মুমাই খোৱা লেমটো ওচৰ চপাই আনিলে।

ল'ৰাবোৰৰ কিৰিলি-উকি, দৌৰ-জাপ শাম কাটিছে। এনেতে ভোগেশ্বৰে গম্ভীৰ গলাৰে আদেশৰ সুৰত সিহঁতক ক'লে, 'লিষ্টি অনুযায়ী পাৰ্টবোৰ ভগাই লোৱাহঁক। শনিবাৰে গধূলিৰপৰা আখৰা হ'ব, উকিল চাহাবো আহিব। শালমৰাৰ শংকৰ বায়েন আহিব ভাওনা পৰিচালনা কৰিবলৈ। তোমালোকৰ ওপৰত মোৰ বিশ্বাস আছে বাবেই ভাওনাখন কৰিবলৈ লৈছোঁ। পৰগঞ্জাৰ আগত তোমালোকে মোৰ আৰু উকিল চাহাবৰ মান-সন্মান ৰক্ষা কৰিব লাগিব...'

ধৰ্ম শৰ্মা অবাক হ'ল। সঁচাই তেওঁ জকাইচুকৰ বাজহুৱা নামঘৰত বহি আছে নে? তেওঁ সুস্থনে? শৰ্মা সজ্ঞানে আছেনে? শৰ্মা যদি সঁচাই সুস্থ হয়, স্বজ্ঞানে থাকে, তেন্তে তেওঁৰ চকুৰ আগতে তেওঁৰ জকাইচুকত নিতৌ একোটা অদ্ভুত কাম কিভাৱে হ'ব পাৰিছে? বাপুৰ নিজকে বৰ দুৰ্বল যেন লাগিল। নামঘৰৰপৰা নিজৰ ঘৰলৈ খোজকাঢ়ি যাব পৰা শক্তিও যেন শৰ্মাৰ লোপ পালে। নহয়, শৰ্মা সুস্থ। স্বজ্ঞানে আছে। অন্যায়ক তেওঁ প্ৰশ্ৰয় নিদিয়ে। তেওঁ এই অৰ্বাচীন অধৰমীবোৰৰ দুষ্কাৰ্যৰ প্ৰতিবাদ কৰিব। এই ধনগৰ্বী, অজীণপাতকীইঁতক চিঞৰি চিঞৰি...

ফুচফুচাই ভোম্বল দেউৰীয়ে শৰ্মাক ক'লেহি, 'শৰাই সজোৱা হ'ল। বচন বিলোৱাৰ কাম হৈছে যেতিয়া নামঘাৰ গাব লাগে।'

একেটা দিনতে এশটা অপৰাধ কৰিলতহে কৃষ্ণই শিশুপালক বধ কৰিছিল। এতিয়াও ঠিক শিশুপাল বধৰ আগমুহূৰ্তৰ কৃষ্ণৰ দৰে খংটো দমন কৰি শৰ্মাই দেউৰীক ক'লে, 'মোৰ অসুখ। নামঘাৰ তুমিয়েই গোৱা।'

জেপৰপৰা জুইশলাটো উলিয়াই শৰ্মাই লেমটো জ্বলালে। বাপু যাবলৈ উঠিলত দুই-এজনে তেওঁক নাম গাই প্ৰসাদ লৈ যাবলৈ কৈছিল। নামঘৰত বহি থকাৰ ধৈৰ্য বাপুদেউৰ নাছিল।

নামঘৰৰ পানীপোতা পাওঁতেই তেওঁকে উদ্দেশ্য কৰি কোনোবাই পিছফালৰপৰা মন্তব্য কৰা শৰ্মাই শুনিলে।....বুঢ়া হ'ল....কুম ওলাল হি ইজ এ ব'ৰ....আনস্মাৰ্ট...নাচিবই নাজানে....বচন নুফুটেই...যিহে চাপৰ মাৰে, ছালা তেজেই গৰম নহয়...আউটডেটেড্...

শৰ্মাই ইংৰাজী নুবুজে যদিও অসমীয়া কথাবোৰৰ মানে বুজি পাইছিল। আৰু ইংৰাজী শব্দবোৰেৰে যে ধৰ্ম শৰ্মাৰ গুণানুকীৰ্ত্তন কৰা হোৱা নাই, সেইটোও তেওঁ স্পষ্টভাৱেই বুজিব পাৰিছিল।

তেওঁৰ ধাৰণা হ'ল, ধৰ্মকান্ত শৰ্মা এটা জীয়াই থকা মৰা মানুহ। উস্!

জকাইচুকৰ ডেকাহঁতে অশ্ৰদ্ধা কৰি ধৰ্ম শৰ্মাক খেদাই পঠাইছে ! শৰ্মাৰ সমুখতে সিহঁতে তেওঁৰ প্ৰতি অশালীন মন্তব্য কৰিছে !! অবজ্ঞাৰ দৃষ্টিৰে চাই সিহঁতে শৰ্মাক অপমান কৰিছে !!! শৰ্মাৰ বুকুখনত এটা পোৰণি উঠি আহিল। তেওঁ মাজ বাটতে বৈ দিলে। কোনোবা এজন বাটেদি যোৱা দেখি শৰ্মাই লেমটো মুমুৰাই পেলালে, —এনে অৱস্থাত আনক মুখ দেখুৱাবলৈ তেওঁৰ লাজ লাগিছে। তেওঁ নামঘৰৰ ফালে ঘূৰি চালে।

এই নামঘৰতেই এদিন ধৰ্ম শৰ্মাই হৰিকান্ত গোসাঁইৰ লগত ছো-মুখা সাজিছিল ?

অগ্নিগড় জ্বলাই গায়ন-বায়ন গাইছিল ?

কৃষ্ণৰ ৰূপ ধৰি ৰুক্মিণীক হৰণ কৰি নিছিল ?

ৰামৰ বেশে ৰাৱণ বধ কৰিছিল ?

শুকান বাঁহৰ বাঁহী এটা লৈ ষোড়শ গোপীৰ লগত কৃষ্ণলীলা দেখুৱাইছিল ?

পৰশুৰামৰ ভাও লৈ মাতৃহত্যা কৰিছিল ?

হেজাৰ দৰ্শকৰ হৰ্ষধ্বনিৰ মাজত দশ-অৱতাৰৰ মৎস্যৰূপী ভগৱানৰ বেশত বেদ উদ্ধাৰৰ উদ্দেশ্যে প্ৰলয় জলত জঁপিয়াই পৰিছিল ?

আৰু সেই ধৰ্মকান্ত শৰ্মা আজি বুঢ়া হৈ গ'ল ? নৃসিংহৰ গৰ্জন কৰি শিশুৰ নিদ্ৰাহৰণ কৰা ধৰ্মকান্ত শৰ্মাৰ আজি আগদাঁত এটা নৰিল বুলিয়েই তেওঁৰ মুখত বচন মুফুটা হৈ গ'ল ? গড়মূৰ-কুৰুৱাবাহীকে আদি কৰি সোতৰখন সত্ৰৰ ওঠৰটা বাজনাত বাষষ্টিটা মুদ্ৰা দি কৃষ্ণ-নাচ নাচিব জনা ধৰ্মকান্ত শৰ্মাক আজি ফুকলীয়া ল'ৰাই নাচিব নাজানে বুলি উপলুঙা কৰিব পৰা হ'ল ? ভাৱৰীয়াই খোজ মিলাব নোৱাৰা খৰ চাপৰ মাৰি কুৰুক্ষেত্ৰৰ উভয়যুদ্ধত ভীম-দুৰ্যোধনৰ ঘূৰ-ঘূৰণি ধৰোৱা বায়ন ধৰ্মকান্ত শৰ্মাই আজি তেজ গৰম কৰিব পৰা চাপৰ মাৰিব নাজানে বুলি কৰা মন্তব্যও সেই ধৰ্মকান্ত শৰ্মায়ে নিজ কাণে শুনিব লগা হ'ল ? ছিঃ ছিঃ, আৰু কিমান ভাওনা দেখুৱাবা প্ৰভো ! উৰ্দ্ধবাহু হৈ

কৰযোৰে ধৰ্ম শৰ্মাই ৰাজহুৱা নামঘৰৰ দেৱতাক উদ্দেশ্য কৰি এটা দীঘলীয়া প্ৰণাম কৰিলে। জকাইচুকীয়া ৰাইজৰ প্ৰতি খঙত শৰ্মাৰ সৰ্বশৰীৰ কঁপি উঠিল। নজ্জলোৱা লেমটো হাতত লৈ খোজ পেলাওঁতেই শৰ্মাই এটা বিৰিণাৰ জোপাত উজুটি মাৰিলে। ৰাইজৰ প্ৰতি শৰ্মাৰ খংটো লাহে লাহে বিতৃষ্ণালৈ পৰিৱৰ্তিত হ'ল। নজ্জলোৱা লেমটোৰ হেন্দোলডালত ধৰ্মবাপুৱে দৃঢ়ভাৱে মুঠি মাৰি ধৰিলে।

ধৰ্মকান্ত শৰ্মাই জীৱনত প্ৰথমবাৰ উপলব্ধি কৰিলে, ভোগেশ্বৰ-গমধৰ আদি ন ধনী কেইটাকে মুখ্য কৰি সিহঁতৰ নাতি-পুতি পৰ্যন্ত সকলোৱে মিলি আজি শৰ্মাক অসন্মাম কৰিছে। অসন্মাস মানে? ৰাজহুৱাভাৱে অপমান কৰিছে। ইহঁতে কুমন্ত্ৰণা কৰি, নামঘৰলৈ মাতি আনি শৰ্মাক লাঞ্ছনা দিছে। ইহঁত চক্ৰান্তকাৰী। পুৱা-গধূলি ইহঁতৰ মুখ দেখাও পাপ। এটা মাত্ৰ ভাওনাৰ খৰচ বহন কৰি ভোগেশ্বৰৰ দৰে আধাখুন্দা, জধামূৰ্খ এটাই শৰ্মাক সমূলক্ষে অৱজ্ঞা কৰিব পৰা হ'ল? উলাই কৰিব পৰা হ'ল শৰ্মাৰ ব্যক্তিসত্বাক? অবমাননা কৰিব পৰা হ'ল ধৰ্মকান্ত শৰ্মাৰ সামাজিক অস্তিত্বক? জকাইচুকৰ বোকাত পৰি ধৰ্ম শৰ্মাই এসঁজীয়া খাই আছে। তেওঁৰ বৰ জীয়ৰীয়ে চিকিৎসাৰ অভাৱত মৃত্যু বৰণ কৰিছে। কাঠ সংস্কাৰ কৰিব নোৱাৰি তেওঁ নিজৰ বৰজীয়েকৰ মৰাশ ভৰা লুইতৰ বুকুত উটাই দিছে। সিমানতো ইহঁতৰ ওচৰত ধৰ্ম শৰ্মাই কোনোদিন হাত পতা নাই। ধৰ্ম শৰ্মা ভিখাৰী নহয়। ধৰ্মবাপু শাস্ত্ৰজ্ঞ পণ্ডিত। ইহঁতৰ দৰে গণ্ড-মূৰ্খক শাস্ত্ৰৰ তত্ব বিক্ৰি কৰি ধৰ্ম শৰ্মাই পৰিয়াল পোহপাল দিছে। শৰ্মাৰ আশীৰ্বাদৰ জোৰত সিহঁতৰ ঐশ্বৰ্য বিভূতিয়ে পুলি পোখা মেলিছে। ধৰ্ম শৰ্মাই আৰু কোনোদিন সিহঁতক আশীৰ্বাদ নিদিয়ে। দিব, আশীৰ্বাদ নহয়—অভিশাপ। প্ৰচণ্ড অভিশাপ—ইহঁত এদিন ধ্বংস হ'ব। আজি সিহঁতৰ আচাৰ-নীতি ভ্ৰষ্ট হৈছে, এদিন জ্ঞান-বুদ্ধি লুপ্ত হৈ ইহঁত হ'ব ইন্দ্ৰিয়ৰ ক্ৰীতদাস।

শৰ্মাই ভাবিলে, তেওঁ আজি ৰাজ্য হেৰুউৱা মান্ধাতা।

নিজৰ প্ৰতি ঘৃণা আৰু ভোগেশ্বৰহঁতৰ প্ৰতি অভিমান আৰু খঙত ধৰ্ম শৰ্মা নামৰ ৰক্ত-মাংসৰ বুঢ়া মনুহটোৰ অন্তৰখন ছিৰাছিৰ হৈ গ'ল। চকুৰ পানীৰে তেওঁ বাট নেদেখা হ'ল। তেওঁ নজনাকৈয়ে তেওঁৰ মুখেদি ওলাই আহিল এটা অসহায়ৰ হুমুনিয়াহ।

'উঃ মাটি কেইডৰাই থকা হ'লেও!' পেটুৱা মহাজন ৰূপাই কলিতাই নানা অজুহাতত শৰ্মাৰ মাটি হস্তগত কৰিছে। বদনাম ৰটনা কৰি সিহঁতে বাপুৰ ভাত মাৰিছে। ৰাজহুৱাভাৱে অপমান কৰি শ্ৰদ্ধেয় ধৰ্মকান্ত শৰ্মাক সিহঁতে লোকচক্ষুত সাধাৰণ মানুহৰ স্তৰলৈ নমাই আনিছে। ধৰ্ম শৰ্মাক অস্বীকাৰ কৰিছে, অগ্ৰাহ্য কৰিছে ধৰ্মকান্তৰ ব্যক্তিত্বক। হাড়ক মাটি কৰি, তেজক পানী কৰি আজি তিনি কুৰি বছৰে গঢ়ি তোলা শৰ্মাৰ ভাবমূৰ্তিক সিহঁতে মুহূৰ্ততে মাটিৰ লগত মিলাই দিছে। মদমত্ত ভোগেশ্বৰহঁতে শৰ্মাক শত্ৰুক থাৱৰ কৰিছে। কিন্তু শৰ্মাইতো কোনো দিন সিহঁতক পৰ বুলি ভবা নাই। বৰঞ্চ অন্তৰ উজাৰি আশীৰ্বাদ দি, ইষ্টদেৱতাৰ ওচৰত ঐকান্তিক প্ৰাৰ্থনা কৰি আহিছে সিহঁতৰ উত্তৰোত্তৰ উন্নতিৰ বাবে। শৰ্মা কোনো দিন ভোগেশ্বৰ বা গমধৰৰ প্ৰতিদ্বন্দ্বী হ'ব খোজা নাই! তেন্তে সিহঁতেই বা শৰ্মাৰ পানী খোৱা পুখুৰীত বিহ ঢালিব কিয়? কিয়??

শৰ্মাৰ হঠাৎ ধাৰণা হ'ল, ইহঁত প্ৰত্যেকেই একো একোটা ভস্মাসুৰ। ঐশ্বৰ্য-সম্পদ লাভ নকৰা পৰ্যন্ত ইহঁত আছিল যোগী, সন্ন্যাসী। কিন্তু ধৰ্ম শৰ্মাৰ আশীৰ্বাদৰ ফল লাভ হোৱাৰ লগে লগে ইহঁতে নিজ মূৰ্তি ধাৰণ কৰিলে,—ঠিক যেনেকৈ সদাশিৱৰ ওচৰত বৰ প্ৰাৰ্থী ভস্মাসুৰে 'তাৰ মুখ দেখা মাত্ৰেই দৰ্শকৰ মৃত্যু হ'ব' বৰ লৈ

সেই বৰৰ প্ৰমাণ চাব খুজিছিল বৰদাতা শিৱৰ মুখলৈ চাই, সদাশিৱক ভস্ম কৰি। শিৱক ভস্ম কৰিব খোজাৰ অন্তৰালত ভস্মাসুৰৰ উদ্দেশ্য আছিল—শিৱই যাতে ভৱিষ্যতে অন্য কোনো ব্যক্তিকেই দৰ্শন মাত্ৰে ভস্মীভূত কৰিব পৰা বৰ দিব নোৱাৰে—সি যাতে অমৰত্ব লাভ কৰে। কিন্তু সমজুৰাৰ শ্ৰদ্ধাৰ আকাশৰ পৰা ধৰ্ম শৰ্মাক পপীয়া তৰাৰ দৰে খহাই দিব খোজাৰ আঁৰত ভোগেশ্বৰ-গমধৰৰ কি উদ্দেশ্য থাকিব পাৰে? ধৰ্মকান্ত শৰ্মাইতো সিহঁতক ভস্মাসুৰৰ বংশধৰ বুলি নাভাবে? তেনেহলে শৰ্মাৰ প্ৰাত ভোগেশ্বৰ-গমধৰৰ এই আসুৰিক ব্যৱহাৰ কিয়? ভোগেশ্বৰ-গমধৰৰ বৰদাতা ধৰ্ম শৰ্মাও ভস্মাসুৰৰ বৰদাতা সদাশিৱৰ দৰে পলাই ফুৰিব লাগিব নেকি?

ভস্মাসুৰক 'তাৰ মুখ দেখা মাত্ৰেই দৰ্শকৰ মৃত্যু হ'ব' বৰ দি সদাশিৱ পলাই ফুৰিছিল। ধ্যানস্থ ব্ৰহ্মাৰ ধ্যান ভঙ্গ কাৰও যেতিয়া শিৱই ভস্মাসুৰ-ব্যাধিৰ কোনো প্ৰতিকাৰ প্ৰস্তুত কৰিব পৰা নাছিল, তেতিয়া সমস্ত দেৱকুলত ত্ৰাহি ত্ৰাহি আৰ্তৰাও। শেষ আশ্ৰয় যেতিয়া বিষ্ণু, ব্ৰহ্মা-শিৱ-দেৱকুলে সিংহদ্বাৰ ভাঙি স্বয়ং বিষ্ণুৰ কক্ষত আবিৰ্ভাৱ হৈছিল। ভাবিবৰ সময় অতীত। ইন্দ্ৰৰ বজ্ৰ, বৰুণৰ বৃষ্টি, অগ্নিৰ বাণ, বিশ্বকৰ্মাৰ মায়া আনকি স্বয়ং মহাদেৱৰ ত্ৰিশূলকো অকাতৰে অগ্ৰাহ্য কৰি ভস্মাসুৰ বিষ্ণুলোকৰ পথত। লোকালোক কম্পমান। অসুৰৰ দৃষ্টিত সমস্ত দেৱকুল ভস্মীভূত হোৱাৰ উপক্ৰম। বিষ্ণুৱে আদ্যোপান্ত শুনিলে। ভৱিষ্যতে এনে উদ্ভট বৰ নিদিবলৈ শিৱক অনুৰোধ কৰিলে। আদেশ কৰিলে বিশ্বকৰ্মাক—বিষ্ণুলোকৰ সিংহদ্বাৰত এক বৃহদাকাৰ, সুদৃশ্য দৰ্পণ নিৰ্মাণ কৰা হওক। বিষ্ণুলোকবাসীয়ে সেই দৰ্পণৰ পৃষ্ঠভাগত আত্মগোপন কৰক। মুহূৰ্ততে আদেশ কাৰ্যকৰী হ'ল। আত্মৰক্ষাৰ বাবে শিৱ প্ৰমুখ্যে দেৱগণে সেই দৰ্পণৰ আঁৰত আত্মগোপন কৰিলে। হুঙ্কাৰ কৰি ভস্মাসুৰ বিষ্ণুলোকত অৱতীৰ্ণ হ'ল। আৰু সেই বৃহৎ দৰ্পণত নিজৰ প্ৰতিবিম্ব দৰ্শন কৰি, প্ৰলয় চিৎকাৰ কৰি নিমিষতে ভস্ম হৈ প'ল।

'ভস্মাসুৰৰ দৰেই ভস্ম হ'ব ভোগেশ্বৰ-গমধৰহঁতো', ক্ৰুদ্ধ ধৰ্ম শৰ্মাই অভিশাপ দিলে। 'মোৰ আশীৰ্বাদত শক্তি লাভ কৰি ইহঁতে মোকেই ভস্ম কৰিব খোজে? ধনৰ গৰ্বত মত্ত হৈ, গুৰু-ব্ৰাহ্মণৰ প্ৰতি কৃতজ্ঞতা পাহৰি তহঁতে নিজৰ মহামাৰ নিজেই চিন্তা কৰিছ। ধৰ্ম শৰ্মাই আৰু কোনো দিন তহঁতক আশীৰ্বাদ নিদিয়ে। অভিশাপ দিব, অভিসম্পাত। ভস্মাসুৰৰ দৰে তহঁতেও আজি ক্ষমতাৰ উত্তেজনাত ওভতগোৰে নাচিছ, ভস্মাসুৰৰ দৰেই আকৌ এদিন তহঁতেও তহঁতৰ ব্যভিচাৰ দৰ্পণত নিজৰ প্ৰতিবিম্ব দৰ্শন কৰি ভস্মীভূত হৈ যাবি। তহঁতৰ কৃতঘ্নতা অক্ষমণীয়। কোনোদিনেই ধৰ্ম শৰ্মাই তহঁতৰ প্ৰতিযোগী হ'বলৈ বাঞ্ছা কৰা নাছিল। কিন্তু...ধৰ্ম শৰ্মা আজি তহঁতৰ মুখামুখি হ'বলৈ প্ৰস্তুত হৈছে। ধৰ্মবাপুৱে তহঁতৰ প্ৰতিদ্বন্দ্বী তৈয়াৰ কৰিব। গান্ধাৰ ৰজাৰ দৰে আজি মৱো প্ৰতিজ্ঞাবদ্ধ,— ক্ষুধা-তৃষ্ণাত নিবাম্নৈবেটা পুত্ৰই মৃত্যুবৰণ কৰিলেও ধৰ্মকান্ত শৰ্মাই এটা শকুনি তৈয়াৰ কৰিব। কুৰুকুল ধ্বংস কৰাৰ নিচিনাকৈ সেই শকুনিয়ে তহঁতকো সমূলে নিৰ্মূল কৰিব। মোৰ মনোৰঞ্জনক মই শকুনিৰ ৰূপত সজাম। হয়তো মনোৰঞ্জনে নোৱাৰিব, চিত্তই পাৰিব। চিত্তই শকুনি সাজিব। চিত্তই নোৱাৰিলে প্ৰাণে। প্ৰাণে নোৱাৰে, সি জেদী, গোৱাৰ-গোবিন্দ আৰু বুদ্ধিহীন। চিত্তয়ে পাৰিব। পাৰিব নহয় পাৰিবই। সি যুক্তিত বিশ্বাস কৰে; শাৰীৰিক আৰু মানসিক কষ্ট কৰিব পাৰে। জ্ঞান বিবেচনা কৰিহে চিত্তই কাম কৰে। তাক সকলোৱে ভাল পায়। তাৰ শত্ৰু নাই। কিন্তু প্ৰয়োজন হ'লে সিও শত্ৰুতা কৰিব লাগিব। ধৰ্মকান্ত শৰ্মাই তেওঁৰ পুত্ৰ চিত্তৰঞ্জনক ভোগেশ্বৰ-গমধৰৰ প্ৰতিদ্বন্দ্বীৰূপে গঢ়ি তুলিব। দুৰ্যোদনৰ উভয়-যুদ্ধত ভোগেশ্বৰহঁত ধৰাশায়ী হ'ব। সেই সুদিন অহালৈ ধৰ্মবাপু হয়তো নাথাকিব, কিন্তু অহল্যাইহঁতে সেই দৃশ্য নিশ্চয় দেখিব।'

মনোৰঞ্জনৰ কথা মনলৈ অহাৰ লগে লগে যোৱা কেইবামাহতো সি ঘৰলৈ পইচা নপঠোৱাৰ কথাটোও শৰ্মাৰ মনলৈ আহিল।

টকা-পইচা পঠিয়াব নোৱাৰিলেও, মাহেকে-পষেকে মাক-বাপেকলৈ কলীয়া আখৰ চাৰিটা পঠিয়াবলৈ তাৰ কি অসুবিধা হয় শৰ্মাই বুজিব নোৱাৰে।

মনোৰঞ্জন গুৱাহাটীলৈ গৈ তাৰ বন্ধু এজনৰ লগত ছমাহমান আছিল। তাৰ পিছত সি প্ৰাইভেট কোম্পেনি এটাত চাকৰি পালে। চাকৰি পোৱাৰ পিছত সি ঘৰলৈ এবাৰেই আহিছিল। শৰ্মা আৰু ৰুক্মিণীয়ে বেলেগে বেলেগে সুধিও, মনোৱে কিমান দৰমহা পায় জানিব নোৱাৰিলে। তাৰ ঘড়ী-জোতালৈ চাই সি যে বৰ সৰু-সুৰা চাকৰি নকৰে, শৰ্মাৰ সেইটো বিশ্বাস হ'ল। যোৱা চাৰি বছৰত সি প্ৰথমতে প্ৰতিমাহে পঞ্চাছ-এশকৈ, পিছলৈ দুই-তিনি মাহৰ মূৰত একেলগে সৰহীয়াকৈ পইচা পঠিয়াই আছিল।

মনোৰঞ্জনে গুৱাহাটীলৈ চাকৰি বিচাৰি যোৱাৰ বছৰতে গীতা ঢুকায়। গীতাৰ-শ্ৰাদ্ধ-বিধি, চিত্তইঁতৰ পঢ়া-শুনাৰ খৰচ আৰু মনোৱে চাকৰি বিচাৰিবলৈ যাওঁতে লৈ যোৱা এশ টকাৰ বিনিময়ত শৰ্মাই মাটি দুবিঘা ৰূপাই বুঢ়াক প্ৰথমতে বন্ধকত দিয়ে আৰু পিছত বিক্ৰী কৰে। পিছৰ বছৰ বাৰিষাৰ খৰচৰ কাৰণে আৰু দুবিঘা মাটি ৰূপাই কলিতাকেই বন্ধকত দিবলগীয়া হয়। মনোৰঞ্জনে তেতিয়াও চাকৰি পোৱা নাছিল যদিও শৰ্মাই ভাবিছিল, সি চাকৰি এটা পালেই দুই-তিনি মাহৰ ভিতৰতে বন্ধকী মাটিখিনি মুকলি কৰি ল'ব। আৰু কিনিও ল'ব মথাউৰিৰ ভিতৰৰ কেইবিঘামান ৰূপিত মাটি।

পিছে মনোৰঞ্জনে পঠিওৱা টকাৰে ল'ৰা-ছোৱালীৰ পঢ়াৰ খৰচ দি নিমখ-তেল খাবলৈও যোৰা নমৰা হ'ল।

তথাপি তেওঁ পিছ নোহোঁহকে, শৰ্মাই ভাবিলে। মনোৰঞ্জনে পঠিওৱা টকাকেইটাৰে তেওঁ চিত্তক কলেজত পঢ়ুৱাব। চিত্তৰঞ্জনক তেওঁ অধামূৰ্খ গমধৰৰ প্ৰতিদ্বন্দ্বী কৰি তৈয়াৰ কৰিব। তাক উচ্চ শিক্ষা দিব। ধৰ্মবাপুৰ পৰিয়ালত ভৱিষ্যতে আৰু ঘণ্টা বজোৱা পুৰোহিতৰ জন্ম নহয়। জন্ম হ'ব ইংৰাজী জনা পণ্ডিতৰ। জন্ম হ'ব শিক্ষা-বিজ্ঞা

থকা বিৰাট ব্যৱসায়ীৰ। প্ৰাণৰ ব্যৱসায়-বুদ্ধি আছে, সি পাৰিব। ভোগেশ্বৰ-গমধৰক টকা ধাৰলৈ দি, সিহঁতৰ বস্তী-বোৱতী চব কৰায়ত্ত কৰিব প্ৰাণে। ধৰ্ম শৰ্মাৰ নাতি-নাতিনীয়ে সেই দিনলৈ আজিৰ অহল্যাৰ দৰে ভূগোলৰ বহীৰ কাগজ কিনিব নোৱাৰি আধাথুন্দা মাষ্টৰৰ সৌকাৰ কোব খাব নালাগে।

কান্ধৰ গামোচাখনেৰে শৰ্মাই চকুপানীবোৰ মচি ল'লে। আন্ধাৰতে মোহাৰি পেলালে তেওঁ তেওঁৰ মুখত লাগি থকা দুখ আৰু অপমানৰ চেকাবোৰ।

বাঁহৰ ভগা দুৱাৰখন ঠেলা মাৰি শৰ্মা ভিতৰ সোমাল। বাপেক অহাৰ গম পাই উধাতু খাই দৌৰি আহিল অহল্যা। কেৰাচিনৰ চাকিটো হাতত লৈ থাকিয়েই, কিবা এটা ক'ব খুজিও তাই ৰৈ গ'ল। তাইৰ দেউতাকৰ এখন হাতত নজলোৱা ভগা লেমটো আৰু আনখনত ঘৰৰ পৰা লৈ যোৱা সুদা গামোচাখন। তাইৰ দেউতাকৰ চকু দুটা ৰঙা। মুখখন শেঁতা পৰা। বাপেকৰ অৱস্থা দেখি অহল্যাই তাই লৈ থকা মনো কৰায়েকৰ চিঠিখন পিছলৈ হাত দি লুকুৱাই ৰাখিলে।

ধৰ্ম শৰ্মাই অহল্যাৰ চকুলৈ চাব নোৱাৰিলে শৰ্মাই বুজিলে তাই আঘাত পাইছে।

শৰ্মাৰ মুৰটো আচন্দ্ৰাই কৰি আহিল। কক্সিণীয়ে যৌতুকত অনা, এখন হাত ভগা আৰু পিঠিফালৰ এছটা কাঠ এৰাই যোৱা চকীখনতে ধপচ্‌কৈ শৰ্মা বহি পৰিল। চকীখনৰ ওচৰতে তেওঁ লেমটো ঠেকেচা মাৰি থ'লে। শৰ্মাই চকু দুটা মুদি দিলে।

বিহাৰ আগেৰে হাত মচি, পাগঘৰৰ পৰা ওলাই আহিল কক্সিণী। বাঁহৰ দুৱাৰখনতে ভেজা লৈ কক্সিণী ৰ'ল। তেওঁ চকু মুদি থকা শৰ্মাৰ মুখখনলৈ চালে।

অহল্যাই মুখ বিকটাই কক্সিণীক এটা নেতিবাচক ভঙ্গী দেখুৱালে।

প্ৰাণ হৰ-মুৰকৈ ওলাই আহিল। তাৰ ভৰিৰ শব্দ শুনি ধৰ্মকান্তই চকু মেলিলে।

খং আৰু বিস্ময়েৰে প্ৰাণে বাপেকক সুধিলে, 'ক'তা, মাহ্-চাউল নানিলে দেখোন ?'

'আজি মাহ্-চাউল নহ'লেই।' নিজৰ খং, অপমান আৰু ভাগৰ ঢাকি ৰাখিবৰ অপচেষ্টা কৰি, সেপ ঢুকি শৰ্মাই উত্তৰ দিলে।

বাপেকৰ অকৰ্মণ্যতাৰ ওপৰত ফৰমাহি মাৰি প্ৰাণ গুৰলৈ গ'ল।

শৰ্মা নামঘৰলৈ ওলাই যোৱাৰ পিছৰপৰা জুহালৰ গুৰিত প্ৰাণ আৰু অহল্যাৰ তৰ্ক হৈছিল।

নামঘৰৰপৰা মাহ্-প্ৰসাদ লৈ আহিব নোৱাৰিলে শৰ্মাৰ ল'ৰা-ছোৱালীয়ে ৰাতিলৈ একো খাবলৈ নোপোৱা কথাটো বাপুৱে সাময়িক-ভাৱে পাহৰি গৈছিল।

বাপেকে নামঘৰৰপৰা অনা মাহ্-প্ৰসাদ কি দৰে খোৱা হ'ব এই লৈ অহল্যা আৰু প্ৰাণে জুহালৰ গুৰিত তৰ্ক কৰিছিল। দুপৰীয়াৰ সাঁজো সিইঁতে খোৱা নাই। গতিকে ৰুক্মিণীয়ে কেৰাহী ধুই ৰাখিছিল, মাহ্-চাউল আনিলেই সকলোকে একোটা বড় ভাজি দিব বুলি। প্ৰাণে কৈছিল, সি ভজা-পোৰালৈ ৰ'ব নোৱাৰে। কেঁচায়ে খাব। অহল্যাই মাকক সমৰ্থন কৰিছিল আৰু প্ৰাণক কেঁচা মাহ্-চাউল খাবলৈ নিদিওঁ বুলি তাৰ লগত তৰ্ক কৰিছিল। ৰুক্মিণীয়ে কৈছিল, 'খালী পেটত কেঁচা মাহ্-চাউল খোৱা বেয়া।'

তেনেতে কোনোবা এজনে মনোৰ চিঠি এখন আনি চিত্তক দিছিল। চিত্তই মাক আৰু ভায়েক-ভনীয়েকক চিঠিখন পঢ়ি শুনাইছিল। ঘৰখনৰ পৰিৱেশটো হঠাৎ গমগমীয়া হৈ উঠিছিল। চিত্ত বিচনালৈ গৈছিল। অহল্যা আৰু প্ৰাণ তেতিয়াও বহি আছিল মাহ্-প্ৰসাদৰ আশাত।

ভৰি দুটা মেলি ধৰ্মকান্ত আকৌ চকু মুদি বহিল।

এটা হুমুনিয়াহ কাঢ়ি ৰুক্মিণী ভিতৰ সোমাই গ'ল।

তাইৰ হাতৰ জ্বলি থকা চাকিটোলৈ কিছু সময় আমন-জিমনকৈ চাই থাকি, এসময়ত অহল্যাই ফটা চিমনীৰ ভগা লেমটো বেৰৰ আগত থলোৱাই থ'লে।

বড় ভাজিবলৈ বুলি থোৱা কেবাহীখন রুক্মিণীয়ে জুহালৰ ভেটিৰ পৰা নমাই ৰাখিলে।

ভিৰিৰপৰা মূৰলৈকে লক্ষ্য কৰিলে অহল্যাই ধৰ্মকান্তক। তাইৰ বাপেকৰ ভৰি দুটা বোকাৰে লুটুৰি-পুটুৰি। চুৰিয়াখন মৰলা। কেইবাঠাইতো সিয়নী মৰা পাঞ্জাবীটো হিয়াকবিৰ ওপৰতে ফটা। চোলাটোৰ বুকুৰ জেপৰপৰা ভাজ কৰা কাগজ এখনৰ আগটো ওপৰলৈ ওলাই আছে। মুখখনত পকা-কেঁচা দাড়ি। চকু দুটা মৰা মাছৰ চকুৰ দৰে ঘোলা। চুলিবোৰ আউলি-বাউলি। অহল্যাই ভাবিলে, তাইৰ বাপেকক সাইলাখ ৰাজ্য যোৱা মান্ধাতা ৰজাৰ দৰে দেখাইছে।

চাকিটো মাটিতে থৈ অহল্যা মাকৰ ওচৰলৈ আহিল।

হাতত লৈ থকা মনোৰঞ্জনৰ চিঠিখন মাকৰ ওচৰতে মাটিতে পেলাই থৈ তাই শুবলৈ গ'ল।

আন্ধাৰ বেছি হৈ অহাৰ কাৰণেই নে কিছু সময় চকু মুদি থকাৰ ফলতেই শৰ্মাই চকুৰে চকা-চমকা দেখিছে। শৰ্মা জুহালৰ ওচৰত বহিলহি।

ধৰ্মকান্তই উমান ল'লে, ল'ৰা-ছোৱালীহঁত শুইছে।

তেওঁ রুক্মিণীক ওচৰলৈ মাতি নামঘৰৰ ঘটনাটো আদিৰপৰা অন্তলৈ বিবৰি ক'লে।

ইমান পৰেও মাক শুবলৈ নহা দেখি অহল্যা উঠি আহিল।

বেৰৰ জলঙাইদি জুমি চাই তাই দেখিলে, মাকে কান্দিছে। বাপেকেও কান্দিছে আৰু কথা কৈ গৈছে।

চকুৰ পানীৰে রুক্মিণীয়ে চাকিৰ পোহৰ নেদেখা হৈছে।

ধৰ্মকান্ত শৰ্মাই নামঘৰৰ কথাবোৰ অনৰ্গল কৈ গৈছে।

তেওঁৰ দুচকুৰে কান্দিছে। মাজে মাজে মানুহটো খঙত জ্বলি-পকি উঠিছে। আকৌ পিছ মুহূৰ্ত্ততে নিজৰ ভাগ্যক দোষাৰোপ কৰি দুখত ভাগি পৰিছে।

অহল্যাৰ কঁপনি উঠি আহিল। তাইৰ ভয় লাগিছে। সৌৰি

গৈ তাই প্ৰাণক জগাই দিলে। দুয়োটাই আহি আকৌ বেৰৰ জলঙাত চকু ৰাখি বাপেকৰ কথাবোৰ শুনি গ'ল।

ধৰ্ম শৰ্মাই যেতিয়া মনোৰঞ্জনে টকা পইচা নপঠিওৱাৰ কথা কৈছিল, তেতিয়া ৰুক্মিণীয়ে শৰ্মালৈ মনোৰ চিঠিখন আগবঢ়াই দিছিল।

অহল্যা-প্ৰাণে দেখিলে, ককায়েকৰ চিঠিখন হাতত লোৱাৰ লগে লগে বাপেক যেন শান্ত হ'ল। তেতিয়াও বাপেকৰ চকুৰপৰা টোপাটোপে চকুপানী পৰি আছিল যদিও, চিঠিখন হাতত লৈয়েই বাপেকে এবাৰ মিচিকিয়াই হাঁহিছিল।

ধৰ্ম শৰ্মাই গামোচাখনেৰে চকু দুটা মোহাৰি ল'লে। সূতা লগোৱা চশমাযোৰ জেপৰপৰা উলিয়াই তাৰ আয়না দুখন গামোচাৰ আগেৰে মোহাৰি তেওঁ চিঠি পঢ়াত লাগিল।

শৰ্মাৰ মুখখন উজ্জ্বল হৈ উঠিল, তেওঁৰ শৰীৰৰ গোটেইবোৰ তেজ যেন তেওঁৰ মুখখনত জমা হৈছেহি। চিঠিখনৰ এটা অংশ শৰ্মাই কেইবাবাৰো ঘূৰাই ঘূৰাই পঢ়িলে। মুখখন লাহে লাহে গম্ভীৰ হৈ আহিল। আৰু এসময়ত ধৰ্ম শৰ্মা অগ্নিশৰ্মা হৈ পৰিল।

চিঠিৰ বক্তব্য আছিল : মনোৰঞ্জন ভালে আছে (ধৰ্ম শৰ্মাৰ মুখলৈ তেজ আহিছিল)। কিন্তু আগৰ দৰে নিয়মীয়াকৈ সি ঘৰলৈ আৰু পইচা পঠিয়াব নোৱাৰে (শৰ্মাৰ মুখখন গম্ভীৰ হৈছিল)। সি বিয়া কৰাইছে (ধৰ্ম শৰ্মা অগ্নিশৰ্মালৈ ৰূপান্তৰিত হৈছিল)।

ধৰ্ম শৰ্মাই ৰৰপুতেক মনোৰঞ্জনক ভৎসনা কৰিলে। অভিশাপ দিলে। মনোৰঞ্জনৰ উপাৰ্জনৰ ফুটা কড়ি এটাও ভৱিষ্যতে হাত পাতি নলয় বুলি তেওঁ সংকল্প কৰিলে।

শৰ্মাই বহু সময় ধৰি মনে মনে কিবা চিন্তা কৰিলে। তাৰ পিছত একপ্ৰকাৰ ফুচফুচায়ে ৰুক্মিণীক ক'লে, 'আমাৰ অনুমতি নৌলৈহে মনোৱে বিয়া কৰাইছে বুলি যজমানক ক'বা।'

ধৰ্মবাপুৱে ভাবিলে, আজি তেওঁৰ ৰৰপুতেক মৰিল। পতিকে এইসাজ লখোন দিয়াটো তেওঁৰ কৰ্তব্য।

প্ৰকৃতিৰ অন্যতম অফুৰন্ত সম্ভাৰ পানীৰ বাহিৰে সেই নিশাও শৰ্মা পৰিয়ালৰ প্ৰাণীকেইটাৰ পেটলৈ আন একো নগ'ল।

জেঠৰ আগপৰ।

জকাইচুকৰ নামঘৰত ৰুক্মিণী হৰণ ভাওনা আৰু ৰাজহুৱা ৰবসবাহ।

ভোগেশ্বৰ-গমধৰৰ ভাওনাৰ বাজনাই জকাইচুক মুখৰ কৰি তুলিছে। শংকৰ বায়ন আহিছে। তেওঁ ভোগেশ্বৰৰ মোমায়েক। ব্যক্তিগত কামত জকাইচুকলৈ আহিলে আগতে বায়ন ভোগেশ্বৰ ভাগিনৰ ঘৰত থাকিছিল। এইবাৰো তেওঁ ভাগিনীয়েকৰ ঘৰতে থাকিবৰ ইচ্ছা কৰিছিল যদিও, ভোগেশ্বৰে তেওঁৰ কাৰণে নামঘৰতে বাহৰ সাজি দিলে। এজাৰগুৰি সত্ৰৰ মাজুজনা গোসাঁই হৰিকান্ত ডেকা অধিকাৰৰ দৰে শংকৰ বায়নেও চাৰি প্ৰসঙ্গ নাম-কীৰ্তন কৰিছে। নামঘৰত ভাগৱত পাঠো চলিছে। পুৰাদমে চলিছে ৰুক্মিণী হৰণ ভাওনাৰ আখৰা, নাচ, গীত-মাতৰ মহৰা। পল্লৱে কৃষ্ণৰ নাচ শিকিছে। গমধৰৰ জীয়েক লিপিকাই শিকিছে ৰুক্মিণীৰ নৃত্য। জকাইচুকৰপৰা শিৱসাগৰলৈ নিজৰ গাড়ীৰে দৈনিক অহা-যোৱা কৰি গমধৰ উকিলে আখৰাত যোগদান কৰিছে।

আগৰ হৰিকান্ত গোসাঁইৰ উপদেষ্টাৰ পদত এতিয়া স্বয়ং ৰূপাই কলিতা অধিষ্ঠিত। ধৰ্মবাপুৰ ঠাই লৈছে শংকৰ বায়ন আৰু গমধৰ উকিলে। সেইকালৰ ৰৰমেধিৰ দৰে আজিও ভোগেশ্বৰ ঠিকাদাৰে ভাৰৰীয়াৰ তদাৰকী কৰিছে। দুৰণিৰ বাইজক শুশ্ৰূষা কৰিছে পেটুৱা মহাজনে।

লুইত আগৰ দৰেই বৈয়েই চলিছে।

জকাইচুকতো ৰুক্মিণী হৰণ ভাওনা হৈছে।

আপাতদৃষ্টিত তথাকথিত প্ৰতিষ্ঠিত নিয়মৰ বিশেষ পৰিৱৰ্তন হোৱা নাই।

পৰিৱৰ্তন আহিছে কেৱল ধৰ্মকান্ত শৰ্মাৰ জীৱনলৈ। দুখীৰামৰ দৰে মানুহৰ জীৱনলৈ আহিছে উত্থান-পতন।

প্ৰচলিত ৰীতি-নীতি অজগৰ গতিত উজাই চলিছে।

জকাইচুকৰ নামঘৰত সেইদিনা ৰুক্মিণী হৰণ ভাওনা।

ৰাজহুৱা সবাহৰ নাম লবলৈ আজি হৰিকান্ত গোসাঁইৰ বংশধৰ অহা নাই। ৰূপাই বুঢ়া আৰু শংকৰ বায়নেই গোসাঁইৰ ভূমিকা পালন কৰিছে।

ৰাজহুৱা ভাওনাৰ লগত ধৰ্মবাপুৰ যোগাযোগ নথকাৰ কথাটো জকাইচুকৰ বহু লোকৰ বাবেই ইতিমধ্যে খবৰ হৈ গৈছে। ভাওনা-সবাহৰ আগদিনা গধূলি ফণী তামুলী আৰু দুখীৰাম আহিছিল বাপুক উৎসৱলৈ নিমন্ত্ৰণৰ বাবে। ধৰ্মবাপুৱে সেই নিমন্ত্ৰণ ৰখা নাই।

সবাহৰ দিনা পুৱাতে ধৰ্মবাপু কোনোবা গাঁৱলৈ ওলাই গৈছিল।

আবেলি যেতিয়া বাপু ঘূৰি আহিছিল, তেতিয়া ৰাজহুৱা উৎসৱৰ নাম-প্ৰসঙ্গৰ শব্দত জকাইচুকৰ আকাশ-বতাহ জন্‌জনাই উঠিছে।

থৈলা-মোনাটো অহল্যাৰ হাতত দি ধৰ্মকান্তই ছাতিটো বেৰৰ আগত ওলোমাই থ'লে। ৰুক্মিণীয়ে যতনাই দিয়া পানী ঘটিৰে বাপুৱে হাত-মুখ ধুই থাকোঁতেই, আগফালে চাইকেলৰ ঘণ্টাৰ শব্দ শুনি তেওঁ লৰা-ঢপৰাকৈ আগফাললৈ আহিল। ডাক হৰকৰাটো চোতালতে ৰৈ আছে। তাৰ হাতৰ কাগজখন দেখিয়েই ধৰ্মবাপুৱে বুজিলে, মনোৰঞ্জনে পইচা পঠিয়াইছে। হৰকৰাটোক একো নোকোৱাকৈ শৰ্মা আকৌ ভিতৰ সোমাই আহিল।

হৰকৰাটোৱে পুনৰ ঘণ্টা বজালে।

ধৰ্মকান্ত শৰ্মা জুহালৰ ওচৰতে বহিল। তেওঁ ৰুক্মিণীক ক'লে 'হতশ্ৰীহোৱাই পইচা পঠিয়াইছে।' অহল্যাক ক'লে, 'পইচা নালাগে বুলি কৈ যা।'

চিত্তই সকলো শুনি আছিল। সি ওলাই গৈ পিয়নৰ পৰা মণি অৰ্ডাৰ ৰচিদখন লৈ বাপেকক দি চহী কৰাই পইচাখিনি ৰাখিলে।

ৰচিদখনত চহী কৰিবলৈ ধৰ্ম শৰ্মা কোনোপধ্যেই ৰাজী নহৈছিল। চিত্তই বাপেকক মুখেৰে একো কোৱা নাছিল। কলম এটাৰে স'তে ৰচিদখন বাপেকলৈ আগবঢ়াই দিওঁতে ধৰ্মবাপুৰে চিত্তৰ মুখত লিখি থোৱা বহু কথাই পঢ়িব পাৰিছিল। অহল্যাই নিৰীহভাৱে বাপেকৰ মুখলৈ চাই আছিল। ৰুক্মিণীৰ চাৱনিটোৱেও ধৰ্ম শৰ্মাক বহুত কথাই নীৰৱে বুজাই দিছিল। জীৱনত দ্বিতীয়বাৰ মনোৰ পইচা নলওঁ বুলি শৰ্মাই ৰচিদখনত চহী কৰি দিছিল।

প্ৰাণৰ লগৰ ল'ৰা, অহল্যাৰ সমবয়সী ছোৱালী সবাহলৈ গৈছে। দীন-দৰিদ্ৰ দুখীৰামেও নিকা টিয়নী এখন পিন্ধি নামঘৰলৈ যোৱা বাপুৱনীয়ে দেখিছে। ডবা-ৰবকাঁহৰ শব্দ ক্ৰমান্বয়ে ডাঙৰ হৈ আহিছে। আৰু ক্ৰমান্বয়ে গধুৰ হৈ আহিছে ধৰ্ম শৰ্মাৰ বুকুৰ যাতনা। নামৰ ধ্বনিয়ে শৰ্মাৰ কাণত বিকৃত প্ৰতিক্ৰিয়া কৰিছে।

নাম শেষ হ'ল।

বেলি মাৰ যোৱাৰ সময়লৈ বতাহত হৰিধ্বনি ভাহি আহিল। গায়ন-বায়ন উঠিছে।

গমধৰ ঠিকাদাৰৰ মাইকত তাৰ মোমায়েক শংকৰ বায়নে সংস্কৃত শ্লোক মাতি গায়ন-বায়ন জুৰিলে। ধৰ্মকান্ত শৰ্মাৰ গাত ধৰফৰণি লাগিল। শৰ্মা থিয়েৰে বৈ থাকিব নোৱৰা হৈছে।

অহল্যা আৰু প্ৰাণ ভাওনা চাবলৈ যাব খুজিছিল। দাবী-ধমকি দি বাপুৱে অহল্যাক ঘৰতে ৰাখিলে। প্ৰাণে বাপেকৰ কথা নুশুনিলে। সি কোনোবা ভলকত পলাল।

শংকৰ বায়নৰ আঙুলিত ৰবখেমালি চলিছে।

কপাই কলিতাৰ জিভাত 'জয় জয় ৰাম, জয় শ্ৰীৰাম' যোৰা।

শৰ্মাৰ মনটোৱে খাই-জাই কৰিছে। ৰবডবাৰ প্ৰতিটো কোবত আঘাত লাগিছে বাপুৰ হৃদয়ত। শৰ্মাৰ বুকত ৰবডবা বজাবৰ বাবেই যেন ভোগেশ্বৰ-গমধৰে এই ভাওনাৰ আয়োজন কৰিছে—ৰাইজ ভকতৰ মংগলৰ উদ্দেশ্যে অথবা পৰমেশ্বৰৰ প্ৰতি শ্ৰদ্ধাত নহয়।

আগৰ ভাওনা-সবাহৰ দিনত ধৰ্মবাপু উপবাসে থাকিছিল। আজি তেওঁ চিত্তক পঠিয়াই বৌ মাছ অনাই মাছ-ভাত খোৱাৰ ব্যৱস্থা কৰিছে। জকাইচুকীয়া ভাওনাৰ ঋত্বিক ধৰ্ম পুৰোহিতে আজি আমিষ খাই উপবাস কৰিব। তেওঁ আজি ভাওনা নকৰে। কিন্তু মাজৰাতি তেওঁ অহল্যাই নেদেখাকৈ পলাই ভোগেশ্বৰ ৰূপী শিশুপালৰ লম্ফ-জম্ফ চাবলৈ যাব। জকাইচুকীয়া ভাওনাৰ একালৰ পৰিচালক, সৰ্বঢাক ধৰ্মবাপুৱে শুনিবলৈ যাব—শংকৰ বায়নে কিমান বৰ্ণসংকৰ সুৰেৰে শুক অংকীয়া নাটৰ গীত ঘাটিব পাৰে, অবীতীয়া ৰূপাই কলিতাই জকাইচুকীয়া ভাওনাৰ ৰূপৰ কিমানদূৰ ৰূপান্তৰ ঘটাব পাৰে। শূদ্ৰ পুত্ৰ পল্লৱৰ আঙুলিত জিলিকা কৃষ্ণ গোসাঁইৰ সত্ৰীয়া মুদ্ৰা তেওঁ শিকিবলৈ যাব। মূৰত পাগুৰি মাৰি, কঁকালত আঁক-বাঁক বিচনা চাদৰ মেৰিয়াই ধৰ্মকান্ত দেৱশৰ্মণে নিজৰ উকত চাপৰি বজাই ৰুক্মিণী ৰূপী গমধৰৰ আবিয়ৈ জীয়েকৰ নৃত্যৰ তাল দিবলৈ যাব।

ধৰ্মবাপু ভাতৰ পাতত বহোঁতেই নামঘৰত আকৌ হৰিধ্বনি দিলে।

শৰ্মাই কাণ খিয় কৰি শুনিলে, কৃষ্ণৰ প্ৰৱেশ হৈছে। ভোগেশ্বৰে বনোৱা ভাৱৰীয়াৰ লিষ্টিখন শৰ্মাৰ মনত পৰিল: ভোগেশ্বৰ—শিশুপাল, গমধৰ—ৰুক্মবীৰ, পল্লৱ—কৃষ্ণ গোসাঁই, গমধৰৰ আবিয়ৈ জীয়েক—ৰুক্মিণী......

ধৰ্মকান্ত শৰ্মাই অতৰ্কিতে ভাতৰ কাঁহীত পানী ঢালি হাত ধুই দিলে।

ভাদৰ আগপৰ।

সময় পুৱা।

নিতাই পাঠকৰ ঘৰ।

বহুত সময় বাৰান্দাতে খিয় হৈ থাকি ধৰ্ম শৰ্মাই দুৱাৰত টোকৰ মাৰিলে।

হাতকটা বনিয়ন আৰু ঢেকিয়াপতীয়া লুঙি পিন্ধা সুঠাম ডেকা

এজনে দুৱাৰ খুলি দিলে। শৰ্মাক বহিবলৈ কৈ ডেকাই তেওঁৰ বাপেকক মাতিলে।

ধৰ্মবাপুৱে ঘৰখনৰ পৰিৱেশটো লক্ষ্য কৰিলে। ক'তা, এইখন ঘৰতো আজি শ্ৰাদ্ধ পতাৰ কোনো লক্ষণ নাই! বেলি গছৰ আগলৈ উঠিল, তথাপি গৃহস্থই ঢাৰি-পাটীকে এৰা নাই।

শৰ্মাই লৈ অহা, ফুল-দূৰ্বা আৰু জ্যোতিষ-পঞ্জিকাৰ টোপোলাটো সযতনে ধৰি বেৰত ওলোমাই থোৱা ফটোখনলৈ চালে: বইত পৰা হাতীৰ সুৰেদি ওপৰৰ হাওডালৈ উঠিছে নিতাই পাঠক।

বাপুৱে ডিঙি মেলি ছবিখনৰ ওচৰ চাপি আহিল।

হৰিকান্ত ডেকা গোসাঁইৰ পিতৃ স্বয়ং শ্যামকান্ত বৃদ্ধ অধিকাৰ প্ৰভুৱে নিজ হাতে নিৰ্মালি দি নিতাই মহাজনক পাঠকৰ বিষয় দিছিল। নিতাই বুঢ়াই দেহা ৰখা দহ-বাৰ বছৰ হ'ল। তথাপি তেওঁৰ নাম-ডাক অনুযায়ী গঞা-জ্ঞাতিয়ে তেওঁৰ ঘৰখনক এতিয়াও নিতাই পাঠকৰ ঘৰ বুলিয়েই কয়। পাঠকৰ এজনী মাখুন্দী হাতী আছিল। সমজুৱাই তেওঁক হাতীগিৰীয়া আৰু তেওঁৰ ঘৰখনক হাতীগিৰীয়াৰ ঘৰ বুলিও কৈছিল। হাতীগিৰীয়া বুলিলে নিতাই পাঠক অসন্তুষ্ট হৈছিল। বুঢ়াই কৈছিল, 'নিতায়ে হাতী লোৱাটো বৰ কথা নহয়। নিতাই ফুকনক অধিকাৰ প্ৰভুৱে নিজ হাতে পাঠকৰ বাব দিছে, এইটোহে কথাৰ কথা। আজি হাতী আছে, কালিলৈ মটৰ গাড়ী হ'ব। ল'ৰাইতৰ মতি-গতি সজ নহ'লে হাতীও যাব, মাটিও যাব।' বুঢ়াই ঠিকেই কৈছিল। নিতাই বুঢ়াই তেওঁৰ লগতে ঘৰখনৰ পূৰণি আভিজাত্যও লৈ গ'ল। পাঠক বুঢ়া তেজ গ্ৰহণীত পৰা দিন ধৰি হাতীজনীৰ হুচকুৱে পানী বৈছিল। বুঢ়া ঢুকোৱাৰ দিনাখনেই ৰাতিলৈ হাতীজনীও গ'ল। পিছবছৰতে তেওঁৰ সাতোটা ল'ৰা ভাগ ভাগ হ'ল। মাটি-বাৰী লৈ খোৱা-কামোৰা লাগিল। বাকীকেইটাৰ গুৰু-ব্ৰাহ্মণৰ প্ৰতি ভক্তি-শ্ৰদ্ধা নাই। বৰল'ৰা বিভীষণেই ভিখিৰ মূৰত পানী এচলু ঢালি বাপেকৰ পানী পৰাধটো কৰে। পেটৰ অজিলৰ কাৰণে যোৱা বছৰ শৰ্মা আহিবই

নোৰাৰিলে। শৰ্মাৰ হঠাৎ সন্দেহ হ'ল, তেওঁ ভুল কৰা নাইতো? ধৰ্মবাপুৱে টোপোলাৰপৰা পঞ্জিকাখন খুলি তিথিটো চালে। হয়। ভাদমাহৰ কৃষ্ণা চতুৰ্দশী, নিতাই পাঠকৰ মৃত্যু তিথি—তেওঁৰ পঞ্জিকাত স্পষ্ট লিখা আছে।

শৰ্মাক ড্ৰয়াৰ খুলি দিয়া ল'ৰাটোৱে টেবুলখনৰ ওপৰতে বহি নওঠা মাইকী মানুহৰ ছবি থকা কিতাপ এখন পঢ়ি আছে। জীয়ৰী ছোৱালী এজনীয়ে তাক কাপ-প্লেটত চাহ দি গ'লহি।

ল'ৰাটোৱে শৰ্মাক সুধিলে, 'চাহ একাপ খাব নেকি?'

শৰ্মাই হাঁহি মূৰ জোকাৰিলে, নাখায়।

'অ,' শৰ্মা দেখোন! বহক। পুৱাতে ওলালেহি যে?' নাইত তেল দি দি ভিতৰৰপৰা ওলাই অহা বিভীষণে সুধিলে।

ৰবল'ৰাহে নালাগে তাৰ বাপেকেও ধৰ্মবাপুক বাপুদেউ বা বাপু ঈশ্বৰ বুলি মাতিছিল। ৰবল'ৰাৰ শৰ্মা সম্বোধনত বাপুৱে চঁক্ খাই গ'ল।

বিশ্বাসৰ লাইখুটাত সংশয়ৰ ঘুণে ধৰিছে, ৰূপান্তৰ ঘটিছে প্ৰচলিত ৰীতিৰ। নিতাই পাঠকৰ ৰৰপুতেক বিভীষণেও পাঠক উপাধি পাইছে। কিন্তু তেওঁ শ্যামকান্ত গোস্বামী বা ধৰ্মকান্ত শৰ্মাই পতা পাঠক নহয়—বেদ-পূজা বৰ্জনকাৰী সংঘী সকলে পতা পাঠকহে। বিভীষণ পাঠকৰ ওচৰত ধৰ্ম পুৰোহিতৰ নিৰ্মালি-ঘণ্টাৰ আধ্যাত্মিক মূল্য সমূলে লোপ পাই ইবোৰ কেৱল সৰাপাত, ছিঙাফুল আৰু ধাতৱ বাদ্যযন্ত্ৰ ৰূপেহে পৰিগণিত হৈছে। ধৰ্মীয় ৰীতিৰ নৱব্যাখ্যাত শালগ্ৰামক সম্পূৰ্ণভাৱে নাকচ কৰি সেই ঠাই অধিকাৰ কৰি বহিছে ভাগৱত পুথিয়ে। বৈষ্ণৱী উপাসাৰ বিমূৰ্ত্তৰ স্খলন!

তথাপি এপাল হাঁহি, ৰবল'ৰাৰ মুখলৈ চাই পূৰ্বৰ চকীখনতে শৰ্মা বহিল। পঞ্জিকাখন টেবুলতে থৈ বিভীষণৰ নিপোটল শৰীৰটোলৈ চাই ধৰ্মবাপুৱে প্ৰশ্ন কৰিলে, 'আজি পিতাৱেৰাৰ শ্ৰাদ্ধ নহয় জানো?'

চেক চেককৈ হাঁহি ৰবল'ৰাই নাকত তেল দিলে। ক'লে, 'আমি

ভাগৱতত শৰণ লৈছোঁ। মূৰ্তি পূজা এৰিলোঁ। শঙ্কৰ গুৰুৱে কৈছেই নহয়—একশৰণ নামধৰ্ম—"আন দেৱীদেৱ নকৰিবা সেৱ মূৰ্তিকো নচাইবা তাৰ। গৃহে নপশিবা প্ৰসাদ নলৈবা ভক্তি হৈব ব্যভিচাৰ॥" সেই গুৰুবাক্য উলঙ্ঘা কৰি.......'

যজমানী ব্ৰাহ্মণ ধৰ্মকান্ত শৰ্মা জঁাপমাৰি চকীখনৰপৰা উঠিল। বিজুলী তাঁৰত আছাৰ খোৱা মানুহৰ দৰে বাপুদেউৰ সৰ্বশৰীৰ উত্তেজনাত কঁপি উঠিল। তেওঁৰ এটা আঁঠুৱে আনটোত ঘট্ ঘট্ কৰি ঘণ্টা বজাবলৈ ধৰিলে। 'অ'... বাপুৰ জিভাখন জঠৰ হৈ গৈছে। তেওঁ কথা ক'ব পৰা নাই। কেই মুহূৰ্তমান আপ্ৰাণ চেষ্টা কৰি, খোনাই খোনাই তেওঁ ক'লে,......ভা...ল...হৈ...ছে.... ভা...ভা...ল...ক·· ৰি...ছা... ।'

ধৰ্মবাপুৰ দুৰৱস্থা উপলব্ধি কৰিয়েই বিভীষণে তেওঁক আৰু ক'লে, 'বহক শৰ্মা, বহক। আপোনালোকে যে সাগৰৰ শিল এডোখৰকে এতিয়াও কিবা শালগ্ৰাম··· ?'

'···বো···পা···ই···মই···পি... ছত····আছিম···এটা······কাম ·· আছে।'

বজাহত টকনি উকৱাই যজমানী ব্ৰাহ্মণ ধৰ্ম শৰ্মা একেকোবেই পছলি পালেহি। তেওঁৰ টোপোলাৰ ফুল দূৰ্বাবোৰ বিভীষণ দত্তৰ ড্ৰইং ৰুমৰপৰা পছলিলৈকে সিঁচৰিত হৈ আছিল। পিছফালৰপৰা মত্তা বিভীষণৰ মাতত শৰ্মাই ঘূৰি চালে।

'এই যে—আপোনাৰ পুথি পাঁজি !'

ধৰ্ম শৰ্মাই পঞ্জিকাখন হাত পাতি ল'লে। বিভীষণৰ মুখলৈ নোচোৱাকৈ, মুখেৰে তেওঁক একো নোকোৱাকৈ ৰাস্তাৰ নল-খাগৰিৰ জোপা মতটিয়াই পূৰ্বৰ গতিবেগতে তেওঁ খোজ পেলালে।

যজমানী ব্ৰাহ্মণ ধৰ্মকান্ত শৰ্মাই তেওঁৰ শৰীৰৰ ভাৰসাম্য ৰক্ষা কৰিব পৰা নাই। ভঙুৱা মানুহৰ দৰে তেওঁৰ খোজবোৰ ৰ'ত ত'ত পৰিছে, ভৰি দুটাই হাবিজোপাবোৰ জপটিয়াই গৈছে। টোপোলাটোৰ

অৱশিষ্ট ফুল-দুৰ্বা আৰু পঞ্জিকাখন তেওঁৰ বুকুত জোৰেৰে সাবটি ধৰি ধৰ্মবাপুৰে উদ্দেশ্যহীনভাৱে তৰিৎ গতিত খোজ দিলে। এসময়ত তেওঁৰ খোজৰ গতিবেগ আৰু বাঢ়ি আহিল, ধৰ্ম শৰ্মাই কুকুৰ লৰ দিলে। আৰু অৱশেষত তেওঁ প্ৰাণৰ কাতৰে দৌৰ মাৰিলে।

লুইতৰ পাৰৰ মুকলি পায়েই তেওঁ হঠাৎ ৰ'ল।

পঞ্জিকাখন মেলি ধৰ্মবাপুৰে পাতবোৰ লুটিয়ালে আৰু হঠাৎ এটা অদ্ভুত চিৎকাৰ আৰু বিননিৰ শব্দ কৰি চুটিয়াই-গুৰিয়াই পঞ্জিকাখনেৰে ফুটবল খেলিবলৈ আৰম্ভ কৰি দিলে। পঞ্জিকাখন ভৰিৰে চুটিয়াই দি তেওঁ দৌৰি গৈ বুটলি লয়। আকৌ দূৰলৈ মাৰি পঠিয়ায়। তেওঁৰ বিননিৰ শব্দ ক্ৰমে কৰুণতৰ আৰু বেসুৰা হৈ আহিল! এটা সময়ত ধৰ্মকান্তই দাঁত কামুৰি, হাত-ভৰি আছাৰি অট্টহাস্য আৰু বিননি মিহলি একোটা দীঘলীয়া শব্দ কৰি পঞ্জিকাৰ মাজৰ পৰা গুলাই পৰা জ্যোতিষখনৰ পাতবোৰ এপাত এপাতকৈ ফালি বতাহত উৰাই দিলে।

মূৰে-কপালে হাত দি ধৰ্ম শৰ্মা কাঠ এডালতে বহি পৰিল। অট্টহাস্য, বিননিৰ লগে লগে হেঁপাহাই কোঁপাই তেওঁ চকু দুটা মুদি দিলে। সেইদৰেই তেওঁ কিছু সময় বহি থাকিল।

পৰম শান্তভাৱে শৰ্মাই চকু মেলিলে। ধৰ্মবাপু থিয় হ'ল আৰু লাহে লাহে উঠি গৈ সিঁচৰিত হৈ পৰি থকা জ্যোতিষ-পঞ্জিকাৰ পাতবোৰ এখিলা এখিলাকৈ বুটলি ল'লে। পৰি থকা ফুল দুবৰিৰ অৱশিষ্ট কেইপাত হাতলৈ লৈ, ফুলবন্ধা গামোচাখন জাৰি-জোকাৰি কান্ধত পেলাই তেওঁ ধীৰভাৱে ঘাটেদি নামি গ'ল।

একঁকলুৱা পানীলৈ নামি জোবোৰা এটা মাৰি শৰ্মাই "জবাকুসুম সংকাশং" শ্লোকটো মাতি সূৰ্যদেৱতাক এটা নমস্কাৰ কৰিলে। তাৰপিছত সাৰমু কুলনন্দন লুইতৰ মন্ত্ৰ ফাঁকি গাই, হাতত লৈ থকা ফুল-দুবৰি-জ্যোতিষ-পঞ্জিকাৰ আঁজলিটো লুইতৰ পানীত উটুৱাই দিলে। দীনহীন যজমানী পণ্ডিত ধৰ্মকান্ত শৰ্মাৰ ভক্তিৰ অঞ্জলি ব্ৰহ্মপুত্ৰ মহাবাহুৰ কোবাল সোঁতে ততালিকে উটুৱাই লৈ গ'ল।

উটি যোৱা ফুল-পাতবোৰলৈ চাই শৰ্মাবাপু তধা লাগি ৰ'ল।

ভোগেশ্বৰে জকাইচুকত পতা ৰুক্মিণী হৰণ ভাওনাৰ পিছৰপৰা ধৰ্ম শৰ্মা নামৰ কথাচহকী মানুহটোৱে কথা নোকোৱা হৈছিল। দিনে ৰাতিয়ে গীতৰ পদ, গুলাওঁতে সোমাওঁতে কীৰ্তন-ঘোষা গাই ল'ৰা-ছোৱালীৰ লগত অহৰ্নিশে হাঁহি ধেমালি কৰি থকা মানুহটোক যেন চামোনে পালে। কথা শৰ্মাৰ ভিতৰ সোমাল।

সঘনে পেটত গামোচা বান্ধি থাকিবলগীয়া হ'লেও, ল'ৰা-ছোৱালীৰ মুখৰ হাঁহি চাই ধৰ্ম-ৰুক্মিণীয়ে দিন কটাইছিল তেতিয়াও—ভৱিষ্যত সুখৰ হ'ব এই আশাত। বাস্তৱত সি হৈ নুঠিল।

চিত্তৰ কলেজৰ ফিজ বাকী পৰিল। প্ৰাণৰ পঢ়াৰ খৰচ যোগাব নোৱাৰা হ'ল ধৰ্মকান্তই। স্কুলৰ ৰেজিষ্টাৰৰ পৰা অহল্যাৰ নাম কাটি দিলে। চকুৰ পানীৰে বাট নেদেখা হ'ল ৰুক্মিণীয়ে। ধৰ্মকান্ত পেঁপুৱা লাগিল। জকাইচুকীয়া সমাজত তেওঁৰ প্ৰয়োজন দিনে দিনে কমি আহিবলৈ ধৰিলে। সমজুৱাই তেওঁৰ অস্তিত্ব উপলব্ধি নকৰা হ'ল। বাৰীৰ কলগছ কাটি চুৰাঁজ খাবলগীয়া হ'ল ধৰ্মকান্ত শৰ্মাৰ পৰিয়ালে।

ধৰ্মকান্ত শৰ্মাৰ সাতামপুৰুষীয়া যজমানী বৃত্তি বিকল হৈ আহিল।

ধৰ্ম শৰ্মাই এই সকলোবোৰ নীৰৱে সহ্য কৰি আহিছিল। তেওঁ আপ্ৰাণ চেষ্টা কৰি আহিছিল ল'ৰা-ছোৱালী কেইটা জীয়াই ৰাখিবলৈ।

বিভীষণ ফুকন ওৰফে নিতাই পাঠকৰ ঘৰৰ ঘটনাই শৰ্মাক তেওঁৰ পৰিয়ালটোৰ জীৱন হাতৰ মুঠিত ল'বলৈ প্ৰলয়ঙ্কৰী শক্তি দান কৰিছিল।

নৈৰ পাৰৰপৰা ধীৰ-স্থিৰভাৱে আহি শৰ্মাই গোহালিৰপৰা মজপুত চাই পথা এডাল হাতলৈ তুলি ল'লে। গোহালিৰ চৌতি আৰু পছলিৰ আমগছজোপাৰ বাৰীৰ ফাললৈ হালি থকা ডালটোলৈ তেওঁ লক্ষ্য কৰিলে। মিচিকিয়াই হাঁহি এটা মাৰি তেওঁ গছজোপালৈ

যাব খোজোঁতেই ভিতৰত অহল্যাই গাই থকা দধিমথনৰ গীতৰ এটা কলি শৰ্মাৰ কাণত পৰিলহি। শৰ্মাই গছজোপাৰ ফালে নগৈ বাৰান্দাৰ ফালে আগবাঢ়ি আহিল।

মথনৰ গীত একাকি গাই অহল্যাই ঠাই সাৰিছে, শৰ্মাই দেখিলে।

ধৰ্ম শৰ্মাৰ খুউব ইচ্ছা হ'ল, তেওঁ শেষবাৰৰ কাৰণে অহল্যাৰ মুখখন চাই যাব।

সোতাটো হাতত লৈ অহল্যা বাৰান্দালৈ ওলাই আহিল। হাতত পঘা এডাল লৈ তিতা গাবে বৈ থকা বাপেকক দেখি তাই অবাক হৈ চিঞৰি দিলে, 'দে—উ—তা!'

অহল্যাৰ চকুত চকু ৰাখি শৰ্মাই তাইলৈ চাই থাকিল। বাপুৱে কেঁচুৱা ল'বাৰ দৰে এটা হাঁহি হাঁহিলে। তেওঁৰ মগজুৱে গম নোপোৱাকৈয়ে বাপুৰ হাতখনে লৈ থকা পঘাডাল গোহালিলৈ দলিয়াই দিলে।

গধূলিলৈ ধৰ্ম শৰ্মা সিদ্ধান্তলৈ আহিল, তেওঁ জকাইচুক এৰিব। চিত্ত, প্ৰাণ, অহল্যা আৰু ৰুক্মিণীক বহুৱাই লৈ তেওঁ ক'লে, 'জকাইচুকত আমাৰ প্ৰয়োজন শেষ হ'ল। আমি অকলশৰীয়া। আমাক কোনেও মানুহ বুলি গণ্য নকৰে। এই দেশত ধৰ্মৰ খুটি লৰিল। সন্মান থাকোঁতেই বসতে নাম খোৱা ভাল। সাতামপুৰুষীয়া যজমানৰ আগত লঘু হোৱাতকৈ অচিন ঠাইত গৈ ভিক্ষা কৰি পেট প্ৰবৰ্তোৱাও অনেক ভাল।'

সপৰিয়ালে ধৰ্ম শৰ্মা বসবাসৰ উদ্দেশ্যে গুৱাহাটীলৈ যাব বুলি মনোৰঞ্জনলৈ ঘনে ঘনে চিঠি লিখা হ'ল। কেইবাখনো চিঠিৰ মূৰত মনোৱে লিখিলে, 'সি নিজে জকাইচুকলৈ আহি এটা ব্যৱস্থা কৰিব।' কিন্তু ধৰ্ম শৰ্মাৰ অপেক্ষাৰ সময় ক'ত?

বৰপুতেকলৈ শেষ চিঠিত শৰ্মাই জনালে, ধৰ্ম শৰ্মাৰ বাবে ছটা পথেই খোলা আছে। হয় অভিশাপে তেওঁ জকাইচুক এৰিব লাগিব নহয় কোনোবা দিনা তেওঁৰ অপমৃত্যু ঘটিব। সেয়ে গুৱাহাটীলৈ মনোৰঞ্জনৰ আশ্ৰয়লৈ যোৱাৰ বাহিৰে ধৰ্ম শৰ্মাৰ গত্যন্তৰ নাই।

মনোৰঞ্জনে আকৌ লিখিলে, 'তাৰ উপাৰ্জন সীমিত। নগৰৰ ভাড়া ঘৰ। গুৱাহাটীৰ সং-সমাজ বেলেগ। তালৈ আহি মাক-বাপেকৰ কষ্টহে হ'ব।

চাকৰি এটাৰ বাবে চিত্তই আপ্ৰাণ চেষ্টা কৰিলে। সামান্য উপাৰ্জন কৰি পৰিয়ালটোক পোহপাল দিবৰ কাৰণে, আনকি দিন-মজুৰি কৰিবলৈ চেষ্টা কৰিও সি বিফল হ'ল।

শেষ পৰ্যন্ত ৰুক্মিণীক ধৰ্মবাপুৱে বুজালে, 'ভাই-ভনীৰ হাহাকাৰ দেখিলে মনোৰো চকু ফাটি চকুপানী ওলাব। মনো আমাৰ পেটৰ পোৱালি। মাক-বাপেকক সি লঘোনে নাৰাখে, ৰাখিব নোৱাৰে।'

এই বিশ্বাসত ভৰ দিয়েই যজমানী ব্ৰাহ্মণ ধৰ্ম শৰ্মাই অতি সহজ চৰ্তত তেওঁৰ অৱশিষ্ট সম্পত্তি পেটুৱা-ভোগেশ্বৰ-গমধৰক বিক্ৰী কৰি গুৱাহাটী উদ্দেশ্যে যাত্ৰা আৰম্ভ কৰিলে।

পৰহি চিত্তই গৌৰীসাগৰ ডাকঘৰৰপৰা সবিশেষ লিখি মনোলৈ দীঘলীয়া টেলিগ্ৰাম কৰি দিলে।

যজমান-গিয়াতিয়ে বাপু-বাপুৱনীক মাত-বোল লগাই চাই গৈছেহি।

পুৰোহিত দেশান্তৰী হোৱাৰ বিষয়টোকে লৈ শ্ৰাদ্ধ-বিধিত এতিয়াও শ্ৰদ্ধা থকা সকল বিবুধিত পৰি পৰহি গধূলি নামঘৰতে গোট খাইছিল। সমজুৱাৰ মাজত বাক-বিতণ্ডা বহুতো হ'ল যদিও দুবাৰ মানুহ পঠিয়ায়ো বাপুক নামঘৰলৈ নিয়াব পৰা নহ'ল। শেষত এৰণীয়া খাবলৈ কুকুৰ মতা বাতি জনদিয়েক মুখীয়াল শৰ্মাৰ ঘৰতে উপস্থিত হ'লহি।

বাপুৱে দুই ৰামকে নসয়। ধৰ্ম পুৰোহিতৰ ভৰিয়ে হাতে ধৰি, জকাইচুক এৰি নাযাবলৈ তেওঁক কাবৌ-কোকালি কৰিলে ধেনা কেওঁটে। এনেহেন গাঁওখনত পুৰোহিত এজন নাথাকিলে, কেৱল বামুণৰ অভাৱতে শবাধ-বিধি স্থগিত হোৱাৰ আশংকা কৰিলে বমাই বুঢ়াই। শালমৰীয়া বিয়েয়ে স্পষ্টভাৱেই ক'লে বোলে বামুণ-গোসাঁইৰ দোষতহে দেশত পূজা সেৱা লোপ পাইছে। মাহেকীয়া সকলৰ লাইখুটা ধৰ্ম

পুৰোহিতেই শুচি গ'লে এঘাৰদিনীয়া হৰিজনীয়াৰ প্ৰকোপত জকাইচুকত থাকিব নোৱাৰা হ'ব বুলি মুনিয়া দেউৰীয়ে আক্ষেপ কৰিলে। সমজুৱাৰ যুক্তি-তৰ্ক-বুজনিক আওকাণ কৰি, অঁকৰা মৈত উঠাদি শৰ্মা তেওঁৰ সিদ্ধান্তত অটল হৈ ৰ'ল। শেষত ভকত দেদায়ে শৰ্মাক অভিশাপহে দিলে বোলে আমাৰ কাকুতি-মিনতি ভৰিৰে ঠেলি, নিঃকিন বাইজক অধৰমীৰ হাতত গতাই দি ধৰ্ম পুৰোহিত গুৱাহাটী মুলুকত সুখ খাবলৈ যাবলৈ ওলাইছে যাওক, পিছে বাপুক হ'লে বাইজৰ শাৱে ছুব। মাজুলিৰ বামুণ আনিছে সিদিনালৈ তাৰ বাপেকৰ শৰাধ কৰিব লাগিব বুলি ছুখীৰামে এসোঁতা কান্দিলেই।

কালি গধূলি ৰমেশ মাষ্টৰে মাত লগাবলৈ আহি চিন্তক ক'লে, 'দেশ একেখনেই, নীতি-নিয়মো একেবোৰেই। বৰঞ্চ গাঁৱতকৈ নগৰ বেছি জটিল। য'তেই নাথাকা, যুঁজিবই লাগিব। ক'ত আছা সেইটো ডাঙৰ কথা নহয়—ডাঙৰ কথা হ'ল যুঁজ কৰি নিজৰ অধিকাৰ আদায় কৰাটোহে...'

আজি পুৱা ধৰ্মকান্ত শৰ্মা বাপুৱে জীৱনত প্ৰথমবাৰ জ্যোতিষ নেমেলাকৈ, সপৰিয়ালে যাত্ৰা কৰি নিমাতি হৈ মৰিয়ণীৰ বেলত উঠিছেহি।

ধৰ্মকান্ত শৰ্মাই দেখিলে, বেলত অহা মানুহবোৰে নিজৰ নিজৰ টালি-টোপোলা বান্ধিবলৈ আৰম্ভ কৰি দিছে।

গুৱাহাটীৰ প্লেটফৰ্মত নামিয়েই ধৰ্ম শৰ্মাৰ পৰিয়াল এক বিৰাট জনসমাবেশৰ মুখামুখি হ'ল। আৰু লাহে লাহে তেওঁলোকো সেই জনঅৰণ্যৰ মাজত সোমাই পৰিল।

হাতে-পাতে ধৰি টালি-টোপোলাবোৰ ৰেলৰপৰা নমোৱাৰ পিছত, চকিত চাৱনিৰে সকলোৱে ইফালে সিফালে চাবলৈ ধৰিলে। নাই, মনোৰঞ্জনক তেওঁলোকৰ চকুত নপৰিল। শৰ্মাই ভাবিলে, মনো আহিছে যদিও তেওঁলোকে তাক এই জনসমুদ্ৰত বিচাৰি উলিয়াব নোৱাৰে।

তথাপি তেওঁলোক অলপ সময় প্লেটফৰ্মতে ৰ'ল।

লাহে লাহে ভিৰ কমিল। ৰেলৰপৰা নমাসকল প্লেটফৰ্মৰ বাহিৰ ওলাই গ'ল। উঠিবলৈ বৈ থকাখিনি দুৱাৰে-খিৰিকীয়ে ৰেলত সোমাল। যাত্ৰী আগবঢ়াই নিবলৈ অহাখিনিয়ে শৰ্মা পৰিয়ালক প্লেটফৰ্মতে এৰি নিজৰ নিজৰ মানুহ লৈ হাঁহি-কান্দি গুচি গ'ল।

শৰ্মা পৰিয়ালৰ চকুৰ মণিবোৰ ঘূৰিবলৈ ধৰিলে।

ধৰ্মকান্ত শৰ্মাই দেখিলে, প্লেটফৰ্মৰ কাষতে অজস্ৰ ৰেলৰ চিৰি। তেওঁৰ ধাৰণা হ'ল কেৱল নতুন মানুহৰ কাৰণেই নহয়, এই চক্ৰবেহুত চিনাকি মানুহৰো বাট হেৰাব পাৰে। কোন শদিয়াৰপৰা একো একোটা ৰাস্তা আহি এই ষ্টেচন পাইছেহি; কিন্তু ৰেলৰ চিৰিবোৰ ইয়াতে থমকি ৰোৱা নাই—আকৌ কোনোবা ষ্টেচন অভিমুখে সিহঁতে চাপলি মেলিছে। পোৱালি মেলিছে গুৱাহাটীৰ ৰেল লাইনে।

শৰ্মাই ভাবিলে, লাইনবোৰৰ লক্ষ্যস্থানৰ বিষয়ে এই লাইনবোৰৰ বাহিৰে বোধহয় আৰু কোনেও নাজানে। 'এই চক্ৰবেহুৰ মাজত দুই এবাৰ বাট নেহেৰুৱাকৈ সঠিক পথ বাহিৰ কৰাটো সঁচাকৈয়ে অসম্ভৱ!

বেলৰ কৰ্মীবোৰৰ কাৰুকাৰ্য দেখি অহল্যা অবাক হ'ল।

জেপকটা চোৰ এটা পুলিচে ধৰি নিয়া দেখি প্ৰাণে সেইফাললৈ ত'ধা লাগি চাই থাকিল।

ইমান সময়েও মনোৰঞ্জনক নেদেখি চিত্তই বুজিব পাৰিলে, তাৰ ককায়েক ষ্টেশ্যনলৈ নাহিল।

হাতে হাতে টোপোলা লৈ শৰ্মাৰ পৰিয়াল ৰিক্সাত উঠিলহি।

চিত্তই ৰিক্সাৱালাক মনোৰঞ্জনৰ থাকঘৰৰ ঠিকনা কৈ দিলে।

তেওঁলোকক নিবলৈ মনোৰঞ্জন ষ্টেশ্যনলৈ নহাৰ কথাটোৱে ৰুক্মিণীক ভৱাই তুলিলে।

ৰিক্সা চলিল। চালকৰ ভৰি আঙুলিৰ টিপাত মহানগৰীৰ খহতা ক'লা বুকুৰেদি তিনিচকীয়া ৰথৰ চকা ঘূৰিবলৈ ধৰিলে। জকাইচুকীয়া শৰ্মা পৰিয়ালৰ প্ৰখৰ চকুবোৰে আঘাত কৰিবলৈ ধৰিলে উলংগ মহানগৰীৰ বুকুৱে-পিঠিয়ে।

বাটৰ দুয়োকাষে হিন্দী ছবিৰ বিৰাটাকাৰ হ'ৰ্ডিঙত নঙঠা গাভৰুৰ লাজ লগা ছবি।

সৰ্বশৰীৰ গৰম কাপোৰেৰে ঢাকি, সন্তুষ্টিৰ উমত বুকু ফিন্দাই ফুৰা ভদ্ৰলোক।

লাজ ঢাকিবৰ বাবে নিতান্তে প্ৰয়োজনীয় কাপোৰ এটুকুৰাও গাত মেৰিয়াবলৈ অসমৰ্থ ভোটাধিকাৰী নাগৰিক।

চতুৰ্দিশে ভোগ্য-পণ্যৰ চকু চাট্ মাৰি ধৰা বিজ্ঞাপন। মহানগৰীৰ ৰূপ দেখি চিত্ত অবাক হ'ল।

শিৱসাগৰ পুখুৰীৰ পাৰত বৈ চিত্তই নগৰীৰ অপ-ৰূপ লক্ষ্য কৰিছে। কিন্তু গুৱাহাটীৰ যেন এটা নিজৰ ৰূপ আছে। সেই ৰূপ আৰু বেছি বৈসাদৃশ্যৰ, আৰু বেছি ভয়াবহ!

বাস্তাৰ কাষৰ উৰলি যোৱা জুপুৰি। আকাশ ছুব খোজা বাহাৰা ৰঙৰ অট্টালিকা।

ধৰ্ম শৰ্মাৰ গাটো হঠাৎ জিকাৰ খাই আহিল। তেওঁ ডিঙি মেলি এটা প্ৰাসাদৰ ওপৰলৈ চালে। সুউচ্চ এই অট্টালিকাৰ কাষত তেওঁৰ নিজকে এটা অতিশয় ক্ষুদ্ৰ প্ৰাণী যেন অনুভৱ হ'ল।

অহল্যাই দেখিলে, নগৰৰ প্ৰায়বোৰ ছোৱালীয়েই ৰিহা-মেখেলা নিপিন্ধে। সাড়ী বা পেণ্ট-চাৰ্ট যিয়েই নিপিন্ধক, সিহঁতে কিন্তু বেছ আঁটিলকৈ কাপোৰ পিন্ধে। ফিট্-ফাট্ ছোৱালীবোৰ দেখি অহল্যাই খুউব ফুৰ্তি পালে। অহল্যাই শুনিছে, নগৰত গাঁৱৰ দৰে মাইকী মানুহবোৰ ঘৰত সোমাই নাথাকে। তেওঁলোকে পঢ়া-শুনা কৰে, চাকৰি-বাকৰি কৰে। নগৰীয়া মাইকী মানুহে বজাৰ সমাৰ কৰে বুলিও তাই শুনিছে। হাতত ভেনিটি বেগ লৈ কোবা-কুবিকৈ যোৱা তাইৰ মাকৰ বয়সীয়া মহিলা এগৰাকী দেখি অহল্যাই ভাবিলে, তেখেতে নিশ্চয় চাকৰি কৰে।

ডেকা-গাভৰু এহালে হাতত ধৰা-ধৰিকৈ ফুটপাথেদি খোজকাঢ়ি আহিছে। ল'ৰাটোৱে ছোৱালীজনীৰ মুখলৈ চাই এটা বেঁকা হাঁহি মাৰিলে। অহল্যাৰ লাজ লাগি গ'ল।

চিত্ত লাহে লাহে চিন্তাৰ চক্ৰবেহুত সোমাই পৰিছে।

দেশখনত ইমান বৈসাদৃশ্য হ'ব পাৰিলে কেনেকৈ ? এফালে ফু মাৰি ভাত খাব পৰা নগৰৰ ৰাজপথ, কিন্তু আনফালে একাঁঠু বোকাৰ গাঁৱলীয়া গৰুবাট। এহাতে প্ৰাসাদোপম অট্টালিকা, আনহাতে উকথা পঁজা। নগৰীৰ ৰাজপথত মাত্ৰ কেইগজমানৰ দূৰত্বত বিজুলী চাকি, গাঁওবোৰত কেৱল জোন-বেলিৰ পোহৰেই পোহৰ। ইয়াত ছুবুৰিয়ে ছুবুৰিয়ে নানা স্কুল-কলেজ, অথচ গাঁওবোৰত পাঠশালা এখোটাৰো অভাৱ। ৰমেশ মাষ্টৰে কৈছিল, দেশখন দুটা শ্ৰেণীত ভাগ হৈ যাব ধৰিছে। শিক্ষিত আৰু অশিক্ষিত, নগৰ আৰু গাঁও, ধনী আৰু দুখীয়া।

অথচ গাঁৱৰ অশিক্ষিত এই দুখীয়া শ্ৰেণীটোৱেই উৎপন্ন কৰিছে

নগৰৰ বাবে। হাড়ক মাটি কৰি যিবোৰ মানুহে জীৱন পাত কৰিছে, সিহঁতে দুবেলা দুমুঠি খাবলৈ পোৱা নাই। কেৱল কাগজৰ টকাৰ জোৰত নগৰৰ মানুহে গাঁৱৰ ভাণ্ডাৰ চুচি আনিছে, শুহি আনিছে মেহনতী মানুহৰ ৰূপ ৰস। আৰু এই অসমতা দিনে দিনে বাঢ়ি গৈছে। গাঁওবোৰৰ কোনো লেখত লবলগীয়া উন্নতি হোৱা নাই, নগৰবোৰ উন্থানে-কোৱাবাৰে সজোৱা হৈছে। কিন্তু কিয় ?

যি মানুহে গুৱাহাটীৰ দৰে মহানগৰী তৈয়াৰী কৰিব পাৰে, যিবোৰ মানুহে নগৰৰ প্ৰতি চুকে-কোণে মহা মহা বিদ্যালয় সাজিব লাগে বুলি জানে, সেইবোৰ মানুহে খেতিয়কৰ ল'ৰা-ছোৱালীৰ বৰ্ণ পৰিচয়ৰ কাৰণে অন্ততঃ দুই-তিনিখন গাঁৱৰ মাজতো একোখন বুনিয়াদী স্কুল সাজিব লাগে বুলি ভাবিব নোৱৰা কথাটো চিন্তৰ কাৰণে বিশ্বাসযোগ্য নোহোৱাৰেই কথা। আচলতে ইচ্ছা কৰিয়েই গাঁও আৰু নগৰবোৰক দুটা শ্ৰেণীত ভাগ কৰি ৰখা হৈছে। নগৰীয়াখিনিক আধুনিক শিক্ষা, বৈজ্ঞানিক যন্ত্ৰ-পাতি আদিৰ প্ৰাচুৰ্য্যৰে সুবিধা দিয়া হৈছে অশিক্ষিত গাঁৱলীয়া মানুহক শোষণ কৰি খাবৰ কাৰণে। আৰু গাঁওবোৰক বিজুলী চাকিৰ পোহৰৰপৰা নিৰাপদ দুৰত্বত আঁতৰাই ৰখা হৈছে যাতে, গাঁৱৰ মানুহে নগৰীয়া শোষণৰ অন্ধকাৰত ডুব গৈ থাকি অস্তিত্ব চেতনাৰ ছাঁৱা-পানীৰ পৰা বঞ্চিত হৈ থাকে।

শইকীয়া মাষ্টৰে চিন্তক আৰু কৈছিল, 'বঞ্চিত আৰু প্ৰবঞ্চকৰ মাজত বৈষম্য যিমানেই বাঢ়ি আহিব, প্ৰতিবাদৰ কণ্ঠও সিমানেই মুখৰ আৰু তেজী হৈ উঠিব। আৰু এই বৈষম্যয়ে ইতিহাসৰ ৰীতি অনুযায়ী কালক্ৰমত সমতা সৃষ্টিৰ নিমিত্তে হৈ বিদ্ৰোহৰ ভেটি প্ৰতিষ্ঠা কৰিব।'

চতুৰ্দিশে মটৰ, ৰিক্সা, ঠেলাগাড়ী, চাইকেল, পদাতিকজনৰ অহা-যোৱা। সকলোৱেই ব্যস্ত, ব্যগ্ৰ। বিচিত্ৰ মহানগৰী। কিন্তু এই বিচিত্ৰতাই নগৰীৰ শোভা বঢ়োৱা নাই,—প্ৰতিযোগিতাহে জন্ম দিছে। বিপদজনক প্ৰতিযোগিতা। চাইকেল কুটপাথত উঠিছে,

ফুটপাথৰ পদাতিক ৰাজপথলৈ নামি আহিছে। ৰিক্সাই ঠেলাক অতিক্ৰম কৰিছে। এই সকলোবোৰ পিছ পেলাই গাড়ীবোৰ দৌৰিছে। গাড়ীবোৰৰ মাজতো চলিছে প্ৰতিযোগিতা অহৰহ। অতিশীঘ্ৰে লক্ষ্যত উপনীত হোৱাৰ উন্মাদনাত গোটেই মহানগৰীখনেই যেন তীব্ৰ বেগত চাপলি মেলিছে। চতুৰ্দিশে এক সাৰ্বিক প্ৰতিযোগিতা। ক'তো সহযোগিতাৰ চিন-চাব নাই। এই প্ৰতিযোগিতাত প্ৰতিজন মানুহেই প্ৰত্যেকৰে প্ৰতিদ্বন্দ্বী। নিৰপেক্ষ বুলিবলৈ কোনো নাই। ইয়াত এনে পৰিবেশ তৈয়াৰী হৈছে যিয়ে নিষ্ঠুৰ প্ৰতিযোগিতাৰ সৃষ্টি কৰিছে। সেই কৃত্ৰিম পাৰিপাৰ্শ্বিকতাই মানুহক প্ৰতিদ্বন্দ্বী কৰি তুলিছে। সকলোৱেই অংশগ্ৰহণ কৰিছে এই প্ৰতিযোগিতাৰ খেলাত। যদি কোনোবাই অংশগ্ৰহণ কৰা নাই, সি পিছ পৰি ৰৈছে। কোনে জানে, হয়তো কোনোবাই ইচ্ছাকৃত-ভাৱেই এই অন্যায় প্ৰতিযোগিতাৰ সৃষ্টি কৰিছে আৰু ভাই ভাইৰ ষড়যন্ত্ৰত এজনৰ বিৰুদ্ধে আনজনক থিয় কৰাই সেই অদৃশ্য শক্তিয়ে আঁৰৰপৰা চক্ৰান্তৰ বাঘজৰী টানি নিজৰ উদ্দেশ্য সিদ্ধি কৰি চলিছে! আৰু সেই অদৃশ্য শক্তিয়ে মানুহক আপোনঘাতী-প্ৰতিদ্বন্দ্বিতাত নামিবলৈ বাধ্য কৰাইছে!

চিত্তৰ সবল বিশ্বাস, এই অন্যায় প্ৰতিযোগিতাত ভাগ লোৱাতকৈ কাকো অসন্তুষ্ট নকৰাকৈ সহজ উপায়ে জীয়াই থাকিব পৰাটো বহুত ভাল। যি কোনো প্ৰতিযোগিতাৰ প্ৰতিয়েই চিত্তৰ অনীহা আছে সৰুৰেপৰা।

চিত্তই ভাবিলে, তথাপি প্ৰয়োজন মতে এই প্ৰতিযোগিতাত নামিব লাগিব। দুহাতে আঁজুৰি নিজৰ অধিকাৰ আদায় কৰিব লাগিব। জীয়াই থকাৰ পৰিবেশ-সৃষ্টিৰ বাবে মুখামুখি হ'ব লাগিব উপস্থিত বাস্তৱৰ—তেহেলৈ সি যিমানেই ৰূঢ় নহওক!

মনোৰঞ্জনৰ পছন্দিত শৰ্মা পৰিয়াল বিজ্ঞাপনৰ নামিলহি।

অসম টাইপৰ এটা পকা ঘৰ।

বাটৰপৰা চকুত পৰাকৈ বাৰান্দাৰ খুটা এটাত টিন এচটা লগাই মনোৰঞ্জনৰ নাম লিখা আছে।

ৰিক্সাকেইখন বিদায় দি টাপি-টোপোলা লৈ সকলো ভিতৰ সোমাল।

ধৰ্ম শৰ্মাৰ চকুৱে মনোৰ ড্ৰইংৰুম প্ৰদক্ষিণ কৰিলে।

চাৰি-পাঁচখন কুশনপতা চকী, এখন সৰু টেবুল। বেৰৰ আগত মদৰ বিজ্ঞাপনৰ কেলেণ্ডাৰ। কোঠাটোৰ এটা চুকত সজাই থোৱা আছে এখন শঙ্কৰী শৰাই আৰু ভিতৰৰ কোঠালৈ সোমোৱা দুৱাৰৰ চুকত এজনী প্ৰায় নগ্ণঠা গাভৰুৰ ছবি—গা ধুই থকা গাভৰুজনীয়ে এটা বিকৃত ভঙ্গীৰে তাইৰ প্ৰায় নিৰাভৰণ স্তন দুটাৰ মাজত হাতৰ তলুৱাত গাধোৱা চাবোন এটুকুৰা লৈ আছে। ডাঠ কাগজ অথবা পাতল কাঠৰ ওপৰত আঠা লগাই ছবিখন বেৰৰ চুকত হেলনীয়াভাৱে ৰখা হৈছে। তিনি হাতমান দীঘল আৰু এমোঠনমান বহলৰ নগ্ণঠা ছোৱালীজনীৰ ছবিখন মনোৱে তাৰ ড্ৰইংৰুমত কিয় সজাই থব লাগে, শৰ্মাই একো বুজিব নোৱাৰিলে।

চিত্তই ভিতৰফালৰ দুৱাৰত টোকৰ মাৰিলে।

কণ্ঠ লেংটিৰ গাঁঠি বান্ধি বান্ধি ওলাই আহিল মনোৰঞ্জন। আৰু কল্পিণী ধৰ্মকান্তক সমুখতে দেখি অবাক বিস্ময়ত চিঞৰি উঠিল, 'মা! দেউতা!!...'

একেই আবেগতে মনোৰঞ্জনে ভায়েক-ভনীয়েককইতৰ নামবোৰো একালৰপৰা চিঞৰি গ'ল।

মনোৰঞ্জনৰ চিঞৰ শুনি, হাতত ওঁঠ বোলোৱা পেন্সিল এডাল লৈ চপলিয়াই আহিল নিবেদিতা। শৰ্মাইতৰ মুখামুখি হৈয়ে নিতাই নিজকে সংযত কৰি ল'লে।

ধৰ্মবাপুৱে দেখিলে, বেৰৰ চুকত সজাই থোৱা, হাতত চাবোন লৈ গা ধুই থকা ছবিখনৰ গাভৰুজনী এইজনীয়েই!

ধৰ্ম শৰ্মাই ছবিখনৰ লগত গাভৰুজনীৰ চেহেৰাটো ভতাভেৱাকৈ

কেইবাবাৰো মিলাই চালে। নিবেদিতাৰ লগত তাইৰ ফটোখনৰ মিল বিচাৰোঁতে শৰ্মাই চমকতে দেখিলে, তেওঁৰ সমুখত থিয় হৈ পা ধুই থকা ছুয়োজনী গাভৰুৰেই সিহঁতৰ উঠন বুকুৰ মাজত চাবোন একো ডোখৰ ধৰি থাকি শৰ্মালৈ চাই বিকৃত ভঙ্গীৰে হাঁহিছে। হঠাৎ শৰ্মাই কাণত পানী সোমোৱা মেকুৰীৰ দৰে মূৰটো জোকাৰি দিলে। তেওঁক প্ৰকৃতিস্থ হ'বলৈ কেইবাটাও মূল্যবান মুহূৰ্তৰ প্ৰয়োজন হ'ল। আৰু প্ৰকৃতিস্থ হোৱাৰ লগেই ধৰ্মকান্তৰ মগজুত এটা সাংঘাতিক সন্দেহে ভুমুকি মাৰিলে—গাভৰুজনী তেওঁৰ বোৱাৰীয়েক নহয়তো!

ৰুক্মিণীৰ মুখলৈ চাই ধৰ্মকান্তই বুজিলে, তেওঁৰ সন্দেহটো সঁচা। বোৱাৰীয়েকৰ চকুলৈ এবাৰ চাব খুজি শৰ্মাৰ চকু ছুটাত লাজ লাগি গ'ল। তল মূৰে তেওঁ থিয় হৈ থকা মজিয়াখন পৰীক্ষা কৰিলে; ভৰিৰ গোবোৰাৰে মজিয়াত লাহেকৈ খুন্দা মাৰি চাই ধৰ্মই বুজিলে, অধৰ্মী মহানগৰীৰ মজিয়া লোহাৰ দৰেই কঠিন, শিলৰ দৰেই পাষাণ।

ধৰ্ম শৰ্মাৰ মূৰটো জিনজিনাই আছিল।

সহজ হ'বলৈ চেষ্টা কৰি তেওঁ ৰুক্মিণীৰ মিচিকিয়াই হাঁহি থকা মুখখনলৈ চাই কেঁচুৱা ল'বাৰ অবুজ হাঁহিটো মাৰিলে।

মনোৱে মাক-বাপেকৰ ভৰি ছুই প্ৰণাম কৰিলে। সংস্কৃত শব্দ ছুটামান মুখৰ ভিতৰতে উচ্চাৰণ কৰি তাৰ মূৰত হাত দি শৰ্মাই আশীৰ্বাদ দিলে।

গোমোঠা মুখখনলৈ এটা কৃত্ৰিম হাঁহি আনি নিবেদিতাই শাহু-শহুৰেকক নমস্কাৰ কৰিলে। বোৱাৰীয়েকৰ মূৰত হাত দি আশীৰ্বাদ কৰিব খোজা শৰ্মাৰ সোঁহাতখন লাহে লাহে কোঁচ খাই আছিল।

চিত্তই খুউব সহজভাৱে নবৌয়েকক নিজৰ চিনাকি দি পৰিয়ালৰ বাকী কেইজনৰ লগতো নিবেদিতাক পৰিচয় কৰাই দিলে।

নিবেদিতাই কৌতূহল আৰু চেপা বিতৃষ্ণা মিহলি চাৱনিৰে এজন এজনকৈ সকলোৰে মুখলৈ চালে। আবেগতে আহ্লা নবৌয়েকৰ

ওচৰ চাপি গ'ল ; কিন্তু তেওঁক সাবট মাৰি ধৰিব খুজিও নিবেদিতাৰ বং সনা ওঁঠ দুটালৈ চাই থমকি ৰ'ল। ইতস্ততঃ কৰিও সবলা কল্পিণীয়ে আধুনিকা বোৱাৰীৰ মুখে-কপালে হাত ফুৰাই দিলে। বোৱাৰীয়েকৰ খোঁপাফানৰ দৰে তেল নথকা চুলিৰ মাজত এখন হাতৰ আঙুলিবোৰ সুমুৱাই দি, আনখন হাতেৰে তাইৰ থুঁতৰিত ধৰি কল্পিণীয়ে নিবেদিতাৰ মুখখন নিজৰ মুখৰ ওচৰলৈ চপাই আনিলে। শাহুয়েকে ন-কইনা চোৱাৰ গৌৰৱেৰে কল্পিণীয়ে নিবেদিতাৰ মুখৰ প্ৰত্যেকটো অংশতে তন্ন-তন্নকৈ চকু ফুৰালে। কল্পিণীৰ বহলকৈ মেলা চকু দুটাত খন্তেকৰ কাৰণে আবেগ আৰু আশাৰ সঞ্চাৰ হ'ল। কিন্তু পিছ মুহূৰ্ত্ততে নিবেদিতাৰ মুখৰ কেঁচা ৰংবোৰ দেখি আৰু তাইৰ গাৰ কেচেমা গোন্ধটো কল্পিণীৰ নাকত লাগি তেওঁৰ আবেগ মৰহি গ'ল, আশাটো সন্দেহলৈ ৰূপান্তৰিত হ'ল। বোৱাৰীক ধৰি থকা শাহু আইৰ হাত দুখন ক্ৰমে শিথিল হৈ আহিল। কল্পিণীৰ বাহুবন্ধনৰ পৰা নিবেদিতাই নিজকে মুকলি কৰি ল'লে।

গম্ভীৰভাৱে মনোৰ চকুলৈ চাই, উচাট মাৰি নিবেদিতা ভিতৰলৈ সোমাই গ'ল।

ধৰ্মকান্তৰ চিঠিবোৰে নিবেদিতাৰ সংসাৰত কলহৰ সৃষ্টি কৰিছিল। মনোৰঞ্জনৰ গোটেই ঘৰখনৰ দায়িত্ব নিবেদিতাই গ্ৰহণ কৰিবলগীয়া হোৱা কথাটো তাই কোনোদিনেই ভৱা নাছিল। চিত্তৰ টেলিগ্ৰামখন পোৱাৰ পিছত সেয়ে মনো আৰু নিতাৰ মাজত তৰ্ক হৈছিল। নিবেদিতাই ধিক্কাৰ দিছিল বাপেকক আৰু নিজৰ দুৰ্ভাগ্যৰ বাবে দোষাৰোপ কৰিছিল মনোৰঞ্জনক। হ'লেও তেওঁলোক দুজনৰ কোনোজনেই বিশ্বাস কৰা নাছিল যে, শৰ্মাই অন্তৰ উজাৰি দীঘলীয়া চিঠি লিখিলেও টাপি-টোপোলা লৈ তেওঁ সপৰিয়ালে গুৱাহাটীত আবিৰ্ভাৱ হ'বহি।

কালি গধূলি চিত্তৰ টেলিগ্ৰাম পাইহে বাপেক-মাক গুৱাহাটীলৈ অহাৰ কথাটোত মনোৰ দৃঢ়বিশ্বাস হ'ল।

মনোৱে শহুৰ-শাহুৱেকক গ্ৰহণ কৰিবৰ বাবে নিবেদিতাক কোনো

ৰকমেই প্ৰস্তুত কৰাব নোৱাৰিলে। গধূলিতে আৰম্ভ হোৱা তৰ্ক মাজ নিশা গালি-শপনিলৈ ৰূপান্তৰিত হ'ল। খোৱা-বোৱা বাদ দি শেষৰাতি দুইজনেই শুই পৰিল। আজি পুৱা দেবিকৈ সাৰ পাই মনোৱে যেতিয়া মাক-বাপেকক আগবঢ়াই আনিবলৈ যাবলৈ সাজু হ'ল তেতিয়া নিবেদিতাই তাইৰ বাপেকৰ ভয় দেখুৱাই মনোক ষ্টেশ্যনলৈ যোৱাৰপৰা বিৰত কৰালে।

মনোৱে শহুৰেকক বাঘ যেন দেখে।

বেকাৰ মনোৰঞ্জনে যেতিয়া গুৱাহাটীৰ ধূলি-বতাহ খাই প্ৰাণ ধাৰণ কৰিছিল, তেনেতে এদিন এড্‌কুইন বিজ্ঞাপন কোম্পানীৰ গুৱাহাটী শাখাৰ সঞ্চালক কুম্ভকৰ্ণ দত্তৰ লগত তেওঁৰ দেখা হয়। দেখিলে মৰম লগা বামুণৰ ল'ৰা মনোক দত্ত ডাঙৰীয়াই প্ৰথমতে বিজ্ঞাপনৰ দুই-এটা সৰু-সুৰা কাম দিলে। সাময়িকভাৱে 'কপীইষ্ট'ৰ কাম কৰা মনোৱে অতি কম সময়ৰ ভিতৰতে কামত পাৰদৰ্শিতা দেখুৱাই দত্ত চাহাবৰ সৌজন্যত 'কপি-ৰাইটাৰ'ৰ চকী দখল কৰিলে। আৰু কুম্ভকৰ্ণ দত্ত বিজ্ঞাপনৰ প্ৰচাৰকাৰ্যত লাগি থাকোঁতেই মনোৰ লগত তেওঁৰ একমাত্ৰ কন্যা-সন্তান, এড্‌কুইন কোম্পানীৰ ষ্টাৰ মডেল নিবেদিতা দত্তৰ শাৰীৰিক হলি-গলিৰ অপপ্ৰচাৰ হ'ল।

কুম্ভকৰ্ণ দত্তৰ নিদ্ৰা ভাগিল।

তেওঁ মনোক ঘৰলৈ মতাই নি তাক চাকৰি ইস্তফা দিবলৈ হুকুম কৰিলে। বৃদ্ধ দেউতাক ধৰ্মকান্ত শৰ্মাকে মুখ্য কৰি নিজৰ পৰিয়ালৰ সকলোৰে দুৰৱস্থাৰ দোহাই দি মনোৱে সেই যাত্ৰাত চাকৰি বচালে।

বচাব নোৱাৰিলে কিন্তু তাৰ আত্মসন্মান। সেই দিন ধৰি মনোৰঞ্জন শৰ্মাৰ লেগাম বন্ধা থাকিল দত্তচাহাবৰ পদযুগলত।

সেই ঘটনাৰ এবছৰমানৰ ভিতৰতে তাৰ এটা পদোন্নতি হ'ল।

মাউৰা নিবেদিতাৰ তেতিয়াই বিয়াত সোমাবলৈ আপত্তি থকা সত্বেও এদিন দত্তচাহাবে চাহনাই বজাই, টুনীলাইট জ্বলাই মনো-নিতাৰ সামাজিক ফুলশয্যাৰ আয়োজন কৰি দিলে।

খাবঘূলিত ভাড়া ঘৰ ঠিক কৰি এদিন মনোৰে শহুৰেকৰ ঘৰৰপৰা নিতাক লৈ আহিল। কিন্তু শহুৰেকৰ ওচৰত তাৰ বিবেকটো বন্ধকত থাকি আহিল।

সেয়ে আজি পুৱা নিতাই যেতিয়া মনোক ভাইৰ বাপেকৰ নামটো তাৰ মনত পেলাই দিলে, তেতিয়া সাৰপাই উঠা মনোৰঞ্জনে আকৌ এঘুমটি শুবলৈ অপচেষ্টা কৰিলে।

উচাট মাৰি নিবেদিতা ভিতৰলৈ সোমাই যোৱা দেখিও ৰুক্মিণীয়ে একো বুজিব নোৱাৰিলে। ৰুক্মিণীয়ে মনোক টেলিগ্ৰামখনৰ কথা সুধিলত মনোৱে সহজভাৱেই সেই প্ৰসঙ্গটো এৰাই গ'ল।

সৰু চুটকেছটো লৈ ৰুক্মিণী নিবেদিতাৰ শোৱা কোঠা সোমালগৈ। মাটি-বাৰী বেচি অনা হাতত থকা অৱশিষ্ট পইচাখিনি তেওঁ চুটকেছৰ পৰা ল'লে। আয়নাৰ সমুখত বৈ সাজপাৰ কৰি থকা বোৱাৰীয়েকক তাই কেনিবা যাব নেকি সুধি ৰুক্মিণীয়ে জানিব পাৰিলে, বোৱাৰীয়েকৰ কিবা 'এপইণ্টমেণ্ট' আছে। ৰুক্মিণীয়ে হাতত লৈ থকা পইচাখিনি থৈ দিবলৈ ক'লত নিবেদিতাই সেইবোৰ মনোৰ হাতত দিবলৈ কৈ কোঠাৰ পৰা ওলাই আহিল।

মনোৰঞ্জনে চুট খুলি থলে।

ধৰ্ম শৰ্মাই দেখিলে তেওঁৰ ৰৰপুতেকে এখন আঁক-বাঁক লুঙি পিন্ধিছে।

নিবেদিতাই শহুৰ-শাহুৰ উপস্থিতিক অবজ্ঞা কৰি, আনকি মনোকো একো নোকোৱাকৈ সাজি কাচি ওলাই গ'ল।

মনোৰঞ্জনে মাক-বাপেকক গা ধোৱাৰ ব্যৱস্থা কৰি দিলে।

পূজা-সেৱা কৰিব পৰা কোনো ব্যৱস্থা মনোৰ ঘৰত নাই। গা ধুই আহি শৰ্মাই সেয়ে পিছফালৰ চোতালতে বহি সূৰ্যলৈ চাই কেৱল গায়ত্ৰী জপ কৰিলে। শৰ্মাই ভাবিলে, মনোৱে চাগে জপ-আচমন বাদেই দিলে। আৰু বাদ নিদিলেও ভাড়া ঘৰতনো সি ক'ত মণিকুটটো সাজি ল'বগৈ।

বোৱাৰীয়েকৰ অশোভনীয় ছবিখন আৰু চোতালৰ আগত পৰি থকা কুকুৰা চৰাইৰ পাখি এসোপা দেখি মনোৰ ঘৰখন ধৰ্ম শৰ্মাৰ বৰ অশুচি অশুচি লাগিছিল। ততালিকে তেওঁ চোতালৰ আগৰ জাবৰৰ দ'মৰ কাষৰপৰা দূৰৰি আগ এটা ছিঙি সেইটো ভগা কাপ এটাৰ পানীত জুবুৰিয়াই সেই পানী ছটিয়াই মনোৰঞ্জনৰ গোটেই ভাড়াঘৰটো—বিশেষকৈ বোৱাৰীয়েকৰ ফটো আৰু কুকুৰাৰ পাখিবোৰ—"অপবিত্ৰো পবিত্ৰোবা" শ্লোক মাতি শুচি কৰি ল'লে।

অনিচ্ছাচত্বেও ধৰ্মকান্ত শৰ্মাই জীৱনত প্ৰথমবাৰ বজৰুৱা বিস্কুট এটা চুলে। তাৰপিছত সেইটো তেওঁ লুটিয়াই-বগৰাই চাহৰ কাপত জুবুৰিয়াই প্ৰবাসে নিয়মং নাস্তি বুলি দাঁত নথকা আলুত পেলাই দিলে। বিস্কুটটো সোৱাদ—শৰ্মাই খাই বেয়া নাপালে।

ভাত ৰান্ধিবৰ বাবে মনোৱে মাকক যাৱতীয় বস্তু যোগাৰ কৰি দিলে।

চাহখোৱা পিৰিচ-পিয়লাবোৰ চফা কৰি অহল্যাও গা ধুই আহিল।

চিত্তই সামৰিলে লগত লৈ অহা বস্তুবোৰ।

চাহ খাই আহি ড্ৰইংকমত বহি ধৰ্মকান্তই বোৱাৰীয়েকৰ কথাকে ভাবি আছিল। এবাৰ হঠাৎ বিজ্ঞাপনৰ ছবিখনত শৰ্মাৰ চকু পৰিল। তেওঁ লাহে লাহে ছবিখনৰ ওচৰলৈ আগবাঢ়ি গ'ল। ছবিখনৰ ওচৰত্তে কুঁজা হৈ তেওঁ খালী চকুৰে অস্পষ্টভাৱে দেখিলে, তাৰ ওপৰত কিবা লিখা আছে। ধৰ্ম শৰ্মা ভিতৰ সোমাই আহি অহল্যাক খুজি তেওঁৰ চশমাযোৰ লৈ গ'লহি।

চশমা পিন্ধা চকুৰে এইবাৰ ধৰ্মকান্তই ছবিখনৰ শিৰোনামাটো পঢ়ি গ'ল, 'পীৰিতিৰ বাহিৰে চব ধুব পৰা চাবোন'। ইংৰাজীতো কিবা লিখা আছিল। শৰ্মাই ইংৰাজী নাজানে।

একেথিৰে ছবিখনলৈ চাই থাকি শৰ্মাই এটা হুমুনিয়াহ কাঢ়িলে। তাৰ পিছত তেওঁ তেনেকৈ ৰ লাগি এনে এখন ছবি চাই থকাটো বৰ ভাল কাম হোৱা নাই বুলি ভাবি কেইখোজমান পিছুৱাই আহিল।

ভিতৰফালৰ দুৱাৰলৈ চাই শৰ্মা নিচিন্ত হ'ল—তেওঁক কোনেও দেখা নাই।

পৰিবেশটো শৰ্মাৰ বৰ অশালীন যেন বোধ হ'ল। ততাতৈয়াকৈ কাপোৰ এখন আনি ধৰ্মকান্ত শৰ্মাই যোৱাৰীয়েকৰ নগ্নঠা ছবিখন ঢাকি দিলে।

পিছফালৰ বাৰান্দাতে মূঢ়া এটা পাৰি বহি প্ৰাণে হিন্দী চিনেমাৰ আলোচনীৰ ছবি চাবলৈ ধৰিলে।

নবৌয়েকৰ সেন্দুৰ-পাউদাৰেৰে অহল্যাই নিজকে পাৰে মানে সজালে।

ৰুক্মিণীয়ে নতুন চক পাতি কেঁচা খৰিত ফু দিলে।

মনোৰঞ্জনৰ ভাড়াঘৰ কেঁচাখৰিৰ ধোঁৱাৰে খন্তেকতে ধুঁৱলী-কুঁৱলী হৈ গ'ল।

দুপৰীয়া মনোৰঞ্জন অফিচলৈ বুলি দেখিকৈ ওলাল।

চিন্তও ওলাই গ'ল তাৰ কলেজীয়া বন্ধু অমল দত্তক লগ পাবলৈ।

ধৰ্ম শৰ্মাই ড্ৰইংৰুমৰ মজিয়াতে চাদৰ এখন পাৰি চকীৰ কুশন দুখন গাক লৈ শুবলৈ চেষ্টা কৰিলে। এনেয়ে নতুন পৰিবেশ, তাতে পুতেক-যোৱাৰীয়েকৰ কাণ্ড-কাৰখানাবোৰ শৰ্মাৰ মুঠেই ভাল লগা নাছিল। শৰ্মাৰঘৰা অনুমতি লোৱা দূৰতে থাওক ওলাই যাবৰ সময়তো যোৱাৰীয়েকে তেওঁক মাত এষাৰ লগাই যোৱা নাই। মনোৰ চকুহাল কিবা সেমেকা আছে, মুখখন গোমোঠা। আগৰ প্ৰাণখোলা হাঁহিটো তাৰ মুখত নাই। মনো যেতিয়া সৰু আছিল তেতিয়া তাৰ মুখখন আছিল ফৰিংফুটা, হাঁহিটো আপোনভোলা, চকুহাল মোহ লগা। সেইকালত তাৰ যোজ-কাটল দেখি, মুখৰ মাত এষাৰ শুনি ধৰ্মকান্তই হাজাৰ কষ্ট পাহৰি থাকিব পাৰিছিল। আনকি যি যেতিয়া ডেকা হ'ল, তেতিয়াও শৰ্মাই মনোলৈ থাঁৰ চকুৰে চাই এই বুলি

পতিয়ন গৈছিল যে, শৰ্মা পৰিয়ালটো যিমান ছুৰ্যোগেই নাহক কিয় মনোয়ে মূৰ পাতি ল'বই।

ইষ্টদেৱতাৰ নাম সুঁৱৰি কুশনত মূৰ পেলাব খোজোঁতেই তেওঁৰ মূৰ-শিতানৰফালে থকা, কাপোৰেৰে ঢাকি থোৱা বোৱাৰীয়েকৰ ছবিখনত শৰ্মাৰ চকু পৰিল। তেওঁ বৰ অস্বস্তি বোধ কৰিলে।

ধৰ্ম শৰ্মা ঘপহকৈ থিয় হ'ল। বোৱাৰীয়েকৰ অশালীন ফটোখন মূৰৰ শিতানত লৈ শোৱাটো মহাপাপ।

চকী-টেবুলবোৰ টানি-আজুৰি তেওঁ কোঠাৰ আনটো চুকত শুবলৈ ঠাই উলিয়াই ল'লে।

এইৱাৰ ধৰ্ম শৰ্মা সাময়িকভাৱে নিশ্চিন্ত হৈ টোপনি যাবলৈ চেষ্টা কৰিলে। পকা মজিয়াত ইকাটি-সিকাটি কৰি তেওঁৰ গা বিষালে। চকু ছুটা পুৰিছে, অথচ টোপনি অহা নাই।

হামিয়াই-হিকটিয়াই শৰ্মা অলপ সময় তেনেকৈয়ে পৰি থাকিল।

হঠাৎ শৰ্মাৰ পূজা-সেৱা ব্যতীত হোৱা কথাটো মনত পৰি গ'ল। তেওঁ শোৱাৰপৰা জাপ মাৰি উঠি আহিল।

প্ৰাণে বাৰান্দাতে বহি আলোচনীৰ পাতত চকু ৰাখিয়ে কলমটিয়াইছে।

শৰ্মাই ভুমুকিয়াই চাই দেখিলে, সিঁপাতিৰ কোঠাটোত কক্মিণী-অহল্যায়ো দীঘল দিছে।

ধৰ্মকান্তই ঠিক কৰিলে, পূজা-সেৱাৰ কাৰণে থাপনা পাতিব পৰাকৈ তেওঁ ঠাই এডোখৰ উলিয়াই ল'ব।

পিছফালৰ চোতালৰ আগলৈ পৰি থকা পেকিং বাকচ ছুটামান গোটাই, পাগঘৰলৈ সোমোৱা বাৰান্দাৰ এচুকত থাপনাখন পাতিবলৈ তেওঁ আয়োজন কৰিলে।

কাঠ-পাতবোৰ বহুত সময় মৰিয়াই-খটিয়াই শেষলৈকে একো কৰিব নোৱাৰি, সেইবোৰ তাতে পেলাই শৰ্মা শুচি আহিল।

মনোইত আহিলে গধূলিলৈ তেওঁ সেইবোৰ থানথিত লগোৱাই

ল'ব। ড্ৰইংৰুমলৈ সোমাই আহোঁতে, বাৰান্দাতে পৰি থকা তেওঁলোকে লগত লৈ অহা ফটা চিমনিৰ ভগা লেমটো শৰ্মাই বেবৰ গজাল এটাত ওলোমাই থৈ আহিল।

ধৰ্মকান্ত আকৌ গুৱ খুজিছিল। পিছে মনোৰ চুবুৰিত গোসাঁই মহন্ত কোনোবা ভাল মানুহ থাকে নে নাথাকে জানিবলৈ তেওঁৰ ইচ্ছা হ'ল। শৰ্মা আগফালৰ বাৰান্দালৈ ওলাই আহিল।

কাষৰ মানুহঘৰৰ চোতালতে ল'ৰা এটাই গাড়ী এখন চকা কৰি আছিল। তাৰ লগতে চা-চিনাকি হ'ব বুলি আগবাঢ়ি যাব খুজি হঠাৎ শৰ্মা নাক কোঁচাই ঘূৰি আহিল। লুঙি পিন্ধি থকা ল'ৰাটোৰ মুখত এমুখ দাড়ি—মুছলমান! নিজেও অৰ্থ নজনা সংস্কৃত শ্লোক এটা মাতি শৰ্মাই আকৌ টোপনি যাবলৈ চেষ্টা কৰিলেহি।

অমল দত্ত চিত্তৰ সহপাঠী বন্ধু আছিল। শিৱসাগৰ কলেজত পঢ়ি থাকোঁতেই অমলক কিবা সমাজদ্ৰোহী কামত লিপ্ত থকাৰ অজুহাতত মাজে সময়ে পুলিচে চালাম দিছিলগৈ। ছাত্ৰ নেতা হিচাপে অমল দত্তই সেই কালত জয়সাগৰ কঁপাই আছিল। শিৱসাগৰত এবছৰমান থকাৰ পিছত সি গুৱাহাটীলৈ আহি ইয়াতে বাত্তিৰ কলেজ এখনত নাম লগাই পঢ়াশুনা চলাইছিল। যোৱা বছৰ কিবা দেশদ্ৰোহী কাম কৰাৰ অপৰাধত সি কেইবা মাহো জেল খাটিবলগীয়া হৈছিল। কেইমাহমানৰ আগতে জেলৰপৰা ওলাই অমলে চিত্তলৈ চিঠি দিছিল।

চিত্তৰ বিশ্বাস, বাইছ-তেইছ বছৰীয়া শিক্ষিত ল'ৰা এটা যেনে হোৱা উচিত অমল ঠিক তেনেকুৱাই। স্বাস্থ্যবান—কিন্তু চৌখিন নহয়, সৰল সহজ ও অমায়িক। খেলা-ধূলাত আগৰণুৱা, পঢ়া-শুনাত ভাতোকৈ একাঠি চৰা—কিন্তু সেই বুলিয়েই তাৰ কোনো গৌৰববোধ নাই। চহা খেতিয়কৰ ল'ৰা, শাওপমহীয়া সি হুঁজিয়ালিত হাল বাবলৈ যায়গৈ। নিজৰ সামৰ্থই জোৰে মানে বন্ধু-বান্ধৱক সহায় কৰে, কিন্তু পৰাপক্ষত

সি কাৰো সহায় নিবিচাৰে। যুক্তিত ভৰ দি পানী নসৰকা কথা কয়। ব্যক্তিগভাৱেও অমলে কাকো আক্ৰমণ নকৰে, যদিহে প্ৰতিপক্ষই তাৰ যুক্তি আৰু প্ৰমাণক ভুল প্ৰমাণিত কৰিব পাৰে। কিন্তু চালে-বেৰে কোবোৱা, অৰ্থহীন কথা ক'লে ল'ৰাটো উগ্ৰহৈ উঠে। আনকি এনে ক্ষেত্ৰত দুই-এজনৰ লগত তাৰ হতা-হতিও হৈছে। অসম্ভৱ বুধিয়ক অমল দত্তই ৰবৰীৰ চিপ দেখিলেই কি মাছে খুটিছে কৈ দিব পাৰে। ধৰ্ম-কৰ্ম আদি প্ৰচলিত অন্ধবিশ্বাসবোৰৰ সি প্ৰচণ্ড বিৰোধিতা কৰে। সামাজিক অন্যায় আৰু অসাম্যৰ ক্ষেত্ৰত সি প্ৰতি পদে পদে প্ৰতিবাদ কৰে। অমলে বিশ্বাস কৰা কথাবোৰ চাহৰ দোকানৰপৰা ৰাজহুৱা সভালৈকে সকলো ঠাইতে মুৰ দাঙি কৈ যাব পাৰে। সেয়ে অমল দত্তৰ প্ৰতি চিত্তৰ আকৰ্ষণটোৱে এসময়ত শ্ৰদ্ধাৰ ৰূপ লৈছিল।

গান্ধীবস্তিত চিত্তই অমল দত্তৰ ঘৰ বিচাৰি উলিয়ালে। বন্ধু দুজনমানৰ স'তে অমল এটা মেছত থাকে। খেৰী ঘৰ, কেঁচা মজিয়া। বিজুলী বাত্তি নাই। তাৰ কোঠাত থকা যিটো বস্তুৱে চিত্তৰ দৃষ্টি বিশেষভাৱে আকৰ্ষণ কৰিলে, সেইটো হ'ল কিতাপ। অসংখ্য কিতাপ। চুকে-কোণে, বিচনাই-টেবুলে।

অমলক কলেজে এৰিলে। আজিকালি ঘৰৰ লগতো তাৰ বিশেষ যোগাযোগ নাই। ভনীয়েকজনী সাতথন মেখেলাৰ সম্বন্ধীয় কোনোবা কম্পাউণ্ডাৰ এটালৈ গ'ল। সেই অপবাদতে বুঢ়া বাপেকক দেদায়েকইতে এৰিলে। অমল জেললৈ যোৱাৰ পিছত বাপেকক গঞ্জা বৰমূৰীয়া জনদিয়েকেতো দাঁত নিকতাই দেখুৱাইছেই, গুচৰ-চুবুৰীয়া পুলিচ-পহৰীয়ায়ো মাজে সময়ে পুতেকৰ দোহাই দি তেওঁৰপৰা দুই-চাৰি পইচা হাত খৰচ উলিয়াই আছে বুলি অমলে শুনিছে। কপিত মাটি ছবিধা আছে। বাৰীৰ তামোল-পাণ-উৰহী-কোমোৰা বেচি বাপেকে কোনোমতে খাই থাকে। এই দেশত বহুত বাপেকৰ অসংখ্য ল'ৰা জেলে-জকলে আছে; অমল সিইঁতৰ মাজৰে এটা, তাৰ বাপেকো বোলে সেইবোৰ বাপেকৰ ব্যতিক্ৰম নহয়।

চিত্তই অমলক নিজৰ কথা সকলো ভাঙি ক'লে। সোনকালে তাক এটা চাকৰি লাগে।

চাকৰিৰ কথা শুনি অমল অবাক হ'লেও চিত্তক নিৰাশ নকৰি চেষ্টা কৰি যাবলৈ ক'লে। অমলে চিত্তক তাৰ পঢ়াশুনাৰ বিষয়েও সুধিবলৈ নাপাহৰিলে। সি ঘূৰি আহি চিত্তক দুখনমান কিতাপ বাছি-বিচাৰি দিব বুলিও কৈ গ'ল।

অমল ঐদহে বৈদহে ঘূৰে।

আজিও সি গৰৈমাৰিলৈ যাবলৈ ওলাইছিল। বাবা ব্ৰহ্মপুত্ৰৰ চৰত মাতবৰ মাই বাপে কাম্লাৰ মাথাত বাৰি ঘূৰাইছে। কেত মজুৰৰ আল্লা হাফিজ হ'ল, ভগবানেও সিহঁতক আপনজন নুবুলিলে। অমলহঁতেই সিহঁতৰ একমাত্ৰ কুৰ্মা। সংগঠন হৈছে। মজুৰে জোট বান্ধিছে জোতদাৰৰ বিৰুদ্ধে। জোটা-পুটি এই লগে আক। গতিকে অমল গ'লগৈ।

অমলৰ বন্ধু এজনে চিত্তক পূৰ-শৰণীয়াৰ মানসী দুয়ৰাৰ ঠিকনা দিলে। দুয়ৰাণীৰ কেঁচুৱাটো পঢ়ুৱাবলৈ গৃহশিক্ষক এজন লাগে। পিছদিনা পুৱাতে মিছেহ দুয়ৰাৰ ওচৰলৈ যাব বুলি কৈ চিত্তই মেছৰপৰা বিদায় ল'লে।

ঘৰপাই চিত্তই দেখিলে, মনোৰঞ্জনে ঠেলাগাড়ী এখনৰ পৰা দুখন তক্তাপোছ, লেপ-তচক আদি নমাইছে।

সকলোৱে ধৰি বস্তুবোৰ ভিতৰলৈ সুমুৱালে।

ভিতৰৰ কোঠা এটাত বিচনা দুখন পাতিবলৈ চিত্তক দেখুৱাই দি, মনোৱে প্ৰাণক লগত লৈ বজাৰ কৰি আহিল।

অহল্যাই নবৌৱেক কিমান সময়ত আহিব বুলি সুধি মনোৰপৰা এটা ভেকাহি খালে।

ৰুক্মিণীয়ে বন্ধা-বঢ়া কৰিলে।

ৰুক্মিণীয়ে বিশেষ একো বুজিব নোৱাৰিলেও ধৰ্ম শৰ্মাই বুজিলে, তেওঁৰ পো-বোৱাৰীৰ মনৰ মিল নাই। শহুৰ-শাহুক দেখি বোৱাৰীয়ে অসন্তোষহে কৰিছে যেন। তথাপি যাবলৈ যেতিয়া ঠাই নাই ইয়াতেই

খুটি পুতিব লাগিব ভাবি ধৰ্মকান্তই মনোৰঞ্জনক মাতি পিছফালৰ বাৰান্দাতে গোসাঁই পাতিবলৈ অকণমান ঠাই উলিয়াই ল'লে।

ধৰ্মকান্ত, প্ৰাণ আৰু চিত্তৰ লগতে মজিয়াত পীৰা পাৰি মনোও খাবলৈ বহিল।

নিতা যেতিয়া ঘূৰি আহিল, তেতিয়া ৰাতি প্ৰায় নটা।

ড্ৰইংৰুম সোমায়ে নিতাই দেখিলে, তাইৰ মডেলিং জীৱনৰ শ্ৰেষ্ঠ কীৰ্তি, পুৰস্কাৰ পোৱা ছবিখন চাদৰ এখনেৰে ঢাকি থোৱা হৈছে। নিবেদিতাই কোঠাবোৰ চকু ফুৰাই চালে। ড্ৰাইংৰুমৰ টেবুল-চকীবোৰ টানি-আজুৰি ক'ৰবাৰ বস্তু ক'ৰবাত থোৱা হৈছে। শোৱনি কোঠাত সুমুৱাইছে ভগা ট্ৰাঙ্ক-চুটকেছ। বান্ধনি ঘৰত নতুন চৌকা বহুৱাইছে। ড্ৰেচিং টেবুলত পৰি আছে এসোপা পাউদাৰ। ফণীখনত একোছা চুলি লাগি আছে। আলনাৰ কাপোৰবোৰ ইফাল-সিফাল। জাপিথোৱা দামী শাড়ীৰ ভাঁজ ভাঙি, তাৰ ওপৰত লেতেৰা কপাহী মেখেলা মেলি থোৱা হৈছে। বিচানাই বাৰান্দাই পেলাই থৈছে আলোচনীবোৰ। পিছফালৰ বাৰান্দাত কেইটামান ভগা পেকিং বাকচৰ ভগ্নাংশ সিঁচৰিত হৈ আছে। বাৰান্দাটোৰ এটা অংশত কাঠৰ বেৰা দিয়া হৈছে আৰু তাৰ মাজত গিণি পিগ পুহিবলৈ যনোৱা কে'জৰ দৰে এটা বাকচ ৰখা হৈছে।

মনোৰঞ্জনে টেবুল এৰি মাটিত বহি ভাত খাইছে।

বান্ধনি ঘৰৰ দুৱাৰডলিতে বৈ নিতাই এবাৰ মনোৰ চকুলৈ চাই শোৱাকোঠালৈ ঘূৰি আহিল।

নিতাৰ চাৱনিত অমঙ্গলৰ চিন স্পষ্ট। মনোৰ আৰু ভাত খোৱা নহ'ল।

মনোও নিতাৰ পিছে পিছে শোৱাকোঠালৈ সোমাই আহিল।

খেলি-মেলি হৈ পৰি থকা বস্তুবোৰ নিতাই মনোক দেখুৱালে। ক'লে, 'এনেকৈ নচলিব।'

ড্ৰইংৰুমত থকা চাৰ্থোনৰ বিজ্ঞাপনৰ ছবিখন মনোৱে দাঙি নি তাৰ শোৱাকোঠাত ৰাখিলে।

সি নিতাক কাষৰীয়াকৈ মাতি নি বুজালে, 'চোৱা নিতা, মা-দেউতাক আহিবলৈ মই বাধা দিছিলোঁ। তেওঁলোকে নামানিলে। তেওঁলোক গাঁৱলৈ আৰু ঘূৰি নাযায়, যাব নোৱাৰে। তোমাৰ প্ৰতি যেনেদৰে মোৰ দায়িত্ব আছে, মা-দেউতাৰ প্ৰতিও মোৰ তেনে দায়িত্ব আছে।'

নিতা গৰ্জি উঠিল, 'এইদৰে অসম্ভৱ। মই সকবেপৰা অকল-শৰীয়াকৈ শান্তিত ডাঙৰ হৈছোঁ। এই গঁৱালৰ্তৌত ইমানজাক মানুহ—দম বন্ধ হৈ মই মৰি যাম।'

'মা-দেউতাৰ একমাত্ৰ বোৱাৰী হিচাপে তুমি এইখিনি সহ্য কৰিবই লাগিব। প্ৰথমতে অসুবিধা হ'লেও লাহে লাহে চব্ ঠিক হৈ যাব।' মনোৱে নিতাক সান্ত্বনাৰ সুৰত ক'লে।

অলপ সময় তভক মাৰি বৈ নিতাই ভাবিলে, আৰম্ভণিতে সহজ হ'লে পিছলৈ বিপদ হ'ব। সীমিত উপাৰ্জনেৰে তাই ইমানজাক মানুহ পুহি নিজে গৰু-গাহৰিৰ দৰে জীয়াই থাকিব নোখোজে।

মনোৱে আকৌ কৈ গ'ল, 'তোমাৰ বহুত অসুবিধা হৈছে, সেইটো বুজি পাইছোঁ। কিন্তু চোৱা, মোৰো উপায় নাই। তোমাক অনুৰোধ কৰিছোঁ, ভাই-ভনীৰ আগত মোৰ সন্মান নষ্ট নকৰিবা।'

নিতাই বুজি পালে বিপদ সহজে নাভৰে। কৌশলেৰে অভিনয় কৰি যোৱাৰ বাহিৰে বৰ্ত্তমান গত্যন্তৰ নাই।

ৰুক্মিণীয়ে জোৰ কৰি নিতাক ভাত খাবলৈ বহুৱালে।

নতুনকৈ পতা বিচনাতে ধৰ্ম শৰ্মা বহি আছিল। মনোৱে চিত্তকো তালৈকে মাতি নি পৰিয়ালৰ ভৱিষ্যত সম্পৰ্কে আলোচনা কৰিবলৈ বহিল।

চিত্তই গাঁৱৰ পৰিস্থিতি বিৱৰি ক'লে।

প্ৰাণ আৰু অহল্যাৰ পঢ়া-শুনা, চিত্তৰ চাকৰি আদিৰ ব্যৱস্থা কৰিবলৈ ধৰ্ম শৰ্মাই পুত্ৰৰ উৎসাহেৰে ক'লে মনোৰঞ্জনক। লগতে তেওঁ কালিলৈকে ভাল ডাক্তৰৰ হতুৱাই ৰুক্মিণীৰ মাজে মাজে হৈ থকা অসুখটো পৰীক্ষা কৰোৱাৰ কথাও ক'বলৈ নাপাহৰিলে।

মনোৰঞ্জনৰ মুখ গৰম হৈ গ'ল। ভাই-ভনী, মাক-বাপেক, ঘৈণীয়েক—ইহঁত প্ৰত্যেকেই তাৰ কাৰণে একো একোটা সমস্যা হৈ দেখা দিছে। বহুত সময় তলকা মাৰি চিত্ত আৰু ধৰ্মকান্তৰ কথা শুনি থাকি এসময়ত মনো উঠি আহিল।

অহল্যাই কাঁহী-বাটিবোৰ ধুলে। অনিচ্ছাসত্ত্বেও নিতাই তাইক সহায় কৰি দিলে। ৰুক্মিণীয়ে চৰু সাঁমৰি আহি বোৱাৰীয়েকক ওচৰতে বহুৱাই লৈ, আদৰ-যত্ন কৰি তাইৰ লগত নানা কথা আলোচনা কৰিলে। বোৱাৰী কেঁচুৱা ভাবি ৰুক্মিণীয়ে নিতাক দুই-এটা সাত্বিক উপদেশো নিদিয়াকৈ নাথাকিল।

পৰম স্বস্তিৰে ভগৱানক ধন্যবাদ জনাই ধৰ্মকান্ত শৰ্মা ফটা আঁঠুৱাৰ ভিতৰ সোমাল। নগৰীয়া তেজ খাই নোদোকা হোৱা বোন্দা মহে তেওঁক আমনি কৰিছিল যদিও, মনোৰ আগত সকলো ঘটনা পেট খোলোচাকৈ কৈ শৰ্মাৰ মনটো বৰ ফৰকাল লাগি আছিল। বিচনাত শুই শুয়ে হাত চাপৰিৰে তাল দি ধৰ্ম শৰ্মাই ধনশ্ৰী ৰাগৰ বৰগীত এটা জুৰিলে।

নিবেদিতাই মনোৰঞ্জনৰ লগত তাৰ ঘৰৰ সম্পৰ্কে আগতেও বহু আলোচনা কৰিছে। আজি ৰুক্মিণীৰপৰা সবিস্তাৰে শুনিবলৈ পাই তাই আৰু চিন্তাত পৰিল। মনোৰ দৰমহা আৰু নিতাই সাময়িকভাৱে কৰা উপাৰ্জনেৰে আঁটাই কেইজন মানুহ চলিবলৈ বিশেষ অসুবিধা নহয়। কিন্তু মনোৰঞ্জনৰ মাক-বাপেকক পুহি তাই নিজৰ ভৱিষ্যত নষ্ট কৰিব নোৱাৰে। কেৱল সেয়ে নহয়, ৰুক্মিণী অসুখীয়া। ধৰ্মকান্তও বুঢ়া। চিত্ত, প্ৰাণ, অহল্যা তিনিওটাকেই পঢ়োৱাৰ দায়িত্বও তায়ে বহন কৰিব লাগিব। আৰু দুবছৰৰ পিছতে আহিব অহল্যাৰ বিয়াৰ প্ৰশ্ন। আনহাতে নিবেদিতা জন্ম হোৱা সামাজিক শ্ৰেণীটোৰ লগত ধৰ্ম-ৰুক্মিণীৰ শ্ৰেণীৰ মানুহৰ সম্পৰ্ক থকাটো কোনোমতেই বাঞ্চনীয় নহয়। ধৰ্ম-ৰুক্মিণীয়ে নিবেদিতাক অৰ্থনৈতিক লাভ, সামাজিক সন্মান বা মানসিক শান্তি—কোনোটোকেই দিব নোৱাৰে। সেয়ে

শহুৰ-শাহুৰেকক তাই গ্ৰহণ কৰাৰ কোনো প্ৰশ্নই নুঠে। তেওঁলোকৰ লগত তাই সহযোগিতা নকৰে। বৰঞ্চ মনোৰঞ্জনক তাই কৌশলেৰে বুজাব—হয় তাৰ বাপেক-মাক আগৰ দৰেই গাঁৱলৈ ঘূৰি যাওক, নহয়, কিছুদিনলৈ মাহে এশ-ডেৰশকৈ টকা দি মাক-বাপেকৰ আনবোৰ দায়িত্ব সি এৰি দিয়ক।

অফিচৰ কামত কুম্ভকৰ্ণ দত্ত বোম্বাইলৈ গৈছে। চাৰি-পাঁচদিনতে দত্তচাহাব ঘূৰি অহাৰ কথা। নিবেদিতাই ভাবিলে, বাপেক নহা পৰ্যন্ত তাই ধৈৰ্য ধৰি থাকিব। কিন্তু ইতিমধ্যে মনোৰঞ্জনক তাই প্ৰতিমুহূৰ্তে সকীয়াই থাকিব যে, তাৰ মাক-বাপেকৰ লগত সিহঁত একেলগে থকাৰ বিষয়ত নিবেদিতা সম্পূৰ্ণভাৱে ৰুষ্ট।

মনোৰঞ্জনে বিচনাতে দীঘল দি কিতাপ এখন পঢ়ি আছিল। নিতাই মনোক সম্পূৰ্ণভাৱে অগ্ৰাহ্য কৰি কোঠাৰ লাইটটো নুমুৱাই দিলে।

পুৱা মিছেছ হুৱৰাক লগ নাপাই হুপৰীয়া চিত্ত আকৌ তেওঁৰ ঘৰলৈ গ'ল।

খোৱা-বোৱা কৰি নিতা-মনোও ওলাই গ'ল।

গুৱাহাটীৰ বেলিটো পিঠিত পেলাই পিছৰ চোতালতে বহি ধৰ্ম শৰ্মাই ৰ'দ লৈ আছিল। কক্সিণীয়ে তেওঁক চাহ এবাটি দি তেওঁৰ কাষতে থিয় দি ৰ'ল। ধৰ্মই কৌতুকৰ সুৰত কক্সিণীক সুধিলে, 'বোৱাৰীনো কেনে পাইছা?'

কক্সিণীয়ে কেৱল মিচিকিয়াই হাঁহিলে।

ওচৰতে বৈ থকা অহল্যাই উত্তৰ দিলে, 'ভাল নহয় পায়! বৰ ষ্টাইল মাৰে। কথাই কথাই দন্দ কৰে দাদাৰ লগত।'

'হেৰ ষ্টাইল নামাৰিব কিয়? ডাঙৰ মানুহৰ ছোৱালী, বাপেকৰ পকা ঘৰ আছে, গাড়ী আছে। আমাৰনো কিটো আছে?' ধৰ্ম শৰ্মাই বোৱাৰীয়েকৰ সমৰ্থনত অহল্যাক ক'লে।

বাৰান্দাত বহি থকা প্ৰাণে মাত লগালে, 'দাদাইনো কি দেখি বিয়া কৰালে জানো। সেইজনী দেখিবলৈও কেনেকুৱা!'

কক্সিণীয়ে প্ৰাণক আক একো ক'বলৈ নিদিলে, 'নগৰৰ ছোৱালী এনেকুৱাই হয়। ভগৱানে ভালেই কৰিছে দে।'

ধৰ্মকান্তই হাঁহি সামৰিব নোৱাৰিলে।

কালি পুৱাৰে পৰা আজিৰ এই আবেলিলৈকে বোৱাৰীয়েকে শৰ্মাক মাত এষাৰো লগোৱা নাই। শৰ্মাই ভাবি আছিছিল, তেওঁ মনোৰ ঘৰ পোৱা মাত্ৰেই পো-বোৱাৰীয়ে তেওঁক মূৰত তুলি ল'ব। সেৱা

সংকাৰ কৰি ধৰ্ম-শহুৰৰ পদজল খাব বোৱাৰীয়েকে। মাছ-মাংস—ভাল ভাল বস্তুবে সিহঁতে মাক-বাপেকক উপাৰ অহাকৈ খুৱাব। কিন্তু স্নেহ-শ্ৰদ্ধাৰ কথাই নাই, আহোঁতে-যাওঁতে অকণমান সংযম, কেনিবা ওলাই গ'লে মুখৰ মাত এবাৰ, ঘৰলৈ বাহিৰা আলহী একন আহিলেও লবলগীয়া খোৱা-বোৱাৰ যতন আদি সাধাৰণ আচাৰ-ব্যৱহাৰো পোৱা নাই ধৰ্মকান্তই। তথাপি তেওঁ ভাবিলে, হাজাৰ হ'লেও ইহঁত তেওঁৰ পো-বোৱাৰী। কক্মিণীক কৈ তেওঁ বোৱাৰীয়েকক অলপ শিক্ষা দিয়াব। কথা-বতৰা শিকাই তেওঁ বোৱাৰীয়েকক শুদ্ধ কৰি ল'ব। কক্মিণীৰ মুখে ধৰ্মকান্তই আজি শুনা মতে বেছ উলহ-মালহেৰেই সিহঁতৰ বিয়া হৈছিল। ভট্টাচাৰ্য পুৰোহিতে হোম-যজ্ঞৰ বেদক্তি কাম কৰিছিল। শৰ্মাৰ বোৱাৰীয়েক কায়স্থৰ ঘৰৰ ছোৱালী হ'লেও তেওঁলোকৰ পৰিয়াল পৌৰাণিক, বজাদিনীয়া।

আজিহে ধৰ্ম শৰ্মাই জানিলে যে, মনোৰঞ্জনে শূদিৰৰ ছোৱালী বিয়া কৰাইছে বুলি জকাইচুকত ওলোৱা উৰা বাতৰিটো মিছা নহয়।

বাতৰিটো ইকাণ-সিকাণকৈ শৰ্মাৰ জকাইচুকীয়া যজমানৰ মুখে মুখে ঘূৰিছিল। জনদিয়েকে শৰ্মাক কথাটো সুধিছিলও। কিন্তু ধৰ্ম-কান্তই বামুণীয়া ধমক দি সোধোঁতাজনক তেওঁৰ সন্মানত লগাকৈ উত্তৰ দিছিল। প্ৰথমতে কথাটো শুনি ধৰ্মই সমূলি বিশ্বাস কৰা নাছিল। কিন্তু লাহে লাহে তেওঁৰ বিশ্বাসী মানুহ দুই-এজনেও যেতিয়া গোপনে কথাটো শৰ্মাৰ কাণ চুৱালে, তেতিয়া শৰ্মাবো সন্দেহ হৈ আছিল। শেষত মনোৰঞ্জনে তাৰ ঘৰৰ লগত সম্পৰ্ক এৰাবলৈ চেষ্টা কৰাত শৰ্মাই সন্দেহটো সঁচা বুলি ধাৰ্য্য কৰিলে। কিন্তু যজমানৰ আগত তেওঁ সেইটো স্বীকাৰ নকৰিলে কোনোদিনে।

কাজত নৈ অহা ছাগলীটো ছাগলী নহয় কুকুৰহে বুলি এজন এজনকৈ কেইবাজনো বাটকৰাই কোৱাত পণ্ডিতৰ বামুণে তেওঁৰ কান্ধৰ ছাগলীটো কুকুৰ বুলি পেলাই দি গঙ্গাস্নান কৰিবলৈ গৈছিল। পুতেকে শূদিৰৰ ছোৱালী বিয়া কৰোৱাৰ কথাটোও ইমানবোৰ মানুহৰ মুখে

শুনি শেষলৈ ধৰ্মকান্তই সঁচা বুলি মানি লৈছিল। আৰু পঞ্চতন্ত্ৰী বামুণৰ ছাগলীটোৰ দৰে তেৰেঁা মনোৰ অস্তিত্ব তেওঁৰ মনৰ পৰা মচি পেলাইছিল। কিন্তু জকাইচুকীয়া যজমানৰ ব্যভিচাৰত অতিষ্ঠ হৈ শৰ্মাৰ মন মনোৰঞ্জনৰ নামত আকৌ ব্যাকুল হৈ উঠিল। অৱশেষত যজমানৰ গৰিহণা খোৱাতকৈ অজাতি বোৱাৰীৰ হাতে খোৱা তুলনামূলকভাৱে ভাল ভাবি তেওঁ জকাইচুক এৰাৰ সিদ্ধান্ত লৈছিল।

ধৰ্মকান্ত শৰ্মাৰ দৰে সাত্বিক পুৰোহিতৰ শিক্ষিত বৰপুত্ৰই অজাতিৰ ছোৱালী এজনা ঘৰ সুমুৱাবহি পাৰে, এই কথাটোকে শৰ্মাই বহুদিন চিন্তা কৰি থাকিও কোনো পাৰ পোৱা নাছিল। মনোৰঞ্জনে শূদিৰৰ ছোৱালী বিয়া কৰোৱা মানেই তাৰ জাত গʼল। আৰু তাৰ জাত যোৱাৰ লগে লগেই ধৰ্ম শৰ্মাৰ বাবে তেওঁৰ বৰপুতেক মৰিল। কিন্তু জকাইচুকীয়া সমাজত শৰ্মাৰ স্থান দিনে দিনে তললৈ নামি যোৱাৰ লগে লগে, মনোৰ প্ৰতি থকা খং-ৰাগ-বিতৃষ্ণাও দিনে দিনে কমি আহিবলৈ ধৰিলে। সেই দিনত জকাইচুকীয়া যজমানৰ ওচৰত তেওঁৰ আত্মসন্মান বচাই ৰখাটো এটা সাংঘাতিক সমস্যা হৈ পৰিছিল। তাতোকৈ ডাঙৰ সমস্যা হৈছিল পৰিয়াল পোহপাল দিয়াটো। তেওঁৰ আশাৰ পাৰচৰাই এটি এটিকৈ উৰি গৈ অৱশিষ্ট আছিল কেৱল জাত-এৰা মনোৰঞ্জন। মনোৰ ওপৰত তেওঁৰ কৰ্তৃত্ব আছে, বাপেক হিচাপে তেওঁৰ দায়িত্ব গ্ৰহণ কৰিবলৈ শৰ্মাই মনোক বাধ্য কৰাব পাৰে। সি নীচ জাতৰ ছোৱালী বিয়া কৰাইছে, কিন্তু সেইটোও সম্ভৱ হৈছে ধৰ্মকান্ত শৰ্মাৰ চকুৰ আগত সি নথকাৰ বাবেই।

ছবীৰামৰ দৰে অষ্টম দৰিদ্ৰ সেৱক হাজাৰে হাজাৰে থাকিলেও শৰ্মাৰ কোনো কামত নাহে। ৰবমেধিৰ পুতেকৰ দৰে পূজা-সেৱা বৰ্জন কৰা অধীতীয়া বৈষ্ণৱৰ দলে ধৰ্মকান্ত শৰ্মা মৰি গʼলেও তেওঁৰ মুখত তুলসী পানী এচলু নিদিয়ে। ভোগেশ্বৰ গমধৰ পেটুৱাৰ দৰে অৰ্থশালী অথচ বিজাতীয়া যজমানক বুকুত সাৱটি থকাতকৈ তেওঁ অজাতি বিয়া কৰোৱা বৰপুতেক মনোৰঞ্জনক বুকুত সাৱটি লʼব।

গুৱাহাটী মগৰ মুলুক। তেনেবোৰ ঠাইত নিতৌই নতুন ঘটনা ঘটিছে। মনো তেওঁলোকৰ পেটৰ পোৱালি। সি দোষ কৰিছে বুলিয়েই তাক মাৰি-কাটি বৰনৈত উটুৱাই দিব নোৱাৰি। তাক সজ পথলৈ আনিব লাগিব। বোৱাৰীক শুদ্ধ কৰি ল'ব লাগিব।

মনোৰ প্ৰতি ধৰ্ম শৰ্মাৰ এই পৰিৱৰ্তিত আসক্তি দেখি প্ৰথমতে ৰুক্মিণী অবাক হৈছিল। কাৰণ মনোৰ বিয়াৰ কথা শুনাৰ পিছত বাপুৱে নিজেই বাপুৰনীক ভিতৰুৱাকৈ কৈছিল যে, তেওঁলোকৰ বাবে মনোৰঞ্জন মৰিল। আনকি এবাৰ মনোৱে পঠিউৱা পইচাখিনি ল'বলৈও ধৰ্মকান্ত মান্তি হোৱা নাছিল। চিত্তৰ ব্যক্তিত্ব আৰু পৰিয়ালৰ খালী পেটৰ কথা ভাবিছে সেইদিনা তেওঁ মনোৰঞ্জনে পঠোৱা পইচাখিনি ৰখাইছিল। পিছত ধৰ্মাবাপুৱে ৰুক্মিণীক বুজালে, মনোৰ বিয়াৰ কথাটো মিছাও হ'ব পাৰে। আৰু সঁচা হ'লেও সি এনে নোহোৱা-নোপজা কাম কৰা নাই যে তাক ত্যাজ্যপুত্ৰ কৰিব লাগিব। কথাটো যজমানে নাজানিলেই হয়। গুৱাহাটীলৈ গৈ ধৰ্মকান্ত শৰ্মা ক'ত কেনেকৈ আছে জকাইচুকৰ মানুহে তাৰ উৱাদিহ নাপায়।

কিন্তু গুৱাহাটীলৈ আহি পুতেক-বোৱাৰীয়েকৰ মুখামুখি হৈ শৰ্মা থমকি ব'ল।

বোৱাৰীয়েকৰ ৰূপ দেখি তেওঁৰ উৎসাহ-আবেগ প্ৰায় লোপ পালে।

সাত-আঠ বছৰৰ ভিতৰতে মনোৰ বহুত পৰিৱৰ্তন ঘটিছে। মনো আজি আগৰ দেখিলে মৰম লগা হাঁহিমুখীয়া ল'ৰাটো নহয়। সি এটা গহীন গম্ভীৰ সম্পূৰ্ণ মানুহ। তাৰ আও-ভাও, চাল-চলন সকলো বদলি হৈ গৈছে। তাৰোপৰি, পো-বোৱাৰীহালৰ মাজত যেন মিল নাই। বোৱাৰীয়েকৰ ওচৰত তেওঁৰ পুতেক যেন ভীত, সন্ত্ৰস্ত। যি আদৰ আশ্বাস আশা কৰি ধৰ্মকান্ত তেওঁৰ পুতেকৰ ওচৰলৈ আহিছিল, সেইখিনিৰ পৰা ধৰ্মবাপু বঞ্চিত হৈছে। তথাপি আনকি পুতেককো

তেওঁ কথাটো মুখ ফালি ক'ব পৰা নাই। মনোৰঞ্জনৰ বাহিৰে শৰ্মাৰ আজি আৰু দ্বিতীয় আশ্ৰয় নাই। এনে অৱস্থাত সাধাৰণ কথাত লাগি তাক অসন্তুষ্ট কৰাতকৈ সিহঁতৰ কাম-কাজ নীৰৱে লক্ষ্য কৰি যোৱাটোকে বুদ্ধিমানৰ কাম হ'ব বুলি শৰ্মাই ঠিক কৰিলে।

বছৰটোৰ এটা সময়ত দেশৰ কিছুমান তথাকথিত ডাঙৰ মানুহৰ নাম চৰকাৰী খৰচত খবৰ কাগজত ছাপোৱা হয়। আৰু ছপা কৰা হয় তেওঁলোকৰ নামৰ কাষতে তেওঁলোকে নিদিয়াকৈ থকা আয়কৰৰ পৰিমাণ। ভাৰতীয় গণৰাজ্যত এই মানুহখিনিৰ স্থান তেত্ৰিছ কোটি পূজা খোৱা দেৱতাৰ ঠিক পিছতে। তেওঁলোকে নিদিয়াকৈ থকা কৰৰ সংখ্যাবোৰৰ সোঁফাললৈ শূন্য যিমানে বেছিকৈ থাকে, আমাৰ সমাজত তেওঁলোকৰ আধিপত্যও সিমানে বেছি বুলি গণ্য কৰা হয়। এওঁলোকৰ কোনোৱে দেশ সেৱাত অত্যন্ত ব্যস্ত থকাৰ ফলত এই কৰ দিবলৈ পাহৰে। কোনোজনে ব্যৱসায় বৃদ্ধি অথবা নিবনুৱা সমস্যা নিৰসন আদি যুক্তিত বছৰৰ পিছত বছৰ চৰকাৰী খৰচত নিজে এৰোটা দেশীয় খবৰ হৈ থাকিব খোজে। আৰু তেনেকৈ থাকি বহুতে শেষত নিজকে দেউলীয়া ঘোষণা কৰি এই গণতন্ত্ৰী অত্যাচাৰৰ পৰা ৰেহাই পায়। পূৰ শৰণীয়াৰ মিছেছ মানসী দাওৰাৰ স্বামী ভুৱনেশ্বৰ দাওৰাও চৰকাৰী খৰচত বছৰত এবাৰ নাম ছপা হোৱা ডাঙৰ মানুহবোৰৰ অন্যতম।

চিত্ত বেজিয়া মিছেছ দাওৰাৰ ঘৰ পাইছিলগৈ, মিছেছ মানসীয়ে তেতিয়া পিছফালৰ ফুলনিবাৰীত আৰামী চকীত বহি একনিষ্ঠ মনে ফেশ্বন মেগাজিন অধ্যয়ন কৰি আছিল।

বেহেৰাই চিত্তক বাগানলৈকে আগবঢ়াই নিলে।

হুকাপ কৰিও আছিল।

ভাবী গৃহশিক্ষক কি ক'ত কিয় অ-বিখ্যাত মিছেছ দাওৰাই জানি ল'লে। তাৰ পিছত তেওঁ চিত্তক তাৰ ভৱিষ্যৎ ফুলৈকে কেইবাৰো

তেওঁৰ তীক্ষ্ণ চকুৱে এক্স-ৰে কৰি চালে। মিছেছ দাওৰাৰ মুখত এটা সন্তুষ্টিৰ হাঁহি বিৰিঙি উঠিল।

মিছেছ দাওৰাই কৈ গ'ল, মিষ্টাৰ দাওৰা বিজিনেছ মেন। আজি দিল্লী, কালি বোম্বাই তেওঁৰ কাম। তেওঁলোকৰ ল'ৰাটোৰ বয়স পাঁচ। সি স্থানীয় ইংৰাজী মাধ্যমৰ স্কুলত পঢ়ে। আচলতে ল'ৰা পঢ়ুউৱাতকৈও মিছেছ দাওৰাক এটা সঙ্গ দৰকাৰ। তেওঁ বৰ অকল-শৰীয়া। পাৰ্টি-চাৰ্টি আজিকালি তেওঁৰ ভাল নালাগে। সেইবোৰ একঘেঁয়ে হৈ গৈছে। সময় কটাৰ পৰা ব্যৱস্থা গুৱাহাটীৰ দৰে নগৰত কিয়েই বা আছে। টকা-পইচাৰ কথাটো গৌণ। দাওৰা দম্পতীয়ে কাকো হিচাপ কৰি পইচা নিদিয়ে। গতিকে গৃহশিক্ষকৰ প্ৰয়োজন অনুযায়ী চিত্তই মিছেছৰপৰা সকলো সুবিধা আদায় কৰিব পাৰিব।

পিছদিনা সন্ধিয়া সাত বজাত চিত্তক আহিবলৈ কৈ মিছেছ দাওৰা থিয় হ'ল। অলপ পিছতে তেওঁৰ এটা এপইণ্টমেণ্ট আছে। তেওঁ আগবঢ়াই দিয়া বিদেশী চিগাৰেটটো চিত্তই ধন্যবাদেৰে স'তে ঘূৰাই দিয়াত, মিছেছ দাওৰাই সেইটো নিজেই জ্বলাই ধোঁৱা উলিয়ালে।

তেওঁক নমস্কাৰ কৰি চিত্তই বিদায় ল'লে।

চিত্ত যোৱাৰ ফাললৈ একান্ত মনে চাই থাকিল মিছেছ মানসী দাওৰাই।

গধূলি ঘৰলৈ ঘূৰোঁতে মনোৱে অহল্যা আৰু প্ৰাণৰ কাৰণে কেইখনমান কিতাপ কিনি আনিছিল। সি বেগৰ পৰা উলিয়াই বিস্কুটৰ পেকেট এটা আৰু কল্মিনীয়ে ঘৰত পিন্ধিবলৈ কিনা কপাহী চাদৰ এখন মাকৰ হাতত দিলে। কিতাপকেইখন অহল্যা আৰু প্ৰাণক ভাগ কৰি দি মনোৱে ক'লে, 'ঘৰতে পঢ়া-শুনা কৰি থাকিবি। অহাবছৰ স্কুলত নাম লগাই দিম।'

কথা প্ৰসঙ্গত চিত্তই মনোৰ আগত তাৰ সম্ভাব্য টিউশনটোৰ কথা উলিয়ালে। চিত্তৰ চাকৰি এটাৰ কাৰণে চেষ্টা কৰিবলৈ ধৰ্মকান্তয়ো

মনোক জোৰ দি ধৰিলে। শেষত গম্ভীৰভাৱে মনোৱে মন্তব্য কৰিলে যে, নিজৰ চেষ্টাৰে কিবা কৰিব নোৱাৰিলে আজিৰ দিনত চাকৰি এটা পোৱা অসম্ভৱ। তথাপি সি খবৰ ৰাখিব, কিন্তু চিত্তৰ চেষ্টাটোহে আচল কথা।

চাহ খাই থকাৰ মাজতে মনোৱে ৰেকৰ্ড প্লেয়াৰটো জাৰি-জোকাৰি ড্ৰইংৰুমলৈ উলিয়াই ৰেকৰ্ড এখন লগাই দিলে।

ধৰ্ম, ৰুক্মিণী বা অহল্যাই এই যন্ত্ৰটো ইয়াৰ আগতে ইমান ওচৰৰ পৰা দেখা নাই। জকাইচুকৰ কেইবাখনো নোৱাই-তোলনি বিয়াত লগোৱা মাইকৰ মাত তেওঁলোকে শুনিছে। কোনোবা এখন বিয়ালৈ গৈ প্ৰাণে মাইক এটা লিৰিকি-বিদাৰিও চাইছিল। তেনে অদ্ভুত যন্ত্ৰ এটা মনোৱে হঠাৎ চকুৰ আগতে বাহিৰ কৰা দেখি তেওঁলোক সকলোৱেই একপ্ৰকাৰ অবাক হ'ল। ডিস্কখন ঘূৰাৰ লগে লগে যন্ত্ৰ আৰু কণ্ঠৰ সমন্বয়ত সুৰৰ নিজৰা বৈ গ'ল। ডাক্তৰে হৃদৰোগীৰ হৃৎঠাৰ মাত আৰু চকুৰ মণি পৰীক্ষা কৰাৰ দৰে কেউজনে অবাক বিস্ময়ত সেই স্যমন্তক মণিৰ গান শুনিবলৈ আৰু কাণ্ড-কাৰখানা পৰীক্ষা কৰিবলৈ ধৰিলে।

ধৰ্মকান্ত শৰ্মাই এসময়ত উপলব্ধি কৰিলে, গানটোৰ কথাবোৰ কিবা অশালীন। নিজৰ ল'ৰা-ছোৱালী কাষত বহুৱাই এনেবোৰ গান শুনাটো যেন অশোভনীয়! তথাপি ৰেকৰ্ডৰ পিনটোতে চকু ৰাখি অস্বস্তিৰে শৰ্মা বহি থাকিল।

অস্বস্তিৰে বহি থাকিল চিত্ত।

ডিস্কখন তীব্ৰগতিত ঘূৰিছে। গানটো শেষ হৈ আহিছে। নিৰ্দিষ্ট আবৰ্তত ঘূৰি ঘূৰি ডিস্কৰ ওপৰৰ পিনটো ক্ৰমে ৰেকৰ্ডখনৰ কেন্দ্ৰৰ ওচৰ চাপি গৈছে। আৰু লগে লগে চিত্তৰপৰা পিনটোৰ ব্যৱধান ক্ৰমে বাঢ়ি আহিছে। গানটোৰ কথাবোৰ শেষ হৈ গৈছে। সংগীত কেৱল বাজি আছে। আৰু বাঢ়ি আহিছে চিত্তৰ অস্বস্তি।

চিত্তই ইফালে সিফালে চালে। নাই, কোনো নাই। অলপ

আগতে ওচৰে-পাজৰে ঘূৰি ফুৰা লগুৱা-বেহেৰাবোৰৰ ভৰিৰ শব্দও বন্ধ হৈ গৈছে।

মিছেছ দাওৱাৰ আঙুলিৰ ফাঁকত জ্বলি থকা ছিগাৰেটটোৰ পৰা ধোঁৱা উৰি আছে অবিৰত। মিছেছৰ দেহলৈ চাবলৈ চিত্তৰ সঙ্কোচ হৈছে। তেওঁৰ চকুলৈ চাবলৈ সি সাহস সংগ্ৰহ কৰিব পৰা নাই।

হঠাৎ খট্‌কৈ শব্দ কৰি ঘূৰি থকা ৰেকৰ্ডখন ৰৈ গ'ল।

চিত্তৰ গাটো জিকাৰ খাই উঠিল।

মিছেছ দাওৱাই লোলোপ দৃষ্টিৰে চিত্তৰ মুখলৈ চাই মিচিকিয়াই হাঁহি, তেওঁৰ হাতৰ আধা খোৱা মদৰ গিলাছটো সশব্দে টেবুলত নমাই থলে।

'আপুনি চিগাৰেট, মদ একো নাখায়? কিয় নাখায়?' তেওঁ চিত্তক চাৰ্জ কৰিলে।

অপৰাধীৰ দৰে ইতস্ততঃ কৰি চিত্তই উত্তৰ দিলে, 'নাখাওঁ, মানে— খাবলৈ পইচা নাই।'

'পইচা মই দিম। খাব? খাওক!' কৈ কৈয়েই মিছেছ দাওৱাই, নিজৰ চকীৰপৰা উঠি আহি চিত্তৰ ওচৰতে, চিত্ত বহি থকা চোফাখনতে বহি পৰিল। তেওঁৰ মাতত জড়তা, চুলি অবিন্যস্ত। মিছেছ দাওৱাই যথেষ্ট উৎসাহিত বোধ কৰা যেন দেখা গ'ল।

চিত্তই নিজকে সংযত কৰি গম্ভীৰভাৱে ক'লে, 'চিগাৰেট খাই চাইছোঁ, ভাল নালাগিল। মদ খোৱা নাই। অৱশ্যে নাখাওঁ বুলিও নকওঁ। আচলতে ভাত-দাইলৰ চিন্তাই নমৰে—মদ-চিগাৰেট আমাৰ বাবে বিলাসিতা।'

উপলুক্তা কৰা সুৰৰ দীঘলীয়া হাঁহি এটা মাৰি মানসী দাওৱা চিত্তৰ একেবাৰে ওচৰ চাপি আহিল আৰু মদৰ গিলাছটো হাতত লৈ আব্দাৰৰ সুৰত ক'লে, 'খোৱানা ডাৰ্লিং,......'

চোফাখনৰ সিটো মূৰলৈ চিত্ত আঁতৰি গৈ আছে। সি খঙেৰে মানসীৰ চকুলৈ চালে।

চিত্তৰ আৰু কাষ চাপি গৈ মানসী ছুৱৰাই গিলাছটো তাৰ মুখত লগাই দিলে।

জোৰেৰে আছাৰ মাৰি চিত্তই গিলাছটো ওফৰাই পেলাই দিলে। সি থিয় হ'ল। গিলাছটোৰ পানীয়খিনিয়ে মানসীৰ জিয়া পাখিৰ নাইট গাউনটো তিয়াই দিলে। ৰূঢ় কণ্ঠৰে চিত্তই ক'লে, 'আপুনি সীমা পাৰ হৈছে মিছেছ ছুৱৰা। মাফ কৰিব, আপোনাৰ টিউশ্বনী মোৰ দ্বাৰা সম্ভৱ নহ'ব।' কৈয়েই মিছেছ দাওৰাই দিয়া আগধন এশ টকাৰ নোটখন জেপৰপৰা উলিয়াই টেবুলত থৈ চিত্তই বিতৃষ্ণাৰে মানসীক নমস্কাৰ কৰি খোজ ল'লে।

নিজৰ অপমান ঢাকি ৰাখিবলৈ চেষ্টা কৰি আহত কণ্ঠৰে মিছেছ দাওৰাই ক'লে, 'আপুনি বিধবা বুলি মোৰ ধাৰণা নাছিল। আহিব; কেতিয়াবা আহিব।'

চিত্তই খঙেৰে পিছলৈ ঘূৰি চাই কেৱল ক'লে, 'ধন্যবাদ।'

ইতিমধ্যে শৰাইঘাট দলঙৰ তলেদি বুঢ়া লুইতৰ বহুত পানী বৈ গৈছে।

বাৰকৈয়ে পানী সোমাইছে মনো আৰু নিবেদিতাৰ বৈবাহিক সম্পৰ্কত। সৰু-সুৰা কথাতে অজুহাত বাহিৰ কৰি নিতাই মনোক গালি-গালাজ কৰিছে তাৰ ভায়েক-ভনীয়েকৰ সমুখতে। মনোৱে সকলো নীৰৱে সহ্য কৰি গৈছে।

পাৰ হৈ গৈছে শৰ্মা পৰিয়ালৰ মহানগৰীৰ জীৱনৰ কেইবাটাও দীঘলীয়া দিন।

ৰুক্মিণীয়ে বোৱাৰীক আপোন কৰি লবলৈ চেষ্টা কৰিছে; কিন্তু বোৱাৰীয়ে শাহুৰ আদৰক কৰ্তৃত্ব ভাবি একো নুবুজাৰ অভিনয় কৰি গৈছে।

অফিচে অফিচে ঘূৰি বহু চেষ্টা কৰিও চাকৰি এটা যোগাৰ কৰিব নোৱাৰি চিত্তৰ মন প্ৰায় ভাগি গৈছে। কেইবাৰেকো কাগজত নিৰ্বাচিত

হৈ জীয়াই থাকিবলৈ সি কোনোদিনেই ইচ্ছা কৰা নাছিল। নবৌয়েকৰ গোমোঠা মুখ, দেউতাকৰ মানসিক অন্তৰ্দ্বন্দ্ব, মনোৰঞ্জনৰ অসহায় অৱস্থা সি হাড়ে হাড়ে উপলব্ধি কৰিছে।

চিত্তৰ নিজকে বৰ দুৰ্বল যেন লাগে। শৰাইঘাট দলঙৰ বিয়লিৰ ৰেলিঙত ভেজা দি সি মাজে মাজে ভাবে, এই দলঙৰ তলেদি আৰু কিমান পানী বৈ গ'লে সি এটা সন্মানজনক উপাৰ্জনৰ পথ বিচাৰি পাব!

বৃদ্ধ ধৰ্মকান্ত শৰ্মা বিব্ৰত হৈছে। পো-বোৱাৰীৰ আচৰণত তেওঁ ক্ষুণ্ণ, ক্ষুব্ধ। কিন্তু তেওঁ বেছি চিন্তিত হৈছে চিত্তৰ শুকান মুখ দেখি। মনোৰঞ্জনে ভাড়া লৈ থকা ঘৰত ইষ্টদেৱতাৰ 'থাপনা পাতি তেওঁ চাৰিপ্ৰসঙ্গ কেৱল প্ৰাৰ্থনা কৰি গৈছে—বোৱাৰীৰ যাতে সুমতি হয়, চিত্তৰ কৰ্মস্থলত থকা গ্ৰহে যেন শৰ্মা পৰিয়ালক কৃপা কৰে....

নিৰ্বিকাৰভাৱে ৰুক্মিণীয়ে তেওঁৰ বয়স বঢ়াইছে। টকা-পইচাৰ ৰাজনীতি, শিক্ষিতা বোৱাৰীৰ চক্ৰান্তৰ তেওঁ ভু নাপায়। তথাপি সৰু-সুৰা কথাতে কন্দলৰ সৃষ্টি কৰিব খোজা বোৱাৰীয়েকৰ লগত মুখ নালাগিবলৈ তেওঁ প্ৰাণ আৰু অহল্যাক অহৰ্নিশে উপদেশ দি গৈছে।

কুম্ভকৰ্ণ দত্ত ইতিমধ্যে গুৱাহাটী পাইছেহি। দেউতাকৰ আগত নিতাই নিজৰ বিপত্তিৰ কথা বিৱৰি কৈছে। দত্তচাহাবে জীয়েকক পৰামৰ্শ দিছে—আৰু কিছুদিন অপেক্ষা কৰিবলৈ।

এদিন শৰ্মা পৰিয়ালত এটা অপ্ৰীতিকৰ ঘটনা ঘটিল।

আবেলি অফিচৰপৰা ঘূৰি আহি মনোৰঞ্জনে জোতা খুলিছে মাত্ৰ।

এনেয়ে বিচনাতে পৰি থাকি নিবেদিতাই আলোচনী এখনৰ পাত লুটিয়াইছিল।

বাহিৰৰ বাৰান্দাতে প্ৰাণে ৰেকৰ্ড প্লেয়াৰ বজাই আছিল। ৰেকৰ্ড-খন নতুন। তিনি চাৰিদিনৰ আগতে নিবেদিতাই কিনি আনিছিল।

শৰ্মাৰ ঘৰত এতিয়ালৈকে এই ৰেকৰ্ডৰ গান মহড়াৰ বাজিছে। প্ৰাণে প্লেয়াৰ বজাব জনা হৈছে। তাৰ বয়সৰ অনুপাতে কৰ্ম-অসময়

আনটো কম বুলিয়েই হওক অথবা নিৰ্কৰ্মা হৈ গোটেইদিন ঘৰতে সোমাই থকাৰ কাৰণেই হওক, আজিকালি সি যি কোনো সময়তে তাৰ ইচ্ছামতে প্লেয়াৰটো বজায়। আচলতে গান শুনাতকৈও তাৰ এই যন্ত্ৰটো চলাই বেছি ভাল লাগে। আজিও ডিস্কখন সযতনে লগাই দি সি ওচৰতে বহি আছিল। অহল্যাই ৰেকৰ্ডৰ বাকচটোৰ পৰা প্ৰাণক ৰেকৰ্ড বাছি দিছিল তাইৰ পছন্দ মতে।

আকাশবাণীৰ ৰেকৰ্ডৰ দৰে কিবা 'যান্ত্ৰিক বিভূতি'ত চলি থকা ৰেকৰ্ডখন গানটোৰ মাজতে খেৰ্ খেৰ্ শব্দ কৰি হঠাৎ বন্ধ হৈ গ'ল।

নিতা বিচনাৰ পৰা জাঁপমাৰি নামিল।

তভাতৈয়াকৈ প্লেটৰপৰা খুলি ৰেকৰ্ডখন হাতত লৈ প্ৰাণে বুকজ-টোৰে মোহাৰি চালে। চাওঁ চাওঁ বুলি অহল্যাই ৰেকৰ্ডখন প্ৰাণৰ হাতৰ পৰা কাঢ়ি ল'লে।

বাৰান্দাত থিয় দিয়েই নিতাই দেখিলে, ফটা ৰেকৰ্ডখন অহল্যাই হাতত লৈ আছে।

নিবেদিতা খণ্ডত জ্বলি-পকি উঠিল। পৰিয়ালত গণ্ডগোল লগাবৰ বাবে তাই বহুদিন এটা যুক্তিপূৰ্ণ সূত্ৰৰ অপেক্ষাত আছিল। মনোৰঞ্জনক তাৰ মাক-বাপেকৰ কবলৰপৰা মুক্ত কৰাৰ এয়ে সুযোগ ভাবি তাই অহল্যাৰ ওপৰত জঁপিয়াই পৰিল। আৰু অহল্যাৰ গালত এটা পাঁচ আঙুলীয়া চৰ বহুৱাই দিলে। লাজ, ভয় আৰু দুখত অহল্যাই কান্দি কান্দি ক'লে যে, ৰেকৰ্ডখন তাই ভঙা নাই। ধৰ্ম শৰ্মাৰ বোৱাৰী অগ্নিশৰ্মা হৈ অহল্যাৰ দ্বিতীয়খন গালত আৰু এটা চৰ শোৱাই দিলে। সিমানতো ক্ষান্ত নাথাকি নিতাই অহল্যাৰ চুলিকোছাত খাপ মাৰি ধৰোঁতেই জাঁপমাৰি প্ৰাণ মাজত সোমাল। তিনিওটাৰ জোটা-পুটিত অহল্যাৰ মূৰৰ চুলি একোছা নিবেদিতাৰ হাতত আওঠিত লাগি থাকি গ'ল।

গণ্ডগোলৰ গোন্ধ পাই ইমান সময়ে মনোৰঞ্জন, কল্পিনী, ধৰ্মও ঘটনাস্থল পাইছিলহি। অহল্যাই মাকক সাবট মাৰি ধৰি কান্দোনৰ

শব্দ পঞ্চমলৈ উঠাই দিছিল। বাপেক-মাকক সমুখতে দেখি সাহস পাই প্ৰাণেও নবৌৱেকক ৰাক্ষসী বুলি গালি পাৰিলে।

নগৰত জগৰ লাগিল।

দুগুণ উৎসাহেৰে নিতাই প্ৰাণৰ কাণে চোঁচা ল'ব খোজোঁতেই ৰুক্মিণীয়ে বোৱাৰীক উদ্দেশ্য কৰি কিবা এষাৰ ক'লে।

নিবেদিতা নিৰস্ত্ৰ হৈ, শাহুৱেকে অহল্যা প্ৰাণকহে সমৰ্থন কৰিছে বুলি উচুপি দাঁত-জিভা কামুৰি হাতত লৈ থকা ৰেকৰ্ডখন দলিয়াই দিলে।

নিতাই দলিয়াই দিয়া ফটা ৰেকৰ্ডখনে চিধা-চিধি গৈ বেৰত ওলোমাই থোৱা ধৰ্ম শৰ্মাৰ ভগা লেমটোত খুন্দা মাৰিলে। আৰু লগে লগে ভগা লেমৰ ফটা চিমনিটো টুকুৰা-টুকুৰ হৈ ভাগি গ'ল।

খণ্ড খণ্ড ধোঁৱা লগা কাঁচ আৰু ডোখৰ ডোখৰ কিচ্কিচীয়া ক'লা ডিস্কৰ টুকুৰাৰে শৰ্মা পৰিয়ালৰ বাৰান্দাটো উপচি পৰিল।

কষ্ট কৰি উলিউৱা চকুপানী হাতেৰে মোহাৰি, তলত পৰি থকা লেমৰ জঁকাটো ভৰিৰে গছকি বেগাবেগিকৈ নিবেদিতা তাইৰ শোৱনী-কোঠালৈ ঘূৰি আহিল।

অলপ পিছতে নিবেদিতা বাপেকৰ ঘৰলৈ গুচি গ'ল। মনোৰঞ্জনে তাইক বাধা দি ৰাখিব নোৱাৰিলে।

পিছদিনা কুম্ভকৰ্ণ দত্তই মনোক মাতি পঠালে।

শহুৰেকৰ সুসজ্জিত ড্ৰইংৰুমত বহুত সময় বহি থকাৰ পিছত, মনোৰ সমুখত দত্তচাহাবৰ আবিৰ্ভাৱ ঘটিল।

অহংকাৰী বিষয়াই অধস্তন কৰ্মচাৰীক দিয়া ধমকৰ সুৰত দত্তই জোঁৱায়েকক কৈ গ'ল, 'মই চব্ শুনিছোঁ। তোমাৰ মা-দেউতা গুৱাহাটীত আৰু কিমান দিন থাকিব?

কাশ্মীৰী কাৰ্পেটৰ ফুল গছকি পায়চাৰী কৰি ফুৰা কুম্ভকৰ্ণ দত্তৰ ভৰি দুটালৈ চাই থাকি মনোৱে নম্ৰভাৱে উত্তৰ দিলে; 'দেউতাহঁত ইয়াত থাকিম বুলিয়েই আহিছে।'

'অ' ; কিন্তু কাণপুৰলৈ তোমাৰ ট্ৰেন্স্‌ফাৰ অৰ্ডাৰ হৈছে দেখোন।' মনোৰ বদলিৰ খবৰত শহুৰেক চিন্তিত হৈ পৰিছে যেন দেখুৱালে।

'ট্ৰেন্স্‌ফাৰ ? কাণপুৰলৈ ? কিন্তু—'

'অপদাৰ্থ ক'ৰবাৰ ! নিজৰ মাইকীক সন্তুষ্ট ৰাখিবলৈ যদি সামৰ্থই নাথাকে, তেন্তে বিয়া কৰোৱা হ'ল কিয় ? ওঁ ? আঠচল্লিছ ঘণ্টা সময় দিয়া হ'ল। হয় দেউতাৰইতক গাঁৱলৈ ঘূৰাই পঠোৱা—তাত ঘণ্টা বজাই খাওকগৈ—নহয় কাণপুৰত জইন্ কৰাগৈ। নিতাৰ চকুপানী মই সহ্য নকৰোঁ।' নগঞা মৌজাদাৰৰ বংশধৰ দত্তচাহাবে পৈত্ৰিক গাম্ভীৰ্যৰে ঘোষণা কৰিলে।

কুম্ভকৰ্ণ দত্তই জোঁৱায়েকৰ আৰু কোনো কথা নুশুনিলে।

গধূলি মনোৱে বাপেকক প্ৰস্তাৱ দিলে, ধৰ্মকান্ত শৰ্মা পুনৰ গাঁৱলৈ ঘূৰি যাওক। মনোৱে প্ৰতিমাহে পইচা পঠাই থাকিব। মনোৰ লগতে থাকি চিত্তই চাকৰি বিচাৰক। পিছত সি মাক-দেউতাকক লগলৈ লৈ আহিব।

ধৰ্মকান্ত শৰ্মা সেই প্ৰস্তাৱত জাঙুৰ খাই উঠিল। তেওঁ কৰাল মূৰ্তি ধৰি মনোক উত্তৰ দিলে, যদি প্ৰয়োজন হয় ধৰ্মকান্তই কামাখ্যা মন্দিৰৰ খটখটীত বহি ভিক্ষা কৰিব। লুইতত পেলাই দি অহা শৰাধৰ বিধি আকৌ বুটলি ল'ব। কিন্তু এইবাৰ আৰু জকাইচুকত নহয় —গুৱাহাটীত। ধৰ্ম শৰ্মাৰ চকুৰ আগতে তেওঁৰ ল'ৰা-ছোৱালী খাবলৈ নাপাই মৰি গ'লেও শৰ্মা আকৌ গাঁৱলৈ ঘূৰি যাব নোৱাৰে, নাযায়।

মনোৱে আকৌ ক'লে, সি জীৱনত বহুত ভুল কৰিছে। তাৰ পক্ষে সেই ভুল শুধৰোৱা এতিয়া আৰু সম্ভৱ নহয়। সকলোটি মিলা-প্ৰীতিৰে থাকিব পৰা হ'লে এটা উপায় ওলালহেঁতেন। কিন্তু এতিয়া কোনো উপায় নাই।

'উপায় আমাৰো নাই। কিন্তু বোপাই, বুঢ়া বাপেৰ তোৰ ঘৰ ভাঙিবলৈ অহা নাছিল। এতিয়াও মই তোক হকা- বাধা নকৰোঁ। মোৰ কৰ্মফল যি আছে, সেয়ে হ'ব। কিন্তু তোৰ আশ্ৰয়ত মৰিব পৰা হ'লে শান্তি পালোহেঁতেন।'

শান্তি আৰু নহ'ল ধৰ্মকান্ত শৰ্মাৰ।

কেইদিনমানৰ পিছতে আহিল মনোৰ বদলিৰ অৰ্ডাৰ।

চাকৰিৰ মোহ, কুম্ভকৰ্ণ দণ্ডৰ প্ৰতি ভয় আৰু সুখী বৈবাহিক জীৱনৰ আসক্তিত মনোৱে হোল্ড-অন বান্ধিলে। কাণপুৰলৈ লগত লৈ যাব নোৱাৰা বস্তুবোৰ সি ট্ৰাক এখনত বোজাই কৰি শহুৰেকৰ ঘৰলৈ পঠিয়াই দিলে।

নিবেদিতা দেউতাকৰ ঘৰৰপৰাই যাব।

ৰুক্মিণীয়ে জকাইচুকৰপৰা আহি থৰলৈ দিয়া পইচাখিনিৰ লগতে আৰু অলপমান টকা দি মাক, বাপেক আৰু চিত্তক বহুৱাই লৈ মনোৱে ক'লে, ঘৰ ভাড়াটোৰ লগতে সি মাহে মাহে অলপমান পইচা পঠাই থাকিব। বৰ্তমানে মাক-বাপেকৰ কিছু অসুবিধা হ'লেও চিত্তই চাকৰি এটা পালেই চব ঠিক হৈ যাব। প্ৰাণ আৰু অহল্যাৰ পঢ়াশুনাৰ বিষয়ে গোটাদিয়েক যাবতীয় উপদেশ দি মনোৰঞ্জনে মাক-বাপেকক প্ৰণাম কৰিলে।

জলে স্থলে অন্তৰীক্ষে শুভ কামনা কৰি ধৰ্মকান্ত শৰ্মাই ৰবপুতেকক বিদায় দিলে।

ৰুক্মিণীয়ে চাদৰৰ আঁচল তিয়াই কান্দিলে।

চিত্তই কোনো কথা নক'লে।

মনোৰঞ্জন শৰ্মা শহুৰেকৰ গাড়ীত উঠিল।

পুতেকক বিদায় দি ধৰ্ম শৰ্মা পদূলিতে থন্তেক ৰ'ল। ধূলি উৰুৱাই মনোৰঞ্জনৰ গাড়ীখন লাহে লাহে নেদেখা হৈ গ'ল।

ধৰ্মকান্ত শৰ্মাৰ আশ্ৰয়ৰ বড়গছ বহাগী ধুমুহাত উভলি পৰিল।

শৰ্মা আকৌ নিৰাশ্ৰয় হ'ল। পো-বোৱাৰীক তেওঁ পাইছিল, পাইছিল আশ্ৰয়ো। কিন্তু আজি তেওঁ আশ্ৰয় আৰু পো-বোৱাৰীক পায়ো হেৰুৱালে। অনাথ শিশুৰ দৰে তেওঁ কেৱল কেঁকুৰিলে।

চুবিয়াৰ আগেৰে চকু মোহাৰি শৰ্মা ঘৰলৈ ঘূৰি আহিল। শৰ্মাই মনে মনে ভাবিলে, আজিহে ৰবপো মৰিল।

বাৰান্দাতে আহি ৰুক্মিণীৰ চকুৰে চকুৰে পৰাত তেওঁ হাঁহিবলৈ চেষ্টা কৰি বাপুৰনীক ক'লে, 'আমাৰনো কি, পো-বোৱাৰীহাল সুখত থাকিলেই হয়। সিহঁতৰ সুখেই আমাৰ শান্তি। ভগৱানে সিহঁতৰ মঙ্গল কৰক।'

ৰাতিলৈ চিত্তৰ দেখিকৈ টোপনি আহিল।

টোপনি নাহিল ধৰ্মবাপুৰ।

তেওঁৰ বাবে ৰবপুতেক মানাৰঞ্জন এটা বুজিব নোৱাৰা মানুহ। পো-বোৱাৰীৰ কাণ্ড-কাৰখানা দেখি শৰ্মা ইমান দিন চমোজাত পৰি আছিল। গুৱাহাটীলৈ অহাৰ পিছত তেওঁ মাজে মাজে ভাবিছিল—নগৰলৈ আহি তেওঁ ভুল কৰিছে নেকি! আজি শৰ্মাই স্পষ্টভাৱে বুজি পালে, তেওঁ সঁচাকৈয়ে ভুল কৰিছে। জকাইচুকৰ দশাৱতাৰ ভাওনা, হেণ্ডুল-হাঁইতালেৰে বোলোৱা মৎস্য অৱতাৰৰ ছোঁ-মুখা, দুখীৰামহঁতৰ সেৱা-সৎকাৰ····আস্! ৰুক্মিণী হৰণৰ গীত—সিন্ধুৰা একতাল, মাঠ যৌতি, মাছৰ পৰিতাল····পৰিতাপৰ অগনিত শৰ্মাৰ শৰীৰ দেই-পুৰি গ'ল। এইখন অচিন দেশ, অচিনাকি মানুহ। একমাত্ৰ আশ্ৰয় মনোৰঞ্জন—সিও এৰি গ'ল। মহানগৰীৰ ভাড়াঘৰ। পাঁচখন মুখ। কাৰো উপাৰ্জন নাই। শৰ্মাৰ কৰ্মফল? কোনো পাপগ্ৰহৰ কবলত পৰিহে শৰ্মাৰ এনে হ'ল। এতিয়া তেওঁৰ জকাইচুকলৈ ঘূৰি যোৱাৰ পথ বন্ধ। নগৰত জীয়াই থাকিবলৈ কোনো অৱলম্বন নাই। স্নেহ, ভালপোৱা, পুত্ৰৰ সকলো ত্যাগ কৰি তিৰোতা-সেকৰা মনোৰঞ্জন পলাল। বুঢ়া মাক-বাপেকৰ কথা সি এবাৰলৈও ভাবি নাচালে। ঘৈণীয়েকৰ ভয়ত, শহুৰেকৰ সম্পত্তিৰ লোভত সি তেওঁলোকক এৰিলে। কিন্তু তাৰো জানো সুখ হ'ব? পুত্ৰৰ দায়িত্ব পালন নকৰি সুখৰ আশাত, অৰ্থৰ প্ৰলোভনত সি অন্ধ হৈ গ'ল। পুথি-পথুলি গীতা-ভাগৱতৰ নীতিবচন শুনাই তিল তিলকৈ ভাঙৰ কথা মনোৰঞ্জনক তেনেহলে তেওঁ কি শিক্ষা দিলে? ধৰ্মকান্ত শৰ্মাৰে ক'ৰবাত নিশ্চয় ভুল হৈ গৈছিল। মনোৱে মাক-বাপেকক অৱহেলা কৰিব পৰা শিক্ষা পালে ক'ত? পিতৃ

হিচাপে, গুৰু হিচাপে তাৰ এই শিক্ষাৰ কাৰণে ধৰ্ম শৰ্মায়ে দায়ী নহয়নে? মনোৰঞ্জনে আজি কৈ গৈছে, সি মাহে মাহে ঘৰভাড়া পঠিয়াব। মাক-বাপেকৰ কাৰণে প্ৰতিমাহতে যিমান পাৰে পইচা পঠিয়াব। কিন্তু কালিলৈ যেতিয়া তাৰ সন্তান-সন্ততি হ'ব, তেতিয়া? বিয়াৰ পিছত লিখাৰ দৰে তেতিয়াও সি লিখি দিব—তাৰ দ্বাৰা মাক-বাপেকক সহায় কৰা আৰু সম্ভৱ নহয়। পিতৃঋণ পৰিশোধ নকৰাটো তাৰ মহাপাপ। এই পাপৰ ফলত সি ৰৌৰৱ নৰকত পচিব। কিন্তু ধৰ্ম শৰ্মা আৰু তেওঁৰ বাকী পৰিয়ালৰ কি অৱস্থা হ'ব? নহয় নহয়, মনো দায়ী নহয়। যি পুত্ৰই বৃদ্ধ অৱস্থাত তাৰ পিতৃ-মাতৃক ত্যাগ কৰে, আৰ্থিক সুখ-ভোগৰ বশৱৰ্তী হৈ ভাই-ভনীৰ আদৰ-পৰমাৰ্থক ভৰিৰে ঠেলি পলায়ন কৰে সেই পুত্ৰই আহৰণ কৰা শিক্ষা, বিদ্যা, চাৰিত্ৰিক বৈশিষ্ট্যৰ বাবে তাৰ মাক-বাপেকহে দোষী। মনোক অভিশাপ দিয়াটো উচিত নহ'ব। আৰু বাপেক হিচাপে তেওঁ নিজৰ ৰবপুতেকক অভিশাপ দিয়াটোওতো পুণ্যৰ কথা নহয়। নহয় নহয়, মনোৰঞ্জন সুখী হওক। বোৱাৰীও শান্তিত থাকক। মনোহে গৈছে, চিত্ত আছে। দুই তিনি মাহৰ ভিতৰত সি এটা বাট বিচাৰি পাব। আৰু কিছুদিন চলিব পৰা আৰ্থিক সংগতি তেওঁৰ বৰ্তমানে আছে। ভগৱানে যি ভাল দেখে কৰিব। কৰিবটোৰ বাবেও কচু একোডাল তেওঁ দিছে। ধৰ্মকান্ত শৰ্মাৰ পৰিয়ালকো তেওঁ এটা অৱলম্বন দিব। তেওঁৰ সাতাম পুৰুষীয়া ইষ্টদেৱতাৰ মূৰ্তি চুৰি হৈ গৈছে যদিও সেই বিগ্ৰহ থ'তেই নাথাকক কিয়, তাৰপৰাই ধৰ্মবাপুক চকু মেলি চাই থাকিব। তেৰাই শৰ্মাৰ অথন্তৰ ঘটিবলৈ নিদিয়ে।

ধৰ্মকান্ত শৰ্মা এইবাৰ আশ্বস্ত হ'ল।

চকুদুটা মুদি তেওঁ টোপনি যাবলৈ চেষ্টা কৰিলে।



পুৰতী নিশা তেওঁৰ চিলমিলকৈ টোপনি আহিল।

শুইথকা ধৰ্মকান্ত শৰ্মাক হেঁচুকি জগালেহি ৰূপাই বুঢ়াই।

উশাহ নসলোৱাকৈ ৰূপায়ে কৈ গ'ল, 'বাপুদেউ উঠক। নৃসিংহ অৱতাৰৰ সূত্ৰ কেতিয়াবাই নিষ্ক্ৰান্ত। ভক্ত প্ৰহ্লাদে অসুৰ হিৰণ্য-কশিপুক তাতে তেওঁৰ ভগৱান আছে বুলি স্ফটিক স্তম্ভটো দেখুৱাই দিলেই। অসুৰে স্তম্ভত বাৰ বাৰ আঘাত কৰিছে। কিন্তু আপুনি নৃসিংহ এতিয়াও শুই আছে! উঠক প্ৰভো, প্ৰহ্লাদক বচাওক, ৰাইজক উদ্ধাৰ কৰক। ভক্ত প্ৰহ্লাদৰ শিৰচ্ছেদ কৰিব এতিয়া হিৰণ্য-অসুৰে। উঠক বাপুদেউ, ভৰিত ধৰিছোঁ উঠক!'

জাঁপ মাৰি উঠি ফটা চিমনিৰ টিমিক-টামাক জ্বলা ভগা লেমটো হাতত লৈ ৰূপাই বুঢ়াৰ পিছে পিছে ধৰ্মাবাপুৱে কুকুৰ লৰ ধৰিলে। বাপুৱে দৌৰিব পৰা নাই, উজুটিয়াই গৈছে। ৰূপায়ে শৰ্মাৰ হাত এখনত থাপ মাৰি ধৰি তেওঁক টানি-আজুৰি লৈ গ'ল।

লোকে লোকাৰণ্য।

ভক্ত প্ৰহ্লাদৰ সঙ্কটৰ সঙ্কেত বুজাবৰ বাবে সভাগৃহৰ পেট্ৰোমাক্স লাইটবোৰৰ ওপৰত আঁৰি থোৱা ক'লাৰঙী তুলাপাতৰ ঘৰাবে পোহৰবোৰ ঢাকি দিয়া হৈছে। হিৰণ্যকশিপুৱে আস্ফালন কৰি চলিছে, বাৰম্বাৰ আঘাত হানিছে স্ফটিক স্তম্ভত তাৰ বজ্ৰমুষ্টিৰে। নৃসিংহ আবিৰ্ভাৱৰ বাজনা বাজি উঠিছে। ভৰাত কোব পৰিছে। ৰৰঙালে গমগমাই উঠিছে। কিন্তু আবিৰ্ভাৱ দূৰতে থাওক, নৃসিংহৰ কেশৰ এডালৰো কোনো সম্ভেদ নাই।

ৰূপাই কলিতাই ধৰ্মকান্ত শৰ্মাক চোঁচোৰাই-বগৰাই নি স্ফটিক স্তম্ভৰ ঠিক পিছফালে থিয় কৰাই দিলে। কাণ ভগা, চকু এবোৰা, ৰং খহা, জহি খহি যোৱা নৰসিংহৰ ছোঁ-মুখাটো হাতত লৈ ৰূপায়ে সেইটো শৰ্মাক পিন্ধাই দিব খুজিলে।

মুখাটোৰ ৰূপ দেখি শৰ্মা অবাক। 'ইকি! তোমালোকে মুখাটোত ৰং বৰণ অকণো ঘঁহিব নোৱাৰিলানে?'

'পিন্ধক প্ৰভু, পিন্ধক। সেয়া আইসকলে উকলি দিলেই। অঘটন ঘটে আৰু, প্ৰভো!' ৰূপায়ে মুখাটো শৰ্মাৰ মূৰত সুমুৱাই দিবলৈ চেষ্টা কৰিলে।

ধৰ্মকান্ত শৰ্মাই এইবাৰ মুখাটো দাঙি ল'লে। তাৰ ভগা কাণ, ফুটা চকু, এবোৰা কেশৰত চকু ফুৰাই দন্তৰ হাঁহি মাৰি শৰ্মাই ক'লে, 'ভগৱানৰে ইচ্ছা! শৰ্মা নহ'লে জকাইচুকত দশাৱতাৰ ভাওনা নহয়। কিন্তু মুয়ো যে ধৰ্মকান্ত শৰ্মা—মুখা ভগা হ'লেও দৰ্শকৰ হাততালি আদায় কৰিমেই।'

'পিন্ধক বাপুদেউ, আইসকলৰ উকলিত নামঘৰ উৰি যাওঁ উৰি যাওঁ হৈছে—আৰু দেৰি নকৰিব...'

ধৰ্ম শৰ্মাই মুখাটো পিন্ধিলে। অসুৰৰ পেটফলা নখকেইটা আঙুলিত সুমুৱাই ল'লে আৰু নিশ্চিত পদক্ষেপেৰে গৈ স্ফটিক স্তম্ভৰ ভিতৰ সোমাল।

ভৰা-কাঁহ, শঙ্খ-ঘণ্টা, মেগেৰা-ভোৰতাল আৰু উকলি হুৰিধ্বনিত জকাইচুকীয়া চৰায়ে বাহ এৰি পলাইছে। আস্ফালন কৰি কৰি হিৰণ্যকশিপুৰ মাত ভাগি গৈছে। অৱতাৰী অৰ্ধ-পত বিভুষ্ট হৈছে ভাবি বুঢ়াসকলে হাই হাই কৰিছে।

হিৰণ্যকশিপুৱে স্তম্ভত আঘাত কৰিছে পুনৰ উন্মত্তভাৱে।

এনেতে স্তম্ভৰ ভিতৰত এটা শব্দ শুনা গ'ল।

লাইটৰ ঘৰাবোৰ উঠাই দিবলৈ মণ্ডলক নিৰ্দেশ দিলে ৰূপাই কলিতাই।

জকাইচুকীয়া নামঘৰ পলকতে পূর্ণিমাৰ আকাশ হৈ গ'ল।

স্তম্ভ ভেদ কৰি নৃসিংহৰ ভগা মুখা দেখা গ'ল। ডবা-কাঁহ, ঘণ্টা-বাদ্য উৰুলি-হৰিধ্বনি নিমিষতে স্তব্ধ হৈ গ'ল। বেজী এটা মাটিত পৰিলেও শব্দ হোৱা নিস্তব্ধতাই নামঘৰ বিৰাজ কৰিলে।

মাজুজনা গোসাঁইৰ নির্দেশমতে ঠিক এনে সময়ত স্তম্ভৰ ভিতৰত থাকিয়েই নৃসিংহৰূপী ধর্মকান্তই এটা এটাকৈ তিনিটা অট্টহাস্য কৰা নিয়ম। আৰু দুটা হাঁহিৰ মাজৰ বিৰতিত নৃসিংহই ইংগিতেৰে ভক্ত প্ৰহ্লাদক নির্ভয় আশ্বাস দি, সভাঘৰৰ চতুর্দিশে চাই স্তম্ভৰ ভিতৰতে একোপাক ঘূৰাৰ নিয়ম। অতীতত ধর্ম শর্মায়ো এনে কৰি আহিছে।

কিন্তু আজি ঠিক এই মুহূর্তত কি কৰা উচিত ধর্মাবাপুৱে পাহৰি গ'ল। অসহায়ভাৱে তেওঁ নাটৰ গুৰিলৈ চালে। মাজুগোসাঁই নাই, ভোগেশ্বৰৰ শহুৰেক পাগুৰি মাৰি বহি আছে নাটৰ গুৰিত। অতীত বর্তমান সকলো পাহৰি ধর্মকান্ত শর্মা কিছু সময় তেনেকৈয়ে থিয় দঙা দি থাকিল। তাৰপিছত হিৰণ্যকশিপুৰ ইংগিতপূর্ণ যুদ্ধ আহ্বানত তেওঁ স্তম্ভৰ ভিতৰৰ পৰা বান্দৰ জাঁপ মাৰি বাহিৰলৈ ওলাই আহিল।

নৃসিংহৰ কৰাল মূর্তি দেখি আগৰ দিনত কোলাৰ কেঁচুৱাই ত্ৰাসত মাকৰ পিয়াহ খামুচি ধৰি টেঁটুফালি কান্দিছিল। হৰি হৰি আৰ্তৰাও পৰি গৈছিল দর্শকৰ মাজত। বুঢ়াজনে কাকুতি ঘোষা জুৰিছিল। শর্মাই দেখিলে, আজি কিন্তু তেওঁক দেখি কোনেও ভয় পোৱা নাই। পানীকেঁচুৱাই তেওঁলৈ চাই দাঁত নিকটাই হাঁহিছে। বাৰান্দাত থিয় দি থকা ডেকা এটাই কিৰিলিয়ে পাৰিছে!

ধর্মকান্ত শর্মাই তেওঁৰ বচন পাহৰি গ'ল। পাহৰি গ'ল অৱতাৰী অর্ধ-নৰৰ ভাও-ভঙ্গী। আপ্ৰাণ চেষ্টা কৰি তেওঁ এটা হাঁহি মাৰিলে। কিন্তু হাঁহিটো অসুৰ নিধনৰ পূর্বমুহূর্তৰ বিপুহাৰীৰ অট্টহাস্য নহৈ এটা ভয়াতুৰ পলাতকৰ কাতৰ চিঞৰ যেনহে শুনা গ'ল।

সকলো দেখি-শুনি ভোগেশ্বৰৰ শহুৰেকে যুদ্ধৰ চাপৰ মাৰিলে।

ধৰ্মকান্তই এই চাপৰত কোনো দিনে নাচি পোৱা নাই। ভেওঁ স্থিৰ হৈ ৰ'ল।

কেৱল হিৰণ্যকশিপুৱে যণ্ডামৰ্ক বিক্ৰমেৰে লম্ফ-জম্ফ কৰি গ'ল।

নৃসিংহই খোজ কাটল দিব নোৱাৰিলে। যুদ্ধৰ বাজনা মাজ পথতে বন্ধ হৈ গ'ল।

এইবাৰ নৰসিংহই অসুৰক এৰি ভক্তক থাপ মাৰি ধৰিলে আৰু তাক চোঁচোৰাই আনি নিজৰ আঁঠুৰ ওপৰত বহুৱাই ল'লে।

নাটত নথকা ভাও হোৱা দেখি হিৰণ্যকশিপু চোঁ-ঘৰলৈ পলাল।

নৰসিংহই ভক্ত প্ৰহ্লাদক কোলাত বহুৱাই লৈ, হিৰণ্যকশিপুৰ পেট ফালিবৰ সময়ত গাবলগীয়া বচনবোৰ গাই গ'ল। তামোলৰ ঢকুৱাত চূণ-আলতা সনা, ধৰ্মবাপুৱে আঙুলিত পিন্ধি লোৱা নখবোৰেৰে নৃসিংহই ভক্ত প্ৰহ্লাদৰ বক্ষ বিদাৰিছে।

বাছা প্ৰহ্লাদে বৃদ্ধ নৃসিংহৰ কবলৰপৰা মুকলি হৈ যাবলৈ আপ্ৰাণ চেষ্টা কৰিও বিফল হৈছে।

কথা বিসঙ্গতি দেখি নাটৰ ওচৰৰপৰা ৰূপাই কলিতা দৌৰি আহি তেওঁলোকৰ মাজত সোমাল। চপলিয়াই আহিল পাণ্ডৱিবায়ন, ভোগেশ্বৰ ঠিকাদাৰ, গমধৰ উকিল, পেটুৱা মহাজন—যেয়ে য'তে আছিল ত'ৰেপৰা।

শেষত বল প্ৰয়োগ কৰি নৃসিংহৰ কবলৰপৰা প্ৰহ্লাদক উদ্ধাৰ কৰা হ'ল।

এতিয়া শৰ্মাৰ মনত পৰিল নৃসিংহৰ গৰ্জনৰ অট্টহাস্য। গৰ্জন আৰম্ভ হ'ল—গৰ্জন আৰু অট্টহাস্য। কিন্তু লাহে লাহে নৰসিংহৰ গৰ্জনটো ভেলেণ্ডিপহুৰ কান্দোনলৈ পৰিৱৰ্তিত হ'ল।

কোলাৰ কেঁচুৱাবোৰে হাঁহি দিলে।

বাৰান্দাত থিয় দি থকা ডেকাবোৰে কিৰিলি পাৰিলে।

বুঢ়াসকলে ত্ৰাহি-ত্ৰাহি সুঁৱৰিলে।

এনেতে কোনোবা এটাই ধৰ্ম শৰ্মাৰ গালৈ তামোলৰ চোঁপোলা

এটা দলিয়াই দিলে। কোনোবা এটাই দলিয়ালে এচপৰা মাটি। আৰু ক্রমান্বয়েঁ তামোল-পাণ, মাটি চপৰা, বাদামৰ বাকলি, জোতা-চেন্দেলৰ বৰষুণ আৰম্ভ হ'ল ধৰ্মকান্ত শৰ্মাৰ ওপৰত। কঁপি কঁপি শৰ্মা সভাস্থলতে পৰি গ'ল।

শৰ্মাৰ আঁঠুৱে কপালে বিষ।

আহি নৰসিংহ ডাকি, নামঘৰ এৰি দৰ্শক পলাল।

কেঁকাই-গেঁঠাই শৰ্মা নামঘৰতে অকলে অকলে পৰি থাকিল। তেওঁৰ গোটেই শৰীৰ জঠৰ। বেদনাত শৰ্মাৰ গাৰ যোৰাবোৰ স্থুলকি যাব খুজিছে। যন্ত্রণাত তেওঁ বাগৰ সলাব পৰা নাই।

বাগৰ সলালত, হঠাতে শৰ্মাই সাৰ পালে।

আন্ধাৰতে চকু দুটা মেলি শৰ্মাই বুজি পালে, তেওঁ স্বপ্ন দেখিছে। আৰু লগে লগে তেওঁ কাণ মূৰ জোকাৰি বহি দুঃস্বপ্ন শুভস্বপ্ন হোৱা ফাকটো তিনিবাৰ আওৰালে।

কিছুসময় ইকাটি সিকাটিকৈ বিচনাতে পৰি থাকি প্ৰথম কুকুৰাৰ ডাকতে ঢাৰি-পাটী এৰি, শৌচাচাৰ কৰি তেওঁ পূজাত বহিল।

শৰ্মাৰ ঘণ্টাবাদ্যই চুবুৰীয়াৰ টোপনি ভাঙিলে।

ধৰ্মকান্ত শৰ্মাই তেওঁৰ ইষ্টদেৱতাৰ ওচৰত নিৰন্তৰ আত্ম-নিবেদন কৰিছে। মহানগৰীৰ নিৰাশ্ৰয় জীৱনে আৰু অনিশ্চিত ভৱিষ্যতৰ ভয়ে তেওঁক তেওঁৰ দৈৱৰ লগত একাত্ম হ'বলৈ বাধ্য কৰাইছে। নিজৰ কৰ্মফলৰ পৰিণতি ভাবি, ধৰ্মকান্তই বিন্দুমাত্ৰও কাৰ্পণ্য কৰা নাই ইষ্টদেৱতাৰ পূজা-অৰ্চনাত।

ধৰ্মবাপুৰ ভগৱৎভক্তিৰ সময়ৰ পৰিসৰ সেয়ে দিনে দিনে বাঢ়ি গৈছে।

বাঢ়ি গৈছে আশঙ্কা, হতাশা। আৰু জোৰদাৰ হৈ উঠিছে শূন্য-শক্তিৰ প্ৰতি আস্থা আৰু অন্ধবিশ্বাস।

মহানগৰীৰ অফিচে অফিচে দিনৰ পিছত দিন চিন্ত টলো টলো ঘূৰিছে। নাই, ক'তো কোনো সংস্থানৰ সন্ধান নাই।

নগৰীৰ শিলপতা ৰাজপথত খুপি খুপি খোজ দি ধৰ্ম শৰ্মাই প্ৰমাদ গণিছে।

দুঃচিন্তাত অৱস্থাৰ অৱনতি ঘটিছে ৰুক্মিণীৰ।

মনোৰঞ্জনে মাক বাপেকলৈ পইচা পঠোৱা বন্ধ কৰি দিছে যথাৰীতি।

ঘৰভাড়া বাকী পৰিছে কেইবামাহো। ঘৰৰ মালিকে তেওঁৰ ড্ৰাইভাৰ মহবত ছুছেইনক কেইবাবাৰো পঠায়ো ধৰ্মকান্ত শৰ্মাৰ পৰা ভাড়া আদায় কৰিব নোৱাৰি শেষত নিজে আহি শৰ্মাক টান কথা শুনাই গৈছে।

ৰুক্মিণীৰ হাতৰ-কাণৰ বেচি সেই যাত্ৰাত ধৰ্ম শৰ্মা ৰক্ষা পৰিছে।

আধাপেটী খাই অহল্যা বিবাহযোগ্যা হৈ উঠিছে। প্ৰাণ হৈ উঠিছে এটা অহমক, ঘৰুৱা অশান্তিৰ কাৰণ।

ধৰ্ম শৰ্মাৰ আজিকালি কথাই কথাই খং উঠে। নিষ্কৰ্মা ধৰ্মবাপু খিটখিটীয়া হৈ উঠিছে। বাপু ঘৰত থকা সময়ছোৱাত প্ৰাণ অথবা ৰুক্মিণীৰ লগত তেওঁৰ খণ্ডযুদ্ধ একোখন লাগিয়েই থাকে।

এদিন ৰুক্মিণীৰ হাঁপানী ৰোগটোৱে আকৌ উক দিলে।

শৰ্মাই অনাহকতে প্ৰাণক বকিলে।

মনোৱে এৰি যোৱা, অহল্যাই ঘৰতে চিলাই দিয়া পেণ্ট-চাৰ্ট দুটা পিন্ধি এদিন উপাৰ্জনৰ সন্ধানত প্ৰাণও ওলাই গ'ল। প্ৰথমতে ডাঙৰ ৰাস্তা পাৰ হ'বলৈ তাৰ ভয় হৈছিল। কিন্তু কেইদিনমানৰ ভিতৰতে সি স্বচ্ছন্দে মালিগাওঁ দিচপুৰ ঘূৰিব পৰা হৈ উঠিল।

গোটেই গুৱাহাটী ঘূৰি ধৰ্ম শৰ্মাই ইমানদিনে অকণমান নিৰিবিলি ঠাই বিচাৰি পাইছে—য'ত নিৰ্বিবাদে বহি-শুই সময় কটাব পাৰি। আৰু সেই ভৰলুমুখৰ পাৰ্কতে পাইছে দুজন সমবয়সী সঙ্গী। তিনি বুঢ়াই একেলগে জাবৰ ব'দ পুৱায়। নিজৰ নিজৰ জীৱনৰ, তেওঁলোকে দুঃসাহসিক বুলি ভবা ঘটনাৰ সলসলীয়া গল্প কৰে। সংস্কৃত পণ্ডিত বৰুৱা ভাগৱতীয়াই মনুসংহিতাৰ পৰা মন্বন্তৰৰ শ্লোক পাঠ কৰে। কলিকালত

স্ত্ৰীশক্তিৰ প্ৰতাপত ধৰণী টলমল হ'ব বুলি ব্যাখ্যা দিয়ে, ধৰ্মৰ গ্লানি আৰু অধৰমীৰ উত্থান হ'ব বুলি বুজায় আন হুজনক। তিনি বৃদ্ধ এনেবোৰ বিষয়ত সহজেই একমত হয়। ধৰ্ম শৰ্মাই ৰূপক আৰু বিষমৰ পাৰ্থক্য ফঁহিয়াই দেখুৱায় সংগীসকলক। (ধিন্ থাওঁ) তাধেনিতা খিতি তাধেনিতা খিতা ধেই...ধিন্ থাওঁ খুখিতাক্ ধিন্ থাওঁ ধেই—ফুলি আছে চেনিচম্পা হালি আছে ডাল—দাওঁদাং দাওঁদাং খুখিদাং খুখিদাং ধেই ২, ২, ২, ২...ধেৰখিতা ধেৰখিতা খিতাখি... ৰূপক। বিষমৰ তাল আকৌ ১—২, ১—২, ১—২, ১—২। বেদনিধিক দ্বাৰকালৈ পঠিয়াই কৃষ্ণ আগমনৰ পহৰি দেখি বেজাৰত ৰুক্মিণীয়ে গাইছে : মঞ্জি মাধৱ অৱ কয়লি মেৰি নৈৰাশ—দাওঁদাং খুখিদাং খুখিদাং ধেই...ধিন্ থাও তাধেনিতা খিতিতাওঁ তাতাখিতি তাখিৰ খিৰিদা খিদি খিদাওদা খুখিতাক্ ধিন্ থা ধেই—এই হ'লগৈ গুৰুজনাৰ গৌৰী বিষম। ৰুক্মিণী হৰণ।

শৰ্মাৰ আত্মসন্তুষ্টিৰ হাঁহি লুইতৰ পানীত ঠেকা খায়। তৃতীয় বৃদ্ধ গগৈয়ে কেৱল টকালি পাৰি শুনে। তেওঁ বেহা-বেপাৰৰ মানুহ। গতিকে এনে গুৰু-গম্ভীৰ আলোচনাৰ মাজত তেওঁৰ পেটিকোট-তিয়নী গামোচাৰ গল্প উলিয়াই পৰিবেশ নষ্ট কৰিবলৈ সাহ নকৰে।

ৰুক্মিণীৰ অসুখ বাঢ়ি গৈছে। ধৰ্মবাপুৱে পাহাৰ বগাই বনপাত আনি খুৱাইছে বাপুৱনীক, কিন্তু দৰবে ফল দিয়া নাই।

চিন্তই চাকৰিদাতাৰ অজস্ৰ প্ৰশ্নৰ উত্তৰ দিও ক'তো কোনো আশা দেখা নাই। ইণ্টাৰভিউ প্ৰায়বোৰেই একে। সহস্ৰ প্ৰাৰ্থী, আজব প্ৰশ্ন, আৰু শেষত নিৰাশা।

উপজি পুৱাতে উঠি অন্তৰ গলাই পূজা-প্ৰাৰ্থনা কৰি ধৰ্ম শৰ্মা দিনটোৰ বাবে ওলাই যায়। খাৰঘুলি, জজফিল্ড, হাইকৰ্ট, কামাখ্যা —ঘূৰাৰ পথত শান্তিপুৰ, ভৰলুমুখ, শুক্ৰেশ্বৰ; আকৌ খাৰঘুলি।

দিন যায়, বাতি শেষ নহয়। জকাইচুকীয়া স্মৃতিয়ে কাঢ়ি নিয়ে চকুৰ টোপনি।

ইংৰাজীৰ বৰ্ণ-পৰিচয় প্ৰাণৰ জ্ঞান।

বয়স কম হ'লেও সি বুজি উঠিছে, তাৰ টকাৰ প্ৰয়োজন। কিন্তু মাছখোৱাৰ পাব্লিক বাছত হেন্দিমেনৰ চাকৰি খালী নাই, চেলচ্‌মেনৰ দৰকাৰ নাই ফেন্সি বজাৰত।

ঘৰত অসুখীয়া মাকৰ কেঁকনি। বাপেক থাকিলে গালি-গালাজ।

বাৰটামান বজাত প্ৰাণ এখন চিটিবাছত উঠিল। সি পল্টন বজাৰলৈ যাব। বহিবলৈ চিট নাই, কিন্তু সিমান ভিৰো নাই বাছখনত। জেপত মাকৰপৰা খুজি অনা মাত্ৰ পঁচিছ পইচাৰ এটা মুদ্ৰা। ভাড়াটো নিদিয়াকৈ যাব পাৰিলে ভাল হয়, গোটেই দিন ফুৰি ঘূৰি আহোঁতে বাছত আহিব পৰিব। আজিকালি বাহিৰত থাকিলে তাৰ ভোক নালাগেই। ঘৰ পালেহিহে ভোকটোৱে কামোৰ মাৰি ধৰে।

বাছখনে কেঁকুৰি এটা ঘূৰিছে। এনেতে প্ৰাণে গম পালে, তাৰ পেণ্টৰ জেপত কোনোবাই হাত সুমুৱাইছে। সেইটো জেপতে চাৰিঅনীয়াটো আছিল। জেপকটায়ো পইচাৰ গোন্ধ পায়। প্ৰাণে তাৰ হাতেৰে জেপ-চোৰটোৰ হাতৰ ঠাৰিত খামুচি ধৰি, চোৰটোৰ হাতখন তাৰ জেপৰপৰা উলিয়াই লাহেকৈ ঠেলি আঁতৰাই পঠিয়ালে। প্ৰাণে তাৰ জেপটোত হাত দি পইচাটো চুই চালে, আছে। সি চোৰটোৰ মুখলৈ উভতি চালে। ভয় আৰু কৃতজ্ঞতাৰ চাৱনিৰে প্ৰাণৰ চকুলৈ চাই চোৰটো বাছৰ দুৱাৰৰ ফালে পিছ হুঁহকি গ'ল।

এটা বাৰ-তেৰ বছৰৰ ল'ৰা। পিন্ধনত তেলচিটিকা হাফপেণ্ট্‌চাৰ্ট। প্ৰাণতকৈ তাৰ স্বাস্থ্য বহুগুণে হীন।

বাছৰ চিটটোত ধৰি থকা হাতখনৰ মুঠিটো টান কৰি প্ৰাণে তাৰ নিজৰ মাংসপেশীলৈ চালে।

বাছখনৰ গতি ধীৰ হৈ আহিছিল। পকেটমাৰটোৱে অসহায়ভাৱে প্ৰাণৰ চকুলৈ চাই নামি যাব খুজিছে। নিজৰ শাৰীৰিক শক্তিৰ

ওপৰত আত্মবিশ্বাস জন্মাৰ লগে লগে প্ৰাণৰ মূৰত এটা বুদ্ধি খেলাই গ'ল।

চোৰটোৰ লগতে জঁাপ মাৰি বাছখনৰপৰা প্ৰাণো নামি পৰিল। প্ৰাণক দেখিয়েই ল'ৰাটোৱে লৰ ধৰিলে। প্ৰাণে তাক পিছে পিছে খেদি গ'ল। অলপ দূৰ গৈ ৰাস্তাৰ শিলত উজুটি মাৰি ল'ৰাটো হামখুৰি খাই পৰিল। চুলিকোছাত খাপ মাৰি ধৰি প্ৰাণে তাক থিয় কৰাই দিলে। তাৰ গাৰ ধূলি-বালিবোৰ জোকাৰি দিলে। তাৰ কান্ধত হাত থৈ প্ৰাণে তাক বাটৰ কাষলৈ মাতি লৈ গ'ল।

জেপকটা ল'ৰাটোৰ নাম ভুবন। মাছখোৱাত থাকে। বাপেক লেঙেৰা, বুঢ়া। কোনোবা ফেক্টৰীত দিন হাজিৰা কৰোঁতে দুৰ্ঘটনাত ভৰি এটা কটা গ'ল। ভুবনৰ ভায়েক-ভনীয়েকো আছে। সি ঘটা পইচাৰেই সিহঁতৰ সংসাৰ চলে। সি দিনে পাঁচটকাকৈ পায়। 'দাদা' আছে, নিজৰ নহয়—জেপকটা দলৰ দাদা। পুলিচে ধৰিলে দাদাই থানাত পইচা দি ভুবনহঁতক মোকোলাই আনে। আৰু পুলিচক দিয়া পইচা পিছত সিহঁতৰ মজুৰিৰ পৰা কাটি ৰখায়। দাদাটো ভাল, পিছে চিকাৰৰ পইচা চৰ লৈ লয়।

আদ্যোপান্ত শুনি প্ৰাণে তাক সুধিলে, 'মোকো তহঁতৰ দলত ল'বি ?'

ভুবনে মুখত হাঁহি বিৰিঙাই তাক সিহঁতৰ দাদাৰ ওচৰলৈ, শিখ টেম্পোলৈ লৈ গ'ল।

দুৰ্গাদাদাৰ লগত প্ৰাণক চিনাকি কৰাই দিলে ভুবনে।

দাদাই প্ৰাণক কেইটামান প্ৰয়োজনীয় প্ৰশ্ন কৰিলে। ঠিক হ'ল, —পিছদিনাৰপৰা সিহঁতৰ দলত প্ৰাণেও কাম কৰিব। দুৰ্গাই তাক ব্লেড্ আৰু কেচি চলাবলৈ শিকাই দিব। দুই-তিনিদিন দাদা তাৰ লগতে থাকি প্ৰাণক কাম কৰি দেখুৱাব। প্ৰথমতে প্ৰাণক দৈনিক তিনিটকাকৈ দিয়া হ'ব আৰু সি ধৰা পৰিলে 'মামাহঁতক' দিবলগীয়া পইচা ভৱিষ্যতলৈ তাৰ মজুৰিৰ পৰা কাটি ৰখা হ'ব।

ভুবনৰ জেপত পইচা নাছিল। উৰ্বশী চিনেমাহলৰ কাষৰ চাহৰ দোকান এখনত সি পইচা জমা ৰাখে। ভুবন আৰু প্ৰাণ ছয়োটা তালৈকে গৈ চাহ-চিংৰা খাবলৈ বহিল। ভুবনে প্ৰাণক এটা বিড়ি যাচিলে। ইতস্ততঃ কৰি বিড়িটো লৈ প্ৰাণে ধোঁৱা উকৱালে। নাকে-মুখে ধোঁৱা সোমালত ছহোপামান মাৰি সি বিড়িটো পেলাই দিলে।

ভুবনে প্ৰাণক ক'লে যে, দাদাৰ ওচৰলৈ যোৱাৰ আগতে পইচা লুকুৱাই থৈ যাব লাগে। নহ'লে দাদাই পকেট চাৰ্চ কৰে। দহ-আঠটকাৰপৰা চল্লিছ-পঞ্চাছলৈকে ভুবনে একেদিনতে পকেট মাৰিছে। পিছে বেছিভাগ মানুহৰ জেপতে পইচা নাথাকে।

দোস্তৰ পৰা ছুটকা ধাৰলৈ লৈ, কেইটামান পাউৰুটি কিনি আবেলি প্ৰাণ ঘৰলৈ ঘূৰিল। চিত্ৰই তাক পইচা ক'ত পালি বুলি সুধিলত সি বাটত হেৰাই পালোঁ বুলি ক'লে।

জকাইচুকত লুকা-ভাকু খেলা ফুকলীয়া ল'ৰা নগৰৰ যাছু লাগি ছদিনতে অঘাইটং পকেটমাৰ হৈ গ'ল। এদিন ৰাজপথ পাৰ হ'বলৈ ভয় কৰা ল'ৰাটোৱে তাৰ দলৰ দাদাৰ শিক্ষা, নিজৰ চেষ্টা-কৌশল-বুদ্ধিৰে অতি কম দিনৰ ভিতৰতে এখন চলন্ত বাছৰপৰা আনখন চলন্ত বাছলৈ জঁপিয়াই উঠিব পৰা হ'ল। পুৰা-গধূলি ব্লেড্ কেচিৰ খেলা খেলি, শৰীৰ চৰ্চা কৰি সি আকৃতি, প্ৰকৃতি আৰু স্বভাৱত এটা অন্ত জগতৰ মানুহ হৈ পৰিল।

কেইদিনমানৰ ভিতৰতে প্ৰাণে বাপেকৰ মুখ পাত্তি ধৰিব পৰা হ'ল। চিত্ৰলৈ সি মনে-প্ৰাণে ভয় কৰিলেও, চিত্ৰ ঘৰত নথকা সময়ত সি বহিৰঙ্গা। সক সুৰা কথাতে লাগি সি অহল্যাক চৰ ঘোঁচা মাৰে। মাকক কিন্তু সি বৰ সমীহ কৰি চলে।

ল'ৰা-ছোৱালীবোৰ বয়সত বাঢ়িছে। কিন্তু বয়স বঢ়াৰ লগে লগে সিহঁতে পূজনীয়জনক অশ্ৰদ্ধা কৰিবলৈ শিকিছে—প্ৰাণ সম্পৰ্কে এয়া ধৰ্মকান্তৰ ধাৰণা।

বাবা ব্ৰহ্মপুত্ৰৰ দয়া আৰু তেওঁৰ যজমানী সেৱকৰ অনুগ্ৰহত ধৰ্মকান্ত শৰ্মাই জকাইচুকীয়া জীৱনত জ্যোতিষ পঞ্জিকাত নকথা আঁউসী একাদশীও বহুত পালন কৰিছিল। কিন্তু গুৱাহাটীৰ দৰে বাটি-ঘটি বেচি চাউল কিনিবলগীয়া অৱস্থা তেওঁৰ কেতিয়াও হোৱা নাছিল। ধৰ্মবাপুৱে পুৰোহিতালি এৰিবলৈ সংকল্প কৰিছিল। কিন্তু যদি প্ৰয়োজন হয়, এতিয়াও পানী শৰাধৰ বিধি আকৌ হাতত তুলি লবলৈ তেওঁ মানসিকভাৱে প্ৰস্তুত হৈছে। মনোৰঞ্জনে তেওঁৰ কলিজাত কামোৰ মাৰিলে। প্ৰাণ দিনে দিনে উদণ্ড হৈ উঠিছে। ৰুক্মিণী প্ৰায়েই বিচনাত পৰি থাকে। অহল্যাৰ বিয়াৰ বয়স হ'ল। চিত্তই চাকৰি এটা এতিয়ালৈকে নাপালে। এসময়ত ধৰ্মকান্ত শৰ্মাক কেন্দ্ৰ কৰি বৰ্তিথকা তেওঁৰ সাংসাৰিক বৃত্তটো ভাগি গৈছে। ইয়াৰ পৰিধিৰ লগত কেন্দ্ৰ-বিন্দুৰ সম্পৰ্ক হৈ আহিছে দিনে দিনে বিচ্ছিন্ন। ধৰ্মকান্ত শৰ্মা নিজেই ইয়াৰ বাবে দায়ী, সেইটো তেওঁ উপলব্ধি কৰিছে। অনুতাপত তেওঁ দগ্ধ হৈছে। বেমেজালি চিন্তাই তেওঁৰ চকুৰ টোপনি কাঢ়ি নিছে। লগে লগে বাপুৱে হেৰুৱাইছে মনোবল আৰু শাৰীৰিক সুস্থতা। তেওঁৰ অৱচেতন মনত এই ধাৰণা বদ্ধমূল হৈছে যে, ধৰ্ম শৰ্মাৰ পৰিয়াল মহানগৰীৰ ৰাজপথত হেৰাই গৈছে। কৰ্মফলৰ আশীষ মূৰ পাতি ল'বলৈ তেওঁ সাজু হৈছে পৰম হতাশাৰে। কিন্তু তাৰ মাজতো তেওঁ চিত্তৰ চেষ্টালৈ চাই এক বিন্দু সুখৰ আশা পোষণ কৰিছে।

এটাৰ পিছত এটা ঠোকৰ খাইছে চিত্তই। মাক-বাপেকক সি বুজাইছে, মনোৰঞ্জনৰ কাৰণে দুখ কৰি লাভ নাই। কিন্তু ভিতৰে ভিতৰে সি নিকৰ্মা জীৱনৰ আলাত ভেই-পুৰি মৰিছে। এৰি অহা জীৱনৰ টুকুৰা-টুকুৰ ছবিবোৰ তাৰ মনত ভাঁহি উঠিছে।

চিত্তৰ মনত পৰিছে গীতা ঢুকোৱাৰ ঘটনা, ৰূপাই কলিতাৰ দুমুখীয়া ৰূপ আৰু সম্পত্তিৰ প্ৰতি মানুহটোৰ খঁকৰ কথা।

ধৰ্ম শৰ্মাৰ পৰিয়ালে জকাইচুক এৰিবলৈ টালিটোপোলা বান্ধিছে। মাত লগাবলৈ আহিছে পৰিয়ালটোক স্নেহ-শ্ৰদ্ধা কৰা ওচৰ-চুবুৰীয়া।

আৰু আহিছে ৰমেশ মাষ্টৰ। ৰমেশ মাষ্টৰৰ বৰ প্ৰিয় ছাত্ৰ আছিল চিত্ত। মাষ্টৰে কালৈকো পৰোৱা নকৰিছিল। তেওঁ চিত্তক কৈছিল, 'য'তেই অন্যায় দেখিবা তাতেই প্ৰতিবাদ কৰিবা। ব্যক্তিৰ কথা চিন্তা নকৰাকৈ ত্যাগ কৰিবা সমূহৰ বাবে। সদায় বঞ্চিতৰ পক্ষ লবা। জকাইচুক আৰু গুৱাহাটীৰ মাজত কোনো পাৰ্থক্য নাই—কাৰণ সমাজ ব্যৱস্থা একেটাই। য'তেই নাথাকা, যুঁজ ক'ৰিবই লাগিব। আঁজুৰি আদায় কৰিব লাগিব নিজৰ অধিকাৰ। ইয়াত শিক্ষা-বিদ্যাৰ কোনো দাম নাই, দাম আছে কেৱল টকাৰ। এই মূল্যবোধৰ পৰিৱৰ্ত্তন আমিয়েই ঘটাব লাগিব। ব্ৰাহ্মণ ক্ষত্ৰিয় একে মানুহ। জাত কুলৰ পৰ্দাখন টানি ছিঙিব লাগিব। ধনতান্ত্ৰিক উপৰিসৌধ ভাঙিবৰ বাবে চিনিব লাগিব সৰু সৰু মানুহক। এজন শিলগুটি ভঙা মজদুৰ আৰু এজন পাইলটৰ শ্ৰমৰ মূল্য একে। শ্ৰমৰ মৰ্যাদা প্ৰতিষ্ঠা কৰিব লাগিব সমাজত—সমাজক বাধ্য কৰাব লাগিব শ্ৰমিকক শ্ৰদ্ধা কৰিবলৈ।'

চিত্তৰ চকু দুটা নাচি উঠিল। সি থিয় হ'ল। ইমান দিনে বন্ধ হৈ থকা তাৰ মনৰ দিগন্ত আজি মুকলি হৈছে। ৰমেশ মাষ্টৰৰ স্মৃতিয়ে তাক সাহস দিলে। চকীত বহি কৰা অফিচৰ চাকৰিৰ মোহ আৰু আত্মসন্মানৰ প্ৰতি থকা নকল মৰ্যাদাবোধৰ জাল ফালি, মধ্যবিত্তীয় নিহালিখন গাৰপৰা খহাই পেলাই দিব পৰা মনোবল সি আজি সংগ্ৰহ কৰিছে। সি বুজি পালে, মৰ্যাদা উদ্ভূত হ'ব শ্ৰমৰপৰা।

নিশ্চিত পদক্ষেপেৰে সি আগবাঢ়িল।

দিনটো ঘূৰি ঘূৰি আবেলিলৈ চিত্তৰ চাকৰি ঠিক হ'ল।

এখন মটৰ চাইকেল মেৰামতি আৰু বিক্ৰি কৰা দোকান। মালিকক লগ ধৰি চিত্তই তাৰ পৰিয়ালৰ অৱস্থা আৰু নিজৰ প্ৰয়োজনৰ কথা সহজভাৱে ক'লে। নিজৰ শিক্ষা-বিদ্যাৰ কথাও ক'লে। তাৰ পৰিয়ালটোৱে দৈনিক অন্ততঃ এসাঁজ খাব পৰাকৈ উপাৰ্জন সি কৰিব লাগিব। দোকানত কাম কৰি থকা আন চাৰিটা ল'ৰাৰ দৰেই চিত্তয়ো যাৱতীয় সকলো কাম কৰিব, কাম শিকিব। চিত্তক সাহায্য কৰাটো

দোকানৰ মালিকৰ মাননীয় কৰ্তব্য, কিন্তু কামৰ সুযোগটো পাব লাগিব —এইটো তাৰ দাবী।

চিত্তৰ অকপট আচৰণ আৰু কথা-বাৰ্তাত মালিক মুগ্ধ হ'ল।

হাজিৰা ঠিক হ'ল—দৈনিক পাঁচটকা। কামৰ সময় পুৱা আঠটাৰ পৰা ৰাতি আঠটা। দুপৰীয়া দোকানতে একাপ চাহ আৰু দুটা বিস্কুট খোৱাৰ মালিকী বন্দবস্ত আছে।

উলাহেৰে ঘৰলৈ ঘূৰাৰ পথত চিত্তই ভাবিলে, গুৱাহাটীলৈ অহাৰ পিছত ইমান দিন সি অবাবতে কটালে। আজিৰ উপলব্ধিটো ডেৰবছৰৰ আগতে হোৱাহেঁতেন ৰুক্মিণীক অসুখে ইমান হতাশ কৰিব নোৱাৰিলেহেঁতেন, নধৰিলেহেঁতেন কঁহুৱাফুলৰ বং ধৰ্মকান্ত শৰ্মাৰ দীঘল টিকনিত। আধাপেটী খাই ডাঙৰ হোৱা ভনীয়েক অহল্যাৰো বয়সৰ এই সন্ধিক্ষণত অলপ সহজভাৱেই লাজ ঢকাৰ ব্যৱস্থা হ'লহেঁতেন। আৰু উচ্ছন্ন নগ'লহেঁতেন ভায়েক প্ৰাণ।

প্ৰাণে বান্দৰ নাচ চোৱা দৰ্শকৰ জেপ কাটি বজাৰৰ সৰু-সুৰা বস্তু দুই এপদ কিনি আনি ঘৰ সোমাইছে।

তাৰ বাট ভেঁটি ধৰি চিত্তই সুধিলে, 'পইচা ক'ত পালি ?'

প্ৰাণে বিকৃত হাঁহি মাৰি উত্তৰ দিলে, 'সেইবোৰ নুসুধিবি।'

প্ৰাণৰ মুখৰপৰা ওলোৱা চিগাৰেটৰ গোন্ধ চিত্তৰ নাকত লাগিলহি। নিজৰ আৰ্থিক অৱস্থা অলপ টনকিয়াল হ'লেই প্ৰাণক শাসনলৈ আনিব পাৰিব ভাবি চিত্তই আৰু একো নামাতিলে।

চাকৰি পাইছে চিত্তই—এটা বিৰাট খবৰ। আৰু সেই খবৰত ঘৰখন মুখৰহৈ উঠিছে। ধৰ্মকান্ত শৰ্মাই কিন্তু যেতিয়া শুনিলে মটৰ চাইকেল মেৰামতি কৰা সাধাৰণ দোকান এখনত চিত্তই কাম কৰিবলৈ লৈছে, তেওঁৰ মনটো বিমৰ্ষ হৈ পৰিল। শৰ্মাৰ বদ্ধমূল ধাৰণা হ'ল, চিত্তৰো মানসিক স্খলন ঘটিছে।

অতি কম দিনৰ ভিতৰতে পকেটমাৰৰ সকলো গুণ আয়ত্ত কৰি, তাৰ দলটোৰ বাবে প্ৰাণ এটা সমস্যা হৈ পৰিল। মানসিক বৃদ্ধি,

শাৰীৰিক শক্তি আৰু দক্ষতাৰে সি এদিন তাৰ দলপতি দাদাক সমান ভাগৰ বাবে চেলেঞ্জ কৰিলে।

শেষত বুধিয়ক দাদাই প্ৰাণক উপাৰ্জনৰ সমান ভাগ দিবলৈ বাজী হ'ল যদিও, পিছদিনা গুণ্ডা লগাই তাক মৰিওৱালে। প্ৰাণে সেই দল ত্যাগ কৰি অন্য এটা দলত যোগ দিলে। আজিকালি তাৰ কাম ৰাতি। গোটেই দিনটো সি ঘৰতে শুই-বহি কটায়। বৃদ্ধ ধৰ্মকান্তক অৱজ্ঞা আৰু তাচ্ছিল্য কৰে। ছাত্ৰৰ খজুৰতি উঠিলে অহল্যাতো আছেই। পূৰ্ণ উদ্যমেৰে শৰীৰ চৰ্চা কৰে। ৰাজপথৰ বিজুলী বাতি জ্বলিলেই সি বাহিৰ হৈ যায় আৰু পিছদিনা উপাৰ্জি পুৱাহে ঘৰ সোমায়হি।

চিত্তই প্ৰাণক শাসন কৰিব পৰা নাই। সি দিনে দিনে শাসনৰ বাহিৰলৈ গুচি গৈছে।

পৰহিৰ পৰা ৰুক্মিণীৰ অসুখটো বাঢ়িছে। চিত্তই হস্পিটেলৰ ঔষধ আনি খুৱাইছে মাকক। পাৰ হৈ যোৱা নিশাটো, প্ৰাণক বাদ দি শৰ্মা পৰিয়ালৰ সকলোৱেই ৰুক্মিণীৰ কাষতে একপ্ৰকাৰ বহিয়েই কটাইছে। বাহিৰ পোহৰ হৈ আহিলতহে চিত্ত বিচনালৈ গৈছে।

ৰুক্মিণীৰ ওচৰৰ পৰা উঠি আহি ধৰ্মকান্ত শৰ্মাই তেওঁৰ ইষ্টদেৱতাৰ পূজা-অৰ্চনাত বহিছিল দোকমোকালিতে। এনেতে বাহিৰৰ দুৱাৰত এটা শব্দ হ'ল।

অনিচ্ছা চত্বেও পূজা-সেৱা এৰি উঠি আহিল ধৰ্ম শৰ্মা। তেওঁ দুৱাৰখন খুলি দিওঁতেই প্ৰাণ তেওঁৰ গাত হাউলি পৰিল। পূজাৰী বাপেকৰ গাতে সি বমি কৰি দিলে। পচা মদৰ উৎকট গোন্ধত শৰ্মাৰ শৰীৰ জিকাৰ খাই উঠিল। ধৰ্মবাপুৰ চিঞৰত চিত্ত উঠি আহি প্ৰায় অজ্ঞান প্ৰাণৰ গালত এটা চৰ বহুৱাই দিলে। অহল্যাই খুই সাৰি বমিবোৰ চকা কৰিলে। অহল্যাৰ কাৰণে প্ৰাণে কিনি অনা সাড়ীখন তেতিয়াও দুৱাৰডলিৰ বাহিৰতে পৰি থাকিল।

প্ৰাণক টানি আজুৰি নি বিচনা এখনতে পেলাই দি চিন্তই গা ধুই আহিল।

তেল-ডিজেল লগা, দোকানত কাম কৰা কাপোৰযোৰ পিন্ধি চিন্তই মাকক ঔষধ খুৱালে। কল্পিণী শুলে, সি কামলৈ গুচি গ'ল।

ছাপ মৰা চিন্তৰ সাড়ী। পিচ্ছল।

নতুন সাড়ী এখন পিন্ধিবলৈ পোৱাটো অহল্যাৰ কাৰণে এটা অভিজ্ঞতা। গাঁৱত থকা হ'লে তাই কেতিয়াবাই চাদৰ-মেখেলা পিন্ধিলেহেঁতেন। নগৰত ফ্ৰক পিন্ধি যৌৱনৰ বয়স কমাই ৰাখিছে। সেই ফ্ৰক তাই নবৌৰেকৰ ফটা সাড়ী কাটি নিজেই চিলাই লৈছিল। সিও ফিচিকিছে—শৰীৰটো দিনে দিনে আঁটিল হৈ যোৱাৰ ফলত নে ফ্ৰকটো সৰু হৈ যোৱাৰ ফলত, তাই নাজানে।

সুখ-শান্তি বিচৰণত ধৰ্ম শৰ্মা যথাৰীতি ওলাই যোৱাৰ পিছত গা ধুই আহি অহল্যাই মনৰ উলাহেৰে নতুন সাড়ীখন লুটিয়াই বগৰাই চালে। খুউব ধুনীয়া সাড়ীখন!

প্ৰাণৰ তেতিয়া মাজনিশা।

ঘৰখনৰ মুমলীয়া সন্তান হিচাপে যি আদৰ-যত্ন পাই অহল্যা ডাঙৰ দীঘল হ'ব লাগিছিল, সেইখিনি তাই পোৱা নাই। প্ৰাণৰ বাহিৰে সকলোৱে তাইক মৰম-সাদৰ কৰে। সাড়ীখন চাই চাই অহল্যাই ভাবিলে, আচলতে প্ৰাণেও তাইক ভিতৰে ভিতৰে খুব ভাল পায়।

সৰু সৰু খৰিকাজাঁই ফুলৰ শাৰী। তাৰ মাজে মাজে নিয়মিত দূৰত্বত বেলিফুলৰ দৰে একোপাহ ডাঙৰ ফুল। ফুলবোৰ বগা, বাকী অংশবোৰ ক'লা। পাৰি ছুটা টিকটিকীয়া ৰঙা। অহল্যাই সাড়ীখন অলপ ইফাল-সিফাল কৰি পিন্ধে আৰু আয়নাখনলৈ চায়। কোনো-বাৰত পিঠিলৈ পেলোৱা আগটো বহুত ওলমি যায়, কোনোবাৰত আকৌ থৰা থৰা যেন লাগে। কোনোবাৰত সাড়ীখন এনেভাৱে জলছ হৈ যায় যে, তাইৰ নিজকে বুঢ়ী আইতা যেন ভাব হয়। কেতিয়াবা তলৰ পাৰিটো খোজকাঢ়িব নোৱাৰাকৈ ওলমি যায়, একোবাৰত আকৌ সৰু

গাঁঠিলৈকে উঠি আহি ভৰি দুটা ওলাই থাকে। এবাৰত মোটা-মোটিভাৱে আঁটিলকৈ সাড়ীখন পিন্ধি আয়নাত চাই তাই সন্তুষ্ট হ'ল। এনেতে কৃষ্ণিণীয়ে এটা কাহ মাৰিলে। আয়নাখন হাতত লৈয়েই তাই মাকৰ ওচৰলৈ দৌৰি গ'ল। দেখিলে, কৃষ্ণিণীৰ টোপনি।

পিছফালৰ চোতাললৈ ওলাই আহি তাই আয়নাত নিজকে ঘূৰি পকি চাইছে।

ৰ'দ টান, কিন্তু তালৈ অহল্যাৰ ভ্ৰূক্ষেপ নাই।

এসময়ত তাই আবিষ্কাৰ কৰিলে সাড়ীখন পিন্ধাত তেতিয়াও এটা খুঁট ৰৈ গৈছে—কান্ধত পৰা ডাঙৰ ফুলপাহ বুকুখনৰ সোঁমাজত পৰা উচিত।

অহল্যাই সাড়ীখনৰ ডাঙৰ ফুলপাহ তাইৰ বুকুৰ সোঁমাজত পেলাই আয়নাত মুখ চাওঁতেই অলপ দূৰৰপৰা অহা এটা সুহুৰিৰ মৃদু শব্দ তাইৰ কাণত ভাঁহি উঠিল। সংযত হৈ ঘূৰি চাই তাই দেখিলে, অদূৰতে থিয় হৈ হুছেইনে একান্তমনে তাইকে লক্ষ্য কৰি আছে। তাৰ চকুত দুষ্টামিৰ চাৱনি।

তাইৰ হঠাৎ লাজ লাগি গ'ল। আঁচলখন চোতালতে পেলাই, দৌৰি আহি তাই ঘৰৰ ভিতৰ সোমাল।

গাড়ীখন গেৰেজৰপৰা বাহিৰলৈ উলিয়াই, গাড়ীৰ ওচৰতে ৰৈ হুছেইনে মালিকলৈ অপেক্ষা কৰি আছিল। অহল্যাৰ আয়নাত বেলিটো প্ৰতিফলিত হৈ এসময়ত তাৰ মুখত পোহৰৰ ছাঁ পৰিছিল। গাড়ীৰ ওচৰতে থিয় দি কিমান সময় সি অহল্যাক লক্ষ্য কৰি আছিল, সি নিজেও মনত পেলাব পৰা নাই।

ঘৰভাড়া নিবলৈ হুছেইন চিত্তৰ ওচৰলৈ কেইবাবাৰো আহিছে। অহল্যাই তাক পৰ্দাৰ ফাঁকেদি বহুবাৰ জুমি চাইছে। তামোল-মছলা দিবলৈ অহল্যা তাৰ আগলৈকো ওলাইছে। ভাড়াঘৰৰ সিপাৰে সি গাড়ী চফা কৰা, হাতুৰীৰে লোহা-লক্কৰ মৰিওৱা আদিও কেইবাদিনো লক্ষ্য কৰিছে অহল্যাই—হুছেইনৰ অজানিতেই। তাৰ হাঁহি মুখ, বসাল

কথা, পুৰুষোচিত চাল-চলন আৰু সুন্দৰ স্বাস্থ্য দেখি অহল্যাৰ খুউব ভাল লাগে।

নতুন সাড়ী পিন্ধাৰ উৎকণ্ঠা, সাড়ীখন পিন্ধিবলৈ একনিষ্ঠভাৱে কৰা কচৰতৰ শ্ৰম আৰু নগৰীয়া বেলিৰ আক্ৰোশত বিন্দু বিন্দু ঘামেৰে অহল্যাৰ কপালখন তিতি গৈছিল। মহবত হুছেইনৰ চকুৰ উমত এতিয়া তাইৰ নাকৰ পাহি দুটাও তিতি আহিল। সাড়ীৰ আগটো দাঁতেৰে কামুৰি ধৰি তাই বিচনাখনত জঁাপমাৰি দিলে। দুহাতেৰে মুখখন ঢাকি ধৰিলে। লাহে লাহে মুখখন মচিলে সাড়ীৰ ৰঙা পাৰিটোৰে। হঠাৎ জঁাপমাৰি উঠি তাই খিৰিকীখনৰ কাষলৈ আগবাঢ়ি গ'ল। পৰ্দাখনৰ দাঁতিটোত নাকটো লগাই লাজ লাজ চাৱনিৰে খিৰিকীয়েদি জুমি চালে—এবাৰ, দুবাৰ, তিনিবাৰ—নাই, ইতিমধ্যে চৰাই উৰি গৈছে।

মহবত হুছেইনৰ মৃদু সুহুৰিটো কিন্তু তাইৰ কাণত এতিয়াও অহৰহ বাজি আছে।

দোকানৰ মালিকে চিত্তৰ গুণমুগ্ধ হৈ তাক চাকৰি দিছিল।

বাৰঘণ্টা কামৰ সময়। দুপৰীয়া আধাঘণ্টামান কেৱল জিৰণি। কাম বাঢ়ি গৈছে দিনে দিনে। চিত্তৰ দৰমহাও বাঢ়িছে সামান্যভাৱে। কিন্তু তাৰ কামৰ তুলনাত দৰমহা অতি কম। প্ৰথমতে চিত্তক বহী-পত্ৰ লিখাৰ কাম দিয়া হৈছিল। চিত্তৰ নিজৰ ইচ্ছাতেই সি সেই কামৰ লগতে স্কুটাৰ মেৰামতিৰ কাম শিকিবলৈও আৰম্ভ কৰে। কিছুদিনৰ ভিতৰতে এবেলা হিচাপৰ আৰু এবেলা মেৰামতিৰ কাম তাৰ বাবে নিয়মিত হৈ পৰে। পিছলৈ মালিক পক্ষই হিচাপৰ কাম নিজেই কৰিবলৈ লয় আৰু চিত্তক মেৰামতিৰ কামত সম্পূৰ্ণভাৱে নিয়োগ কৰে।

পৰম আন্তৰিকতাৰে চিত্তই কাম কৰে। দেওবাৰে দোকান বন্ধ থাকে। সপ্তাহৰ বাকীকেইটা দিনৰ হাজিৰা সি পায়। সেই পইচাৰে ঘৰখন চলোৱা তাৰ সাধ্যৰ অতীত। প্ৰাণে মাজে মাজে ইটো সিটো আনে যদিও তাৰ উপাৰ্জন হিচাপত ধৰিব নোৱাৰি।

প্ৰাণৰ চৰিত্ৰ দিনে দিনে বেয়াৰপৰা বেয়ালৈ গৈছে। চিত্তই বাপেক-মাকৰ লগত আলোচনা কৰি প্ৰাণক সজপথলৈ আনিবলৈ বহু চেষ্টা কৰিছিল। কিন্তু সেই সকলো প্ৰচেষ্টাই ব্যৰ্থ হৈছে। তাৰ কথা-বাৰ্তা, চাল-চলন, ৰীতি-নীতি সকলো সলনি হৈ গৈছে। সি বিপথ-গামী হৈছে। বয়সত সৰু হ'লেও বল-শক্তিত সি চিত্তহঁতকৈ হীন নহয়। গোটেই দিন ঘৰতে শুই-বহি থাকি প্ৰাণ গধূলি সাজি-কাচি ওলাই যায়। ৰাতিটো বাহিৰত কটাই, মদৰ নিচাত জলং পলংকৈ পুৱা ঘূৰি

আছে। সি চিত্তৰ চকুৰপৰা আঁতৰি থাকিব খোজে। বেমাৰী ৰুক্মিণীয়ে এদিন প্ৰাণক কাষতে বহুৱাই লৈ তাৰ মূৰত হাত বুলাই তাক মদ খোৱা এৰিবলৈ উপদেশ দিছিল। জ্ঞান দিছিল সজ পথলৈ আহিবলৈ। উত্তৰত সি মাকক যি কৈছিল, সেয়া শুনাৰ পিছত আনকি তাৰ বাপেক ধৰ্মকান্তয়ো অবাক-বিস্ময়েৰে তাৰ মুখলৈ চাই থাকিবলগীয়া হৈছিল। সি কৈছিল, মদ খোৱা, জুৱা খেলা, চুৰি-ডকাইত কৰা বা বাহিৰত ৰাতি কটোৱা যে বেয়া, সেইটো প্ৰাণে নজনা নহয়। সজ পথেৰে পেট-ভাত মোকোলাবৰ বাবে সি বহুত চেষ্টা কৰিলে—বাকী থাকিল কেৱল ভিক্ষা কৰিবলৈ। ভিক্ষা সি নকৰে,—সি ভিক্ষাবৃত্তিক ঘিণ কৰে। ভিক্ষা কৰি মানুহৰ ওচৰত হেয় হোৱাতকৈ সি আত্মহত্যা কৰিব। কিন্তু সি আত্মহত্যাই বা কৰিব কিয়? জীয়াই থাকিবলৈ তাৰো অধিকাৰ আছে। চিধা আঙুলিৰে ঘিউ নাহে। গতিকে সি জেপ কাটে। ডকাইতি কৰে। এই সমাজে মানুহৰ দায়িত্ব লয়। মাক-বাপেকে ল'ৰা-ছোৱালীক খুৱাব-পিন্ধাব নোৱাৰে। সেয়ে ল'ৰাই কিয় চুৰি-ডকাইতি কৰে, ধৰ্ম-ৰুক্মিণী বা তেওঁলোকৰ সমাজৰ ওচৰত সেই কৈফিয়ৎ দিবলৈ প্ৰাণ ৰাজী নহয়। সমাধান যেতিয়া তেওঁলোকৰ জনাত নাই, তেনে তেওঁলোকেই বা এনে সমস্যাৰ মাজত সোমাব খোজে কিয়? ল'ৰা-ছোৱালীৰ ওপৰত কেৱল অধিকাৰ সম্পৰ্কে সচেতন হ'লেই মাকবাপেকৰ কৰ্তব্য শেষ নহয়, ল'ৰা-ছোৱালীৰ প্ৰতি তেওঁলোকৰ দায়িত্বৰ বিষয়েও ধৰ্ম-ৰুক্মিণী সজাগ হোৱা উচিত। জীয়াই থকাটোৱেই যেতিয়া জীৱনৰ উদ্দেশ্য, সি কেনেকৈ জীয়াই আছে সেইটো ডাঙৰ কথা নহয়।

ধৰ্মকান্ত শৰ্মাই প্ৰাণৰ কথাবোৰ বুজিবলৈ চেষ্টা কৰে। তাৰ কথাত যুক্তি আছে। কিন্তু বাপেকৰ ব্যক্তিত্বৰে তাক শুনাই দিব পৰা কোনো বাণী ধৰ্ম শৰ্মাৰ মুখস্থ নাই। ৰামায়ণ-মহাভাৰতৰ অসংখ্য ঘটনা লৈ শৰ্মাই নাট কাটিছে। ঘটনাৰ সাৰাংশ বিচাৰ কৰিহে বাপুদেৱে নাট লিখিছিল। সত্য, ত্ৰেতা, দ্বাপৰ, কলি—এই চাৰিযুগৰ কোনো

উপাখ্যানৰ লগত কিন্তু এই পৰিস্থিতিৰ মিল নাই। কেৱল পেটৰ চিন্তা! ভাবিলেও হাঁহি উঠা কথা!

চিত্তৰ স্বভাৱ-চৰিত্ৰ তেওঁ বুজি পায়। বুজি পায় তাৰ সমস্যা আৰু মানসিক অশান্তিৰ কথা। তাৰ উপাৰ্জনেৰে সি ধৰ্ম শৰ্মাৰ ভাগি যোৱা পাৰিবাৰিক বৃত্তটো ধৰি ৰাখিবলৈ আপ্ৰাণ চেষ্টা চলাই গৈছে। সি সফলো হৈছে কিছু পৰিমাণে। আৰু হয়তো এসময়ত সি ধৰ্ম শৰ্মাৰ আৰ্থিক অশান্তি সম্পূৰ্ণভাৱে লাঘৱ কৰিব পাৰিব। কিন্তু মনোৰঞ্জন? কেইবছৰমান গুৱাহাটীত থাকিয়েই তাৰ স্বভাৱ-চৰিত্ৰৰ আমূল পৰিৱৰ্তন হৈ গ'ল? শহুৰেক কুম্ভকৰ্ণ দত্তৰ তুলনাত সি তাৰ জন্মদাতা পিতা-মাতাক পৰ বুলি ভাবিবলৈ শিকিলে? মাক-বাপেক, ভায়েক-ভনীয়েক সকলোকে অথৈ জলত পেলাই থৈ নগৰীয়া ঘৈণীৰ লগত সি সুখ বিচাৰি পলাল? নৈতিক কৰ্তব্যতকৈ সম্পত্তিৰ লোভ হৈ উঠিল তাৰবাবে অধিক গুৰুত্বপূৰ্ণ? নিজৰ আপোনজনক সি অযথা জঞ্জাল ভাবি এৰিছে, ঠিক আছে। সকলোকে পুহিব পৰা আৰ্থিক ক্ষমতা তাৰ নাই— ধৰ্মকান্তই মানি লৈছে। ভাই-ভনীৰ দায়িত্ব ল'বলৈ সি অপৰাগ— সেইটোও শৰ্মাই বুজিব পাৰে। কিন্তু তাৰোতো এখন সমাজ আছে? তেনেহলে সেই সমাজত পুতেকে মাক-বাপেকৰ লালন-পালনৰ, ককায়েকে ভায়েক-ভনীয়েকৰ শিক্ষা-বিদ্যা-বিবাহৰ দায়িত্ব গ্ৰহণ নকৰে নেকি? কোনেও কাৰো কাৰণে যদি নাভাবেই তেনে তাৰ নাম সমাজ হ'ল কেনেকৈ? ল'ৰা-ছোৱালীক জন্ম দিয়েই খালাছ বুলি ভৱা মাক-বাপেকৰ গল্প ধৰ্ম শৰ্মাই শুনিছে। কিন্তু নিজৰ ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত শৰ্মাইতো কোনোদিনেই তেনেদৰে ভৱা নাই! নিজে নাখাই খুৱাই, নিজে নিপিন্ধি পিন্ধাই, যথাসাধ্য শিক্ষা-বিদ্যাৰ ব্যৱস্থা কৰি দি ধৰ্ম শৰ্মাই সিহঁতক বুকুৰ উমেৰে ডাঙৰ-দীঘল কৰিছে। তেনেস্থলত পেটৰ পোৱালি হৈ মনোৰঞ্জনে এই বিপদৰ দিনত তেওঁলোকক প্ৰবঞ্চনা কৰিলে কিয়?

শিক্ষা-বিদ্যা থকা সংস্কৃত সমাজৰ মানুহ মনোৰঞ্জন। বয়স-বুদ্ধিতো সি কোনোমতেই হীন নহয়। তেনে?

ধৰ্মকান্ত বাপুৰ চিন্তাৰ আঁত হেৰাই যায়। তেওঁ কোনো সন্তোষ-জনক সিদ্ধান্তলৈ আহিব নোৱাৰে।

আৰু প্ৰাণ? সাত্বিক ব্ৰাহ্মণ ধৰ্ম শৰ্মাৰ ঘৰত সি এটা যবন।

দিন-কাল বদলি হৈছে। নিজৰ ল'ৰা-ছোৱালীয়ে সিহঁতৰ মাক-বাপেকক চিনি নোপোৱা হৈছে, মনোৰঞ্জনো সেই সোঁতত উটি গৈছে। সি ধৰ্ম শৰ্মাক আন্তৰিক দুখ দিছে—অপমান কৰা নাই। নিৰাশ্ৰয় কৰিছে—কিন্তু শৰ্মাৰ বামুণীয়া পৰম্পৰাক হেয় কৰা নাই কোনোদিন। কিন্তু প্ৰাণ? এটা অদ্ভুত মানুহ! ধৰ্ম-কৰ্মৰ প্ৰতি তাৰ কোনো আস্থা নাই। ইহকাল-পৰকাল সি বিশ্বাস নকৰে। সি হেনো বিশ্বাস কৰে কেৱল বৰ্তমানক। যজমানী ব্ৰাহ্মণ ধৰ্ম শৰ্মাই নিজৰ পেট মাৰি, শুদিৰৰ বাহী চোতাল গছকি, পিতলৰ ঘণ্টা বজাই পানী শৰাধ কৰি লালন-পালন কৰা কনিষ্ঠ পুত্ৰই আজি তেওঁক বুঢ়া আঙুলি দেখুৱাইছে। তিনি সন্ধ্যা গায়ত্ৰী জপ কৰা বাপুদেউৰ ল'ৰা নিশাচৰ হৈছে। চুৰি-ডকাইতি কৰি, গোটেই ৰাতি মদে-মঙহে খাই আহি সি ধৰ্মবাপুৰ গাত বমি কৰিছে। হুছেইনৰ লগত সি কৰিছে বন্ধুত্ব। স্পষ্টভাৱে শুনাই দিছে সি ধৰ্ম-কল্মিণীক, তেওঁলোক মৰিলে সি শ্ৰাদ্ধ-বিধি নকৰে। সেইবোৰত তাৰ কোনো বিশ্বাস নাই। একশ্ৰেণীৰ মানুহে বোলে নিজৰ স্বাৰ্থৰ খাটিৰত নিজেই ভগৱানক প্ৰসন্ন কৰাইছিল। কুকুৰ এটা ছুলেও গা তিওৱা বাপুৰ ল'ৰাই গোটেই গুৱাহাটী ভ্ৰমি আহি পাগঘৰ-শোৱাঘৰ একাকাৰ কৰিছে। তাৰ প্ৰতাপত যো যা এফাকি গাবলৈ উপায় নাই—ধৰ্মীয় বাণী-বচনবোৰেহে বোলে শৰ্মাইতক বাস্তৱবিমুখ কৰিলে। কথা প্ৰসঙ্গত মহাত্মা-বীৰপুৰুষ এজনৰ নাম শুনালে সি গৰ্জি উঠে। শৰ্মাই আজীৱন পূজা কৰি অহা প্ৰখ্যাত দেশনেতাৰ নাম ধৰি সি সেই সকলক ভণ্ড, ধুৰন্ধৰ বুলি গালি পাৰে। জীয়াই থকাটোৱেই তাৰবাবে আটাইতকৈ ডাঙৰ কৰ্ম! কিন্তু জীয়াই থাকিবলৈ সি যিটো পথ অৱলম্বন কৰিছে?

ধৰ্মকান্ত শৰ্মাৰ চিন্তাত খেলি-মেলি লাগি যায়।

প্ৰাণ ঘৰত থকা সময়ত শৰ্মাই আনকি তেওঁৰ এৰি অহা গাঁৱলীয়া জীৱনৰ সোৱাদলগা কথা এটাও ৰুক্মিণীক ক'ব নোৱাৰে। শৰ্মাই মুখ খুলিলেই প্ৰাণ তেওঁৰ মুখামুখি হয়। কয়, ধৰ্ম শৰ্মাই যদি গাঁৱত থকা কালত মান্ধাতাৰ ধৰ্ম নকৰি পৈতৃক মাটি কেইডৰাত নাঙল চোঁচোৰালে-হেঁতেন, তেতিয়া প্ৰাণ আজি ডকাইত হ'বলগীয়া নহ'লহেঁতেন। খোলতাল বজাই ভজন-কীৰ্তন নকৰি ধৰ্মকান্তই যদি ছাগলীবেপাৰো কৰিলেহেঁতেন, তেতিয়াহলে আজি বেমাৰী ৰুক্মিণীৰ ঔষধ কিনিবলৈ ঘৰখনত দুটা নিকেলৰ পইচা ওলালহেঁতেন। ডকাইচুৰুৰ নাম কাঢ়িবলৈ হেনো সি লাজ পায়।

শৰ্মাৰ মূৰটো ক্ৰমে গৰম হৈ আহে। আৰৰ দিনতো তেওঁ মূৰত ঘটিয়ে ঘটিয়ে চেঁচাপানী ঢালে। আৰু পাখিৰ চিন্তাৰপৰা ৰেহাই পাবৰ কাৰণে তেওঁ ৰাম কতদূৰ গ'ল বুলি ভৰতে গুহকক সোধা বৰগীতটো আঁঠুত তাল দি গুণগুণায়।

হস্পিটেলৰ দাগ কটা ঔষধে ৰুক্মিণীৰ অসুখ দমাই ৰাখিব পৰা নাই। চৰকাৰী হস্পিটেলত ডাক্তৰে ৰোগী নোচোৱাকৈ ঔষধ কিছুমান বটলত ভৰাই দিছে। ডাক্তৰ এজন ঘৰলৈ আনি ৰুক্মিণীক দেখুউৱা দৰকাৰ। সেয়ে চিত্তই পঞ্চাছ টকা আগধনৰ কাৰণে মালিকক অনুৰোধ কৰিছে।

দহ-বাৰদিনৰ দৰমহা আগতীয়াকৈ নিয়াটো তাৰ কাৰণে এটা ৰীতিত পৰিণত হৈছে। তথাপি উপায় নাই। আৰকালি ৰুক্মিণীৰ অসুখ বাঢ়ে। দম বন্ধ হৈ যায়। উশাহ ঘূৰাওঁতে ভয়ানক কষ্ট হয়। পানী মিহলোৱা ঔষধৰ পৰিবৰ্তে, বেছি পইচা লোৱা দামী ডাক্তৰ এজনক অসুখটো দেখুউৱাৰ কথা চিত্তই বহুদিন ভাবি আছিছে। অৰ্থৰ অভাৱতে সেইটো হৈ উঠা নাই।

মালিকৰপৰা আগধন লোৱাও বৰ সহজ নহয়। ধনতান্ত্ৰিক দেশত চাকৰিয়ালৰ ক্ষেত্ৰত এনে সুবিধাবোৰ মালিকে টোপ হিচাপে ব্যৱহাৰ কৰে। চিত্তই সেইটো ভালদৰেই জানে, সেই বিষয়ে সি বহুত পঢ়িছে।

এই মালিকে কিন্তু খবৰ কাগজ এখনৰ পাত লুটিওৱাও চিন্তুই কোনো-দিনে দেখা নাই। তথাপি মালিকে দেখি-শুনিয়েই টোপ মাছৰ খেলাটো আয়ত্ব কৰিছে। মালিকপক্ষৰ এইটোৱেই স্বভাৱ, সিহঁতৰ শ্ৰেণীগত চৰিত্ৰ। যেতিয়াৰপৰাই চিন্তুই আগধন লোৱা আৰম্ভ কৰিছে, তেতিয়াৰপৰাই মালিকে তাৰ কামৰ পৰিমাণ বঢ়াই দিছে। সুবিধা পালেই তাক দুষাৰ টান কথা শুনাইছে বা সি ঘৰুৱা অসুবিধাৰ দোহাই দিলেও ৰাতি দহ এঘাৰটালৈ তাক খটুৱাইছে। চিন্তুই চব জানে, বুজে। কিন্তু উপায়ো নাই।

সাপো মৰক লাঠীও নাভাগক পদ্ধতি অনুসৰণ কৰে মালিকে। দহটকা বিচাৰিলে দুটকা দিয়ে। যাতে শ্ৰমিকৰ প্ৰয়োজনীয় কামটোও সম্পূৰ্ণৰূপে হৈ মুঠে আৰু সেই দুটকাৰ বিনিময়ত কৰ্মীক উত্তম-মধ্যম শুনোৱাৰ লগতে সিহঁতৰ পৰা অতিৰিক্ত কাম আদায় কৰিবলৈও অধিকাৰ অৰ্জন কৰা যায়। দহ টকাৰ কামটো দুটকাত কৰিব নোৱাৰি তেতিয়া শ্ৰমিকে পিছদিনা মালিকক আকৌ অনুৰোধ কৰেহি। নিজৰ বুদ্ধিত নিজেই গৌৰৱ অনুভৱ কৰি মালিকপক্ষই এই চেৰেকীখেলৰ চকৰীটো আকৌ এপাক ঘূৰাই দিয়ে।

আজিও তাৰ মালিকৰ লগত বহুত সময় এই খটু-বাদ্ধ কৰি চিন্তুই পঞ্চাছৰ পৰিবৰ্তে বিছটকা আদায় কৰিছে। চিন্তুৰ ধাৰণা হ'ল মালিকে তাক বিছটকাও নিদিলেহেঁতেন। কিন্তু চিকিৎসা নকৰিলে তাৰ মাক মৰি যাব পাৰে—মালিক সম্প্ৰদায়ে যদিও নিশ্চিত বিশ্বাস কৰে যে শ্ৰমিক গোষ্ঠী ৰক্তবীজৰ বংশ, সিহঁতে নিজৰ জিভা কামুৰি জীয়াই থাকে —মাক মৰিলেই চিন্তুই কাম খতি কৰিব—মালিক সম্প্ৰদায়ৰ ওচৰত এইটোও ধ্ৰুৱসত্য যে শ্ৰমিকৰ গোষ্ঠী উচ্ছন্ন হৈ গ'লেও সি কামলৈ আকৌ আহিবই, কাৰণ কামলৈ নাহিলে সিও খাবলৈ নাপাই মৰিব— আৰু তেতিয়া মেৰামতি কৰিবলৈ বাকী থকা মটৰচাইকেল কেইখন মালিকে সময়মতে ভাল কৰি দিব নোৱাৰিব। মালিকৰ কথা-বাৰ্তাৰ পৰা আৰু বুজা গ'ল, কোনোৰকমেই গ্ৰাহকক অসন্তুষ্ট কৰিব নোৱাৰি।

গতিকে যিমান বাতিয়েই নহওক, কাম শেষ কৰিহে চিত্ত ঘৰলৈ উভতিব পাৰিব।

চিত্তই পঢ়িবৰ কাৰণে দুখনমান কিতাপ লৈ অমল দত্ত আবেলি চিত্তৰ দোকানলৈ আহিল। বাটেদি গাড়ীৰে যোৱা ছুছেইনক মাতি মাকৰ কাৰণে কিনি ৰখা ঔষধকেইটা চিত্তই তাৰ হাতত ঘৰলৈ দি পঠালে। ছুছেইনে অমলক এটা লিফট্ দিলে।

প্ৰাণে অহল্যাক সুধিলে, 'কোনটো ৰং তোৰ আটাতকৈ বেছি ভাল লাগে?'

'ৰঙা', অহল্যাই উত্তৰ দিলে।

'বাঃ! তেনেহলে ফুটফুটীয়া ফুল থকা ৰঙা স্কাৰ্ফ এখন তোক আনি দিম,' প্ৰাণে উৎসাহেৰে ক'লে।

অহল্যাই এটা হুমুনিয়াহ কাঢ়িলে। তাইৰ নাচি থকা চকু দুটা নিমিষতে জঁই পৰি গ'ল। দুখেৰে ক'লে, 'মোক একো নালাগে পাই, তই মাৰ কাৰণে ঔষধ আনি দিবি।'

প্ৰাণে সাজ-পাৰ কৰিছে। বাতিটো আগত লৈ কামলৈ যাব। অহল্যাই তাক একাপ চাহ আনি দিলে।

ৰঙা চাহ কাপ খাই প্ৰাণ মাকৰ ওচৰলৈ গ'ল।

গাকত ভেঁজা লৈ ৰুক্মিণী বিচনাতে বহি আছিল। মাজে মাজে কাহিছে, কেঁকাইছে।

ৰুক্মিণীৰ বিচনাৰ ওচৰতে বহি ধৰ্মবাপুৱে কীৰ্তন পঢ়িছে। অজামিল উপাখ্যান।

প্ৰাণ কোঠালৈ সোমাই আহিল। মাকৰ কপালত হাত দি চালে। কম্বলখনেৰে ৰুক্মিণীৰ ভৰিকেইটা ঢাকি দি প্ৰাণ ওলাই আহিল। ৰুক্মিণীয়ে হাত মেলি প্ৰাণক কিবা এটা ক'ব খুজিছিল। প্ৰাণে নেদেখিলে। কাহটোৱে খুন্দা মাৰি ধৰাত ৰুক্মিণীয়েও একো ক'ব নোৱাৰিলে।

কৃষ্ণপক্ষৰ ৰাতি।

মালবাহী গাড়ীৰ ষ্টেশ্যন।

টেলিফোনৰ তাঁৰত বতাহে গীতাৰ বজাইছে। বিজুলী বাতি আগুৰি ধৰি পোকৰ জিল-মিল।

প্ৰাণ, মতিৰাম আৰু বল্টু সঁচকিতভাৱে আগবাঢ়ি গৈ ৰৈ থকা মালগাড়ী দুখনৰ মাজত সোমাল। ডবাৰ মাজৰ সুৰুঙাইদি উফৰি অহা প্লেটফৰ্মৰ লাইটৰ পোহৰ এৰাই সিহঁত আগবাঢ়িছে। অদূৰত এটা ইঞ্জিন অহা-যোৱা কৰিছে। সেই ইঞ্জিনৰ পোহৰৰপৰা হাত সাৰিবৰ বাবে সিহঁতে কোনো সময়ত ৰৈ থকা ৰেলৰ গাত চেপেটা মাৰি লুকাইছে, কেতিয়াবা ডবাৰ তললৈ সোমাই বহি পৰিছে।

প্লেটফৰ্মত পহৰা দি থকা চন্তৰীৰ জোতাৰ শব্দ শুনিবলৈ পাই প্ৰাণে সিহঁতক সাৱধান কৰি দিলে। জোতাৰ আৱাজ লাহে লাহে দূৰলৈ আঁতৰি গ'লত সিহঁত আকৌ আগবাঢ়িল।

নিৰ্দিষ্ট ডবাটোৰ ওচৰ পাই প্ৰাণে কান্ধত লৈ যোৱা খালী বস্তাটো নমাই থৈ, সোঁহাতৰ ডেগাৰখনেৰে ডবাটোৰ গাত টুকুৰিয়াই কিবা পৰীক্ষা কৰিলে। তাৰ পিছত হাতৰ ইচাৰাৰে বল্টু আৰু মতিক তাৰ ওচৰলৈ মাতিলে।

ওৱাগনটোৰ তললৈ কুঁজা হৈ প্ৰাণ সোমাই গ'ল। বল্টু সোমাব খোজোঁতেই দূৰৰ পৰা অহা এটা দীঘলীয়া পোহৰ সি দেখিবলৈ পালে। মতিৰামৰ গাত সেই পোহৰ পৰিল।

পোহৰটো হঠাৎ নাইকিয়া হৈ গ'ল। কিন্তু জোতাৰ শব্দ আকৌ ওচৰ চাপি আহিল। আৰু শুনা গ'ল এটা অবুজ চিঞৰ। মতিয়ে গা ঢকা দিলে। এইবাৰ অন্য ফালৰপৰা পোহৰ এটা আহি প্ৰাণ শুই থকা ফাললৈ ডবাৰ তলত পৰিলহি। এনেতে দুয়োফালৰপৰা দুটা টৰ্চৰ পোহৰ সিহঁতৰ ওচৰলৈ আগবাঢ়ি আহিল। অস্ফুট শব্দ কৰি মতি আৰু বল্টুৱে দৌৰ দিলে। পলাবৰ বাবে প্ৰাণো সাজু হ'ল।

ডবাৰ তলৰপৰা বাহিৰলৈ ওলাব খোজোঁতেই টৰ্চৰ পোহৰ তাৰ চকুত পৰিলহি। সি মূৰ দোঁৱাই বিপৰীত ফালৈ চুচৰি ওলাই গ'ল। বস্তাটো ডবাৰ তলতে পৰি ৰ'ল।

চিপাহীয়ে নিৰ্দেশ দিলে, 'হল্ট্!'

প্ৰাণৰ কাতৰে প্ৰাণে লৰ মাৰিলে।

পুলিচৰ টৰ্চে তাক অনুসৰণ কৰিছে। আকৌ শুনা গ'ল, 'হল্ট্!'

তথাপি সি দৌৰিছে।

হঠাৎ গুলীৰ শব্দ শুনি সি জঁাপমাৰি আগবাঢ়ি গৈ শুই দিলে। তাৰ গাত গুলি নালাগিল।

টৰ্চৰ পোহৰটো তীব্ৰবেগে আগবাঢ়ি আহিল।

কেৱলৰ তাঁৰত প্ৰাণৰ ভৰি সোমাইছে।

ডেগাৰখন তাৰ হাতৰপৰা উফৰি পৰিল। তাঁৰৰপৰা ভৰি এৰুৱাবলৈ সি প্ৰাণ লৈ টনা-টনি কৰিছে।

টৰ্চৰ পোহৰ আৰু জোতাৰ শব্দ দ্ৰুতভাৱে আগবাঢ়ি আহিল। আৰু এসময়ত চৰকাৰী বন্দুকৰ খুন্দাত সি অজ্ঞান হৈ পৰি গ'ল।

বহুত সময় সিহঁতৰ আড্ডাত বৈ বৈ মতি আৰু বল্টু শুচি গ'ল। বন্দুকৰ আৱাজ সিহঁতে শুনিছিল। এটা চিঞৰো শুনিছিল। গতিকে প্ৰাণ মৰিল ভাবি সিহঁত গুচী। চোৰ-ডকাইতৰ এইটোৱেই নিয়ম। কাৰণ পাৰ্টিৰ কোনোবা যদি জীৱিত অৱস্থাত ধৰা পৰে তেতিয়া জীয়াই থকাবোৰৰ প্ৰাণৰ কাৰণেও পিছত টনা-টনি হয়।

বিধ্বস্ত অৱস্থাত প্ৰাণ বেলৱে থানাত বহি আছে। তাক বিভিন্ন প্ৰশ্ন কৰা হৈছে। কেঁচুৱা ল'ৰাৰ দৰে অকপটভাৱে সি তাৰ ঘৰৰ বৰ্ণনা দি গৈছে। তাৰ ডাঙৰ ককায়েকে চহাবৰ চাকৰি কৰে কিন্তু সি ঘৰৰ খবৰ নাৰাখে। সৰু ককায়েক চিত্তই ষ্টুটাৰ মেৰামতিৰ দোকান এখনত দিন হাজিৰা কৰে। ঘৰত বাপেক, মাক আৰু ভনীয়েক আছে। বাপেক বুঢ়া, গাঁৱত থাকোঁতে শৰাধ-বিধি কৰিছিল। এতিয়া নিকৰ্মা। ভনীয়েক সৰু। পঢ়া-শুনা কৰা নাই, ঘৰতে থাকে। মাক কণীয়া।

সি নিজেও চাকৰিৰ বহুত চেষ্টা কৰিছিল। নাপালে। প্ৰথমে পকেট মাৰিছে। তাৰ পিছত জোৰ কৰি বাটকৰুৱাৰ টকা-পইচা কাঢ়ি লৈছে। তাৰ পিছত এয়া ওৱাগন ব্ৰেকাৰৰ দলত যোগ দিছে। ৰেলৰ মাল চুৰি কৰাৰ ক্ষেত্ৰত সি নতুন। সি শুনিছেহে যে, ইয়াত পুলিচেও মাল চুৰি কৰিবলৈ সহায় কৰি দি ভাগ খায়। কিন্তু তাৰ তেনে যোগাযোগ নাই। কৈ কৈ প্ৰাণে কান্দে। সি তাৰ মাকৰ কাৰণেই এনে সাংঘাতিক কাম কৰিবলৈ আগবাঢ়িছিল। আজি পুৱাৰ পৰা তাৰ মাকৰ বৰ টান। প্ৰাণৰ কথা বন্ধ হৈ গ'ল। সি উচুপিলে। উচুপি উচুপি ক'লে, 'মা আৰু আজি জীয়াই নাথাকে।'

নাম-ঠিকনা লিখি তাক গৰালত সুমুৱাওঁতেই পুলিচৰ বৰচাহাব উপস্থিত হ'লহি। জেনেৰেল ডায়েৰীটো পঢ়ি, তাক মূৰৰপৰা ভৰিলৈকে ভালকৈ পৰীক্ষা কৰি চাই তেওঁ কেৱল সুধিলে, 'তোৰ নাম কি ?'

গোটেই গাত বিষ উঠিছিল প্ৰাণৰ। তাৰ হাতে-গালে তেজ। মূৰ ফাটিছে। সি কিন্তু পুলিচলৈ ভয়-সংশয় কৰা নাই। নিৰ্ভীকভাৱে সি বৰচাহাবক উত্তৰ দিলে, 'প্ৰাণ।'

প্ৰাণৰ নাম কেৱল চিঞৰি আছে কক্মিণীয়ে। জ্বৰটো মূৰত উঠিছে। উশাহ লওঁতে বুকুখনত অসম্ভৱ যন্ত্ৰণা হৈছে। কাহৰ লগত গৈছে তেজ, হোলোকা হোলোকে। প্ৰত্যেকটো নিশ্বাসেই যেন ওলাই যাব নোখোজে। তাৰ মাজে মাজে কেৱল প্ৰাণৰ নাম উচ্চাৰণ কৰি গৈছে কক্মিণীয়ে।

নিজৰ জ্ঞান-বুদ্ধিৰে যিমানদূৰ সম্ভৱ ধৰ্মবাপুৱে চিকিৎসা চলাইছে কক্মিণীৰ। কপালত চন্দন সানি দিছে। মাজে সময়ে মূৰত ঢালি দিছে দুই এচলু ঠাণ্ডা পানী। ধৰ্মবাপুৰ আশ্ৰমত থকা কম্বল-ফটাকথা গোটেইবোৰ জাপি দিছে কক্মিণীৰ গাত। ধৰ্ম শৰ্মাই জনা হ্ৰীং ক্লীং মন্ত্ৰই কোনো ফল দিয়া নাই। চৰণ পৰা মানুহৰ দৰে তেওঁ কক্মিণীৰ কষ্ট লক্ষ্য কৰিছে আৰু লক্ষ্মণ শক্তিশেলত পৰোঁতে হনুমান বিশল্যকৰণী আনিবলৈ যোৱা ৰামায়ণৰ আইধাটো এৰাধৰাকৈ পঢ়ি গৈছে।

চিত্ত এতিয়াও আহি পোৱা নাই। অথচ আজি সোনকালে আহি ডাঙৰ ডাক্তৰ আনি মাকক চিকিৎসা কৰোওৱাৰ কথা।

কালি গধূলিৰপৰা ৰুক্মিণীয়ে ভালকৈ কথা ক'ব পৰা নাই।

এতিয়া হাত-ভৰি আছাৰিছে কেৱল। অহল্যাৰ চকু ফাটি চকুপানী বৈ গৈছে। মাকৰ যন্ত্ৰণা দেখি তাই ছট্ ফট্ কৰিছে।

দাঁত কৰছিছে ৰুক্মিণীয়ে। চকু দুটা টেলেকা হৈ জিলিকিছে। চকুৰ মণি লৰচৰ কৰা নাই।

উপাসক ধৰ্মকান্ত শৰ্মাই তেওঁৰ গোটেই জীৱনৰ অভিজ্ঞতাৰে ইষ্ট-উপাসনাৰ যিমানবোৰ পদ্ধতি আয়ত্ব কৰিছিল, সেই সকলোবোৰ একালৰপৰা কামত লগালে। শৰ্মাৰ সামান্য বুদ্ধিৰে তেওঁ ভুলে-শুদ্ধে যিমানবোৰ সংস্কৃত শ্লোক মুখস্থ কৰিছিল, সেই সকলোবোৰ সশব্দে গাই গ'ল। নৱগ্ৰহৰ স্তোত্ৰ মাতিলে। অখণ্ড-মণ্ডল চৰাচৰৰ কাল্পনিক গুৰুক আবাহন কৰিলে। বহি থকাতে গায়ত্ৰী জপ কৰিবলৈ চকু মুদি ধৰ্ম শৰ্মাই দেখিলে, নৰসিংহৰ সেই দাঁত সৰা মুখখনটোৱে দূৰৰপৰা জলকা লাগি তেওঁলৈ চাই আছে।

শৰ্মাৰ দুচকুৰেদি গৰম চকুলো বৈ গ'ল।

তেওঁ ৰামায়ণৰ পদত চকু দিলে। বিশল্যকৰণী লৈ হনুমান এতিয়াও আহি পোৱা নাই।

ৰুক্মিণী স্থবিৰ হৈ আহিছে।

এনেতে দুৱাৰত টোকৰ পৰিল।

হুছেইনে চিত্তই পঠোৱা ঔষধ আৰু কেইটামান টকা লৈ আহিছে।

চিত্ত আহিল বুলি ভাবি অহল্যাই অলপ সকাহ পাইছিল। কিন্তু দুৱাৰখন খুলি হুছেইনৰ হাতত ঔষধ আৰু টকাকেইটা দেখি, চিত্ত ঘৰলৈ সোনকালে নাহে বুলি জানিব পাৰি তাই কান্দোনত ভাগি পৰিল। হাতেৰে মুখ ঢাকি তাই ভিতৰলৈ সোমাই গ'ল।

একো বুজিব নোৱাৰি মহৰতো তাইৰ পিছে পিছে ভিতৰলৈ গ'ল।

ৰুক্মিণীয়ে ছটফটাইছে।

ধৰ্মকান্ত শৰ্মাই তেতিয়াও মুখৰ ভিতৰতে কিবা পাই আছিল। তেওঁ এবাৰ অহল্যালৈ, এবাৰ ৰুক্মিণীলৈ আৰু এবাৰ হুছেইনৰ মুখলৈ চালে। ৰামায়ণখন জপাই থৈ সেপ ঢুকি ধৰ্মকান্তই ক'লে, 'ডা-ক্ত-ৰ!'

ডাক্তৰ বেজী ঔষধ দি যাবলৈ উঠিল। ৰোগী শুব বুলি তেওঁ ধৰ্মবাপুক কৈ গ'ল।

হুছেইনে ডাক্তৰৰ বেগটো হাতত লৈ তেওঁক আগবঢ়াই দিলে।

ড্ৰইংৰুম পায়ে ডাক্তৰে হুছেইনৰ হাতৰপৰা বেগটো ল'লে।

হাতত লৈ থকা দহ টকাৰ নোটখন হুছেইনে ডাক্তৰৰ হাতত গুজি দিলে। চিন্তিতভাৱে ডাক্তৰে তাক লাহেকৈ ক'লে, 'কোনো আশা নাই। বহুত দেৰি হৈ গ'ল।'

তেওঁলোকৰ পিছে পিছে আহি থকা অহল্যাই ডাক্তৰৰ মন্তব্যটো শুনি মাকৰ কাষলৈ দৌৰ দিলে।

তেওঁলোক ওলাই যাব খোজোঁতেই খৰ খোজেৰে চিত্ত ভিতৰ সোমালহি। ডাক্তৰ আৰু হুছেইনক দেখি চিত্তৰ বুকুখন কঁপি উঠিল। অচিনাকি ডাক্তৰজনক দেখি মহবতৰ মুখলৈ চাই চিত্তই প্ৰশ্ন কৰিলে, 'আপুনি...?'

'ইন্‌জেকচন্ দিলে। মই এতিয়াই ঔষধ লৈ আহিছোঁ,' হুছেইনে উত্তৰ দিলে। চিত্তক দেখুৱাই হুছেইনে ডাক্তৰক ক'লে, 'চিত্তৰঞ্জন শৰ্মা। অহল্যাৰ ককায়েক।'

কেৱল মূৰ জোকাৰিলে ডাক্তৰে।

ডাক্তৰক নমস্কাৰ কৰিবলৈ হাত তোলোঁতেই ভিতৰত অহল্যাৰ কান্দোন শুনা গ'ল।

চিত্ত দৌৰি ভিতৰলৈ আহিল।

ৰুক্মিণীয়ে চকু মুদিলে।

অহল্যাই মাকৰ গাত পৰি কান্দিলে।

মাকৰ ভৰিদুটাত সাৱট মাৰি ধৰি চিত্তই চকুপানী টুকিলে।

ডাক্তৰক পঠিয়াই ঘূৰি আহি মহৰতো চিন্তৰ কাষতে থিয় দি ৰ'ল। সি চিন্তক সান্ত্বনা দিলে।

ধৰ্মকান্ত শৰ্মাই ঘোলা চকুহুটাৰে পৰিবেশটো পৰীক্ষা কৰি হুছেইনৰ মুখলৈ চালে। আৰু ৰুক্মিণীৰ গাত দি থোৱা কাপোৰখন খামুচি ধৰিলে।

চিন্তই শেষবাৰৰ বাবে মাকৰ মুখখন চাই ল'লে।

ক্ৰমে হুছেইন আৰু অহল্যাৰ মুখলৈ চাই শৰ্মাই কাপোৰখনেৰে ৰুক্মিণীৰ মুখ ঢাকি দিলে।

নৱগ্ৰহ শ্মশানত আৰু একুৰা জুই জ্বলি উঠিল।

শৰ্মা পৰিয়ালৰ দুৰৱস্থাৰ নিৰৱ সাক্ষী হৈ বাবা ব্ৰহ্মপুত্ৰ বৈ চলিছে।

ধৰ্মকান্ত শৰ্মাৰ বামুণীয়া বৰঘৰত যবনৰ ক'লামেকুৰী সোমাইছে।

তিনি বছৰ জেইল হৈছে প্ৰাণৰ।

চিন্তৰ উপাৰ্জন সামান্যভাৱে বাঢ়িছে। সি ধৰ্মকান্তক এযোৰ কাপোৰৰ জোতাও কিনি দিছে। শৰ্মাবুঢ়াই নিজেই লাখুটি সংগ্ৰহ কৰি লৈছে। চিন্তৰ খৰচত বাপুদেউৰ পেটৰ চিন্তা কমিছে।

বাঢ়িছে মানসিক অশান্তি।

প্ৰাণৰ বাবে তেওঁৰ প্ৰাণে কান্দে। ধৰ্মকান্তই জেইলত প্ৰাণৰ লগত দেখা কৰিছে। লোহাৰ বেৰাৰ সিপাৰে আবদ্ধ প্ৰাণক দেখি তেওঁ চকুপানী টুকিছে। কিন্তু সি তাৰ দুষ্কৰ্মৰ বাবে অনুতাপ কৰা নাই, দুখ কৰা নাই নিজৰ দুৰ্ভাগ্যৰ কাৰণে। শৰ্মাৰ চকুৰ আগতে সি এটা আচৰিত মানুহ হৈ উঠিছে। বাপেকক্ৰহে সি বুজনি দিছে, সাৱধানে থাকিবলৈ কৈছে। উপদেশ দিছে স্বাস্থ্যৰ যত্ন ল'বলৈ। অবুজন কেঁচুৱাৰ দৰে সি হাঁহিছে। অহল্যা ওখ-শকত হৈছেনে সুধিছে। তিনিবছৰ জেইলত থকাটো সাধাৰণ কথা বুলি ফুৰ্তি কৰি উৰুৱাই দিছে।

আৰু অহল্যা! তাইৰ বিয়াৰ উপযুক্ত বয়স হৈছে। সেই বিষয়ে

শৰ্মাই চিত্তৰ লগত আলোচনা কৰিবলৈ কেইবাদিনো মনতে পাঙিছে। কিন্তু তেওঁ চিত্তক মুখ খুলি কথাটো ক'ব পৰা নাই। গোটেই দিনটো কুলীৰ কাম কৰি ৰাতি যেতিয়া সি তেল-ডিজেল লগা হাত-মুখেৰে ঘৰ সোমায়হি, তেতিয়া চিত্তৰ মুখত চকু পৰিলে শৰ্মাৰ তালৈ মায়া হয়। তথাপি শৰ্মাই মনস্থ কৰিছে, সময় থাকোতেই কথাটো চিত্তৰ কাণচুঙৰা উচিত—অহল্যাই ড্ৰাইভাৰ ছুছেইনৰ লগত হলি-গলি কৰিছে আজিকালি।

ধৰ্ম শৰ্মাক ৰুক্মিণীয়েও এৰি গ'ল। বাপু আজি অকলশৰীয়া। অনুশোচনাৰ কীটে তেওঁক তিলে তিলে দগ্ধ কৰিছে। ৰুক্মিণীৰ এই অযত্ন-মৃত্যু, অকালমৃত্যুৰ বাবে পুৰোহিত ধৰ্ম শৰ্মাই নিজকেই দোষী ঠাৱৰ কৰিছে।

এতিয়া তেওঁৰ আশ্ৰয়স্থল গুৱাহাটীৰ ধূলিময় ৰাজপথ, ব্ৰহ্মপুত্ৰৰ ধোলা পানী-ফেন-মেটেকা, যান্ত্ৰিক ধোঁৱাৰে ধুঁৱলি-কুঁৱলী মহানগৰীৰ আকাশ, এৰি অহা জীৱনৰ আপুকগীয়া তাল, মান, লয়, সুৰ আৰু পাৰ্কৰ সংগী বকুৱা আৰু গগৈ।

ব্ৰহ্মপুত্ৰৰ ঘুঁৰলিত অকলে বহি ধৰ্ম শৰ্মাই নদীৰ পানীত দেখে সোণালী অতীতৰ অস্পষ্ট ছাঁয়া। তেওঁ ৰুক্মিণী হৰণৰ গীত জোৰে। ৰুক্মিণীৰ বিৰহত দ্বাৰকাত কৃষ্ণই গোৱা গীত। গৌৰী ৰূপক। "হৰি হৰি কিনা ভেলি ৰাজকুমাৰী, কমল নয়ন পুৰি বাৰি জুৰাৱত, ঘনে ঘনে ফোকাৰে মুৰাৰু।" আৰু ঘনে ঘনে উশাহ লৈ লাখুটিত আঙুলি বুলাই মুখেৰে শব্দ কৰে—ধিন্ থাওঁ তাধেনিতা খিতি তাধেনিতা খিতা ধেই... ধিন্ থাওঁ খৃখিতাক্ ধিন্ থাওঁ ধেই।



নিষ্কৰ্মা বুঢ়া বৰুৱা আৰু গগৈ শৰ্মাৰ ওচৰলৈ লাহে লাহে আগবাঢ়ি আহিল। আৰু শৰ্মাৰ কাষতে দুয়ো বননিতে বহিল।

তিনিও বুঢ়া এজন আনজনৰ লুইতত বেলিমাৰ চোৱাৰ সঙ্গী।

শৰ্মাৰ গীতৰ সুৰ-তালৰ প্ৰশংসা কৰিলে বৰুৱা ডাঙৰীয়াই।

গগৈদেৱে তেওঁৰ সীমিত সাংস্কৃতিক অভিজ্ঞতাৰে ক'লে, 'এই গীতৰ লগত আজিকালিৰ বৰগীত একেবাৰেই অমিল। ই প্ৰাচীন, সেয়ে শুৱলা।'

গুৱাহাটীৰ কোনোবা এখন প্ৰথম ছোৱালী-হাইস্কুলৰ ল'ৰা-সংস্কৃত পণ্ডিত আছিল বৰুৱা ডাঙৰীয়া। ল'ৰা-ছোৱালী কেইবাটাও। দি আনি শেষ। মাজুটো ল'ৰাহে গুৱাহাটীত বুঢ়াৰ লগত থাকে। বাকী কেইটা দেশে-বিদেশে। নগাঁৱত আছিল পুৰণি ঘৰ। সেই মাটি-বাৰী বেচি ফটাশিলত অসমীয়া-পকাঘৰ সাজিলে। পিছে বৰুৱাই কওঁতেহে তেওঁৰ লগতে মাজু পো-বোৱাৰী আছে বুলি কয়, পো-বোৱাৰীয়ে আনক কওঁতে কিন্তু সিহঁতৰ লগতহে বুঢ়া আছে বোলে। পুতেকে ভিত্ৰিষ্ট্ ট্ৰেন্সপৰ্টত চাকৰি কৰে, বোৱাৰীয়েকে কৰে সভা-সমিতি। ঘোচৰ ধন, লুটৰ মালেৰে ঘৰ বজাই কৰিছে মাজুল'ৰাই। ঘৰতে জুৱাৰ আড্ডা বহুৱাইছে। সন্ধিয়া লাগোঁতে-নালাগোঁতেই অৱসৰপ্ৰাপ্ত সংস্কৃত পণ্ডিতৰ ঘৰত কাঁচৰ গিলাচৰ বাজন উঠে; বিদেশী চুৰুটৰ ধোঁৱা দেখি আৰু অভ্যাগতৰ লেগাম নোহোৱা জিভাৰ গালি-গালাজ শুনি বোৱাৰীয়েকৰ পোহনীয়া কুকুৰেও দপ্‌দপাই উঠে। প্ৰথমতে বৰুৱাই

আপত্তি কৰিছিল। এদিন টেঁটুগুৰিলৈকে খাই-পীলৈ মাজুল'বাই বাপেকক শুনাই দিলে বোলে সংসাৰত অশান্তি পালে বাণপ্ৰস্থ গ্ৰহণ কৰিব লাগে। বাণপ্ৰস্থী হৈ হিমালয়ৰ বৰফত বকৰা মৰিবৰগৈ নোখোজে। জীয়েকৰ ঘৰলৈ, খিলঙলৈ উঠিলেই তেওঁৰ বুকুত কফ জমা হয়। বহুত ভাবি-গুণি বকৰাই পো-বোৱাৰীৰ ৰাজত্বকে মানি লৈছে। যিবা নাতিপোৱালি এটা আছিল—তাৰ চকীদাৰী কৰিয়েই বুঢ়াই দিনগত পাপক্ষয় কৰিছল—এতিয়া সিও ইংৰাজী ক'ব পৰা হ'ল। গতিকে ছোৱালী হাইস্কুলৰ প্ৰাক্তন ল'ৰা সংস্কৃত পণ্ডিত নলিনী বকৰা এতিয়া দেশে-বিদেশে থকা তেওঁৰ সাতছাল পো-জীয়াৰী আৰু সিহঁতৰ নাতি-নাতিনীবে স'তে অকলশৰীয়া।

গগৈদেউৰো তথৈবচ। বাপেকৰ দিনৰে ঘৰ এটা আছে। ভাড়ালৈ দিয়ে। ল'ৰাটোৱে ডিগবৈৰ তেল কোম্পানীত কাম কৰে। আগতে তেওঁৰ দোকান-পোহাৰ আছিল। খানাপাৰা-উত্তৰ গুৱাহাটীত সপ্তাহী বজাৰ মাৰিছিল। ল'ৰা ইঞ্জিনিয়াৰ হৈ কামত সোমাই তেওঁক বেপাৰ এৰুৱালে। বুঢ়ী আছে, বেছ্ কৰ্মঠ হৈয়েই আছে। পিছে বুঢ়াৰ সগত মনৰ মিল নাই। বুঢ়ী চৌখিন, এতিয়াও পাউদাৰ ঘঁহে। বৰগীত-নামঘোষা ভাল নাপায়। হিন্দীগান শুনে, উপন্যাস পঢ়ে। পাৰা-প্ৰতিবেশীৰ বিয়াই-শান্তিয়ে গগৈদেউৰ শ্ৰীমতীয়েই ছন্নকান্তা দৈবকী। গগৈৰো ঘৰত মন নবহে।

সংসাৰখনক তিনিবুঢ়াই একে চকুৰেই দেখে। সেয়ে শ্ৰদ্ধাই-ভক্তিয়ে, কথাই-বাৰ্তাই এজনক আনজনৰ বৰ ওচৰ ওচৰ যেন লাগে।

তেওঁলোকৰ জহুত ভবলুমুখ পাৰ্কত গধূলি খন্তেক বহিবলৈ বিয়া নকৰোৱা ডেকা-গাভৰুৱে শান্তি নাপায়। যসব কথা ভলালে তিনি-বুঢ়াই দ্বিতীয়া-তৃতীয়াৰ জোন ব্ৰহ্মপুত্ৰত ডুবাই থৈহে ঘৰলৈ ওভতে।

ধৰ্মকান্ত শৰ্মা যেতিয়া ঘৰলৈ উভতিল, তেতিয়া তৃতীয়াৰ জোন পৰিল। ড্ৰইংৰুমৰ পৰ্দাখন দাঙি শৰ্মাই দেখিলে, ঠেঙৰ ওপৰত ঠেং তুলি হৰেইন চকী এখনত বহি আছে।

শৰ্মাৰ বামুণীয়া খংটো তিড়িচ্ কৰি উঠি আহিছিল। সহিলে সম্পদে পায় ভাবি তথাপি তেওঁ একো নক'লে। ৰবক ছুহেইনৰ মুখলৈ চাই, মিচিকিয়াই ইহঁ৷ যেন দেখুৱাই তেওঁ ভিতৰ সোমাই গ'ল।

ধৰ্ম শৰ্মাই জীৱনত কেতিয়াও পছুলি সুঙা নাই। পছুলি সুঙা দেখিলেই খঙতে শৰ্মাই নিজকে পাহৰি যায়। সময় সলনি হৈছে। গৰু গছত উঠিছে। কিন্তু সেই বুলিয়েই জাতবো নহয় কুলবো নহয়, এনে ডেকা মানুহ এটাই ৰাতি ছুপৰ নিশা ঘৰত অকলে থকা মাউৰা জীয়ৰী ছোৱালী পৰ দিবহি লাগেনে ?

ভৰি-হাত ধুই শৰ্মা বিচনাত উঠিলগৈ।

আগৰ কালতো অঘটন ঘটিছিল। গুহক চণ্ডাল মুনিবৰ হৈছিল। বত্নাকৰ ডকাইত বাল্মিকী মুনি হৈছিল,—ৰামায়ণৰ ডাল-পাত যোৰা দিয়া ঘটনাকেইটাৰ ভিতৰতে ঘৈণীয়েকে তাৰ পাপৰ ভাগ নলওঁ বুলিলতে ডকাইতটোৰ অন্তৰ পৰিবৰ্ত্তন হোৱা কথাটো শৰ্মাই কোনো ৰকমেই বিশ্বাস কৰিব নোখোজে—তথাপি সেইকালত পেটৰ চিন্তাতকৈ পৰলোকৰ চিন্তা গুৰুতৰ আছিল কাৰণে ধৰ্মবাপুৱে সেই ঘটনাটোও ভগৱানৰে লীলা বুলি ধৰি লৈছে—কিন্তু সেই কালতো জাত-কুলৰ বিচাৰ আছিল। স্লেচ্ছ, যবন, কৌৰকৰ্মী নিজে নিজেই দূৰতে বিদূৰ হৈ থাকিছিল।

কিন্তু আজি ? আৰাধনা কৰা দেৱ-দেৱীকো ইহঁতে বাদ দিয়া নাই। চন্দ্ৰলোকত মানুহে হাগি-মুতি আহিছেগৈ বোলে!

উঃ, কি দিন আছিল! —আৰু কি দিন আহিল!! নিষ্ঠুৰ সময়, স্থান-কাল-পাত্ৰ-জাত-কুল চৰ্ তই ভাঙিমোহাৰি একাকাৰ কৰি দিলি !!!

মহৰতক বিদায় দি আহি অহল্যাই দেখিলে, শৰ্মা শুলেই। নোখোৱা নোবোৱাকৈ অসময়ত বিচনাত উঠা দেখি অহল্যাই বাপেকক সুধিলে, 'দেউতা, ভাত নাৰাহে নেকি ?'

কল্মিণী চুকোৱাৰ পিছত শৰ্মাৰ ঘৰত চৰু হুটা। এটা শৰ্মাৰ। তেওঁ নিজে ৰান্ধে, নিজেই খায়। আনটো অহল্যাৰ। তাই ৰান্ধে

আৰু চিত্তৰে সঁতে ছয়োটাই খায়। বা মাজে-সময়ে শৰ্মায়ে তেওঁৰ চকুতে কেউজনলৈকে বান্ধে।

ছোৱালী ডাঙৰ হ'লে তাঁহাতৰ হাতৰ বন্ধা-বঢ়া বয়সীয়াজনে নোখোৱাটো হিন্দুৰ ধৰ্মীয় ৰীতি। অৱশ্যে সেইজনী ছোৱালীয়েই সকতে পায়খানা কৰি হাত ধুব নজনা অৱস্থাৰে বন্ধা শুকপাকী দ্ৰব্য গ্ৰহণ কৰিব পৰা সংস্কৃত শ্লোক আছে। এবাৰ চকু জুৰিব নোৱৰাকৈ পানী লাগিছিল ধৰ্ম শৰ্মাৰ। তেতিয়া চিত্তই তেওঁৰ হাতে-ভৰিয়ে ধৰিও অহল্যাই বনোৱা দাইল-ৰুটী খুৱাব নোৱাৰিলে তেওঁক।

ধৰ্ম শৰ্মাই কোনো উত্তৰ নিদিয়া দেখি অহল্যাই আকৌ সুধিলে, 'দেউতা, চাউল ধুই দিমনে?'

শৰ্মাৰ চিন্তা গাঁতত সোমাইছিল। অহল্যাৰ প্ৰশ্নত ধৰ্মকান্তৰ তালুত থকা অৱশিষ্ট চুলি কেইডালো দাং খাই আহিল। দাঁত-মূৰ কামুৰি হঠাৎ কিবা ভাবি মাতটো সহজ কৰি তেওঁ অহল্যাক কলে, মোলৈকো তয়ে বান্ধ আই, মই আৰু চকু নাপাতোঁ।

জীয়েৰক ভাত বান্ধিবলৈ কৈ শৰ্মা শুই থাকিল।

.......হাবিৰ মাজৰ লুংলুঙীয়া বাটেৰে শৰ্মা আহি আছিল। হঠাৎ তেওঁ দেখিবলৈ পালে, অলপ দূৰত বাটৰ দাঁতিতে নৃসিংহৰ কাণভগা মুখাটো পৰি আছে। কোনোবা উদণ্ড ল'ৰাই মুখাটো হাবিৰ মাজলৈ পেলাই দিলে বুলি ভাবি শৰ্মাৰ খংটো উঠি আহিছিল। ল'ৰাবোৰৰ শ্ৰদ্ধা-ভক্তি নাই। এনে পৱিত্ৰ বস্তু এটা মানুহে গছকা বাটৰ দাঁতিত পেলাই দিছে! পেলাবই যদি লগা হৈছিল, ব্ৰহ্মপুত্ৰত উটুৱাই দিব পাৰিলেহেঁতেন! শৰ্মাই মনত বৰ দুখ পালে। আৰু খৰ খোজেৰে মুখাটোৰ ওচৰ চাপি গ'ল। মুখাটোৰ ওচৰ চাপি আহোঁতেই শৰ্মাই দেখিলে, কাতি হৈ পৰি থকা মুখাটো নিজে নিজে পোন হ'ল আৰু আগবাঢ়ি আহি বাটৰ সোঁমাজতে থিয় দিলে।

শৰ্মা থমকি ৰ'ল।

এইবাৰ মুখাটো শৰ্মাৰ ফাললৈ লাহে লাহে আগবাঢ়ি আহিল।

ভক্তিত গদগদ হৈ, হাতযোৰ কৰি শৰ্মাই দশ অৱতাৰৰ শ্লোকটো মাতিলে।

এনেতে শৰ্মাই স্পষ্টভাৱে শুনিলে, মুখাটোৱে এটা অট্টহাস্য কৰিছে। লগে লগে আৰু এটা কাঠহাঁহি মাৰি মুখাটোৱে জঁপিয়াইছে। তাৰ গতিবেগ বাঢ়ি গৈছে। আৰু কিৰিলি পাৰি ভগামুখাটো শৰ্মাৰ ফাললৈ ঢপলিয়াই আহিছে।

শৰ্মাই কুঁজা হৈ, আঁঠুকাঢ়ি মুখাটোক এটা সাষ্টাঙ্গ প্ৰণাম কৰিব খুজিছিল। কিন্তু যি গতিত মুখাটোৱে কিৰিলিয়াই ঢপলিয়াই শৰ্মাৰ ওচৰ চাপি আহিছে, আৰু খন্তেক সময়ো শৰ্মা তেনেকৈ বৈ থাকিলে সি আহি তেওঁৰ গাতে উঠিব ভাবি তেওঁ দুখোজ পিছুৱাই আহিল। ধৰ্ম-বাপু পিছ হুঁহকি অহাৰ লগে লগে আৰু তীব্ৰগতিত মুখাটো দৌৰি আহিল। মুখাৰ অট্টহাস্য বেছি বিদ্ৰূপাত্মক, তাৰ লম্ফ-জম্ফ আৰু ভয়ংকৰ হৈ আহিল। শৰ্মাই কাকুতি যোৰা একাকি আৰম্ভ কৰিছিল। কিন্তু এনেতে নৃসিংহই দীঘল নখৰ হাত দুখন মেলি যেতিয়া শৰ্মাকে উদ্দেশ্য কৰি আগতকৈও জোৰেৰে চোঁচা ল'লে, তেতিয়া ধৰ্ম শৰ্মাই ভাবিলে তেওঁ স্বয়ং ধৰ্মৰাজৰ মুখামুখি হৈছে। বাপুৰ সৰ্বশৰীৰ মৃত্যু-আতঙ্কত কঁপি উঠিল।

ধৰ্মকান্ত শৰ্মা জঁাপমাৰি ঘূৰিল আৰু অহা বাটেদিয়ে প্ৰাণৰ কাতৰে লৰ মাৰিলে।

নৃসিংহই তেওঁক পিছে পিছে খেদি গৈছে, শৰ্মায়ো প্ৰাণ লৈ পলাইছে। তেওঁৰ শৰীৰ শক্তিহীন হৈ আহিছে। ভৰি দুটাই হাবিৰ জোপাত জপটিয়াই গৈছে। এই মুহূৰ্ততে যেন তেওঁ লুটি খাই পৰিব আৰু নৰসিংহই তাৰ ক্ষুৰধাৰ নখেৰে শৰ্মাৰ পেট চিৰাচিৰ কৰি কাঢ়ি পেলাব।

শৰ্মা দৌৰিছে। নৃসিংহই তেওঁক খেদি গৈছে।

তাওনাত গোসাঁই ওলাবৰ সময়ত বাজি উঠা ধবজৰা বৰতালৰ মাতৰ দৰে নৃসিংহৰ অট্টহাস্যই শৰ্মাৰ কাণৰ পৰ্দাত প্ৰচণ্ড আঘাত কৰি চলিছে।

শৰ্মা লুটিখাই পৰিল। নৃসিংহই দূৰৰ কমাই আনিলে। খপজপাই উঠি ধৰ্মকান্তই আকৌ দৌৰ দিলে। নৃসিংহই কৰাল মূৰ্তি ধৰি অট্টহাস্য কৰি তেওঁক অনুসৰণ কৰিলে।

অলপমান মুকলি ঠাইলৈ ওলাই শৰ্মাই ঘূৰি চালে। নৃসিংহ নাই। হাঁহিটোও থামি গৈছে। খুপি খুপি শৰ্মা কাষতে থকা টিলাটোৰ ওপৰলৈ উঠি গ'ল। ভয়াৰ্ত দৃষ্টিৰে তেওঁ চাৰিওফালে চকু ফুৰাই চালে। নাই, একো নাই। ভয়ত তেওঁৰ হাড় কঁপি আহিল। শৰ্মাৰ দাঁতে নেগেৰা বজালে, আঁঠুৱে বৰডবা।

শৰ্মাই অলপ কোঁপাই ল'লে।

নিশ্চিত মৃত্যুৰ হাতৰপৰা উদ্ধাৰ পাই ধৰ্মকান্তই কপালৰ ঘাম মচিলে। তেওঁ অলপ সময় তাতে বৈ আকৌ চাৰিওফালে চকু ফুৰালে। নাই, একো নাই। এইবাৰ শৰ্মা আন এটা বাটেদি ঘূৰিবলৈ মনস্থ কৰি টিলাটোৰ সিঁদাতিয়েদি সচকিতভাৱে নামি আহিল।

তললৈ নামি শৰ্মাই আকৌ চাৰিওফালে লক্ষ্য কৰিলে।

টিলাটোৰ ওপৰলৈ চকু দিওঁতেই হঠাৎ দেখিলে, তেওঁকে লক্ষ্য কৰি নৃসিংহই টিলাৰ ওপৰৰপৰা জঁাপ মাৰিছে। ধৰ্মকান্ত শৰ্মাই নৃসিংহৰ হাঁহিটো এবাৰ শুনিলে মাত্ৰ। তাৰ পিছত তেওঁ অজ্ঞান হৈ পৰিল।

শৰ্মাৰ বুকত পৰি থকা তেওঁৰ হাতখন আঁতৰাই দি চিত্তই বাপেকক সুধিলে, 'কি হ'ল দেউতা?'

শৰ্মাই টোপনিতে কেঁকাইছিল।

অফিচৰপৰা ঘূৰি আহোঁতে চিত্তই পুঠিমাছ ভেৰশ গ্ৰাম কিনি আনিছিল। বাপেকে তাই বঢ়া খাব—এই উল্লাসত অহল্যাই ছুটামান মাছ খৰিকাত দি মচমচীয়া কৰি ভাজিছিল। তাই ভাত বাঢ়িলত চিত্তই দেউতাকক মাতিবলৈ আহি শুনে, তেওঁ কেঁকাইছে।

ধৰ্মকান্ত শৰ্মাই চিত্তৰ প্ৰশ্নৰ কোনো উত্তৰ নিদি পুণ্য শ্লোক নলৰজাৰ শ্লোকটো মাতিলে।

চিত্তই আকৌ ক'লে, 'ভাত বাঢ়িলে দেউতা, উঠক।'

নিজেও অর্থ নজনা আক এটা সংস্কৃত শ্লোক মুখৰ ভিতৰতে আওৰাই শ্লোকটোৰ শেষতে একে লেথাৰিয়ে শৰ্মাই চিঞৰ ক'লে, 'বোপাই, ভইতে থাগে যা। আবিয়ে ছোৱালীৰ হাতে খোৱাৰ কথা— ৰাতিটো উপবাস কৰি কালিলৈ পুৱাৰপৰা দুইহাতে খাম যা।'

ধৰ্মকান্ত শৰ্মাই কেঁচুৱা ল'বাৰ হাঁহিটো হাঁহিলে।

নৃসিংহৰ কৰাল মূৰ্তিটো তেওঁৰ চকুৰ পৰ্দাত ভাহি থাকিল।

ভাৰতীয় বৈষ্ণৱ মানসৰ আদিম অৰ্ধ-পুৰুষ, নৰ আৰু পশুৰ সমাহাৰ অৱতাৰী মূৰ্তি আজি কালান্তক ৰূপ ধৰি ধৰ্মকান্ত শৰ্মাৰ পিছত ধাৱমান। ই যেন বাঁহৰ কাঠিৰ ছোমুখা নহয়। তীক্ষ্ণ দাঁত, ধাৰাল নখ, তেজপিয়া চকুৰ এক জীৱন্ত বিভীষিকা। সাক্ষাৎ শমন। বিচনাতে বহি শৰ্মাই তেওঁৰ চকুৰ আগত এতিয়াও নৃসিংহৰ সংহাৰমূৰ্তিটো প্ৰত্যক্ষ কৰিছে। উঃ কি ভয়াবহ ৰূপ! সেই ৰূপ সাধু সন্তৰ উদ্ধাৰকৰ্তা, ভক্তৰ ৰক্ষাকবচ ত্ৰাণকৰ্তা ভগৱানৰ নহয়—এটা হিংস্ৰ পশুৰ। তাৰ আক্ৰোশত যেন ধৰ্মকান্ত শৰ্মাৰ দৰে সাত্বিক সেৱকৰ নিস্তাৰ নাই। ধৰ্ম শৰ্মা উপাস্য যমদগ্নিৰ বিষবহ্নিৰ কোপত পৰিছে। বৈষ্ণৱী ধৰ্মপিতাৰ মহাকোপত পৰিছে শৰ্মা-সম্প্ৰদায়। ঐতিহ্যবিদ্বেষী পাৰিপাৰ্শ্বিকতাৰ ওচৰত আত্মসমৰ্পণে চেতনাত জ্বালাৰ সৃষ্টি কৰিছে। বিগত পৰম্পৰাৰ সোণালী স্মৃতি বৰ্তমানৰ ধূলিত মিহলি হৈ গৈছে। ধূলিস্যাৎ হৈ গৈছে ঈপ্সিত ভৱিষ্যৎ। আৰ্থিক মহাশক্তিৰ হেঁচাত আচাৰ-ৰীতি কাঁচঘৰৰ দৰে টুকুৰা-টুকুৰ হৈ ভাগি গৈছে। অসহায়, নিৰাশ্ৰয় ধৰ্মকান্তৰ দলে নাচৰ পুতলাৰ দৰে কোনোবা অদৃশ্য শক্তিৰ হাতছানিত উঠা-নমা কৰিছে। অৱস্থাৰ নিৰ্দেশক মানি লবলৈ বাধ্য হৈছে প্ৰবল অনিচ্ছা চত্বেও, কিন্তু অতীতৰ হাতবাউলিত প্ৰতি মুহূৰ্তে জৰ্জৰিত হৈ পৰিছে। পুৰণিৰ টান ত্যাগ কৰিব পৰা নাই লেশ-মাত্ৰও। নিজৰ ল'ৰা-ছোৱালীয়েই তেওঁ-লোকৰ সমুখত একো একোটা পাহাৰ হৈ থিয় দিছে। ভৱিষ্যতৰ কালে চাই দেখিছে কেৱল নিৰ্জীৱ আকাশ, বিৰাট মহাশূন্য। সকলোবেলৰা আঁতৰি অকলশৰীয়া হৈছে। নিজে পুতি লোৱা খুটিতে উজুটি খাইছে

বাৰে বাৰে। সাময়িক পৰিস্থিতিৰ কষাঘাতত মনোবল [illegible]ছে, ফল হৈছে শাৰীৰিক অৱক্ষয়। আৰু এদিন—তেওঁলোকে কলঙ্কিত বুলি ভবা উত্তৰাধিকাৰীৰ হাতত তেওঁলোকৰ ধুনীয়া পৃথিৱীখন এৰি থৈ, তেওঁলোকে সঁচা বুলি ভবা সাধুকথাবোৰ সেই ব্যভিচাৰী নায়ক নায়িকাৰ ওচৰত বিসৰ্জন দি তেওঁলোক অসন্তুষ্টভাৱে ক'ৰবাত নিঃশব্দে হেৰাই গৈছে।

পিছদিনা আবেলি চিত্তৰ দোকানলৈ অমল দত্ত আৰু মহবত হুছেইন আহিল। তেওঁলোকে কৰি অহা আঁচনি মতে অমলেই কথাটো উলিয়ালে।

ধোঁৱাই থকা চাহৰ গিলাচটো হাতেৰে ঘূৰাই ঘূৰাই, মৌন হৈ অলপ সময় ভাবিলে চিত্তই। তাৰ পিছত অমলৰ মুখলৈ চাই ক'লে, 'এই বিষয়ত মোৰ কোনো আপত্তি নাই। জাত-কুল মই নামানো। মহবত মোৰ বন্ধু আৰু মোৰ দৰেই তেৱোঁ এজন শ্ৰমিক। আমাৰ মাজত শ্ৰেণীগত পাৰ্থক্য নাই। কিন্তু মই কথাটো ভণ্টীক সুধিব লাগিব।

চিত্তৰ কথাত উচাহ পাই হুছেইনে ক'লে, 'অহল্যাৰ মতামত লৈহে মই আগবাঢ়িছোঁ। আপুনি আপত্তি নকৰে আমি জানো। কিন্তু দেউতাই...'

'দেউতাক ৰাজী কৰোৱাটো চিত্তৰ কাৰণে বিশেষ কষ্টকৰ হ'ব নালাগে। কাৰণ তেওঁলোকৰ সংসাৰ চিত্তৰ উপাৰ্জনেৰেহে চলে! কি কোৱা চিত্ত?' অমলে চিত্তৰ চকুত তাৰ চকু ৰাখিলে।

চিত্তই গম্ভীৰভাৱে ক'লে, 'দেউতাই বিৰাট আঘাত পাব, সেইটো ঠিক। কিন্তু শেষত মানি ল'বলৈ বাধ্য হ'ব।'

ধৰ্মকান্ত শৰ্মাক ৰাজী কৰোৱাৰ দায়িত্ব লৈ চিত্ত ঘূৰিল।

সময় যিমানে আগবাঢ়িছে, চিত্তৰ চিন্তাও সিমানে বাঢ়ি গৈছে। বাপেকৰ আগত কথাটো কিভাৱে উলিয়ালে ভাল হয় আৰু এই

প্ৰস্তাৱটোকেই বা তেওঁ কেনে দৃষ্টিৰে চায়, চিত্তই একো থিৰাং কৰিব পৰা নাই। মুহূৰ্তৰ কাৰণে চিত্তৰ নিজকে বৰ দুৰ্বল যেন লাগিল। সি বাপেকক নিজে নকৈ আন সূত্ৰইদি কথাটো উলিয়াব পৰা যায় নেকি ভাবি চালে। কিন্তু সি কোনো সিদ্ধান্তলৈ আহিব নোৱাৰিলে। অহল্যাই ক'বলৈ সাহ নকৰে, অমলে ক'লেও তাৰ কথাত শৰ্মাই কাণ নিদিয়ে বৰঞ্চ তাক অপমানহে কৰিব। মহবতে কোৱাৰ প্ৰশ্নই নুঠে। গতিকে চিত্তয়ে ক'ব লাগিব। সি ঘৰ পায়েই প্ৰথমতে অহল্যাৰ লগত কথাটো আলোচনা কৰিব, তাৰ পিছত বাপেকৰ লগত—ৰাতি খাই-বৈ বাপেক যেতিয়া বিচনাত উঠিব তেতিয়া—

ধৰ্ম শৰ্মা বিচনাত উঠিলেই অহল্যাই তেওঁৰ আঁঠুৱাখন ভালকৈ খুচি কাটি দিয়ে। তেওঁৰ মূৰ শিতানৰ টেবুলখনতে গামোচাখনেৰে ঢাকি পানী এঘটি থয়। আজি অহল্যাৰ পৰিবৰ্তে চিত্তই সেই কাম কৰিবলৈ আগবাঢ়ি আহিল।

আঁঠুৱাৰ ভিতৰতে পদ্মাসনত বহি ধৰ্মকান্ত শৰ্মাই তেওঁৰ বুঢ়া আলুৰে চকলিউৱা তামোল চোবাইছে। আঁঠুৱাখন খুচি দি থাকিয়েই চিত্তই বিনীতভাৱে মাতিলে, 'দেউতা!'

'কি বোপাই?' শৰ্মায়ো একান্ত আগ্ৰহেৰে প্ৰশ্ন কৰিলে।

চিত্তই তাৰ গলাটো মিহি কৰিবৰ বাবে খন্তেক সময় ল'লে। লাহেকৈ গলহেকাৰি এটা মাৰি ক'লে, 'অহল্যাৰতো বিয়াৰ বয়স হৈ আহিল...'

'এৰা, বয়স হ'ল। পিছে টকা-পইচা নহ'লে বিয়াখননো পাত কেনেকৈ? তোৰো জানো বিয়াৰ বয়স হোৱা নাই! জকাইচুকত থকা হ'লে ইমান দিনে নাতিৰ মুখ দেখিলোঁহেঁতেন!!'

'তাকেহে বোলো হ-হে-ই-ন-লৈ-কে—,' চিত্তই শেষ কৰিবলৈ নাপালে।

ধৰ্ম শৰ্মা উচপ্ খাই উঠিল, 'কো-ন? কি কলি?'

চিত্তই আকৌ এবাৰ গলাটো পৰিষ্কাৰ কৰি ল'লে আৰু পিছলৈ

ঘূৰি আঁৰত বৈ থকা অহল্যালৈ চাই তাইৰ চকুৰ পৰা চকু ঘূৰাই আনি তললৈ মুখ কৰি কৈ গ'ল, 'হুছেইন, মহবত হুছেইন। ল'ৰাটো সৎ। সদায় চকুৰ আগতে...'

টোনাত ভৰোৱা কাঠ মাছৰ দৰে ধৰ্মকান্তও আঁঠুৱাৰ ভিতৰতে জঁপিয়াই উঠিল। খণ্ডত একো নাই হৈ তেওঁ কোঁপাই কোঁপাই চিঞৰি ক'লে, 'তইঁতে মোক মাৰি পেলা। মোৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছ কিয়? কিয়? কিয়?'

শৰ্মাই হাতৰ তলুৱাৰে তেওঁৰ কাণদুখন ঢাকি ধৰিলে আৰু জঁপিয়াই জঁপিয়াই অনৰ্গল কৈ গ'ল, 'মোৰ সাত পুৰুষ নৰকত পৰিল। ধৰ্ম গ'ল, কৰ্ম গ'ল জাত-কুলো গ'ল উস্...'

শৰ্মাই হুৰাওৰাৰে কান্দিলে। অদূৰতে বৈ থকা অহল্যাই ভয় পাই বাপেকৰ ওচৰলৈ দুখোজ আগবাঢ়ি আহিল। চিত্তই 'দেউতা শুনক, দেউতা শুনক' বুলি তেওঁক শান্ত কৰিবলৈ অপচেষ্টা কৰিলে।

তেওঁৰ কাণৰ ওপৰৰপৰা হাতদুখন একৰাই আনি এইবাৰ শৰ্মাই দুই হাতেৰে নিজৰ গালদুখনত চৰিয়াবলৈ ধৰিলে। আৰু কৈ গ'ল, 'তই মৰ···নগৰত সুখ খাবলৈ আহিছিলি, পো-বোৱাৰীৰ সেৱা ল'বলৈ আহিছিলি····মোক মৰিয়াই মাৰ....তই মৰ...'

শৰ্মাৰ দপ্দপনিত শিমলুকাঠৰ তক্তাপোহখনে মেটমেটাইছে। চিত্ত আৰু অহল্যাই বাপেকক সান্ত্বনা দিব পৰা নাই।

লাহে লাহে অৱশ হৈ পৰিছে ধৰ্মকান্ত। জালত জেঁটপোট খাই আঁঠুৱাৰ বহী চিঙি এবাৰত তেওঁ বিচনাৰ ওপৰতে অলসভাৱে পৰি গ'ল।

চিত্তই আঁঠুৱাখন কাঢ়ি শৰ্মাৰ মুখটো মুকলি কৰি দিলে। অহল্যাই বিচনী এখন আনি তেওঁক বিচি দিলে। ওচৰতে থোৱা পানীঘটিত হাত জুবুৰিয়াই চিত্তই বাপেকৰ মুখখন তিতা হাতেৰে মোহাৰি দিলে। শৰ্মাৰ কেঁকনি শুনা গ'ল।

চিত্ত আৰু অহল্যাই তেওঁক শুশ্ৰূষা কৰি থাকোঁতেই ধৰ্মবাপুৱে ইষ্টদেৱতাক আৱাহন কৰিলে, 'পা-ৰ-ক-ৰা-ৰ-ঘু-না-থ—'

পিছৰ সপ্তাহত চিত্তই এদিন কাম খতি কৰিলে।

দাড়ি-চুলি কাটি ছুছেইনো সাজু হ'ল।

বন্ধু-বান্ধৱে সাক্ষী দিলে, অহল্যা-মহবতক পত্নীয়কে শুভেচ্ছা জনালে।

চিত্তই অহল্যা আৰু মহবতক লগত লৈ গৈ জেলত প্ৰাণক লগ ধৰিলে।

প্ৰাণ ফূৰ্তিত আছে। ভাৱ চেহেৰা আগতকৈও ভাল হৈছে। সি নিজকে অপৰাধী বুলি ভবা নাই। অহল্যাক মৰম-সাদৰ কৰিলে প্ৰাণে আৰু ছুছেইনৰ বৈবাহিক জীৱন সুখৰ হ'বই বুলি নিশ্চিত আশা প্ৰকাশ কৰিলে।

শিল পৰা কপৌৰ দৰে মুজুৰা লাগি ধৰ্মকান্ত শৰ্মা বাহিৰৰ কোঠাতে বহি আছিল। শৰ্মা বিমৰ্ষ, বিধ্বস্ত। তেওঁ বেলি ছুপৰীয়া শুই উঠি পা ধুই পূজা-সেৱা কৰি হাত নধৰকা চকী এখনত খালী গাৰে বহি আছে। তেওঁৰ কান্ধত এখন তিতা গামোচা।

অহল্যাৰ বিয়াৰ কথাটোৱে শৰ্মাৰ মনত নিগনি-মেকুৰীৰ খেলা খেলিছে। বহুত বিপদে শৰ্মাৰ জীৱন পছকি গৈছে। সাতামপুৰুষীয়া যজমানে তেওঁৰ বৃত্তি বিকল কৰিছে। জকাইচুকত বিনা চিকিৎসাত তেওঁৰ ৰবজীয়ৰী ঢুকাইছে। গুৱাহাটীলৈ অহাৰ পিছতো তেওঁ কম জীয়া জুই পুইৱা নাই। মনোৰঞ্জনে বিশ্বাসঘাতকতা কৰিছে। আঁউসী-একাদশী কৰাৰ অভ্যাস তেওঁৰ আগৰে আছিল আৰু গুৱাহাটীলৈ আহি তেওঁ কোনোমাহত গোৰ্দ্ধৰ দিনো নিশিপালন কৰিছে। তেওঁৰ পৰিয়ালত এটা এটাকৈ ঘটি যোৱা প্ৰত্যেকটো ঘটনাৰ তেওঁ সাক্ষী হৈ আছে। কিন্তু আজিৰ দৰে ধৰ্ম শৰ্মা কোনোদিনেই ইমান বিচলিত হৈ পৰা নাছিল।

আজিৰ এই অৱস্থাৰ বাবে তেওঁ নিজে কিয়ানহুৰ দায়ী, শৰ্মাবাপুৱে

চিন্তা কৰিছে। ধৰ্মকান্ত শৰ্মাৰ ঈশ্বৰ চৰ্চাত অকণো কপট নাই। তেওঁৰ সামৰ্থ অনুযায়ী শৰ্মাই নিজৰ ল'ৰা-ছোৱালীক পোহপাল দিছে, শিক্ষা দিছে। বামুণৰ পেটত জন্ম হৈ তেন্তে সিহঁতে কিয় আসুৰিক স্বভাৱ আহৰণ কৰিলে? ইয়াৰ উত্তৰ ধৰ্মকান্তই বিচাৰি পোৱা নাই। অন্যায়, অত্যাচাৰ, ব্যভিচাৰেৰে দেশ তল-ওপৰ; কিন্তু তাৰ কাৰণে ধৰ্ম শৰ্মাই কাক দোষাৰোপ কৰিব? ভয়াবহ পৰধৰ্ম গ্ৰহণ কৰাতকৈ স্বধৰ্মত থাকি নিধন হোৱাটো শ্ৰেয়—শাস্ত্ৰই কয়। কিন্তু তেওঁৰ নিজৰ ল'ৰা-ছোৱালীয়েই সেই শাস্ত্ৰ দলিয়াই পেলাইছে। ইহঁতে কি ভাবে, কি কৰে বা কৰিব খোজে ধৰ্মকান্তই একো বুজি নাপায়। ল'ৰা-ছোৱালীৰ চিন্তাৰপৰা, সিহঁতৰ মাজৰপৰা ক্ৰমে আঁতৰি আহি ধৰ্ম শৰ্মা একেবাৰে অকলশৰীয়া হৈ পৰিছে। বিচ্ছিন্ন হৈ পৰিছে ধৰ্মকান্ত সমাজৰপৰাও। তেনেহলে তেওঁ যি ৰীতি-নীতিক আজীৱন বিশ্বাস আৰু নিষ্ঠাৰে সামাজিক মহাৰত্ন বুলি ঠাৱৰ কৰি আহিছিল, সেই সকলোবোৰ মিছা? ভিত্তিহীন? কিন্তু শৰ্মাৰ নিজৰ ল'ৰা-ছোৱালীয়েও কষ্ট স্বীকাৰ কৰিছে, অবৰ্ণনীয় কষ্ট! তথাপি সিহঁতে পিছলৈ ঘূৰি চোৱা নাই, কিয়? আৰু ইমান কষ্ট কৰি সিহঁত নিৰাশ হোৱা নাই বা কোনো এটায়ো পৰাজিত হৈছোঁ বুলি দুখ কৰা নাই। সিহঁত সুখে আছে। কিন্তু সিহঁতৰ বুঢ়া বাপ ধৰ্মকান্ত শৰ্মা পৰাজয়ৰ গ্লানিত, ব্যভিচাৰৰ অশান্তিত এক তিলো শান্তিৰে থাকিব পৰা নাই কিয়? এয়া জানো কেৱল কৰ্মদশাৰ ফল? হ'ব পাৰে। কিন্তু যদি সেয়ে হয়, তেন্তে ধৰ্ম শৰ্মাই পৰজন্মৰ কাৰণেওতো একো পুণ্য অৰ্জন কৰিব পৰা নাই! কুকুৰ গাহৰিৰ যোনিত ধৰ্মকান্ত শৰ্মাৰ পৰজন্ম হওক—শৰ্মাই তেওঁৰ কপালৰ চন্দনৰ ফোটটো কান্ধৰ তিতা গামোচাখনেৰে জোৰেৰে মোহাৰি উঠাই দিলে। পিছমুহূৰ্ততে তেওঁ লগুণটোত খাপ মাৰি ধৰি দাঁত-ওঁঠ কামুৰি খস্তেক ৰ'ল; তাৰ পিছতে তেওঁ কপালৰ ওপৰলৈ দুহাত তুলি ঈশ্বৰেকাৰ উদ্দেশে, শূন্যলৈ চাই এটা সেৱা কৰিলে। ধৰ্ম শৰ্মাৰ চকু দুটা তিতি আহিল।

এনেতে চিত্ত সোমাই আছিল। বাপেকলৈ কেবাহিকৈ চাই সি ভিতৰলৈ গুচি গ'ল।

অহল্যা আৰু মহৰতো আছিল।

ধৰ্মকান্ত শৰ্মাৰ ভৰি ছুই অহল্যাই তেওঁক সেৱা কৰিলে। নমস্কাৰ কৰিলে জোঁৱাই হৃদ্ধেইনে।

তিতা গামোচাখনেৰে তেওঁৰ চকু দুটা মচি, অহল্যাৰ বাহুদুটাত ধৰি তাইক থিয় কৰাই দিলে ধৰ্মকান্তই।

অহল্যাই সশব্দে উচুপিলে।

জোঁৱাইৰ হাতত জীয়াৰী গতাই দি খুটা হোৱা যি কোনো বাপেকৰ দৰে ধৰ্ম শৰ্মায়ো এটা খুটীৰ হাঁহি হাঁহিবলৈ অপচেষ্টা কৰিলে। কিবা এটা নাম নোহোৱা শোকে শৰ্মাৰ বুকুখনত খুন্দা মাৰি ধৰিছে। উলিয়াই দিয়া ছোৱালীজনীক বিদায়ৰ বেলাত একাকি আশীৰ্বাদ দিব খুজি শৰ্মাই তেওঁৰ মাতটো নিজৰ গলাৰ বাহিৰলৈ টানিও উলিয়াব পৰা নাই। তেওঁৰ জিভাখন শুকাই গৈছে। কিবা এটাই ডিঙিটোত তাহ্ মাৰি ধৰিছে। বহুকষ্টে শৰ্মা থিয় হ'ল আৰু অহল্যাৰ মূৰে-কপালে হাত বুলাই সেমেকা মাতেৰে খোনাই খোনাই ক'লে, 'ঈশ্বৰে তহঁতৰ মঙ্গল কৰক। নাকান্দিবি আই, নাকান্দিবি।'

অহল্যাক নাকান্দিবলৈ উপদেশ দি শৰ্মাই নিজৰ চকুপানী মোহাৰি ল'লে। জোঁৱায়েকলৈ চাই তেওঁ অপৰাধীৰ সুৰত ক'লে, 'মইনা, ছোৱালীৰ লগত দিবলৈ মোৰ একো নাই!'

'একো নালাগে দেউতা,' হৃদ্ধেইনে ত্তপৰাই উত্তৰ দিলে।

'আশীৰ্বাদ দিয়া বামুণ আমি। পুৰুষানুক্ৰমে আশীৰ্বাদ দি আহিছোঁ। আজিও তোমালোকক মই আশীৰ্বাদেইহে দিম—আৰু একো নাই মইনা—তোমালোকক দিবলৈ মোৰ আৰু একো নাই।' ধৰ্ম শৰ্মা কান্দোনত ভাগি পৰিল।

শহুৰেকক সান্ত্বনা দিবলৈ চেষ্টা কৰি হৃদ্ধেইনে কৈ গ'ল, 'হ'ব দেউতা, হ'ব আপুনি দুখ নকৰিব।'

শৰ্মা অলপমান শান্ত হ'ল। হঠাৎ তেওঁৰ মনত পৰিল, তেওঁ পিন্ধি থকা লগুণটোত এটা কয় যোৱা ৰূপৰ আঙঠি আছে। আঙঠিটো ধৰ্মকান্ত শৰ্মাৰ উপনয়নত তেওঁক তেওঁৰ দেউতাকে কৰাই দিছিল। শৰ্মাই লগুণৰ আঙঠিটো খুলি হাতলৈ ল'লে আৰু অহল্যাৰ বাঁওহাতখন টানি আনি তাইৰ আঙুলিতে আঙঠিটো পিন্ধাই দি কলিজা ফাটি যোৱা হাঁহি এটা মাৰি কৈ গ'ল, 'পিন্ধ আই! ল, মোৰ চিন এটা ৰাখ। ল ল, যৌতুক নহয়, অপদাৰ্থ বুঢ়া বাপেৰৰ চেনেহৰ চিনহে! কেতিয়াবা দুখত পৰিলে এইটো চাই এবাৰ হাঁহিবি হিঃ হিঃ। মইনো তইঁতক কিটো দিলোঁ, দুখ-দুৰ্দশা-যাতনা! তইঁত মাটি খাই ডাঙৰ হৈছ, তইঁতৰ সুখ হ'বই। —তোমালোকৰ হৰ-গৌৰী বসতি কৰক মইনা।'

অহল্যাৰ উচুপনিটো কান্দোন হ'ল। শৰ্মাবাপুৱে তাইৰ ফালে ঘূৰি তাইক ফুচুলাব খুজিলে, 'তই আৰু' কান্দিছ কিয়? হাঁহিবহে লাগে! আঁকৰীজনী ক'ৰবাৰ, আজি ফুৰ্তিৰহে দিন....আজি তোৰ ৰৰককায়েৰ থকা হ'লে, সৰুককায়েৰ থকা হ'লে, আজি যদি তোৰ মাৰ থাকিলহেঁতেন—তই এতিয়া আঙঠি সলাব লাগিলহেঁতেন! নাকান্দিবি আই, মই তইঁতৰ আৰু চকুপানী সহিব নোৱাৰোঁ—'

অহল্যাই বাউচি জুৰিলে।'

ধৰ্ম শৰ্মাৰ পক্ষেও আৰু ধৈৰ্য ধৰা সম্ভৱ নহ'ল। তেওঁ জীয়েকক বুকুৰ মাজত সাৱটি ধৰি কেঁচুৱা ল'ৰাৰ দৰে কেঁকুৰিলে। শৰ্মাই এবাৰ কেঁচুৱা ল'ৰাৰ হাঁহিটো হাঁহিলে। তেওঁৰ দুগালেদি দুধাৰ চকুপানী লানি নিছিগাকৈ বৈ থাকিল।

মহৰত্ত হুছেইনে দেখিলে, তাৰ শহুৰেকৰ চকুপানী দুধাৰ দুডাল বেলৰ চিৰিৰ দৰে সমান্তৰালভাৱে বৈ গৈছে—যাৰ উৎস আৰু মোহনা একেই, যি সমদূৰত্বত থাকি সমান দূৰলৈ বৈ গৈছে, কিন্তু যাত্ৰাপথত দুয়োডালৰ ক'তোৱেই এবাৰো মিলন হোৱা নাই।

পখুলিলৈ হুছেইনৰ বন্ধু-বান্ধৱে তাৰ ভগা পঁজাটো মুখৰ কৰি

তুলিলে। খাটি খোৱা মানুহৰ সানমিহলি গান-বাজনাও হ'ল। চিত্তই অহল্যাক এটা হাতেৰে চলোৱা সৰু চিলাই মেচিন উপহাৰ দিলে। অহল্যাৰ আনন্দত পাৰ নাই।

ধৰ্মকান্ত শৰ্মাই ৰাতিলৈ জল-অন্ন স্পৰ্শ নকৰিলে।

পিছদিনা পুৱাতে খালীপেটে শৰ্মা গুৱাহাটী প্ৰদক্ষিণ কৰিবলৈ ওলাল।

আজি তেওঁ গুৱাহাটীৰ ৰেললাইন চাবলৈ আহিছে।

অ'ভাৰব্ৰিজৰ ওপৰৰপৰা তেওঁ নগৰখন ভালকৈ চকু ফুৰালে। ৰেল ষ্টেশনটোলৈ চাই পঠিয়ালে, দীঘল দীঘল ৰেলৰ চিৰি—অসংখ্য, বিস্তৃত।

তললৈ নামি তেওঁ দলঙৰ ওপৰলৈ চালে। সূতাৰ দৰে সৰু কোছা কোছা বিজুলী চাকিৰ তাঁৰ। তাঁৰবোৰত এটা চৰায়ো পৰি থকা নাই, উকা। ওপৰত মহাশূন্য।

ৰেললাইনৰ দুটা চিৰিৰ মাজত পাতি থোৱা কাঠবোৰেদি শৰ্মা ভটিয়াই আহিল, জঁপিয়াই জঁপিয়াই। হঠাৎ তেওঁৰ কৃষ্ণ নাচৰ বাজনাটো মনত পৰি গ'ল: খিন্ থাওঁ....খিন্ থাওঁ, খিন্ থাওঁ খিতি তাখিন্ থাওঁ...খিন্ থাওঁ...। এছটাৰ পৰা আনছটা কাঠলৈ জঁপিয়াই শৰ্মাই ভাওনাৰ গোসাঁই সাজিলে।

আৰু মুখেৰে বাজনা বজাই, হাতেৰে অঙ্গী-ভঙ্গী কৰি, ভৰিৰে খোজ দি তেওঁ সোমাই গ'ল অ'ভাৰব্ৰিজৰ তলৰ সুৰঙ্গটোলৈ—এটা গহ্বৰ, য'ত কেৱল অন্ধকাৰে বিৰাজ কৰিছে।

ব্ৰহ্মপুত্ৰৰ পাৰৰ পাৰ্কলৈ শৰ্মা যেতিয়া আহিল, তেতিয়া তেওঁ তালৈ নিয়মিতভাৱে অহা সময়তকৈ বহুত দেৰি কৰি পেলাইছে। চিনাকি বেঞ্চত বহি থকা, জাত-কুলৰ সম্বন্ধ নাথাকিলেও নিজৰ নিজৰ দৰে তেওঁৰ সংগী দুজনৰ এজন গগৈদেউ তেতিয়াও শৰ্মাৰ অপেক্ষাত বহি আছিল।

শৰ্মাক দেখিয়ে গগৈয়ে তেওঁক ব্যগ্ৰভাৱে প্ৰশ্ন কৰিলে, 'শৰ্মাবাপু আজি যেখোন বৰ দেৰি হ'ল?'

'এ নক'ৰ আক, ৰেললাইন চাবলৈ গৈছিলোঁ। বকৰা পণ্ডিত অহা নাই ?' শৰ্মাই চিন্তিতভাৱে প্ৰশ্ন কৰিলে।

গগৈয়ে শৰ্মাবাপুক তেওঁৰ ওচৰতে বহুৱাই গম্ভীৰভাৱে ক'লে, 'নাই, বকৰা আক নাহে। তেখেত সিফলীয়া হ'ল।'

শৰ্মাই উচপ্ খালে। তেওঁ কৌতূহলী হৈ উঠিল, 'কেতিয়া হোঁ, কি হৈছিল ?'

'কালি শেহৰাতি। ষ্ট্ৰ'ক। পুৱাতে আহি তেওঁৰ ল'ৰাটোৱে খবৰ দিলে। গলোঁ, শ্মশানাৰ কাম শেষ কৰিহে আহিছোঁ।'

আপোন আপোন লগা মানুহজনৰ মৃত্যুতকৈও ধৰ্ম শৰ্মাৰ আন এটা বিষয়ৰ প্ৰতিহে কৌতূহলটো বেছি দেখা গ'ল। একে উশাহতে তেওঁ সুধিলে, 'পিছে পণ্ডিতৰ শৰাধ-বিধিনো কোনে কৰিছে ? দশকৰ্ম জনা ভাল পুৰোহিত জানো গুৱাহাটীত আছে ?'

বাপুৰ কৌতূহলৰ ওৰ নোপোৱাকৈয়ে গগৈবুঢ়াই নিৰ্বিকাৰভাৱে ক'লে, 'আজি-কালিতো আক দহা-কাজ নকৰেই। পিণ্ড-পাঠ চব্ উঠিয়েই গ'ল। শ্মশনাৰ কাম শ্মশানতে শেষ। বকৰাৰ ল'ৰাই তাৰ মূৰটোও মুখুৰালে। আজিৰ উৰা-জাহাজতে সি কলিকতালৈ গৈছে —কিবা কনফাৰেন্স্ আছে বোলে।'

পৰৰ হিত সাধন কৰিবলৈ উদ্যত হোৱা ধৰ্ম পুৰোহিতৰ মনটো হঠাৎ দমি গ'ল। ক'লে, 'এৰা, দেশ-কাল বদলি হ'ল। আমিও বসতে নাম ধ'ব পাৰিলে ভাল আছিল। পিছে আচল কথাটো কি জানে—জীয়াই থকা দিনকেইটা ব্যস্ত হৈ থাকিব পৰা হ'লে, কিবা এটা কামৰ মাজত নিজকে আবদ্ধ কৰি ৰাখিব পৰাহেঁতেন শান্তিত থাকিব পৰা হ'লহেঁতেন। এতিয়াতো আক ল'ৰা-ছোৱালীৰ দোষ দেখাৰ বাহিৰে পৃথিৱীত আমাৰ কৰিবলগীয়া একো নাই।'

'মহো তাকেহে কৈছোঁ। ল'ৰা-ছোৱালীও নষ্ট পালে। সমাজ বুলি একো নাই, জাত-কুলবো নাই বাচ্-বিচাৰ। আমাৰ ওচৰৰে মুছলমান এটাই কালি বামুণী ছোৱালী এজনী বিয়া কৰালে। চুবুৰিৰ

ডেকা-ডঙুৰা গোটেইজাকে খালে বৰভোজ একেটা পাগতে। আমাৰ পৰাকীও বং-বৰণ ঘঁহি যাবলৈ ওলাইছিল। মই ভীমৰ ভাও দিছোঁহে জানিবা কোনোমতে ব'ল।'

গগৈবুঢ়াৰ কথা শুনি ধৰ্ম শৰ্মা বুকুত গুলী লগা সৈনিকৰ দৰে আহত হৈ পৰিল। আৰু দেখি কৰিলে কথাত কথা বাঢ়িব ভাবি, গগৈৰ পৰা বিদায় লৈ শৰ্মা ভতাতৈয়াকৈ গুচি আহিল। শৰ্মাৰ আৰু লুইতত বেলিমাৰ চোৱা নহ'ল।

ধৰ্মকান্ত শৰ্মা পলাব খুজিছে। গগৈৰ চকুৰপৰা তেওঁ আঁতৰি আহিব খুজিছে—যিমান সোনকালে সম্ভৱ। কিন্তু তেওঁৰ ভবিছুটা আগবাঢ়িব খোজা নাই। মূৰটো গধুৰ হৈ আহিছে, চিন্তাই কুণ্ডলী পকাইছে। উস্ কি অঘটন। অকণমান জিৰণিৰ ঠাই, দুখাৰ মনৰ কথা, জাত-কুলৰ মিল নাথাকিলেও আপোন আপোন লগা দুজন মানুহ —তাৰো এজন গুচি গ'ল। আৰু যিজন বাকী থাকিল তেওঁো শৰ্মাৰ কাৰণে হৈ পৰিল মহাশত্ৰু। নাই, শৰ্মা আৰু কোনোদিন পাৰ্কলৈ নাহে। তেওঁ দুৱাৰ-খিৰিকী বন্ধ কৰি বন্ধকোঠাৰ ভিতৰতে জীৱন কটাব, তথাপি গগৈৰ ওচৰত তেওঁ বহুৱা সাজিব নোৱাৰে। সাত্বিক ব্ৰাহ্মণৰ ভাবমূৰ্তিৰ পৰিবৰ্তে তেওঁ—অন্ততঃ গগৈৰ চকুত—ব্যভিচাৰী, ম্লেচ্ছ হৈ ধৰা নিদিয়ে। উস্ ভাগ্যৰ কি পৰিহাস! কিয় এনে হ'ল?

ৰাজপথৰ সোঁমাজত থিয় হৈ শৰ্মাই ট্ৰেফিক্ জাম্ কৰি দিছিল। কোনোবা এজন সদাশয় লোকে গাড়ীৰপৰা নামি শৰ্মাক বাটৰ কাষলৈ আঁতৰাই বাতা উলিয়াইহে গাড়ী চলাই যাব পাৰিছে।

বাঁওফাললৈ ঘূৰিল শৰ্মাবাপু।

ঘূৰি ঘূৰি তেওঁ আকৌ নিজৰ অতীত জীৱনৰ কণাগলিত ওলালহি।

অকাইচুকীয়া যজমানৰ ব্যভিচাৰৰ প্ৰতিশোধ লবলৈ ধৰ্মকান্ত শৰ্মা গুৱাহাটীলৈ আহিছিল। ধৰ্মীয় অনুষ্ঠানৰ গ্লানি, বিশ্বাসভঙ্গৰ তাড়না আৰু এমুঠি ভাতৰ কাৰণে ল'ৰা-ছোৱালীৰ হাহাকাৰ সহ্য নকৰেঁ। বুলি অচিন নগৰীৰ ৰাজপথত বাটৰ কুকুৰৰ দৰে মৃত্যুবৰণ কৰিব পৰা

মনোবলেৰে তেওঁ গুৱাহাটীলৈ আহিছিল। কিন্তু আজি? ধৰ্মবাপুৰ নিয়তিৰ কি পৰিহাস!

জীৱনৰ অবিশ্বাস্য পৰিৱৰ্তনৰ কথা ভাবি ধৰ্মকান্ত শৰ্মা আজি বিমোৰ। তেওঁৰ চেতনাত গাঁৱলীয়া জীৱনৰ পোৱণি। মনত আক্ষেপ—তেওঁ মহানগৰীত অভিশপ্ত জীৱন যাপন কৰিছে। মহানগৰীত গতি আছে, সৌন্দৰ্য আছে, জীৱনৰ মূল্যবোধো নথকা নহয়। কিন্তু ধৰ্ম শৰ্মাৰ কাৰণে এই গতি উদ্দেশ্যহীন, এই সৌন্দৰ্য ক্ষণস্থায়ী আৰু এই মূল্যবোধ বিজতৰীয়া সংস্কৃতিৰ কৃত্ৰিম প্ৰকাশ কেৱল। মহানগৰী নিষ্প্ৰাণ। তেওঁৰ কাৰণে নগৰীৰ সকলোতেই কেৱল অভাৱ, দৈন্য আৰু দুৰ্ভিক্ষ। জীৱনবোধৰ অভাৱ, হৃদয়ৰ অভাৱ, সঞ্জীৱনী শক্তিৰ অভাৱ।

মহানগৰীৰ গলিত আলকাটৰাৰ সৰ্পিল পথ ধৰ্মকান্তৰ সমুখত। পিছফালে এৰি অহা জীৱনৰ অস্তিত্ব অবমাননাকাৰী আকুল সোঁৱৰণী। মহানগৰীৰ ওপৰত ধৰ্মবাপুৰ অভিযোগ আছে—আশাভঙ্গৰ অভিযোগ; বিতৃষ্ণা আছে—পুৰুষানুক্ৰমিক বুজাপৰাৰ দৈন্যৰ বিতৃষ্ণা; ক্ষোভ আছে—বিচ্ছেদনৰ ক্ষোভ, আৰু আছে বেদনা—নোপোৱাৰ নহয়—পাই হেৰুউৱাৰ বেদনা। মহানগৰীৰ প্ৰতিটো বস্তুৱেই ধৰ্ম শৰ্মাৰ বাবে একোটা সাঁথৰ। আনকি তেওঁৰ প্ৰত্যেকটো ল'ৰা-ছোৱালীয়েই তেওঁৰ কাৰণে একো একোটা নিমিলা অঙ্ক। মনোৰঞ্জন—বৃদ্ধ পিতা-মাতাক লালন-পালন কৰাৰ পৰিৱৰ্তে সাংসাৰিক ভোগৰ লালসাত সি পৰিয়াল লৈ পলাইছে, অৰ্থই ওাক অনৰ্থ কৰিছে। প্ৰাণ—ব্ৰহ্মবীৰ্যত জন্ম গ্ৰহণ কৰি সি আসুৰিক স্বভাৱ আহৰণ কৰিছে; অহল্যা—তিনি সন্ধ্যা গায়ত্ৰী জপ কৰা সাত্বিক বামুণৰ জীয়াৰী হৈ তাই চাৰিবেদৰ বাহিৰৰ এটা যৱনক বিয়া কৰাইছে; কল্মিণী—অগ্নিক সাক্ষী ৰাখি আজীৱন ধৰ্মকান্তৰ সেৱিকা হৈ থকাৰ সংকল্প কৰিও তেওঁ শৰ্মাক এৰি গৈছে; আৰু চিত্ত—সিয়োতো কোনো সন্তোষজনক কাম কৰি দেখুৱাব পৰা নাই ধৰ্ম শৰ্মাক! শ্লোক পাঠ কৰি, আশীৰ্বাদ দি জীবিকা নিৰ্বাহ কৰা ধৰ্মকান্তৰ সাতপুৰুষক সি সৰগৰপৰা মাটিলৈ নমাই আনিছে। শৰ্মাৰ উপাধি

পুৰুষৰ মুখত চুণ সানিছে সি হাতত তেল-ডিজেল ঘঁহি, দৈহিক পৰিশ্ৰম কৰি। কেৱল চিত্তৰ সমৰ্থন আৰু প্ৰৰোচনাত অহল্যাক বিয়া কৰোৱাৰ ক্ষেত্ৰত হুছেইনে এনে দুঃসাহস দেখুৱাব পাৰিলে। নিজৰ ভনীয়েকক জাত্যান্তৰ হ'বলৈ উদগনি দি চিত্তই তাৰ বুদ্ধিবিকল বৃদ্ধ পিতা ধৰ্মকান্ত শৰ্মাক অনাচাৰৰ অন্তৰ্দাহত ডুবাই মাৰিছে। তেওঁৰ বৈতৰণীৰ পাৰপত্ৰ নাকচ কৰি দিছে। মনোৰঞ্জনৰ মহাপাপ মোচন কৰা যায়, প্ৰাণৰ কাৰণে ধৰ্ম শৰ্মাৰ সহানুভূতি থাকিব পাৰে, আৰু অহল্যাৰ ভৱিষ্যত জীৱনৰ বাবে থাকিব পাৰে তেওঁৰ শুভ কামনা। কিন্তু চিত্ত? চিত্তক শৰ্মাই ভুল বিশ্বাস কৰি আছিছে। ধৰ্মকান্ত শৰ্মাৰ মাজুপুতেক চিত্তৰঞ্জন শৰ্মাই তাৰ বাপেকৰ কোপৰপৰা কোনোদিনেই নিস্তাৰ নাপাব। সঁচা কথা, চিত্তই দুহাতে আজুৰি শৰ্মাবাপুক পোহপাল দিছে, তেওঁৰ আৰ্থিক অৱস্থাৰ উপশম ঘটাইছে; কিন্তু মানসিক দুশ্চিন্তা? ৰূপাই, ভোগেশ্বৰ, গমধৰ, পেটুৱা, প্ৰাণ—ইহঁত আটাইবোৰে মিলি শৰ্মাক যিমান মনোকষ্ট দিছে, ধৰ্ম শৰ্মাই সবাতোকৈ নিৰ্ভৰযোগ্য বুলি ভবা তেওঁৰ মাজুপুত্ৰ চিত্তৰঞ্জনে তেওঁক আঘাত দিছে তাতোকৈ বহুগুণে বেছি। জীৱনত তাৰ শান্তি নহ'ব। কেৱল চিত্তই কিয়, ধৰ্মকান্ত বাপুক জীৱনত যি এবাৰো আঘাত দিছে তাৰ ইহজন্মে পৰজন্মে কল্যাণ নহ'ব। সুখ নহ'ব।

কিন্তু আচৰিত! চিত্তকে ধৰি মনোৰঞ্জন, অহল্যা, হুছেইন—ইহঁত প্ৰত্যেকেই সুখী হৈছে!! শান্তিত আছে!!! কেৱল ধৰ্মকান্ত শৰ্মাকহে দুখ দুশ্চিন্তাই অধঃ-উৰ্ধে আগুৰি ধৰিছে। ঐতিহ্যৰ প্ৰতি সিহঁতৰ কোনো খেদ নাই, পৰম্পৰাৰ প্ৰতি নাই কোনো আকৰ্ষণ। কেৱল ধৰ্মকান্ত শৰ্মাই অকলশৰীয়া।

ধূলিময় ৰাজপথৰ ওপৰত খিয় দি ধৰ্ম শৰ্মা তিনি আলিটোৰ মাজতে ৰ'ল। শৰ্মাৰ সমুখত পাহাৰ—উত্তৰেশ্বৰ। পাহাৰত মন্দিৰ আছে, মন্দিৰত আছে তেওঁৰ ইষ্টদেৱতা। সেই পূজাখোৱা দেৱতাক উদ্দেশ্য কৰি, চকু মুদি ধৰ্মবাপুৱে এটা নিৰন্তৰ দুহতীয়া সেৱা আগবঢ়ালে।

বিয়লিৰ বʼদ লাগি মন্দিৰৰ ধতুৰা-চূড়া জিলিকিছে। শৰ্মা অকলশৰীয়া নহয়, তেওঁৰ সঙ্গী আছে।

শৰ্মা থিয় দি থকা ৰাজপথেদি, তেওঁৰ কাষেদিয়েই তেওঁক অগ্ৰাহ্য কৰি গাড়ী-মটৰ চলি আছে। পাৰ্থিব যান-বাহনলৈ শৰ্মাৰ ভ্ৰূক্ষেপ নাই।

সেই পথেদিয়ে একালৰ পৰা স্কুটাৰ ট্ৰায়েল দি আহিল শ্ৰমিক চিত্ত। আনকালৰপৰা গাড়ী চলাই আহিল ড্ৰাইভাৰ মহবত; তাৰ কাষতে বহি অহল্যা। মহবত অহল্যাই চিত্তক দেখি মিচিকিয়াই হাঁহিলে। চিত্তয়ো সিহঁতক দেখিবলৈ পাই একে গতিবেগতে গৈ থাকিয়েই হাত জোকাৰি সিহঁতক সম্ভাষণ জনাই গʼল।

তীব্ৰগতিত পাৰ হৈ যোৱা স্কুটাৰ আৰু গাড়ীয়ে উৰুৱালে যান্ত্ৰিক ধূলি। আৰু সেই ধূলিয়ে সাত্বিক ব্ৰাহ্মণ প্ৰাক্তন যজমানী-পুৰোহিত ধৰ্মকান্ত শৰ্মাক আবৰি ধৰি তেওঁৰ অস্তিত্বক নিশ্চিহ্ন কৰি দিলে।